লুইতৰ পাৰৰ

বিদুষী বীৰাংগনা

লুইতৰ পাৰৰ

বিদুষী বীৰাংগনা

অণিমা গগৈ

Luitar Parar Bidushi Birangana, *a collection of life sketches of noted women personalities of Assam written by Anima Gogoi and published by Dr. Paramananda Rajbongshi, General Secretary, Asam Sahitya Sabha, Chandrakanta Handique Bhawan, Jorhat-785001 January, 2010. Price :Rs 70.00*

: অসম সাহিত্য সভা

প্ৰকাশক : **ড° পৰমানন্দ ৰাজবংশী**
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট- ৭৮৫০০১

প্ৰথম প্ৰকাশ : জানুৱাৰী, ২০১০ খ্ৰীষ্টাব্দ

মূল্য : ৭০.০০ টকা

অলংকৰণ : মনজিৎ ৰাজখোৱা

মুদ্ৰক : ভৱানী অফছেট এণ্ড
ইমেইজিং চিষ্টেমচ্ প্ৰাঃ লিঃ
গুৱাহাটী-৭৮১০০৭

প্ৰধান সম্পাদকৰ এষাৰ

অসম সাহিত্য সভাৰ ঘোষিত আদৰ্শ আৰু নীতিৰ আধাৰত আমাৰ কাৰ্যকালছোৱাত গ্ৰন্থ প্ৰকাশনৰ দিশত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হৈছে। অসমত যাতে গ্ৰন্থ অধ্যয়ন সংস্কৃতি গঢ়ি উঠে তাৰ বাবে সভাই কেতবোৰ গুৰুত্বপূৰ্ণ আঁচনি গ্ৰহণ কৰিছে। সভাৰ ভ্ৰাম্যমাণ পুথিভঁৰাল ইয়াৰে এটা অংশ। সভাৰ নিয়মাৱলীত সন্নিৱিষ্ট প্ৰকাশন সচিবৰ পদটোক আমাৰ কাৰ্যকালছোৱাত মাননীয় সভাপতি ৰংবং তেৰাংদেৱৰ নিৰ্দেশত কাৰ্যনিৰ্বাহক সমিতিয়ে সক্ৰিয় কৰি সেই দায়িত্ব সভাৰ এগৰাকী প্ৰবীণ সংগঠক অধ্যাপক ভবানীপ্ৰসাদ অধিকাৰীৰ ওপৰত অৰ্পণ কৰিছে। সেই অনুসৰি প্ৰকাশন সচিব ডাঙৰীয়াই হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী এলানি আঁচনি যুগুত কৰি দিছে আৰু সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে প্ৰথম সুযোগতে অনুমোদন কৰি থৈছে। তদুপৰি, নতুন সংযোজিত আঁচনি, গ্ৰন্থৰ পুনৰ মুদ্ৰণ, অনুবাদ গ্ৰন্থৰ দিশতো আঁচনি সম্প্ৰসাৰিত কৰা হৈছে। সভাৰ প্ৰকাশন সমিতিৰ উপৰি কৰ্ণধাৰ সমিতিয়ে সময়ে সময়ে জৰুৰী পৰামৰ্শ দি কামত অগ্ৰসৰ হোৱাত সহায় কৰিছে। ২০০৯-২০১১ বৰ্ষৰ কাৰ্যকালছোৱাৰ উপৰি প্ৰকাশন সচিবে অহা ২০১৬ খ্ৰীষ্টাব্দত আৰম্ভ হ'বলগীয়া অসম সাহিত্য সভাৰ শতবাৰ্ষিকীৰ প্ৰতি দৃষ্টি ৰাখি গ্ৰন্থ প্ৰকাশনৰ দীৰ্ঘম্যাদী আঁচনিও যুগুত কৰিছে। ধনৰ যোগাৰ কৰিব পাৰিলে প্ৰকাশন আঁচনিসমূহ পৰ্যায়ক্ৰমে কাৰ্যকৰী কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নহ'ব। প্ৰকাশনৰ দিশটো আত্মনিৰ্ভৰশীল কৰিবলৈও আমি চিন্তা-চৰ্চা কৰিছোঁ। সেয়ে, গ্ৰন্থ বিপণনৰ বাস্তৱ সমস্যাসমূহ অধ্যয়ন-বিশ্লেষণ কৰা হৈছে।

আমাৰ আঁচনি অনুসৰি গ্ৰন্থ ছপা কৰি বজাৰলৈ উলিয়াই দিবলৈ সভাৰ অৰ্থৰ অভাৱ। আমি অসম চৰকাৰ, বিভিন্ন নিকায়-নিগম, সদাশয় ব্যক্তিক আবেদন জনাইছোঁ যাতে আধুনিক সভ্যতাৰ বাহন, গ্ৰন্থ প্ৰকাশনৰ দিশত সভালৈ মুক্তহস্তে অনুদান আগবঢ়ায়।

অণিমা গগৈৰ 'লুইতপাৰৰ বিদুষী বীৰাংগনা' গ্ৰন্থখন জনপ্ৰিয় গ্ৰন্থমালাৰ আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। বীৰ বীৰাংগনা, বিদ্বান লোক, বিদুষী মহিলাৰ জীৱনীৰ পৰা

জানিবলগীয়া আৰু শিকিবলগীয়া ভালেমান আদৰ্শমূলক কথা থাকে। সামাজিক মূল্যবোধ থাকিলেহে একোটা জাতিৰ ভৱিষ্যৎ মংগলময় হ'ব। সেইবাবে শৈশৱ-কৈশোৰৰ পৰা উচ্চ-আদৰ্শ, নৈতিক চৰিত্ৰৰ বিষয়ে জানিবৰ বাবে মহৎ লোকৰ জীৱনী অধ্যয়ন কৰাটো বাঞ্ছনীয়। অসমীয়া ভাষাত জীৱনীমূলক গ্ৰন্থৰ অভাৱ নাই। তথাপি অণিমা গগৈয়ে আমাৰ সু-পৰিচিত কেবাগৰাকী বিদুষী নাৰীৰ চমু জীৱনী তথ্যসহ লিখি উলিয়াইছে। আশা কৰোঁ, জীৱনীসমূহে পঢ়ুৱৈ সকলক উদ্বুদ্ধ কৰিব।

পৰমানন্দ ৰাজবংশী

প্ৰধান সম্পাদক

প্ৰকাশন সচিবৰ আগকথা

অতীজৰে পৰা অসমখন বীৰ বীৰাংগনাৰ দেশ। পৌৰাণিক কাহিনীতো অনেক বীৰ বীৰাংগনাৰ বিষয়ে আকৰ্ষণীয় বৰ্ণনা পোৱা যায়। এনে জীৱনীয়ে শিশু, কিশোৰ-কিশোৰীৰ উপৰি যি কোনো পাঠককে অনুপ্ৰাণিত কৰে। অসমৰ সমাজ জীৱনলৈ যিসকল বৰেণ্য লোকে অনবদ্য অবদান আগবঢ়াইছে সেইসকলৰ জীৱন আৰু কৰ্ম সম্পৰ্কে আজিৰ প্ৰজন্মক জানিবলৈ দিয়াটো এটা জাতীয় দায়িত্ব। অসমীয়া ভাষাত এনে বিষয়ৰ গ্ৰন্থ প্ৰকাশ পাই আহিছে।

সম্প্ৰতি লেখিকা অণিমা গগৈয়ে অসমৰ আঠাইছ গৰাকী বিশিষ্ট গুণ সম্পন্ন নাৰীৰ চমু জীৱনী লিখি 'লুইতপাৰৰ বিদুষী বীৰাংগনা' নামেৰে এখন গ্ৰন্থ প্ৰস্তুত কৰিছে। বিষয়বস্তুৰ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি অসম সাহিত্য সভাৰ প্ৰকাশন আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। কেয়োগৰাকী বিদুষী নাৰীৰ জীৱন বৈচিত্ৰ্যৰ ৰূপ দেখি পঢ়ুৱৈসকল অনুপ্ৰাণিত হ'লে আমাৰ শ্ৰম সাৰ্থক হ'ব। গ্ৰন্থৰ লেখিকালৈ সভাৰ পক্ষৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।

গ্ৰন্থখনৰ অলংকৰণ কৰা বাবে মনজিৎ ৰাজখোৱাৰ শলাগ ললোঁ। গ্ৰন্থখন ছপাই, বন্ধাই দিয়া বাবে ভবানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ প্ৰাঃ লিঃৰ কৰ্মকৰ্তা আৰু কাৰিকৰসকলৰ অশেষ শলাগ ললোঁ। অসম সাহিত্য সভাৰ মাননীয় সভাপতি ৰংবং তেৰাং আৰু প্ৰধান সম্পাদক ড° পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই প্ৰকাশনৰ দিশত সৰ্বতোপ্ৰকাৰে দিহা-পৰামৰ্শ আগবঢ়োৱা বাবে গ্ৰন্থখন পাঠক সমাজৰ হাতত তুলি দিব পৰা হৈছে। শেষত দুয়োগৰাকীলৈ মোৰ কৃতজ্ঞতা জনালোঁ। পাঠকশ্ৰেণীয়ে গ্ৰন্থখন আদৰি ললে সভাৰ উদ্দেশ্য সফল হ'ব।

ভবানীপ্ৰসাদ অধিকাৰী
প্ৰকাশন সচিব

প্ৰস্তাৱনা

কোনো এটা জাতিৰ সভ্যতাৰ বিকাশৰ আঁৰত অতীজৰে পৰা নাৰী শক্তীয়ে গুৰুত্বপুৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তদুপৰি নাৰী সকলো শক্তিৰ অধিকাৰী বুলি দেৱী শাস্ত্ৰত উল্লেখ আছে—

'যা দেৱী সৰ্ব্বভূতেষু শক্তিৰূপেন সংস্থিতা
নমঃ তস্যৈ, নমঃ তস্যৈ নমো নমঃ'

গীঁতাৰ দশম আধ্যয় বিভূতি যোগত ভগৱান শ্ৰীকৃষ্ণই কৈছে— 'মই নাৰীৰ হৃদয়ত সপ্তশক্তিৰূপে আছোঁ— কীৰ্তি, শ্ৰী, বাণী, স্মৃতি, মেধা, ধৃতি আৰু ক্ষমা। নাৰীয়ে মাতৃৰূপে, স্ত্ৰীৰূপে, জয়াৰূপে, পত্নীৰূপে, জননীৰূপে, ভাৰ্য্যাৰূপে, কন্যাৰূপে, ভগিনীৰূপে মহিলাৰ কল্যাণকামী সমাজৰ দুৰ্গতিত বাধা আৰোপ কৰি, দুৰ্গতিনাশিনী শ্ৰীদুৰ্গাদেৱীৰ দৰেই মংগলময়তাৰ ফালে দিক্ নিয়ন্ত্ৰণ কৰিবলৈ যুগে যুগে অহৰহ চেষ্টা কৰি আহিছে, সেই কথা আমি অসমৰ বুৰঞ্জী অধ্যয়ন কৰিলেই জানিব পাৰোঁ। আহোমসকল অসমলৈ অহাৰ পৰাহে অসমত বুৰঞ্জী লিখাৰ প্ৰথা প্ৰচলিত হৈছিল। সেইবাবে আহোম সকল সৌমাৰলৈ অহাৰ আগতে লুইতৰ পাৰৰ নাৰীসকলৰ বিষয়ে বিশেষ একো জনা নাযায়। পৌৰাণিক আখ্যান মতে, অসম দেশৰ নাম আদিতে কামৰূপ আছিল। কালিকা পুৰাণৰ মতে বিষ্ণুৱে নৰকক কামৰূপৰ ৰজা পাতিছিল। সেই নৰক বংশৰ এগৰাকী বিদুষী জীয়ৰী আছিল। ইয়াৰ বাহিৰে সেই সময়ৰ কোনো উল্লেখযোগ্য নাৰীৰ বিষয়ে বুৰঞ্জীত পাবলৈ নাই।

অসম বুৰঞ্জীৰ পৰা জানিবলৈ সক্ষম হৈছোঁ, ১২২৮ খ্ৰীষ্টাব্দত চাওলুং চ্যুকাফাই সৌমাৰত পদাৰ্পণ কৰিছিল। সেই সময়ত এই টাই গোষ্ঠীটোৱে সৌমাৰৰ নানা ঠাইত বিভিন্ন জনজাতিৰ বাধাৰ সন্মুখীন হৈছিল। সেই সময়ছোৱাত টাই নাৰী সকলে অবলা হৈ ঘৰতে বহি থকা নাছিল। তেওঁলোকেও স্বামীক দেশ অধিকাৰ কৰাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াইছিল। চাওলুং চ্যুকাফাৰ পত্নী আছিল নাং চিয়েং লি। সৌমাৰত ভৰি দি তেওঁ অতি উৎফুল্লিত হৈ পৰিছিল। অসমৰ পৰ্বত-পাহাৰ, নদ-নদী, শস্য

পথাৰৰ বিতোপন দৃশ্যই তেওঁক আকৃষ্ট কৰিছিল। অতি মৰমীয়াল মহিলা গৰাকীয়ে সেইসময়ত সৌমাৰত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মানুহৰ লগত সহজেই মিলি যাব পাৰিছিল। তেওঁ সু-ব্যৱহাৰেৰে সকলো জনগোষ্ঠীৰ মানুহৰ মাজত সমন্বয় গঢ়ি তোলাত আগভাগ লৈছিল। চ্যুকাফাৰ নাং লাই লুং ইন খাম নামৰ এগৰাকী বুদ্ধিমতী নাতিয়েকো আছিল। বাকপটু মহিলাগৰাকীয়ে জনজাতিসকলক ভাল ভাল কথা কৈ সহজে আকৰ্ষিত কৰিব পাৰিছিল। এনেদৰেই তেওঁ চ্যুকাফাৰ ৰাজ্য বিস্তাৰত আগভাগ লৈছিল।

এই আলোচনাৰ পৰা এয়া জ্ঞাত হয় যে সেই সময়ত টাই জাতিৰ মহিলাসকলে আৰ্থ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত পুৰুষৰ সমানে মান-মৰ্যাদা লাভ কৰিছিল। সেই সময়ত বিধবা বিবাহ প্ৰচলন আছিল। নাৰীজাতিক অসুবিধাত পেলাব পৰা নীতি নিয়ম অসমীয়া সমাজে সাধাৰণতে গ্ৰহণ কৰা নাছিল। আহোম ৰাজত্বৰ দিনত ওৰণি প্ৰথা, কপালত সেন্দুৰৰ ফোঁট লোৱা, বাল্য বিবাহ আদি প্ৰথা প্ৰচলিত নাছিল। তেতিয়া ছোৱালীয়ে নিজে দৰা বাচনি কৰাৰ অধিকাৰো নাছিল। সেইবাবেই পুৰুষৰ সমানে অধিকাৰ লাভ কৰা তৎকালীন অসমীয়া নাৰীসকলে বিদেশী শত্ৰুৰ লগত বীৰাংগনা হৈ ৰণ দিয়া, নিজৰ দেশক শাসন কৰা, দেশত শিক্ষা বিস্তাৰৰ বাবে পঢ়াশালি স্থাপন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাবলৈ সক্ষম হৈছিল। সেই সময়তে মদম্বিকা কুঁৱৰীৰ নিৰ্দেশত কবিচন্দ্ৰ দ্বিজে 'কামকুমাৰহৰণ' ৰচনা কৰিছিল। কছাৰী ৰাণী চন্দ্ৰপ্ৰভাৰ নিৰ্দেশমৰ্মে ভুবনেশ্বৰ বাচস্পতিয়ে 'বৃহন্নাৰদীয়' পুৰাণ লিখিছিল। কোঁচ ৰজাৰ ভাই বোৱাৰী নৰনাৰায়ণৰ পত্নী ভানুমতীৰ অনুৰোধত পুৰুষোত্তম বিদ্যাবাগীশে ৰচনা কৰিছিল— 'ৰত্নমালা ব্যাকৰণ'। এনেবোৰ উদাহৰণেই প্ৰমাণ কৰে যে আহোম যুগত অসমীয়া নাৰীয়ে পুৰুষৰ সমানেই অধিকাৰ লাভ কৰিছিল। অৱশ্যে, বৰ্ণহিন্দু নাৰীসকলৰ তেনে স্বাধীনতা নাছিল। তেওঁলোকৰ পুৰুষসকলে শাস্ত্ৰৰ নানা প্ৰকাৰৰ বিধান দেখুৱাই নাৰীসকলক চৰাশালী আৰু ৰান্ধনীশালত বন্দী কৰি ৰাখিছিল। শ্ৰেণী,বৰ্ণ, ধৰ্মভেদে লুইতপৰীয়া নাৰীৰ ঐতিহ্য বিভিন্ন ৰূপত ফুটি উঠিছিল। অৱশ্যে এয়াও সত্য যে তথাকথিত উচ্চ হিন্দু অসমীয়া সমাজত কেইদশকমান আগলৈকে মহিলাই মুকলি মুৰীয়াকৈ ফুৰা-চকা কৰাত বাধা আছিল। যি সময়ত এচাম লুইতপৰীয়া নাৰীয়ে বঙাল আৰু মানক খেদি নিজৰ দেশ ৰক্ষা কৰিবলৈ ব্যগ্ৰ হৈ পৰিছিল, নিজৰ জীৱন পৰ্যন্ত উৎছৰ্গা কৰিছিল, সেইসময়ত উচ্চ বৰ্ণ শ্ৰেণীয়ে মোগল আৰু মানৰ ভয়ত তেওঁলোকৰ সমাজৰ কমবয়সীয়া ছোৱালীবোৰকো বিয়া দিছিল। সেই বাবেই সেই শ্ৰেণীৰ মানুহৰ মাজত বাল্য বিবাহৰো প্ৰচলন হৈছিল। পিতৃ পৰিয়ালৰ সন্মান আৰু ছোৱালীৰ সতীত্ব ৰক্ষা

কৰিবলৈ দৰাৰ বয়সৰ কোনো বিচাৰ নকৰি ফুল কুমলীয়া ছোৱালীবোৰক দুই-তিনি গৰাকী পত্নী থকা নিজৰ পিতৃৰ বয়সৰ লোকলৈ বিয়া দিছিল।

আহোমৰ ছশ বছৰীয়া ৰাজত্ব কালত লুইতৰ পাৰৰ মহিলা সকলে সাহস,শক্তি, অতুলনীয় দেশপ্ৰেম, তেজস্বিনী আদৰ্শ অসম বুৰঞ্জীৰ পাতত জিলিকাই থৈ যাব পাৰিছিল যদিও ইংৰাজ সকল অসমলৈ অহাৰ লগে লগে অসমৰ নাৰীসকলৰ জীৱনলৈ পৰিবৰ্তন আহে। ইংৰাজসকল অসমলৈ আহোতে তেওঁলোকে লগত অন্য মানুহো লৈ আহিছিল। তেওঁলোকৰ লগত দীৰ্ঘদিন ধৰি মোগল সংস্কৃতি প্ৰভবান্বিত বংগ সংস্কৃতিৰো অসমলৈ আগমণ ঘটিছিল। ফলত আহোম ৰাজত্বৰ সময়ত নথকা কিছুমান বেয়া নীতি-নিয়ম (ওৰণি লোৱাৰ দৰে পৰ্দা প্ৰথা, যৌতুক প্ৰথা) অসমৰ সমাজত ক্ৰমান্বয়ে শিপাবলৈ ধৰিলে। কিছুমান পণ্ডিতৰ মতে , সেই সময়ত বৰ্ণহিন্দু নাৰীসকল অসৰ্যস্পৰ্শা হৈ পৰিছিল। সময় গতিশীল। ঊনৈশ শতিকাৰ প্ৰথম ভাগত ভাৰততত নাৰীমুক্তিৰ ভাবধাৰা প্ৰচাৰ আৰু প্ৰসাৰ হয়। ভাৰতীয় সমাজ সংস্কাৰকসকলৰ নাৰীমুক্তিৰ প্ৰচেষ্টাই অসমত পোনপটীয়া প্ৰভাব পেলাব পৰা নাছিল যদিও "সেইসময়ত কলকাতাত অধ্যয়ন কৰি থকা কেইজনমান যুৱকৰ ওপৰত সংস্কাৰক সকলৰ প্ৰভাব পৰিছিল। সেই যুৱক সকলৰ প্ৰচেষ্টাতে লুইতৰ পাৰৰ নাৰীসকলৰ জীৱনলৈ কিছু পৰিৱৰ্তন আহে। সেইসময়ত অসমৰ সমাজত স্ত্ৰীশিক্ষাক কেৱল অপ্ৰয়োজনীয়ই নহয়, সমাজৰ বাবে অপকাৰী আৰু অমংগল বুলিহে গণ্য কৰি লৈছিল। ভাৰতৰ নানা ঠাইত আৰম্ভ হোৱা স্ত্ৰীশিক্ষাৰ অভিযান যাতে অসমত প্ৰৱেশ কৰিব নোৱাৰে, তাৰ বাবে এটা শ্ৰেণীয়ে যথেষ্ট যত্ন কৰিছিল। আহোম যুগৰ লুইতৰ পাৰৰ নৰীসকলৰ মান মৰ্যাদা, শিক্ষা সংস্কৃতিৰ গৌৰৱ, দেশপ্ৰেমৰ আদৰ্শ আদি সেইসকলে ভৰিৰে মোহাৰি পেলাইছিল। এনে কাৰণতে সেই যুগৰ নাৰীয়ে নিজৰ সাহস-মেধা-গুণৰ জৰিয়তে নিজৰ নাম বুৰঞ্জীৰ পাতত লিপিবদ্ধ কৰি থৈ যাব নোৱাৰিলে।

১৮৭০-৭৩ চনৰ ভিতৰত সংস্কাৰকসকলৰ প্ৰচেষ্টা আৰু ইংৰাজ চৰকাৰৰ উদগনিত অসমৰ নাৰী সমাজৰ বহু পৰিৱৰ্তন আহে। তেওঁলোকৰ প্ৰচেষ্টাতে অসমত ১৩ খন বালিকা বিদ্যালয় স্থাপন হয়। সেই বিদ্যালয়সমুহতে ১১৫ গৰাকী ছাত্ৰীয়ে পঢ়িবলৈ আহি লুইতৰ পাৰৰ মহিলাসকলৰ জীৱনলৈ নতুন ৰেঙনি কঢ়িয়াই আনে। তেতিয়াৰ পৰা লুইতৰ পাৰৰ নাৰীসকল নিজৰ অধিকাৰক লৈ সজাগ হ'ল। ঊনবিংশ শতিকাৰ শেষৰফালে যজ্ঞৰাম খাৰঘৰীয়া ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিৰ প্ৰচেষ্টাত অসমৰ নাৰীসকল নিজৰ অধিকাৰ সম্পৰ্কে সজাগ হয় আৰু তেওঁলোক সক্ৰিয় হৈ উঠে। ভাৰতৰ মূলসুঁতিৰ পৰা প্ৰায় বিচ্ছিন্ন হৈ থকা অসমৰ

মহিলাসকলেও সাংগঠনিক মনোভাৱেৰে ভাৰতবৰ্ষৰ বাকী অঞ্চলৰ মহিলা সকলৰ লগত সমানে আগবাঢ়ি যাবলৈ সক্ষম হয়। এনেদৰে এই নাৰীসকলৰ প্ৰচেষ্টাত ১৯৯৫ চনত অৰ্থাৎ ভাৰত মন্ত্ৰী মণ্ডল গঠিত হোৱাৰ প্ৰায় পাঁচ বছৰৰ পাছতে ডিব্ৰুগড়ত প্ৰথম মহিলা সমিতি গঠন হয়। এই অনুষ্ঠান হৈ পৰিল অসমীয়া নাৰীসকলৰ মুখপত্ৰ স্বৰূপ। তেওঁলোকে কোনো আন্তৰ্জাতিক, জাতীয় সংগঠন অথবা পুৰুষচালিত সংগঠনৰ ওপৰত নিৰ্ভৰ নকৰাকৈ এই অনুষ্ঠানৰ জৰিয়তে তেওঁলোকে ইংৰাজৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ নাৰীসকলক জগাই তুলিলে। এই নাৰীসকলে সমাজৰ বিভিন্ন পংকিলতা নেওচি 'মৰিম অথবা তৰিম' ভাৱেৰে আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰি বহুতে প্ৰাণ আহুতি দিলে, বহুতে কাৰাবাস খাটিলে, বহুতো আজীৱনৰ বাবে পংগু হ'ল আৰু চিৰ দিন কুমাৰী হৈ ৰ'ল। তথাপি, তেওঁলোকে নিজৰ আদৰ্শ বিসৰ্জন নিদি সাহস, শক্তি, কৰ্মনিষ্ঠা, সময়নিষ্ঠা আৰু অতুলনীয় দেশপ্ৰেমেৰে স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল।

এনেদৰেই জাগ্ৰত হৈ পৰিছিল লুইতৰ পাৰৰ নাৰীশক্তি। নিজৰ কৰ্তব্য, সাহস, শক্তি সমাজত প্ৰতিপন্ন কৰি এই বীৰাংগনা সকলে অসমীয়া নাৰীৰ ঐতিহ্য পুনৰ ঘূৰাই আনিবলৈ সক্ষম হ'ল। আহোম যুগৰ নাৰীসকলৰ দৰেই তেওঁলোকে নিজৰ দেশৰ স্বাধীনতা ৰক্ষা আৰু মংগলৰ বাবে জাগ্ৰত হৈ উঠিল। এই বীৰাংগনাসকল অসমীয়া জাতিৰ গৌৰৱ। এনে কেইগৰাকীমান বিদুষী বীৰাংগনা নাৰীৰ জীৱনৰ আদৰ্শক লৈয়ে এই গ্ৰন্থখন ৰচনা কৰা হৈছে। এই গ্ৰন্থখন ৰচনা কৰোঁতে অসম বুৰঞ্জী, বাতৰি কাকত, আলোচনী, আন্দোলনৰ গ্ৰন্থ আদিৰ তথ্যৰ সহায় লোৱা হৈছে। স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা এইসকল মুক্তি সংগ্ৰামীৰ ইতিমধ্যে মৃত্যু হৈছে। এই ত্যাগময়ী মহিলাসকলে স্বাধীনতা সংগ্ৰামলৈ দি থৈ যোৱা মহান অৱদানৰ বিষয়ে উঠি অহা প্ৰজন্মক অকণমান হ'লেও জানিবলৈ এই গ্ৰন্থখনে সহায় কৰিলে মই অতি সুখী হ'ম। গ্ৰন্থখন ৰচনা কৰিবলৈ অসম লেখিকা সংস্থাৰ সভানেত্ৰী হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিয়ে উদ্‌গনি জনোৱাৰ বাবে তেওঁলৈ ধন্যবাদ যাচিলোঁ। এই গ্ৰন্থখনি অসম সাহিত্য সভাই প্ৰকাশৰ দায়িত্ব লোৱাত কৃতজ্ঞ হ'লো। আশা কৰোঁ, আগৰ কেইখন গ্ৰন্থৰ দৰেই পাঠকসকলে এই গ্ৰন্থখন আদৰি লৈ মোক উৎসাহিত কৰিব।

অণিমা গগৈ।

২৬-১২-০৯

সূচী-পত্ৰ

অমৃত প্ৰভা	১
বীৰাংগনা মূলা গাভৰু	৪
ৰাণী সাধনী	১৩
চাউচিং গাভৰু	২৪
নাং বক্ৰু গাভৰু	২৯
আই কনকলতা	৩৮
ৰমণী গাভৰু	৪২
আত্মত্যাগী জয়মতী	৫১
কুৰঙ্গনয়নী	৫৯
ফুলেশ্বৰী	৬৪
ৰাধা আৰু ৰুক্মিণী	৬৭
কমলেশ্বৰী কুঁৱৰী	৬৯
মুংৰী ওৰফে মালতী মেম	৭৪
স্বৰ্ণলতা শইকীয়া	৭৯
দ্বাৰিকী দাসী বৰুৱা	৮৪
গুণেশ্বৰী দেৱী	৮৮
ছহিদ ভোগেশ্বৰী ফুকননী	৯২
ছহিদ কনকলতা	৯৫
ইন্দিৰা মিৰি	১০১
চন্দ্ৰপ্ৰভা শইকীয়ানী	১০৪
নলিনীবালা দেৱী	১১০
ৰাজবালা দাস	১১২
পদ্মকুমাৰী গোহাঁই	১১৯
ৰাণী গাইদালু	১২২
অমলপ্ৰভা দাস	১২৭
প্ৰজ্ঞাৱতী পুষ্পলতা	১৩২
মাতৃ সুৰবালা বৰদলৈ	১৩৫
চিত্ৰ পৰিচয়	১৩৯

অমৃতপ্ৰভা

খ্ৰীষ্টীয় প্ৰথম শতিকাত কামৰূপত নৰকবংশীয় এজন বৰ পৰাক্ৰমী ৰজাই ৰাজত্ব কৰিছিল। এই নৰকবংশীয়সকলে পুৰণি দানৱ বংশীয় ৰজা ঘটক মিৰাতৰ বংশক নিৰ্মূল কৰি ৰাজ্য বিস্তাৰ কৰিছিল। মিৰাত অৰ্থাৎ মংগোলীয়সকলৰ বসতিস্থল এটা সময়ত নৰকসকলে নিয়ন্ত্ৰণ কৰিছিল। নৰকৰ প্ৰভাৱতেই ৰাজ্যৰ সৰ্বাত্মক উন্নতি ঘটিছিল। সেয়ে এই ৰাজ্যৰ প্ৰভাৱ নানান ঠাইলৈ প্ৰসাৰিত হৈছিল।

সেই সময়ত কামৰূপত এজনী বৰ সুলক্ষণা কন্যা আছিল। তেওঁৰ নাম পিতৃয়ে অমৃতপ্ৰভা ৰাখিছিল। তেওঁৰ মাতষাৰত অমৃত বৰষিছিল। তেওঁৰ মাতৰ মৰমতে সকলো আকৰ্ষিত হৈছিল। অমৃতপ্ৰভাৰ স্বভাৱ-চৰিত্ৰ আছিল অতি উত্তম। সকলোৰে লগত সহজ-সৰল হৈ মিলিজুলি থাকি তেওঁ ভাল পাইছিল। দেখাতো তেওঁ অতি দীপ্‌লিপ আছিল। সেয়ে তেওঁৰ নানান গুণ-গৰিমাৰ কথা বিভিন্নজনে শলাগিছিল। ৰজাৰ জীয়েক হৈ দেশৰ ৰাজনীতিৰ কথা শিকিছিল। ডাঙৰ হৈ অহাৰ লগে লগে দেশৰ ৰাজনীতিৰ খবৰ ল'বলৈ পাহৰা নাছিল। আনকি তেওঁৰ বৌদ্ধ ধৰ্মৰ প্ৰতি সৰুৰে পৰা বৰ ভক্তি আছিল। অমৃতপ্ৰভাৰ এই সকলোবোৰ গুণৰ কথা ভাৰতৰ নানান ঠাইলৈ বিয়পি পৰিছিল।

লাহে লাহে অমৃতপ্ৰভা ডাঙৰ হৈ বিয়া হোৱাৰ বয়সত ভৰি দিলে। সেয়ে কামৰূপৰ ভৌম্যৰজাই তেওঁৰ মৰমৰ জীয়েক অমৃতপ্ৰভাৰ বিয়াৰ কথা চিন্তা কৰিলে। ৰাজমন্ত্ৰীসকলৰ লগত আলোচনা কৰি অমৃতপ্ৰভাৰ সয়ম্বৰ পাতিবলৈ মনস্থ কৰে। সেই অনুসৰি এটা শুভদিনত অমৃতপ্ৰভাৰ বিয়াৰ বাবে সয়ম্বৰ পাতে। সেই সয়ম্বৰ সভালৈ ভাৰতৰ সকলো ৰজাকে আমন্ত্ৰণ জনালে। সেই সয়ম্বৰলৈ

গোলাদিত্যৰ পুতেক কাশ্মীৰৰ যুৱৰাজ মেঘবাহনকো আমন্ত্ৰণ কৰা হৈছিল। সয়ম্বৰৰ শুভদিনত ভাৰতৰ সকলো ৰাজ্যৰ ৰজা, যুৱৰাজসকল আহি সয়ম্বৰত উপস্থিত হয়হি। সেই ৰজা, ৰাজকুমাৰসকলে অমৃতপ্ৰভাক দেখি তেওঁৰ ৰূপ-লাৱণ্যত মোহিত হৈ পৰিল। সেই সয়ম্বৰলৈ গোলাদিত্যৰ পুত্ৰ কাশ্মীৰৰ যুৱৰাজ মেঘবাহনো আহিছিল। সয়ম্বৰত অমৃতপ্ৰভাই কাক স্বামী বৰণ কৰিব তাক লৈ নানাজনৰ মাজত গুনা-গঁথা হৈছিল।

শুভদিনৰ শুভ ক্ষণত সয়ম্বৰ আৰম্ভ হ'ল। সয়ম্বৰত নানান ৰজা, ৰাজকুমাৰে অমৃতপ্ৰভালৈ অপেক্ষা কৰিলে। অমৃতপ্ৰভাৰ সৌন্দৰ্য আৰু গাম্ভীৰ্যই সকলো ৰাজকুমাৰ, ৰজা- মহাৰজাৰ হিয়াত পুলক তুলিলে।

এই সয়ম্বৰত মেঘবাহনে ৰাজপুৰুষৰ লক্ষণ প্ৰমাণ কৰিবৰ কাৰণে বৰুণ ছত্ৰ ব্যৱহাৰ কৰিছিল। ৰাজকুমাৰী অমৃতপ্ৰভালৈ সয়ম্বৰত নানান ৰজা-মহাৰজা, ৰাজকুমাৰসকলে অপেক্ষা কৰা তেওঁ প্ৰত্যক্ষ কৰিলে। তেওঁ কাশ্মীৰৰ ৰজা মেঘবাহনলৈ প্ৰত্যক্ষ কৰি দেখে যে এই সয়ম্বৰত বৰুণৰ পৰা ৰজা নৰকে হস্তগত কৰা ছত্ৰৰ ছায়া মেঘবাহনৰ গাত নিৰ্গত হৈ আছে। মেঘবাহন চক্ৰৱৰ্তী ৰাজলক্ষণযুক্ত পুৰুষ বুলি চিহ্নিত হোৱাত অমৃতপ্ৰভাই মেঘবাহনকে বৰমাল্য অৰ্পণ কৰে। এই কাৰ্যত কামৰূপৰ সকলোটি আনন্দিত আৰু গৌৰৱান্বিত হৈ পৰে। মেঘবাহনক কামৰূপৰ ৰজাৰ কন্যাৰ বৰ হিচাপে সন্মানিত কৰি ধুমধামেৰে বিয়া পাতিলে। স-সন্মানে অমৃতপ্ৰভাক মেঘবাহনে কাশ্মীৰলৈ লৈ যায়।

অমৃতপ্ৰভাই স্বামী মেঘবাহনৰ পত্নী হৈ নতুন জীৱন আৰম্ভ কৰে। ৰাজপৰিয়ালৰ কন্যা হৈ তেওঁ মেঘবাহনৰ ৰাজপৰিয়ালৰ লগত মিলি যাবলৈ অলপো অসুবিধা নাপালে। অমৃতপ্ৰভাৰ ব্যৱহাৰে কাশ্মীৰৰ সকলোকে মুহিলে। তদুপৰি তেওঁ মহাপ্ৰতাপী ৰজা মেঘবাহনৰ লগত সুখ আৰু আনন্দৰে জীৱন কটাবলৈ সক্ষম হ'ল।

অমৃতপ্ৰভা সৰুৰে পৰা বৰ ধাৰ্মিক আছিল। তেওঁৰ বৌদ্ধ ধৰ্মৰ প্ৰতি অগাধ ভক্তি আছিল। তদুপৰি মেঘবাহনৰো ৰাজধৰ্ম আছিল বৌদ্ধ ধৰ্ম। গান্ধাৰ (এতিয়াৰ কান্দাহাৰ) আৰু কাশ্মীৰ এসময়ত বৌদ্ধ ধৰ্মৰ প্ৰাণ কেন্দ্ৰত পৰিণত হৈছিল। সেই সময়ত কামৰূপতো বৌদ্ধ ধৰ্মৰ প্ৰসাৰ ঘটিছিল। কামৰূপত অজস্ৰ সিদ্ধাচাৰ্যৰ অস্তিত্ব, বৌদ্ধ দোহা তথা চৰ্যাগীতৰ বিপুল বিকাশ ঘটিছিল। আজিও বৌদ্ধ দোহাৰ লোকজীৱনত বিপুল প্ৰভাৱ দেহ বিচাৰৰ গীতৰ মাজত বৰ্তি থকা দেখা যায়। ঐতিহাসিক সমল (ভাস্কৰ্য) আদিৰ অস্তিত্বই এই কথা প্ৰমাণ কৰে যে সেই সময়ত

বৌদ্ধ ধৰ্মৰ প্ৰসাৰ কামৰূপত হৈছিল আৰু ইয়াৰ ফলত উত্তৰ ভাৰতত বৌদ্ধ আৰু পূব ভাৰতৰ শিৱ আৰু তান্ত্ৰিকৰ মাজত সমন্বয়ো সম্ভৱ হৈছিল।

মেঘবাহন এজন ধৰ্মিষ্ঠ আৰু প্ৰজাভক্ত ৰজা আছিল। তেওঁ বহুতো বিহাৰ নিৰ্মাণ কৰিছিল। অসমৰ জীয়ৰী মেঘবাহনৰ পত্নী অমৃতপ্ৰভাই অমৃত ভৱন নামেৰে এটি ভৱন নিৰ্মাণ কৰি মেঘবাহনৰ যাথাৰ্থ সহধৰ্মিণীৰ প্ৰমাণ দাঙি ধৰিছিল। অমৃতপ্ৰভাৰ পিতৃ নৰক বংশৰ ভৌম কামৰূপেশ্বৰৰ গুৰু আছিল। লো দেশৰ নাগৰিক স্তৌনপা। তিব্বতী ভাষাত স্তৌনপা শব্দটোৱে শিক্ষা তথা ধৰ্মোপদেশক বুজায়। একমাত্ৰ বুদ্ধদেৱক বুজাবৰ বাবে এই শব্দটো ব্যৱহাৰ কৰা হৈছিল। উভয় দেশৰে সংস্কৃতি বৌদ্ধ হোৱাৰ বাবে অমৃতপ্ৰভাই সহজে সুখ আৰু আনন্দৰে প্ৰজাৰ লগত মিলি যাব পাৰিছিল।

অমৃতপ্ৰভাৰ ধৰ্মৰ প্ৰতি থকা ভক্তিয়ে মেঘবাহনক আকৰ্ষণ কৰিছিল। সেয়ে তেওঁ মেঘবাহনৰ প্ৰিয়তমা পত্নী হ'ব পাৰিছিল। বৌদ্ধ ধৰ্মৰ বিকাশৰ বাবে অমৃতপ্ৰভাই তেতিয়াৰ দিনতে উচিত পদক্ষেপ ল'বলৈ শিকিছিল। কাশ্মীৰত বৌদ্ধ শিক্ষকৰ অভাৱ হোৱাত অমৃতপ্ৰভাই দেউতাক কামৰূপেশ্বৰৰ ৰাজভাৰ অলংকাৰস্বৰূপ লোহ দেশীয় পণ্ডিত স্তৌনপাক কাশ্মীৰলৈ লৈ গৈছিল। তদুপৰি প্ৰৱাসী বৌদ্ধ ভিক্ষুকসকলৰ সকলো সুবিধাৰ বাবে চকু ৰাখিছিল। তেওঁলোক থাকিবৰ বাবে বিহাৰ নিৰ্মাণ কৰি দিছিল। তেওঁ নিৰ্মাণ কৰি থৈ যোৱা সুৰম্য বিহাৰ আজিলৈকে অমৃত ভৱন নামেৰে কাশ্মীৰত প্ৰখ্যাত হৈ আছে। তেওঁৰ গুণ-গৰিমাই কামৰূপৰ সন্মান বঢ়াইছিল। সেই সময়ত ভাৰতৰ চাৰিওফালে অমৃতপ্ৰভাৰ গুণ, ৰূপ, দেশভক্তি, ধৰ্ম আদিৰ কথা বিয়পি পৰিছিল। আজিও এইগৰাকী কামৰূপৰ জীয়াৰী কাশ্মীৰৰ বোৱাৰী হিচাপে প্ৰজাৰ মাজত চিৰস্মৰণীয় হৈ আছে। সঁচাকৈয়ে অমৃতপ্ৰভা আমাৰ দেশৰ গৌৰৱ। ভৱিষ্যতৰ প্ৰজন্মইএইগৰাকী আদৰ্শনীয় কামৰূপৰ জীয়াৰীৰ বিষয়ে ভালদৰে জানিবলৈ হ'লে তেওঁৰ বিষয়ে গৱেষণা হোৱা প্ৰয়োজন। অমৃতপ্ৰভাৰ গুণ-গৰিমা, ধৰ্মপৰায়ণতা , দেশভক্তি, সৰলতাক লৈ আজিও কাশ্মীৰবাসীয়ে গৌৰৱ কৰে। সেয়ে এইগৰাকী নাৰীক লৈ আমিও গৌৰৱ অনুভৱ কৰোঁ। তেওঁৰ স্মৃতি কাশ্মীৰবাসী আৰু আমাৰ মাজত সদায় স্মৰণীয় হৈ ৰ'ব। ❑

বীৰাংগনা মূলা গাভৰু

স্বৰ্গদেউ ছুপিমফা মূলা গাভৰুৰ পিতৃ আছিল। ছুপিমফা স্বৰ্গদেৱে তেওঁৰ কন্যা মূলা গাভৰুক সৰুৰে পৰা সাহসী কৰি তুলিছিল। তেওঁৰ পিতৃৰ মৃত্যুৰ পাছত স্বৰ্গদেউ ছুহুমমুং অসম ৰাজ্যৰ ৰজা হয়। এইজনা স্বৰ্গদেউৰ মৰমৰ ভনীয়েক আছিল মূলা গাভৰু। সৰুৰে পৰা ৰাজপৰিয়ালত ডাঙৰ হৈ তেওঁ দেশৰ স্বাধীনতাৰ কথা বুজি পাইছিল। আনকি ককায়েকৰ পৰা ৰাজ্য চলোৱাৰ আও-ভাও বুজি পাইছিল। তেওঁ ৰাজপৰিয়ালৰ জীয়ৰী হৈয়ো সৰুৰে পৰা ঘৰুৱা কামত মন দিবলৈ ভাল পাইছিল। স্বভাৱ-চৰিত্ৰ সহজ-সৰল আৰু নিৰহংকাৰী আছিল। মৌসনা মাত আৰু হাঁহিৰে সকলোকে মৰম লগাব পাৰিছিল। ছোৱালীকালৰ পৰা তাঁতৰ পাটত বহি ভৱিষ্যতৰ ৰণুৱা স্বামীক কবচ কাপোৰ বৈ দিয়াৰ আখৰা কৰিছিল। দিনৰ ভাগত নানান কামত ব্যস্ত থাকিও তাঁতৰ পাটত বহি কেবাহালিও তাঁত বৈহে দিনটো পাৰ হ'বলৈ দিছিল। ৰাতি আজৰি পালেই পাঁজি কাটিছিল। এইদৰে নিজেই সূতা কাটি ভমকাফুলীয়া বিহুৱান বৈ ককাই-ভাইক দিছিল। সম্মানীয়জনক সেৱা জনাই আশীৰ্বাদ ল'বলৈ সৰুৰে পৰা মূলাই শিকিছিল। আনকি ঘৰৰ মানুহক এসাঁজ ৰান্ধি খুৱাই তেওঁ বৰ ভাল পাইছিল। ডাঙৰ হৈ অহাৰ লগে লগে ঘৰখনৰ মানুহৰ মন বুজি কাম কৰিবলৈ শিকিছিল। সেইবাবে মূলাৰ প্ৰত্যেকটো কামেই আছিল দৃঢ়, আঁৰ নলগা আৰু চকুত লগা। কোনো সৰু-বৰ কামেই তেওঁ কৰিবলৈ আমনি পোৱা নতুবা ভয় কৰা নাছিল। সৰুৰে পৰা তেওঁ সময়ৰ মূল্য ৰাখি কাম কৰিবলৈ ভাল পাইছিল। মূলাৰ এনে গুণৰাজিৰ পৰাই তেওঁ যে ডাঙৰ হৈ ভৱিষ্যতে এগৰাকী সাহসী, দায়িত্বশীল, আদৰ্শনীয় নাৰী হ'ব পাৰিব তাৰ লক্ষণ তেওঁৰ সৰুতেই ফুটি উঠিছিল।

মূলাৰ ককায়েক স্বৰ্গদেউ ছ্যুহুমমুঙে এখন সৰু ৰাজ্যৰ পৰা অসমখনক এখন 'বৰ অসম' হিচাপে গঢ়িছিল। তদুপৰি তেওঁৰ ককায়েক ছ্যুহুমমুঙৰ সাহস আৰু দৃঢ় মন নিজ চকুৰে সৰুৰে পৰা দেখা পাইছিল। এইজনা স্বৰ্গদেৱে নিজৰ দেশ আৰু স্বাধীনতাৰ বাবেই গোটেই জীৱন শত্ৰুৰ লগত ৰণ দিয়া মূলাই লক্ষ্য কৰিছিল। প্ৰত্যেকখন ৰণত শত্ৰুক পৰাস্ত কৰি স্বৰ্গদেউ ছ্যুহুমমুঙে নিজ দেশৰ স্বাধীনতাৰ মুকুট অক্ষত ৰখা মূলা গাভৰুৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। সেয়ে তেওঁ ডাঙৰ হৈ অহাৰ লগে লগে নিজকে দেশ ৰক্ষাৰ কবচ হিচাপে দেহে-মনে কোনেও ধৰিব নোৱাৰাকৈ গঢ়ি তুলিছিল। সময়-সুবিধা পালে অস্ত্ৰ হাতত লৈ যুদ্ধৰ আখৰা কৰিছিল। তেওঁৰ যুদ্ধ কৰিব পৰা সাহসো আছিল। তেওঁ সৰুৰে পৰা দেশ বিস্তাৰৰ বাবে ৰণলৈ ওলোৱা ৰণুৱাসকলক দেখি উৎসাহিত হৈছিল। এইদৰে মূলাই কম বয়সৰ পৰা এগৰাকী সুদৃঢ় মনৰ ৰাজদুহিতা হ'ব পাৰিছিল। আদৰ্শনীয় স্বৰ্গদেউৰ মৰমৰ ভনীয়েক মূলা গাভৰু ৰাজপৰিয়ালৰ ব্যস্ততাৰ মাজতে ভৰযৌৱনা হ'ল। বিয়াৰ বয়স উপযুক্ত হোৱাত স্বৰ্গদেৱে উপযুক্ত বৰ বিচাৰিলে। স্বৰ্গদেৱে মূলাক ফ্ৰানচেংমুং বৰগোহাঁইলৈ বিয়া দিবলৈ ঠিক কৰে।

বিয়াৰ দিনা দেও দৰা ফ্ৰাচেনমুঙক আদৰি আনি ৰভাৰ মণ্ডপৰ মাজত এশ এগছি বন্তিৰে উজ্বলাই থকা চক্‌লঙৰ বেদীৰ সন্মুখৰ আসনত বহুৱালে। দৰাই ৰাইজক সেৱা জনাই আশীৰ্বাদ ল'লে। দেও কন্যা মূলাগাভৰুক চক্‌লঙৰ মড়লৰ ওচৰলৈ অনা হ'ল। আয়তীয়ে কইনা ওলাই আহোঁতে হাতত ফুল আৰু আখৈ চাউল লৈ কইনাৰ গালৈ ছটিয়ালে। উৰুলিৰ মংগল ধ্বনিৰে কন্যা মূলাক সমাজলৈ উলিয়াই আনি মড়ল আৰু সমাজলৈ সেৱা জনাই দেও দৰা ফ্ৰাচেনমুঙৰ বাঁওফালৰ আসনত বহুওৱা হ'ল। লগে লগে ৰাইজে আশীৰ্বাদ দিলে। আয়তীসকলে উৰুলি দি ফুল আৰু চাউল দৰা-কইনাৰ গালৈ ছটিয়ালে।

দেও দৰা ফ্ৰাচেনমুঙ আৰু দেও কন্যা মূলাই মড়ললৈ সেৱা জনাই ক'লে—

'অ' ফ্ৰাট্ৰা আ লং খুপ টাং বঢ় মুড,
চাও খুপ টাং মুড ফী হিও,
মোট, হীত চাং নাই চাও কাও ঐ'

ভাবাৰ্থ— 'আজি আমাৰ মিলনৰ কাৰণে উপৰি পুৰুষৰ ওচৰত প্ৰাৰ্থনা জনাইছো। উপৰি পুৰুষসকলে আমাক আশীৰ্বাদ দিয়ক, যাতে এই মধুমিলন চিৰযুগমীয়া হয়।'

দেও দৰা কন্যাই ধৰ্মলৈ সেৱা জনাই কলে—

'অ' ফ্রাটা আ লং চাযু চায়ু চেং

হং বই মৃৎ চাও কাও ঐ'

ভাবাৰ্থ— 'ধৰ্মগুৰুলৈ আমি দুয়ো সেৱা জনাইছো। সেৱা গ্ৰহণ কৰি আমাক ধৰ্মত মতিত থাকিবলৈ আশীৰ্বাদ দিয়ক।'

ইয়াৰ পিছত দেৱতাসকললৈ সেৱা জনাই দুয়ো দৰা-কইনাই হাতত ফুল আৰু চাউলৰ আঁজলি লৈ মড়লৰ মাজৰ চাকিলৈ চাই ক'লে—

'অ' ফ্ৰা ট্ৰা আলং চেংহুন

চেং বান চাও ফা ফেট খাম

ব হেও চাও কাও ঐ'

ভাবাৰ্থ— 'স্বৰ্গত থকা সকলো দেৱতালৈকে আমাৰ সেৱা জনাইছো। আমাক সৎ মনেৰে সুখ-শান্তিৰে থাকিবলৈ আশীৰ্বাদ দিয়ক।'

অস্ত্ৰ প্ৰদান— দেও কন্যা মূলাই হাতত অস্ত্ৰ লৈ (হংদান) দৰা ফ্ৰাচেনমুঙক ক'লে—

'আও খ্ৰং টা ত চেং নাপ্ চাক্ নাই

চাম্ ম্যুঙ মৌ চাও লুক

আও ৰে বাই তা।'

ভাবাৰ্থ— 'এই হেংদাঙেৰে নিজৰ দেশ, নিজৰ পুত্ৰ আৰু নিজৰ ঐশ্বৰ্য আদি সকলো ৰক্ষা কৰিবলৈ সমৰ্থ হওক।'

দেও দৰা ফ্ৰাচেনমুঙে অস্ত্ৰ গ্ৰহণ কৰি কয়—

'কুন্ জুন্ কুন্ খিন্ তাক ক্যক আও

পে'ফু মেট কুন্ নি তাক জঙ বা ছি

খুন চাখ খুক্ক বা তন কিউ ৰাও

তাক্ হেউ খেন্ ক ছি কাও নাপ চাক

নাই ৰূপ আও জাউ দি কিন্ লাউ জাও।'

ভাবাৰ্থ— 'দুষ্টক দমন আৰু শিষ্টক পালন কৰি ৰাজ্য আৰু ধৰ্ম ৰক্ষা কৰিবৰ কাৰণে আজি এই হেংদান হাতত লৈ মই ফ্ৰাচেনমুঙে প্ৰতিজ্ঞা কৰিলো।' লগে লগে আয়তীসকলে উৰুলিৰে পুষ্প বৃষ্টি কৰে।

কবচ প্ৰদান— মূলা গাভৰুৱে এখন কবচ বস্ত্ৰ লৈ দৰালৈ আগবঢ়াই ক'লে—

'অ' প' চাও পি নঙ খুঙ খুঙ ফা

নাই চাম্ আও নুঙ ছিহেউ পে হেউ আঙতা।'

ভাবাৰ্থ— 'হে বঙহৰদেউ, এই অক্ষয় কবচ স্বৰূপে পৰিধান কৰি আপুনি অজেয় হওক।'

কবচ গ্ৰহণ কৰি দেও দৰা ফ্ৰাচেনমুঙে ক'লে—

'আও ফা নাই চাম

কাও ছি হিত ফা

ফুক্ হঙ্ জি জুক ফু কিন তাক

আও পে বা দি কিন লাউ।'

ভাবাৰ্থ— 'এই কবচ টঙালি বান্ধি শত্ৰুক জয় কৰিবলৈ দৃঢ় প্ৰতিজ্ঞা কৰিলো।' লগে লগে আয়তীসকলে পুষ্পবৃষ্টিৰে উৰুলি দিলে।

ইয়াৰ পিছত পুৰোহিতে দৰা-কন্যাক উপদেশ দিলে। তদুপৰি দৰা-কন্যাৰ আঙঠি সলোৱা পৰ্ব শেষ কৰিলে। শেষত দৰা ফ্ৰাচেনমুঙৰ ঘৰলৈ কন্যা মূলাৰ আগমনেৰে বিবাহকাৰ্য শেষ কৰিলে। মূলাৰ সখী মুহিলাই দৰা ফ্ৰাচেনমুঙৰ ঘৰলৈ গৈ মৰমৰ সখীয়েকক থৈ আহিলগৈ।

সাহসী মূলা ফ্ৰানচেংমুং বৰগোহাঁইৰ পত্নী হ'ল। বৰগোহাঁইৰ বোৱাৰী হৈ মূলাই শহুৰৰ ঘৰ ধৰিবলৈ আৰম্ভ কৰিলে। স্বামীয়ে ভাল পোৱা খাদ্য তৈয়াৰ কৰি খুৱাই মূলাই তৃপ্তি লাভ কৰিলে। স্বামীক প্ৰয়োজনত দিহা-পৰামৰ্শ দি উৎসাহিত কৰি ঘৰখন শান্তিৰে ওপচাই পেলালে। সময়ৰ গতিত মূলা মাতৃও হ'ল। মাতৃৰ দায়িত্ব মূলাই ভালদৰে চম্ভালিছিল। সন্তানক সৰুৰে পৰা সহসৰ কাহিনী শুনাই আৰু নানাধৰণৰ ধৰ্মমূলক সাধুকথা কৈ সৰুৰে পৰা তেওঁলোকক সাহসী হ'বলৈ প্ৰেৰণা যোগাইছিল। বংশৰ সুনাম ৰাখিবলৈ এজন পাৰ্গত যোদ্ধা হোৱাৰ উপৰি নৈতিকতাৰ ফালৰ পৰাও শ্ৰেষ্ঠ হ'ব লাগিব সেই কথা সন্তানক উঠোঁতে-বহোঁতে বুজনি দিছিল।

মূলাই সৰুৰে পৰা যুদ্ধৰ জয়ৰ সোৱাদ আয়ত্ত কৰিছিল। সেয়ে তেওঁ স্বামী ফ্ৰানচেংমুঙক ৰণলৈ যাবলৈ উদগনি দিছিল। ৰণলৈ যাওঁতে সদায় স্বামীক কবচ কাপোৰ দি সেৱা জনাই পঠিয়াইছিল। মূলাই তেওঁৰ স্বামী নিৰ্ভীক-সুনিপুন যোদ্ধা হোৱা বাবে গৌৰৱ অনুভৱ কৰিছিল।

ইংৰাজী ১৫১৩ চনত চুতীয়া ৰাজ্য আৰু আহোম ৰাজ্যৰ মাজত ৰণ হৈছিল। আহোম ৰাজ্যৰ চুতীয়া ৰাজ্যৰ মাজত মুঠ তিনিখন ৰণ হৈছিল। সেই তিনিখন ৰণতে জয়লাভ কৰিছিল আহোম ৰাজ্যই। সেই সকলোবোৰ ৰণ মূলা গাভৰুৰ স্বামী ফ্ৰানচেংমুঙে বৰ সেনাপতি হৈ পৰিচালনা কৰিছিল। গোটেইকেইখন ৰণলৈ

যাওঁতে মূলাই স্বামী ফ্ৰানচেংমুঙক কবচ কাপোৰ দি পঠিয়াইছিল। কাৰণ কবচ কাপোৰখন আছিল ৰণুৱাৰ দেহৰক্ষাৰ কবচ। এই ৰণতেই চুতীয়াৰ শেষ ৰজা নীতিপাল আৰু শেষ ৰাণী সাধনীৰ মৃত্যু হয়। ১৫২৩ চনত চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অধীনলৈ আহে। স্বৰ্গদেৱ ছুহুম মুং ওৰফে দিহিঙীয়া ৰজাই চাও ফ্ৰাচেনমুঙৰ যুদ্ধৰ পৰিচালনাত বৰ সন্তোষ লাভ কৰিছিল। ফ্ৰাচেনমুঙৰ সাহসক তেওঁ শলাগিছিল আৰু তেওঁৰ প্ৰতি বিশ্বাসো বাঢ়িছিল। এই সন্তোষ পাই স্বৰ্গদেৱে ফ্ৰাচেনমুঙক শদিয়া খোৱা বৰগোহাঁই পাতিলে। স্বৰ্গদেৱে মূলাৰ স্বামী ফ্ৰাচেনমুঙ বৰগোহাঁইক আহোম দেশৰ প্ৰথম শদিয়া খোৱা বৰগোহাঁই পতাৰ বাবে মূলাই বৰ আনন্দ পালে আৰু অতি উৎসাহিত হ'ল। তেওঁৰ ককায়েক ছু-হুম মুঙৰ প্ৰতিও কৃতজ্ঞ হ'ল। দেশৰ মংগলৰ বাবে মূলা গাভৰুৱে সদায় চোমদেৱক পূজা কৰিছিল। এইদৰে দিন যাবলৈ ধৰিলে।

শদিয়াখোৱা বৰগোহাঁইৰ খিতাপ লৈ ফ্ৰাচেনমুঙৰ আগতকৈ দায়িত্ব বাঢ়িল। মূলাই তেওঁৰ স্বামীক এইক্ষেত্ৰত নানান বুদ্ধি-পৰামৰ্শৰে সহায় আগবঢ়াইছিল। উল্লেখযোগ্য যে সেই সময়ত শদিয়াকে কেন্দ্ৰ কৰি অসমৰ উত্তৰ-পূব অঞ্চলটো শদিয়াখোৱা বৰগোহাঁইৰ অধীনত আছিল। বৰগোহাঁয়ে আবৰ, ডফলা, মিছিমি আদি পৰ্বতীয়া জনগোষ্ঠীবোৰৰ সৈতে যথেষ্ট কষ্ট কৰি সু-সম্পৰ্ক বজাই ৰাখি চলিব লগা হৈছিল। এই জনগোষ্ঠীবোৰে সেই সময়ত সাধাৰণ কথাতে বিদ্ৰোহ কৰিছিল।

ফ্ৰাচেনমুঙে ভালদৰে শদিয়া শাসন কৰি আছিল যদিও তেওঁ বহুদিন ধৰি স্বৰ্গদেৱ ছু-হুম-মুঙক সেৱা জনাবলৈ যোৱা নাছিল। সেই সময়ত স্বৰ্গদেৱক মাজে সময়ে লগ ধৰি দেশৰ খবৰ জনোৱাৰ লগতে বছৰেকত পাল সেৱা কৰাটো নিয়মৰ ভিতৰত আছিল। কিন্তু মূলাই পৰম্পৰা মানি চলিবলৈ স্বামীক সতৰ্ক কৰি দি কৈছিল— 'কেতিয়াবা সৰু কথাই বৰ হয়। সকলোৱে দেশৰ নিয়ম-নীতি মানি চলিলে দেশত সু-শাসন হয়। দেশৰ সকলোৰে সমান নিয়ম-নীতি। নিজৰ আপোন হ'লেও স্বৰ্গদেৱ স্বৰ্গদেৱেই। দেশৰ ৰজা-প্ৰজাই দেশৰ সকলো নীতি-নিয়ম পালাটো উচিত।' কিন্তু তেওঁৰ স্বামীয়ে সীমামূৰীয়া ৰাজ্য ৰক্ষণাবেক্ষণত ব্যস্ত থাকোঁতেই স্বৰ্গদেউৰ ওচৰলৈ পাল সেৱা কৰিবলৈ নাহি শেষত নিজৰ পদ হেৰুৱাব লগা হোৱাত মূলাই বৰ লাজ আৰু অনুতপ্ত হৈছিল। কিন্তু তেওঁ ককায়েক স্বৰ্গদেউৰ ওচৰলৈ ফ্ৰানচেংমুঙৰ কথাৰ বাবে কেতিয়াও যোৱা নাছিল। মূলাই স্বামীক সাহস যোগাই কৈছিল— 'যোগ্যতা থাকিলে তোমাক স্বৰ্গদেৱে পুনৰ দেশৰ পদ দিব। সময়ে সকলো পৰীক্ষা কৰিব।'

এনে সময়তে আহোম দেশৰ কছাৰী ৰাজ্যৰ লগত ৰণ হয়। সেই ৰণ দুমাহ ধৰি চলাত দুয়ো পক্ষৰে বহুতো সৈন্যৰ মৃত্যু হয়। এই ৰণৰ বৰসেনাপতি পাতি কনচেং বৰপাত্ৰগোহাঁইক কছাৰীক জিনিবলৈ পঠিয়াইছিল। কিন্তু ৰণত জয়-পৰাজয় একো নোহোৱাৰ বাবে পুনৰ স্বৰ্গদেৱে ফ্ৰানচেংমুঙক বৰ সেনাপতি পাতি কছাৰী ৰাজ্য দখল কৰিবলৈ পঠিয়ায়। মূলাৰ স্বামীয়ে বৰ সেনাপতি হৈ কছাৰীক জিনিবলৈ স্বৰ্গদেউৰ আদেশ মতে যাবলৈ ওলোৱাত মূলা বৰ সুখী হৈ পৰিল। মূলাই স্বামীক কবচ কাপোৰ দি সেৱা জনাই কছাৰীক জিনিবলৈ পঠিয়ালে। সাত দিন ধৰি কছাৰী ৰাজ্যৰ লগত ফ্ৰানচেংমুঙে তয়ামযা ৰণ দি কছাৰীক পৰাস্ত কৰে। কছাৰী ৰাজ্য আহোম ৰাজ্যৰ অধীনলৈ আহে। এই খবৰ পাই মূলা গাভৰু অতি আনন্দিত হ'ল। স্বামীৰ প্ৰতি থকা অগাধ বিশ্বাসে তেওঁৰ মনলৈ আৰু শক্তি যোগালে।

এইদৰে মূলাৰ ককায়েক স্বৰ্গদেউ ছুহুমমুঙে ফ্ৰানচেংমুঙক বৰ সেনাপতি পাতি কেবাখনো ৰাজ্য নিজৰ অধীনলৈ আনি এখন 'বৰ অসম' গঢ়িলে। স্বৰ্গদেউ ছুহুমমুঙৰ দিনত ৰণে লগ নেৰা হৈছিল। নিজৰ দেশৰ স্বাধীনতা ৰক্ষাৰ বাবে মোগলৰ লগত কেবাবাৰো ৰণ দিব লগা হৈছিল। যি মোগলে গোটেই ভাৰতকে জয় কৰিছিল, সেই মোগল সৈন্যই আহোম সেনাৰ লগত পৰাজয় বৰণ কৰিব লগা হৈছিল। ১৫২৭ খ্ৰীঃত মোগলে অসম আক্ৰমণ কৰি পৰাজয় হৈ নিজৰ প্ৰাণ ৰক্ষা কৰি ৰণৰ পৰা পলায় যায়। পুনৰ ১৫৩১ চনত বঙাল সেনাৰ নবাব ধিতমালিকে অসম আক্ৰমণ কৰি পৰাজয়বৰণ কৰে। এই সকলোবোৰ ৰণতে মূলাৰ স্বামী ফ্ৰানচেংমুঙে বৰ সেনাপতি হৈ নিজৰ দেশৰ স্বাধীনতাৰ মুকুট ৰক্ষা কৰিছিল। সকলোবোৰ ৰণতে মূলাই স্বামীক ৰণৰ বাবে উৎসাহ যোগাই কবচ কাপোৰ ৰাতিৰ ভিতৰতে বৈ তেওঁক ৰণলৈ পঠিয়াইছিল। কাৰণ পূৰ্বপুৰুষৰ পৰা আহোমসকলৰ এটা বিশ্বাস চলি আহিছে যে যিখন কাপোৰ ৰাতিৰ ভিতৰতে সূতা কাটি, কাপোৰ লগাই ৰাতি পুওৱাৰ আগতে তৈয়াৰ কৰি উলিয়াব পাৰিব, সেইখন কবচ কাপোৰ অৰ্থাৎ আহোম মানুহৰ দেহ ৰক্ষাৰ কবচ। সেয়ে মূলা গাভৰুৱে স্বামীক ৰণলৈ গ'লে সদায় কবচ দি পঠিয়াইছিল। পূৰ্বৰ আটাইকেইখন ৰণত পৰাজয় হৈ ১৫৩২ খ্ৰীঃৰ ব'হাগ মাহত পুনৰ বঙালে অসম আক্ৰমণ কৰিবলৈ আহে। তেওঁলোকে বহুতো বৰ হিলৈ, খোকা হিলৈ, নানান অস্ত্ৰ-শস্ত্ৰ লৈ বঙালৰ সেনাপতি তুৰ্বকে আহি অসমত কোঠ মাৰেহি। স্বৰ্গদেৱে এই খবৰ পাই মূলাৰ স্বামী ফ্ৰানচেংমুঙক বৰ সেনাপতি তুৰ্বকক আক্ৰমণ কৰিবলৈ পঠিয়ালে। স্বামীক বৰ সেনাপতি পাতি তুৰ্বকক জিনিবলৈ পঠিওৱা কথা শুনি মূলা গাভৰু অতি আনন্দিত হ'ল। তেওঁ স্বামীক ৰণলৈ যাবলৈ

উৎসাহিত কৰিলে। পত্নী মূলাৰ উৎসাহত ফ্ৰানচেংমুঙৰ মনোবল বৃদ্ধি হ'ল আৰু ৰণৰ বাবে মানসিক প্ৰস্তুতি সম্পূৰ্ণ কৰিলে। মূলাই সেই ৰণলৈ যাবলৈ স্বামীৰ ওচৰত অনুমতি বিচাৰিলে। মূলাই অনুভৱ কৰিলে যে সকলো সময়ত স্বামীৰ ওচৰত থকাটো পত্নীৰ কৰ্তব্য। কিন্তু ফ্ৰানচেংমুঙে পত্নীৰ অনুৰোধ ৰক্ষা কৰিবলৈ সন্মত নহ'ল। ফ্ৰানচেংমুঙে বিশ্বাস কৰিছিল যে নাৰীৰ কাৰণে নিজৰ ঘৰখনেই নিৰাপদ আৰু উপযুক্ত স্থান ৰণক্ষেত্ৰ কেতিয়াও হ'ব নোৱাৰে। মূলাই স্বামীৰ আজ্ঞা শিৰোধাৰ্য কৰি ঘৰতেই সন্তানকেইটাৰ লগত থাকিবলৈ সন্মত হ'ল। মূলাই স্বামীক আনন্দ মনেৰে তুৰ্বকক জিনিবলৈ পঠিওৱাৰ দিহা কৰাত লাগিল। অসমীয়া নাৰীয়ে স্বামীক ৰণলৈ পঠিয়াই বৰ গৌৰৱ কৰিছিল। কিন্তু ফ্ৰানচেংমুঙে ৰণলৈ যাবলৈ যো-জা কৰোঁতেই মূলাৰ গা-বিধুতি হ'ল। গা-বিধুতি হ'লে কবচ কাপোৰ বৈ দিব নোৱাৰে। সেয়ে মূলা গাভৰু ধৰ্ম সংকটত পৰিল। স্বামীক সেইদিনাৰ বাবে ৰাখি থ'বলৈও অসুবিধাত পৰিল। তদুপৰি তেওঁৰ হাতত বৈ থোৱা কবচ কাপোৰ নাছিল। উল্লেখযোগ্য যে চকলঙৰ দিনা অন্যান্য নাৰীৰ দৰে মূলায়ো স্বামীক দেশ ৰক্ষাৰ বাবে হাতত হেংদান আৰু ৰণত নিজেই সুৰক্ষিত হৈ ৰ'বৰ বাবে কবচ কাপোৰ তুলি দিছিল। সেইদিনাৰ পৰা স্বামীয়ে কোনো এখন ৰণলৈ গ'লে মূলাই স্বামীক নিজহাতে বৈ কবচ কাপোৰ দি আহিছিল। কিন্তু তুৰ্বকক বৰ সেনাপতি হৈ ভেটিবলৈ ওলাওঁতে স্বামীৰ হাতত কবচ কাপোৰ দিব নোৱাৰি মূলা বিপাঙত পৰিল। অজান আশংকাত তেওঁৰ হৃদয় কঁপি উঠিল। তেওঁৰ অন্তৰত নানান আশংকাই ঠাই ল'লে।

স্বামী ফ্ৰানচেংমুঙে ৰণলৈ যাবলৈ সাজু হৈ মূলাক কবচ কাপোৰ খুজিলে। মূলাই নিজকে চম্ভালি স্বামী ফ্ৰানচেংমুঙক ক'লে— 'বঙহৰ দেউ, ৰণলৈ দুদিনৰ পিছত যাব। এতিয়া কবচ কাপোৰ হাতত নাই, বৈ দিব লাগিব।' তেওঁৰ স্বামী ফ্ৰানচেংমুঙে ইয়াৰ উত্তৰত ক'লে— 'শত্ৰু সৈন্য আহি আহোম দেশত সোমালেহি, এতিয়া বাট চাই থাকিলে দেশলৈ বিপদ নামি আহিব। গতিকে যি কৰা, সোনকালে কৰা।' মূলাই ইয়াৰ উত্তৰত ক'লে— 'কবচ কাপোৰ বৈ দিবলৈ হ'লে মাজৰাতি কপাহ নেওথিব লাগিব, পাঁজি কৰিব লাগিব, সূতা কাটিব লাগিব, কাপোৰ লগাব লাগিব, ৰাঁচ ভৰাব লাগিব, ব তুলিব লাগিব আৰু ৰাতিপুৱাৰ আগতে কাপোৰ বৈ উলিয়াব লাগিব। সেইখন কবচ কাপোৰহে ৰণলৈ নিয়াটো ভাল। তদুপৰি আজি কবচ কাপোৰ বৈ দিবলৈ মোৰ গা-বিধুতি, সেয়ে দুদিনমান ৰৈ দিয়ক বঙহৰ দেউ।'

দেশপ্ৰেমী ফ্ৰানচেংমুং বৰগোহাঁয়ে কৱচ কাপোৰৰ বাবে দুই-তিনি দিন ৰৈ থাকি সময় নষ্ট কৰিবলৈ টান পালে। কাৰণ তেওঁ ভাবিলে, শত্ৰু ঘৰৰ দুৱাৰমুখত, গতিকে এনে বিপদত এদিনেই এযুগ হোৱাৰ দৰে হয়। এনেতে স্বৰ্গদেউৰ আদেশ অহাত মূলাৰ হাতৰ কৱচ কাপোৰলৈ বাট নাচাই তুৰ্বকৰ লগত ৰণ দিবলৈ গুচি গ'ল। স্বামীক কৱচ কাপোৰ দি পঠিয়াব নোৱাৰি মূলাৰ হৃদয় ভাঙি পৰিল। স্বামী ৰণলৈ যোৱাৰ পিছত মূলাৰ মন ক'তো নবহা হ'ল। স্বামীয়ে যাতে সুকলমে ৰণত জয়ী হৈ আহে, তাৰ বাবে ভগৱানক খাটিলে।

ফ্ৰানচেংমুঙে গৈ ৰণৰ থলী পালেগৈ। তুৰ্বকে পোনে পোনে আহোম সৈন্যক আক্ৰমণ নকৰি কোঠৰ ফালে হিলৈ-কাঁড় আদি মাৰি থকা ফ্ৰানচেংমুঙে দেখিলে। এনে কৰা দেখি আহোম সৈন্যই পাঠান সৈন্যক খেদি গ'ল। দুয়ো পক্ষৰ মাজত তয়াময়া ৰণ হয়। সেই ৰণত ফ্ৰানচেংমুঙে মোগলৰ সেনাপতি হায়েৎখাঁক হত্যা কৰে। তুৰ্বক বাহিনীয়ে নিপুন সেনাপতিজন ৰণত পৰাত ভয় খাই পলাবলৈ ধৰে। তুৰ্বকে ইয়াৰ প্ৰতিশোধ ল'বৰ বাবে হাতীৰ ওপৰত উঠি এফালৰ পৰা অসমীয়া সেনাক গুলীয়াই যোৱাৰ ফলত আহোমৰ পাঁচজন সেনাপতিৰ মৃত্যু হয়। তদুপৰি বৰ সেনাপতি ফ্ৰানচেংমুঙক ৰণৰ থলীত মুছলমানৰ সেনাপতি হায়েৎখাঁক হত্যা কৰাৰ কাৰণে তেওঁৰ পত্নীয়ে আগভেটি ধৰে। সেইবাবে বৰ সেনাপতিয়ে নাৰীৰ লগত ৰণ নকৰি হাতৰ পৰা অস্ত্ৰ পেলাই দিয়ে। তাতে সুবিধা লৈ অন্যায়ভাৱে তুৰ্বকে তেওঁক হত্যা কৰে।

স্বামী ফ্ৰানচেংমুঙক মুছলমান সেনাই অন্যায়ভাৱে হত্যা কৰাৰ খবৰ শুনি মূলা গাভৰুৰ মন বিমৰ্ষ হৈ পৰিল। তেওঁৰ এনেকুৱা লাগিল যেন জীৱনৰ সকলো আশা চিৰদিনৰ বাবে হেৰাই গ'ল। তেওঁ পতিঘাতকৰ প্ৰতিশোধ ল'বলৈ উদ্বাউল হৈ পৰিল। আহোমৰ বহুতো ৰমণীয়ে এই ৰণত স্বামীহাৰা হৈ পৰিল। এই দুখত সকলো জৰ্জৰিত হৈ পৰিল। মূলাই বৰ সেনাপতি ফ্ৰানচেংমুঙৰ মৃত্যুৰ বাবে নিজকে দায়ী কৰিলে। স্বামী ফ্ৰানচেংমুঙক ৰণলৈ যোৱাৰ সময়ত কৱচ কাপোৰ বৈ দিব নোৱাৰিলে বাবেই তেওঁৰ স্বামী ৰণত পৰিলে বুলি বিশ্বাস কৰিলে।

স্বামীক হেৰুৱাই মূলাই হিয়া ঢাকুৰি কান্দিবলৈ ধৰিলে। স্বামীৰ মৃত্যুত তেওঁৰ অন্তৰ ভাঙি পৰিল। তেওঁৰ চকুৰ আগত যেন গোটেই পৃথিৱীখন ঘূৰিবলৈ ধৰিলে। তেওঁৰ এনে লাগিল যেন আকাশৰ সূৰ্যটো চিৰদিনৰ বাবে ক'ৰবাত হেৰাই গ'ল। তেওঁ দুখত জৰ্জৰিত হৈ পৰিল। মূলাই নিজকে প্ৰবোধ দিলে— 'মিছাতে কান্দি একো লাভ নাই। অধৰ্মী তুৰ্বকক ইয়াৰ প্ৰতিশোধ ল'লেহে মোৰ আত্মাই শান্তি

পাব।' সেয়ে তেওঁ ৰণৰ থলীত গৈ তুৰ্বক বাহিনীৰ লগত ৰণ কৰিবলৈ ওলাল। তাকে দেখি যিসকলৰ স্বামী ৰণত পৰিল, সেইসকল আহি মূলাৰ লগ ল'লেহি। সকলোৱে মূলাৰ লগত ৰণক্ষেত্ৰলৈ যাবলৈ ওলাল। মূলাই এটি নাৰী বাহিনী গঠন কৰি ৰণৰ থলীলৈ ওলাই গ'ল। মূলাই ৰণক্ষেত্ৰলৈ গৈ সকলো সেনাক উদ্দেশ্য কৰি ক'লে— 'উৎসাহেৰে ৰণৰ সাজ পিন্ধি শত্ৰুক নিধন কৰা আৰু নিজৰ দেশৰ স্বাধীনতা ৰক্ষা কৰা। আমি বীৰাংগনা আহোম ৰমণীয়ে অন্তঃপুৰুষ উল্লাহ এৰি যুদ্ধক্ষেত্ৰলৈ আহিছোঁ। শত্ৰুক নাশিবলৈ যদি এই যুদ্ধক্ষেত্ৰত মৃত্যু হয়, আমাৰ বাবে গৌৰৱৰ কথা। যদি জয়ী হওঁ আৰু মৃত্যু নহয়, তেনেহ'লে অন্তঃপুৰৰ কোমল শয্যাত এদিন মৃত্যুক সাবটি ল'ম।'

'জয় মূলা গাভৰুৰ জয়' ধ্বনিৰে মূলাৰ বাহিনী ৰণলৈ আগবাঢ়ি গল। এই ৰণত মূলাই দুজন মুছলমানৰ সেনাপতিক হত্যা কৰে। তুৰ্বক বাহিনীয়ে মূলাৰ ৰণৰ পাৰ্গতালি দেখি অন্যায়ভাৱে মূলাক হত্যা কৰে। মূলাই নিজৰ দেশ শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ গৈ প্ৰাণপণে যুঁজ দি ৰণক্ষেত্ৰত শেষ নিশ্বাস ত্যাগ কৰিলে। যুদ্ধক্ষেত্ৰত মূলাৰ প্ৰাণ ত্যাগে অসমীয়া সৈন্যসকলক শতগুণে উৎসাহিত কৰিলে। 'তৰিলে দেশ, মৰিলে স্বৰ্গ' —এই ভাবত উদ্বুদ্ধ হৈ সকলো সৈন্য একগোট হৈ কনচেং বৰপাত্ৰগোহাঁই আৰু মূলাৰ পুত্ৰ তনখামে মুছলমান শত্ৰুক ৰণত পৰাজয় কৰি কৰতোৱা নৈলৈকে খেদি পঠিয়াই নিজৰ দেশৰ স্বাধীনতা অক্ষত কৰিলে।

স্বৰ্তব্য যে মূলাৰ সাহসতেই অসমীয়া সৈন্যই মুছলমানক কচোৱাৰ ৰণত পৰাস্ত কৰিব পাৰিলে। মূলাক অন্যায়ভাৱে হত্যা নকৰা হ'লে নিশ্চয় তেওঁ নিজহাতে স্বামী হত্যাৰ প্ৰতিশোধ ল'ব পাৰিলেহেঁতেন। এই ৰণত তুৰ্বকৰ মৃত্যুৱে মূলাৰ আত্মাই চিৰশান্তি লভিলে। মূলাই অসমৰ নাৰীসকলক এই জ্ঞান দি থৈ গ'ল যে যি সময় মতে এই সংসাৰত কৰ্ম নকৰে, তেওঁৰ জনম বৃথা। সেই জনমৰ মূল্য নাথাকে আৰু জীৱন অসাৰ্থক হয়। নাৰী কেৱল ভাৰ্যা, গৃহিণীয়েই নহয়, কেৱল মাতৃ-দাসীয়েই নহয়; নাৰী সৰ্বৰূপা, সৰ্বশক্তিমান, বিপদনাশিনী। মূলাৰ বীৰত্বই অসমীয়া জাতিলৈ আদৰ্শৰ সাঁচ ৰাখি থৈ গ'ল। ভৱিষ্যতৰ প্ৰজন্মই মূলাৰ দেশপ্ৰমক শ্ৰদ্ধা জনাব। তেওঁৰ কীৰ্তি-কৰ্ম সোঁৱৰণ কৰিব অনন্তকাললৈ। □

ৰাণী সাধনী

চুতীয়াসকল অসমৰ আদিবাসী। কিন্তু তেওঁলোকৰ নিজৰ বুৰঞ্জী নথকাৰ বাবে চুতীয়া জাতিৰ বিষয়ে সঠিক বিৱৰণ পাবলৈ নাছিল।

অসম দেশৰ আদিৰজা চাওলুং ছুকাফা ১২২৮ খ্ৰীঃত সৌমাৰত ৰজ্য স্থাপন কৰিছিল। ছুকাফা অহালৈকে চুতীয়াসকল বাদেই অন্য জাতি-জনজাতিসকলৰ নামতো বুৰঞ্জী লিখা প্ৰথা নাছিল। সেয়ে তেওঁলোকৰ অতীতৰ বিষয়ে বৰ্ণনা কৰাটো সহজ কথা নহয়। চাওলুং ছুকাফাই সৌমাৰত আহি ৰাজ্য পাতোঁতে চুতীয়াসকলৰ মাজত ভাষা প্ৰচলন আছিল। কিন্তু তেওঁলোকৰ সভ্যতা, বল, বিক্ৰম, মানসিকতাৰ বিষয়ে বিশেষকৈ টাই আহোমসকলে মাজে মাজে দুই-এটা কথা উল্লেখ কৰাৰ পৰা টাই ভাষা বুৰঞ্জীৰ পৰাহে আহৰণ কৰিব পাৰি।

তদুপৰি টাই বুৰঞ্জীত চুতীয়া জাতিৰ ৰজাসকলৰ বিষয়ে ঘটনাৰ বৰ্ণনা কৰা আছে। সেইবোৰৰ ভিতৰতো বহুততে চুতীয়া ৰজাৰ নাম নিদি মাত্ৰ 'চুতীয়া ৰজা' বুলিহে উল্লেখ কৰা আছে। গতিকে সেই ঘটনা প্ৰকৃততে কোন চুতীয়া ৰজাৰ দিনত হৈছিল, সেই কথা ঠাৱৰ কৰা টান। ঘটনাসমূহৰ বৰ্ণনাৰ ক্ষেত্ৰতো বিভিন্ন বুৰঞ্জীত অমিল পোৱা যায়। সেয়ে টাই আহোমসকলৰ টাই ভাষাত বৰ্ননা কৰা বুৰঞ্জীসমূহৰ ওপৰতেই চুতীয়া জাতিৰ অতীত গৌৰৱৰ বিষয়ে নিৰ্ভৰ কৰিবলগা হয়। সেয়েহে শেষ ৰাণীৰ পুৰ্বপুৰুষৰ কথা কিছুমান কিম্বদন্তিৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়।

চুতীয়া বংশৰ প্ৰথম ৰজা আছিল বীৰ পাল ওৰফে গয়া পাল। বীৰ পালৰ ৰাজ্য লাভ সম্বন্ধে এটা কিম্বদন্তি আছে। সোণাগিৰি নামে এখন পাহাৰ আছিল।

তাতে পূৰ্বতে ৬০ ঘৰমান চুতীয়া মানুহে গাঁও পাতি আছিল। সেই গাঁৱতে বীৰবৰ নামে শক্তিশালী বুধিয়ক, সাহসী ডেকা এজন আছিল। শাৰীৰিক শক্তিত শক্তিশালী আছিল বাবেই তেওঁক মানুহে বীৰবৰ নাম দিছিল। তেওঁক গাঁৱৰ মানুহে মানি চলিছিল।

তেওঁ ৰূপৱতী নামে এগৰাকী কন্যাক বিয়া কৰাইছিল। কিন্তু তেওঁলোকৰ সন্তান-সন্ততি বহুদিনলৈকে নাছিল। সেয়ে বীৰবৰৰ মনত বৰ দুখ আছিল। এবাৰ ৰূপৱতীয়ে স্বপ্নত সন্তান-সন্ততিৰ বাবে তেওঁলোকৰ ইষ্ট দেৱতাক পূজা-অৰ্চনা কৰা দেখা পালে। সেয়ে ৰূপৱতী পিতৃগৃহলৈ গৈ স্বপ্নত দেখাৰ দৰে তেওঁলোকৰ ইষ্ট দেৱতা কুবেৰক পূজা-অৰ্চনা কৰিবলৈ ধৰিলে।

ৰূপৱতীয়ে কুবেৰক পূজা কৰি বহুদিনৰ মূৰত এজন বৃদ্ধৰ লগত স্বামীগৃহলৈ ঘূৰি আহিছিল। সেই সময়ত যান-বাহন নথকাত বহুদূৰ খোজকাঢ়ি আহি প্ৰখৰ ৰ'দত তেওঁ ভাগৰি পৰিছিল। সেইবাবে এজোপা গছৰ তলতে ক্ষন্তেক জিৰণি লৈছিল। জিৰণি লওঁতেই ৰূপৱতীৰ গছৰ তলত টোপনি আহিল। টোপনিত তেওঁ সপোনত বীৰবৰক তেওঁৰ ওচৰলৈ অহা দেখিলে। বহুদিনৰ মূৰত বীৰবৰে তেওঁক পাই অতি আদৰ কৰিলে। দুয়োৰে মাজত আলিঙ্গন হ'ল। ৰূপৱতীয়ে অতি আনন্দিত হৈ স্বামী বীৰবৰৰ ওচৰত নিজকে সমৰ্পণ কৰিলে। কিন্তু পিছ মুহূৰ্ততে ৰূপৱতীয়ে দেখিবলৈ পালে যে তেওঁ সপোনত লগ পোৱা স্বামী বীৰবৰ সেইজন নহয়। সেইজন তেওঁলোকৰ ইষ্ট দেৱতা কুবেৰহে আছিল। ৰূপৱতীয়ে আতঙ্কিত হৈ কুবেৰৰ চৰণত প্ৰণিপাত কৰিলে। তেতিয়া কুবেৰে ৰূপৱতীক আশীৰ্বাদ দি কৈছিল— 'ৰূপৱতী, মই তোমাৰ সেৱাত সন্তুষ্ট হৈছোঁ। তুমি কোনো চিন্তা নকৰিবা। তোমাৰ এটি পুত্ৰ সন্তান জন্ম হ'ব। সি ৰাজ্য ভোগ কৰিব। কিন্তু এই কথা তুমি কাকো নক'বা।'

হঠাৎ টোপনিৰ পৰা সাৰ পাই ৰূপৱতীয়ে এফালে যেনেকৈ আনন্দিত হ'ল, সেইদৰে লাঞ্চিত আৰু আতঙ্কিতও হ'ল। কুবেৰৰ আদেশ মতে সেই কথা কাকো কোৱা নাছিল। ৰূপৱতী সেইদিনা সন্ধিয়া সময়ত স্বামীগৃহ পায়হি। বৃদ্ধজনে ৰূপৱতীক ঘৰত থৈ বিদায় লৈ গুচি যায়। ৰূপৱতী ঘৰ পোৱা সময়ত তেওঁৰ স্বামী বীৰবৰ ঘৰত নাছিল। বীৰবৰ ঘৰলৈ আহি ৰূপৱতীক দেখি খং কৰিলে। পিতৃগৃহত বহুদিন থকা বাবে ভৰ্ৎসনা কৰিলে। তেওঁৰ চৰিত্ৰৰ ওপৰত সন্দেহ কৰিলে। সেয়ে ৰূপৱতীক তেওঁৰ ঘৰত থাকিবলৈ নিদি খেদি দিয়ে। লাজ-অপমান আৰু দুখ-বেজাৰত ৰূপৱতী অধীৰ হৈ পৰিল। স্বামীয়ে তেওঁক খেদি দিয়াত

উপায় নাপায় বাধ্য হৈ ওচৰৰ মানুহ এঘৰত আশ্ৰয় লয়। বীৰবৰে তেওঁৰ পত্নীক ঘৰৰ পৰা খেদি দি সুখি হ'ব নোৱাৰিলে। তেওঁ পত্নী ৰূপৱতীক ঘৰৰ পৰা খেদি দি বৰ ভাল কাম নকৰিলে বুলি ভাবি মনতে বৰ দুখ পালে। ৰাতি বহুত পলমকৈ তেওঁৰ টোপনি আহিল। শেষৰাতি চিল্‌মিলকৈ টোপনি অহাত তেওঁ এটি সপোন দেখিলে। তেওঁলোকৰ ইষ্ট দেৱতা কুবেৰে তেওঁক ক'লে— 'বীৰবৰ, তই বৰ অন্যায় কৰিছ। তোৰ পত্নী ৰূপৱতী বৰ পৱিত্ৰ। মোৰ আশীৰ্বাদত অতি সোনকালে তাইৰ এটি ৰাজলক্ষণযুক্ত পুত্ৰ হ'ব আৰু ৰাজ্য ভোগ কৰিব। আৰু শুন, তইঁতে প্ৰতি বছৰে ফাগুণৰ কৃষ্ণা চতুৰ্দশীৰ দিনা যিজোপা শিলিখা গছত মোৰ পূজা কৰ, তাতে খান্দি চাই যি পাৱ তাকে আনি ঘৰত ভালকৈ স্থাপন কৰিবি। তইঁতৰ তেতিয়া মংগল হ'ব। ৰূপৱতীক আনি ভালদৰে আদৰ-যত্ন কৰি ৰাখিবি।' বীৰবৰে সপোনত কুবেৰৰ কথা শুনি আচৰিত হ'ল। তেওঁ সপোনৰ কথাবোৰ সঁচা নে মিছা তাকে প্ৰমাণ চাবৰ বাবে পুৱাতে উঠি গছজোপাৰ তলত খান্দি চাই তাত এখন ঢাল, এখন তৰোৱাল, এটা সোণৰ মেকুৰী আৰু এঘাগৰী ধন-সোণ পালে। বস্তুবোৰ আনি কুবেৰৰ কথা মতে ঘৰৰ ভিতৰত এডোখৰ শুচি ঠাইত থাপনা পাতি পৱিত্ৰতাৰে ৰাখিলে। সপোনৰ মতে কুবেৰৰ কথাৰ প্ৰমাণ পাই বীৰবৰ আচৰিত আৰু আনন্দিত হ'ল। কুবেৰে সপোনত দিহা দিয়া মতেই বীৰবৰে ৰূপৱতীক ঘৰলৈ লৈ আহিলেগৈ। আগদিনা তেওঁক ঘৰৰ পৰা খেদাই দি ভৰ্ৎসনা কৰাৰ বাবে দুখ প্ৰকাশ কৰি তেওঁ দেখা সপোনৰ কুবেৰৰ কথা পত্নী ৰূপৱতীক ক'লে আৰু দুয়ো গা-পা ধুই ধূপ-বন্তি জ্বলাই সেই সপোনৰ মতে পোৱা বস্তুকেইপদক পূজা সেৱা কৰিলে। এইদৰে সদায় তেওঁলোকে বস্তুকেইপদ পূজা-সেৱা কৰি থাকিবলৈ ল'লে। দুয়ো পতি-পত্নীয়ে মিলা-প্ৰীতিৰে থাকিবলৈ ল'লে। ইতিমধ্যে সপোনৰ মতেই ৰূপৱতীৰ গাত সন্তানৰ সম্ভাৱনাই দেখা দিলে। বীৰবৰে সপোনত দেখা কুবেৰৰ কথা মতেই ৰূপৱতীক নতুন ঘৰ সাজি থাকিবলৈ দিলে। গাঁৱৰ মানুহে বীৰবৰৰ সপোনৰ কথা জানিবলৈ পালে। তেওঁলোক প্ৰচুৰ ধন-সোণৰ গৰাকী হোৱাৰ ফলত অতি সোনকালে প্ৰভাৱশালী হৈ পৰিল। বীৰবৰে লাহে লাহে এটা শক্তিশালী সেনা দল গঠন কৰি ওচৰৰ গাঁওবোৰ বশ কৰি নিজকে ৰজা বুলি ঘোষণা কৰিলে। বীৰবৰে ৰজা হৈ নাম ল'লে বীৰ পাল। ধন-সোণ কুবেৰৰ পৰা লাভ কৰি বীৰ পালৰ প্ৰতিপত্তি বাঢ়িল। তেওঁৰ সৰু ৰাজ্যখনৰ বাবে ভাল কাম কৰি ৰাজ্যৰ উন্নতি সাধিলে আৰু সকলোৰে প্ৰিয়পাত্ৰ হ'বলৈ ধৰিলে।

ৰূপৱতীয়ে স্বপ্নত দেখাৰ দৰেই যথা সময়ত তেওঁৰ এটি অতি সুলক্ষণযুক্ত

পুত্ৰৰ জন্ম হ'ল। ল'ৰাটিৰ নাম থ'লে গৌৰীনাৰায়ণ। গৌৰীনাৰায়ণ পৰাক্ৰমী আৰু শক্তিশালী হ'বলৈ ধৰিলে। তেওঁৰ গাত সুলক্ষণ আৰু শক্তি দেখি সকলোৱে তেওঁৰ ওচৰত মূৰ দোৱালে। ডাঙৰ হৈ ৰাজ্যৰ উন্নতি সাধন কৰি গৌৰীনাৰায়ণে ৰাজ্য বিস্তাৰ কৰিলে। ওচৰৰ পৰ্বতীয়া জাতিবিলাকক গৌৰীনাৰায়ণে তলতীয়া কৰিলে। চৌৱিশ বছৰ সুখ্যাতিৰে ৰাজত্ব কৰি বীৰ পালে ১২১৩ খ্ৰীঃত মৃত্যু হয়। বাৰ পালৰ ৰাজ্য লাভৰ বিষয়ে অন্য এটা কিম্বদন্তিও আছে। কিন্তু সকলো কিম্বদন্তিকে উল্লেখ নকৰি এই কিম্বদন্তিটোকে বৰ্ননা কৰা হয়। বীৰ পালৰ পিছত গৌৰীনাৰায়ণে পিছত শিৱনাৰায়ণ ওৰফে বিজয়ধ্বজ পাল, ইয়াৰ পিছত জগত নাৰায়ণ ওৰফে বিক্ৰমধ্বজ পাল, এইজনাৰ পিছত প্ৰমত্তনাৰায়ণ ওৰফে গুৰুধ্বজ পাল, তাৰ পিছত হৰিনাৰায়ণ ওৰফে শঙ্খধ্বজ পাল, এইজনাৰ পিছত ক্ৰমে গোলক নাৰায়ণ, ব্ৰজনাৰায়ণ, সত্যনাৰায়ণ, বীৰনাৰায়ণ, ধীৰনাৰায়ণ, ওৰফে লক্ষ্মীনাৰায়ণ ওৰফে ধৰ্মধ্বজ পাল চুতীয়া ৰাজ্যৰ ৰজা হয়।

ধীৰ নাৰায়ণে ধৰ্মধ্বজ পাল নাম লৈ চুতীয়া ৰাজসিংহাসনত ১৪৭৮ খ্ৰীঃত বহে। কিন্তু সকলো কথা বুৰঞ্জীবোৰত একেই পোৱা নাযায়। চুতীয়াসকলৰ নিজৰ বুৰঞ্জী নথকাৰ বাবেই কোনটো সত্য, কোনটো অসত্য ধৰিব নোৱাৰি।

১২২৮ খ্ৰীঃত চাওলুং ছুকাফাই সৌমাৰত আহি টাই আহোম ৰাজ্য প্ৰতিষ্ঠা কৰে। সেই আহোম ৰাজ্য চুতীয়া ৰাজ্যৰ সীমাতে থকাত চুতীয়া ৰাজ্যৰ প্ৰতিও ভাবুকি হৈ পৰিছিল। কাৰণ তেওঁলোকে যেনিয়েই যায়, তেনিয়েই আহোম ৰাজ্যৰ তললৈ গৈ আহোমৰ তলতীয়া ৰাজ্য হৈ থাকি ভাল পাইছিল। কাৰণ টাই আহোমসকলে সমন্বয়ৰ যোগেদি দেশ শান্তি- সম্প্ৰীতিৰে গঢ়ি তুলিছিল। স্বৰ্গদেউ ছুহুমমুঙ আহোমৰ এজন প্ৰতাপী ৰজা আছিল। তেওঁৰ দিনতে বৰ অসম গঢ়ি উঠিছিল। সেই সময়তে দিহিং নদীত মাছমৰাক লৈ আহোম আৰু চুতীয়াৰ মাজত মনোমালিন্য ঘটিছিল। দিহিঙৰ উত্তৰে চুতীয়া ৰাজ্য আৰু দক্ষিণে আহোম ৰাজ্য। এদিন এটা ডাঙৰ বৰালি মাছ দিহিঙত উঠি আহোঁতে আহোম সৈন্যই মাছটো ধৰি আনিলে। এই কাৰ্যৰ প্ৰতিশোধৰ বাবে চুতীয়াসকল তলে তলে দৃঢ়প্ৰতিজ্ঞ হ'ল। সেয়ে চুতীয়া ৰজা ধীৰনাৰায়ণে আহোম ৰজাক প্ৰতিশোধ ল'বৰ কাৰণে এটা শক্তিশালী বাহিনী গঠন কৰিলে। এই সৈন্যবাহিনী লৈ চুতীয়া ৰজাই ১৫১৩ খ্ৰীঃত আহোম সৈন্যক এসেকা দিবৰ বাবে দিখৌমুখলৈ গ'ল। তাতে দিখৌমুখ দখল কৰি ৰাজ্যৰ সুৰক্ষাৰ বাবে পচলাৰে এটা গড় মৰালে। সেই গড়ৰ নাম হ'ল পচলা গড়।

চোৰাংচোৱাৰ পৰা আহোম ৰজাই চুতীয়া ৰজাই দিখৌমুখ দখল কৰা খবৰ পালে। স্বৰ্গদেউ ছুহুংমুঙে চাও চিয়েন আৰু তাও মুৰেই লুঙ নামৰ দুজন সেনাপতিক চুতীয়া সৈন্যক বাধা দিবৰ বাবে পঠিয়ালে। সেই ৰণত চুতীয়া ৰজা পৰাজিত হয়। সেইবাবে চুতীয়া ৰজাই সন্ধিৰ প্ৰস্তাৱ দিলে। চুতীয়া ৰজা দিখৌমুখ এৰি গুচি যায়। এইজনা চুতীয়া ৰজা ধীৰ নাৰায়ণ ওৰফে ধৰ্মধ্বজ পালৰ বহু দিনলৈকে সতি-সন্ততি হোৱা নাছিল। সেয়ে তেওঁ উদাস হৈ পৰিছিল। তেওঁ এজন ধাৰ্মিক ৰজা আছিল। দুয়ো ৰজা-ৰাণীয়ে অনেক পূজা-পাতল কৰিও বহুদিন ধৰি সতি - সন্তানৰ মুখ নেদেখি মন দুখ-বেজাৰেৰে ভৰি পৰিল। তথাপি তেওঁলোকে সদায় সন্তান লাভৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি থাকিল। এইদৰে বহুত বছৰ যোৱাৰ পিছত তেওঁলোকৰ এটি কন্যা সন্তানৰ জন্ম হ'ল। বহু সাধনাৰ বলত পোৱাৰ বাবে কন্যাটিৰ নাম থ'লে 'সাধনী'। সাধনী মাক-দেউতাকৰ আলাসৰ লাৰু হ'ল। মৰম-স্নেহৰ মাজত তেওঁ ডাঙৰ-দীঘল হ'বলৈ ধৰিলে। তাতে আকৌ ৰাজকন্যা হৈ সকলো সুবিধা সাধনীয়ে লাভ কৰিলে। সৰুৰে পৰা সাধনী অতি বুদ্ধিমতী আৰু সাহসী আছিল। যথা সময়ত উচিত শিক্ষা দিবলৈ সাধনীক সকলো ফালৰ পৰা সহায় যোগালে তেওঁৰ পিতৃ চুতীয়া ৰজাই।

সৰুৰে পৰা সমনীয়াৰ লগত কইনা-দৰা ফটাকানি বনাই খেলিছিল। ৰাজকন্যা হৈও সাধাৰণ ল'ৰা- ছোৱালীৰ লগত তেওঁ একো ভেদভাব নাৰাখি দৌৰি-ঢাপলি খেলি ফুৰিছিল। লাহে লাহে তেওঁ ডাঙৰ হৈ এজনী ধুনীয়া দীপ্লিপ ৰাজকন্যা হৈ পৰিল। তেওঁ অতুলনীয় চৰিত্ৰৰ ৰাজকুমাৰী আছিল। সাধনী বিদ্যা-বুদ্ধিতো পাৰ্গত হৈ পৰিল।

সাধনীয়ে বিয়াৰ বয়সত ভৰি দিয়াত চুতীয়া ৰজাই তেওঁৰ আদৰৰ কন্যাৰ বাবে উপযুক্ত পাত্ৰত বিয়া দিবলৈ চিন্তা কৰিলে। সেয়ে সাধনীৰ বাবে দৰাৰ সন্ধান কৰি নানান ৰাজ্যলৈ মানুহ পঠিয়ালে। কিন্তু কোনো মানুহে সাধনীৰ বাবে উপযুক্ত দৰাৰ সন্ধান উলিয়াব নোৱাৰিলে। এই কথাত চুতীয়া ৰজা ধীৰ নাৰায়ণ অতি চিন্তিত হৈ পৰিল। যোগ্য জীক যোগ্যজনৰ হাতত অৰ্পণ কৰিবলৈ তেওঁ অধীৰে বাট চাবলৈ ধৰিলে। সময় যাবলৈ ধৰিলে, কিন্তু সাধনীৰ বাবে কোনো যোগ্য পাত্ৰ বিচাৰি নাপায় ৰজা ধীৰ নাৰায়ণ বিপাঙত পৰিল। উঠোঁতে-বহোঁতে, খাওঁতে-শোওঁতে কেৱল সাধনীৰ বিয়াৰ চিন্তাই তেওঁক বেঢ়ি ধৰিলে। সাধনীৰ বিয়াৰ পাত্ৰৰ বাবে চিন্তাক্লিষ্ট হৈ ৰজা ধীৰ নাৰায়ণে এদিন ফুৰিবলৈ যাওঁতে 'পাল শৰদিয়া মৈদাম'ৰ ওপৰত এটা কেৰ্কেটুৱাই চঞ্চলভাৱে জঁপিয়াই মৈদামবোৰৰ ওপৰত ঘূৰি ফুৰা

দেখিলে। ধীৰ নাৰায়ণে লগুৱাৰ দ্বাৰা কেৰ্কেটুৱাটোক তাৰ পৰা খেদাবলৈ যত্ন কৰিলে। ৰজাই নিজেও কেৰ্কেটুৱাটো খেদিবলৈ বহুত যত্ন কৰি বিফল হ'ল। এফালে কেৰ্কেটুৱাটো খেদি দিলে পিছ মুহূৰ্ততে কেৰ্কেটুৱাটো অন্য ফালেদি দৌৰি আহি পূৰ্বপুৰুষৰ মৈদামৰ ওপৰত জঁপিয়াই দৌৰি ফুৰে। ধীৰ নাৰায়ণে কেৰ্কেটুৱাটোৰ কাণ্ড দেখি এনে অনুভৱ কৰিলে যেন কেৰ্কেটুৱাটোৱে ৰজাৰ পূৰ্বপুৰুষসকলকে কেৱল নহয়, তেওঁকো উপহাস কৰি মৈদামৰ ওপৰত ঘূৰি ফুৰিছে। তেওঁৰ মনত নানান চিন্তাই বাহ ল'লে। তেওঁ ভাবিলে, সাধাৰণ কেৰ্কেটুৱাটোক কোনেও খেদি দিব পৰা নাই। পূৰ্বপুৰুষৰ মৈদামৰ ওপৰত কেৰ্কেটুৱাটোৱে ঘূৰি ফুৰাত তাক মাৰিবলৈ অনেক চেষ্টা কৰিও বিফল হৈ তেওঁ ইয়াৰ উপায় চিন্তা কৰি থাকোঁতে হঠাৎ যেন তেওঁ সাধনীৰ বিয়াৰ এটা উপায় বিচাৰি পালে। ৰজাই পণ কৰিলে যে যিয়ে এই কেৰ্কেটুৱাটো একেপাত কাঁড়তে বিদ্ধ কৰিব পাৰিব, তেওঁকে সাধনীক বিয়া দিয়া উপযুক্ত পাত্ৰ হিচাপে গ্ৰহণ কৰিব। চুতীয়া ৰজাৰ মনতো ভাল লাগি গ'ল। তেওঁ যেন অসাধ্য সাধন কৰিবলৈ সক্ষম হ'ল। মনৰ আনন্দতে তেওঁ পাত্ৰমন্ত্ৰীসকলৰ লগত আলোচনা কৰি সেই বিজুলী বেগত দৌৰি ফুৰা কেৰ্কেটুৱাটোক যিয়ে মাৰিব পাৰিব তেওঁকো সাধনীক বিয়া দিয়াৰ কথা জনালে। পাত্ৰমন্ত্ৰীসকলক অতি কম দিনৰ ভিতৰতে সয়ম্বৰৰ দিন ঘোষণা কৰিবলৈ ক'লে যাতে পূৰ্বপুৰুষৰ মৈদামৰ পৰা কেৰ্কেটুৱাটো অন্তৰ্ধান নৌহওঁতেই সাধনীৰ সয়ম্বৰ অনুষ্ঠিত কৰিব পৰা যায়। আগৰ দিনৰ ৰাজপৰিয়ালৰ কন্যাৰ বিবাহৰ বাবে সয়ম্বৰ পতা হৈছিল। এই নিয়ম পিতৃ-পিতামহৰ দিনৰ পৰা চলি আহিছিল। গতিকে নিৰ্দিষ্ট শুভ দিনত সাধনীৰ সয়ম্বৰ অনুষ্ঠিত কৰি নানান দেশৰ ৰজা-মহাৰজাক আমন্ত্ৰণ কৰা হ'ল। সেই নিৰ্দিষ্ট শুভ দিনৰ দিনা নানান ঠাইৰ ৰাজপুৰুষ আৰু বীৰপুৰুষসকল আহি সাধনীৰ সয়ম্বৰত ভৰি পৰিল।

সাধনীৰ পিতা চুতীয়া ৰজা ধীৰুনাৰায়ণে সয়ম্বৰত ৰজা-মহাৰাজাসকলৰ আগত নিজৰ পণৰ কথা ক'লে যে যিজন ৰজা- মহাৰজাই মোৰ পূৰ্বপুৰুষৰ মৈদামৰ ওপৰত বিজুলী বেগেৰে যিটো কেৰ্কেটুৱাই অনবৰতে দৌৰি ফুৰে, তাক একেপাত শৰেৰে মাৰিব পাৰিব, তেওঁকে মোৰ কন্যা সাধনীক বিয়া দিয়া হ'ব। নানান দেশৰ ৰাজপুৰুষ আৰু বীৰসকলে অতি সুন্দৰী গুণৱতী ৰাজকন্যা সাধনীক লাভ কৰাৰ আশাত লক্ষ্যভেদৰ বাবে এজন এজনকৈ হাতত ধেনুকাঁড় লৈ আগবাঢ়ি আহিল। কিন্তু কোনেও সেই লক্ষ্যভেদ কৰিব নোৱাৰিলে। চুতীয়া ৰজা ধীৰুনাৰায়ণ বিমৰ্ষ হৈ পৰিল। তেওঁৰ কন্যা সাধনীক বিয়া দিয়াৰ বাবে যি পণ কৰিলে, সেয়া ভ্ৰষ্ট হৈ

পৰিল। এই পণ কৰি তেওঁ ভুল কৰিলে নেকি তাকে চিন্তা কৰি তেওঁ অধীৰ হৈ পৰিল। উপায় নাপায় ৰজাই উপস্থিত সভাৰ সকলোকে উদ্দেশ্য কৰি পুনৰ পণৰ কথা ঘোষণা কৰিলে যে 'সভাত থকা সকলোৰে বাবে সেই পণমুক্ত। গতিকে যিজনে এই কাৰ্যত সিদ্ধি হ'ব, তেওঁলৈকে সাধনীক বিয়া দিয়া হ'ব।' সেই ৰাজকন্যা সাধনীৰ সয়ম্বৰ চাবলৈ গাঁৱৰ সাধাৰণ মানুহো আহিছিল। ৰজা ধীৰনাৰায়ণৰ সেই পণৰ কথা শুনি সকলোৱেই আচৰিত হ'ল। সেই সভাত নিতাই নামেৰে এজন চুতীয়া যুৱক উপস্থিত আছিল। সি বৰ দুখীয়া ঘৰৰ ল'ৰা আছিল। কিন্তু সি ধনুবিদ্যাত অতি নিপুণ আছিল। তাৰ বংশ গৌৰৱ নথকাৰ বাবে সি আগবাঢ়ি ধনুকাঁড়েৰে সেই কেৰ্কেটুৱাটো মাৰিবলৈ অহা নাছিল। কিন্তু সেই সয়ম্বৰত উপস্থিত থকা নিতাইৰ বন্ধুবৰ্গই ধনুকাঁড়েৰে কেৰ্কেটুৱাটো লক্ষ্যভেদ কৰিবলৈ নিতাইক বাৰেপতি পৰামৰ্শ দিছিল। উপায় নাপাই গৰখীয়া নিতায়ে চুচুক-চামাককৈ লক্ষ্যভেদৰ বাবে আগবাঢ়ি গল।

উপস্থিত ৰজা- মহাৰজাই এনে কাণ্ড দেখি আপত্তি কৰিবলৈ ধৰিলে। কিন্তু ৰজা ধীৰনাৰায়ণ নিজৰ পণৰ পৰা বিৰত নহ'ল। নিতায়ে আগবাঢ়ি গৈ একেপাত কাঁড়তে কেৰ্কেটুৱাটো বিদ্ধ কৰিলে। এই কাৰ্য দেখি ৰাজসভাত থকা সকলো ৰজা-মহাৰজা জঁয় পৰি গ'ল। নিতাইক এই কাৰ্য কৰিবলৈ দিয়াৰ বাবে ৰজা-মহাৰজাসকলে ককৰ্থনা কৰিলে। কিন্তু চুতীয়া ৰজা ধীৰনাৰায়ণে নিজৰ পণ ৰক্ষা কৰি সাধনীক সেই নিতাইৰ হাতত অৰ্পণ কৰিবৰ বাবে উদ্যত হৈ পৰিল। সয়ম্বয়ৰত থকা ৰজা-মহাৰজাসকলে ৰূপৱতী-গুণৱতী ৰাজকুমাৰী সাধনীৰ স্থিতিলৈ লক্ষ্য কৰিলে। ইফালে অন্তেষপুৰৰ নিৰ্দিষ্ট স্থানৰ পৰা গৰখীয়া নিতায়ে কেৰ্কেটুৱাটো লক্ষ্যভেদ কৰা সাধনীয়ে চাই আছিল। সকলো ৰজা-মহাৰজাই যি কৰ্ম কৰিব নোৱাৰিলে, সেই কাম এটা সাধাৰণ গৰখীয়া ল'ৰাই আলাসতে লক্ষ্যভেদ কৰা দেখি সাধনী আচৰিত হ'ল। দেউতাকৰ পণৰ কথা ভাবি তেওঁ বিমোৰত পৰিল। এফালে তেওঁৰ দেউতাকৰ পণ, আনফালে তেওঁৰ জীৱনৰ ভৱিষ্যৎ। এই কথা ভাবি তেওঁ চিন্তিত হৈ পৰিল। তেওঁ দেউতাক ৰজা ধীৰনাৰায়ণৰ মান-সন্মান লগতে নিজৰ জীৱনৰ ভৱিষ্যতৰ কথাও নভবাকৈ থাকিব নোৱাৰিলে। এনেতে সাধনীৰ দেউতাকৰ পণত জয়ীজনক বৰমালা দিয়াৰ সময় আহি পৰিল। সয়ম্বৰত থকা ৰজা-মহাৰজাসকলে ভাবিলে যে সঁচাকৈয়ে সুন্দৰী সাধনীয়ে এই বংশ মৰ্যাদা নথকা গৰখীয়া যুৱকজনক বৰমাল্য দিবনে?

ৰাজকুমাৰী সাধনীয়েও ভাবিলে দেউতাকৰ কথা। শ্ৰীৰামচন্দ্ৰই পিতৃ দশৰথে

ভাৰ্যা কৈকেয়ীৰ আগত কৰা পণ ৰক্ষা কৰিবলৈ গৈ ৰাজসুখ পৰিত্যাগ কৰি ১৩ বছৰ কাল ধৰি বনবাস খাটিছিল। শ্ৰীৰামচন্দ্ৰ ভগৱানৰ অৱতাৰ হৈও পিতৃৰ সত্য অঙ্গীকাৰ পালন কৰি মানৱ জাতিলৈ আদৰ্শ থৈ গৈছে। গতিকে তেওঁ সাধাৰণ এগৰাকী ৰাজকুমাৰী হৈ পিতৃৰ অঙ্গীকাৰ ৰখাটো তেওঁৰ কৰ্তব্য। শ্ৰীৰামচন্দ্ৰৰ আদৰ্শকে সাৰোগত কৰি ৰাজকন্যা সাধনীয়ে গৰখীয়া ল'ৰা নিতাইক বৰমাল্য দিবৰ বাবে আনন্দৰে আগবাঢ়ি আহিল। তাকে দেখি ৰজা-মহাৰজা, নিতাই সকলো আচৰিত হ'ল। তেওঁৰ পিতাক ধীৰনাৰায়ণে সাধনীয়ে বা কি কৰে, নিতাইক স্বামীবৰণ কৰে নে নকৰে, এই কথা ভাবি বিমোৰত পৰিছিল। তদুপৰি তেওঁৰ ৰাজকুমাৰী ৰূপৱতী, গুণৱতী সাধাৰণ গৰখীয়া এজন যুৱকলৈ বিয়া দিবলৈ পণ কৰি বাধ্য হোৱাত তেওঁৰ বুকু কঁপি উঠিছিল। কিন্তু পণ পণেই। সয়ম্বৰত কৰা পণত তেওঁৰ জীয়েক সাধনীয়ে সা-সন্মানেৰে পালন কৰিবলৈ আগবাঢ়ি অহা দেখি ৰজা ধীৰনাৰয়ণ অতি গৌৰান্বিত আৰু সুখী হৈ পৰিল। তাতে আকৌ তেওঁৰ মনলৈ অহা কিছুমান অবাঞ্ছিত চিন্তাৰ ধুমুহাই তেওঁৰ মনৰ স্থিৰতা হেৰুৱাইছিল। তেওঁ ভাবিলে তেনে এজন দুখীয়া গৰখীয়ালৈ সাধনীক বিয়া দিয়াৰ বাবে সমাজে তেওঁক উপহাস কৰিব। তদুপৰি ৰাজপৰিয়ালৰ ৰাজকুঁৱৰী হৈ সদায় ৰাজ কাৰেঙত সুখ-আনন্দৰে অকণো অভাৱ নোহোৱাকৈ ডাঙৰ হোৱা সাধনীয়ে কেনেকৈ গৰখীয়া যুৱকৰ ভঙা পঁজাত থাকিবগৈ। তাক লৈ তেওঁৰ অন্তৰ ব্যাকুল হৈ পৰিল। কিন্তু সাধনীৰ কাৰ্যই তেওঁক বহুত সাহস দিলে।

ধৰ্মপ্ৰাণ ৰজা ধীৰনাৰায়ণে সাধনীৰ এই আদৰ্শ মহানুভৱতাত আনন্দিত হৈ নিতাইৰ হাতত নিজৰ কন্যাক সমৰ্পণ কৰিলে। এজন দুখীয়া যুৱকৰ হাতত নিজৰ ৰাজকন্যাক অৰ্পণ কৰি তেওঁ চিন্তাত পৰিল। সেয়ে তেওঁ সেই ৰাজসভাতে নিজ ৰাজ্যও জোঁৱায়েক নিতাইৰ হাতত সমৰ্পণ কৰিলে। ধীৰনাৰায়ণে নিজ হাতেৰে নিতাইৰ মূৰত ৰাজমুকুত পিন্ধাই দিলে। এইদৰে নিতাইকে ধীৰনাৰায়ণে চুতীয়া দেশৰ ৰজা পাতিলে। তদুপৰি সাধনীৰ এটা সৰু ভায়েক আছিল। তেওঁ সৰু হৈ থকা বাবে ৰাজ্যৰ একো কাম কৰাত ৰজাক সহায় কৰিব পৰা নাছিল। সেয়ে ৰজা ধীৰনাৰায়ণে চুতীয়াৰ ৰাজসিংহাসন ভৱিষ্যতে অনিশ্চয়তা দূৰ কৰিলে। তেওঁৰ জীৱিতকালতেই যাতে নিতায়ে ৰাজ্য শাসনৰ অভিজ্ঞতা লাভ কৰি চুতীয়া ৰাজ্যৰ শাসন সুস্থিৰ কৰিব পাৰে, তাৰ বাবে ব্যৱস্থা কৰিলে।

ৰজা ধীৰনাৰায়ণে নিতাইক ৰাজসিংহাসন সমৰ্পণ কৰাৰ পিছত তেওঁলোকৰ পিতৃপুৰুষৰ চিৰপূজিত ৰাজসম্পদ ঢাল, তোৰোৱাল আৰু সোণৰ মেকুৰীও যৌতুক

হিচাপে অৰ্পণ কৰিলে। ৰজা ধীৰনাৰায়ণে ভাবিলে যে এই সম্পদ ৰাজসম্পদ। ৰজাৰ হাততহে এই ৰাজসম্পদ থকা উচিত। কাৰণ চুতীয়া ৰজাই ৰাজ মৰ্যাদাৰে বছৰি উৎসৱ পাতিব লাগিব, নহ'লে ৰাজ্যত ৰজা আৰু প্ৰজাৰ অমঙ্গল হ'ব। সেয়ে তেওঁ ৰজা আৰু প্ৰজাৰ মঙ্গলৰ কথা ভাবি ৰাজসম্পদ সাধনী ৰাণীৰ হাতত দিলে। ৰাজ্য নিজ কন্যাৰ হাতত অৰ্পণ কৰি ধাৰ্মিক ধীৰনাৰায়ণে সন্ন্যাস গ্ৰহণ কৰি আশ্ৰমত থাকিবলৈ গুচি যায়। নিতায়ে পণত জয়ী হৈ ৰাজকন্যা সাধনীক লাভ কৰি যৌতুক হিচাপে চুতীয়া ৰাজসিংহাসন লাভ কৰিলে। তেওঁ চুতীয়াৰ ৰাজসিংহাসনত আৰোহণ কৰি নাম ল'লে নীতিপাল। নীতিপালৰ ৰাজ্য চলোৱাৰ একো জ্ঞান নাছিল। সেয়ে ৰাজ্য চলোৱাত অসুবিধা পাবলৈ ধৰে।

ৰাজকন্যা সাধনী অতি সাহসী বুদ্ধিমতী আৰু ৰাজকাৰ্যত অভিজ্ঞতাসম্পন্না হ'লেও তেওঁৰ কথা সকলো সময়তে নীতিপালে মনা নাছিল। তেওঁ নিজৰ বংশ গৌৰব নথকাৰ বাবে সদায় তেওঁ কৰ্মজ্ঞান বুদ্ধি নথকা তেওঁৰ বন্ধু বৰ্গৰ লগতহে তেওঁ বেছি সময় কটাইছিল। আনকি তেওঁৰ বাল্যকালৰ লগৰীয়া কিছুমানক প্ৰশ্ৰয় দি মন্ত্ৰী, পাৰিষদ আদি বিষয় বাব দি তেওঁ সুখী হৈছিল। এই কাৰ্যত সাধনীয়ে বাধা দিলেও তেওঁ মনা নাছিল। তেনে হোৱা বাবে চুতীয়া ৰাজ্যত একো উন্নতি হোৱা নাছিল। সেইবাবে কিছুমানে নীতিপালক অনীতিপাল নাম দিছিল।

নীতিপাল ধনু বিদ্যাত পাৰ্গত আছিল বাবে তেওঁ ৰজা হৈ চিকাৰ কৰাতো তেওঁ এটা ৰাজকীয় কাৰ্য হিচাপে লৈছিল। তদুপৰি তেওঁ প্ৰজাৰ মাজত থাকি আলি বন্ধা, পুখুৰী খন্দা, মাছমৰা আদি কামবোৰ কৰি সময় কটাইছিল। সেইবাবে প্ৰায়বোৰ প্ৰজাই তেওঁৰ এনে কামক নিন্দা কৰিছিল। চুতীয়া ৰাজ্যৰ কাষতে আহোম ৰাজ্য আছিল। সাধনী ৰাণীৰ দেউতাক ধীৰনাৰায়ণৰ লগত আহোম ৰাজ্যৰ ৰণ হৈছিল। প্ৰায়বোৰ ৰণতে ধীৰনাৰায়ণে আহোমৰ লগত পৰাজয় বৰণ কৰি পিছলৈ দুবছৰমান যুদ্ধ নকৰাকৈ আছিল।

আহোম ৰাজ্যৰ ৰজা ছুহুমমুঙে চুতীয়া ৰজা নীতিপালৰ কথা জানিবলৈ পাইছিল। চুতীয়া ৰাজ্যত ঘটা বিশৃংখলতাৰ খবৰো তেওঁ পাইছিল। এনে বিশৃংখলতাৰ সুযোগ লৈ স্বৰ্গদেউ ছুহুমমুঙে চুতীয়া ৰাজ্য আক্ৰমণ কৰাৰ কথা ভাবিছিল। তেনে সময়তে নীতিপালে পাত্ৰমন্ত্ৰী লগত লৈ আহোম ৰাজ্যত প্ৰৱেশ কৰে। এই কথাত আহোম ৰজাই ক্ষুব্ধ হৈ চুতীয়া ৰাজ্য আক্ৰমণ কৰিবৰ বাবে সুবিধা বিচাৰি পালে। স্বৰ্গদেৱে দুজন সেনাপতিৰ সৈতে এদল সৈন্য দি চুতীয়া ৰাজ্য আক্ৰমণ কৰিবলৈ পঠিয়ায়। এই খবৰ পাই নীতিপালে শদিয়ালৈ পলাই যায়। আহোম সৈন্যই তেওঁৰ পিছ

নেৰাত তেওঁ আহোম ৰাজ্যৰ লগত সন্ধি পাতিবলৈ প্ৰস্তাৱ দিয়ে। সন্ধিৰ প্ৰস্তাৱ মতে, আহোম সেনাপতিলৈ দুডাল সোণৰ হাৰ, দুটা হাতী দাঁতৰ বনকৰা পাটী, দুযোৰ সোণৰ কৰিয়া পঠিয়ায়। তদুপৰি আহোম ৰজাক বছৰি কৰ দিবলৈ বশ্যতা স্বীকাৰ কৰে।

আহোম ৰজাই চুতীয়া ৰজা নীতিপালৰ প্ৰস্তাৱ মানি ল'লে কিন্তু লগতে চুতীয়া ৰজাৰ ৰাজসম্পত্তি সোণৰ ঢাল, সোণৰ দণ্ড আৰু সোণৰ মেকুৰীটো বিচাৰিলে। সেই কথা শুনি চুতীয়া ৰজা নীতিপালে দুগৰাকী কুঁৱৰী আৰু দহটা হাতী দিবলৈ সন্মত হ'ল। কিন্তু তেওঁলোকৰ পূৰ্বপুৰুষৰ ৰাজসম্পদ ঢাল-তোৰোৱাল আৰু সোণৰ মেকুৰীটো দিবলৈ সন্মত নহ'ল। কিন্তু তাৰ চানেকীৰে নতুন সম্পত্তি গঢ়াই দিবলৈ স্বৰ্গদেউলৈ সময় খুজি পঠিয়ালে। আহোম স্বৰ্গদেৱে সেই কথাত সন্মতি প্ৰকাশ কৰিলে। স্বৰ্গদেৱে চুতীয়া ৰজাৰ কথা মানি লোৱাত নীতিপালে সন্তুষ্ট হৈ আহোম সেনাপতিসকললৈ দুখন সোণৰ বনকৰা কাপোৰ, দুটা জাপি, দুযোৰ সোণৰ জোতা, দুটা হাতী, দুটা হাতী দাঁতৰ পাটী আৰু দুটা ঘোঁৰা পঠিয়াই দিলে। লগতে পাটী দুখনৰ মাজত দুখন ছুৰীও পঠিয়ালে। সেনাপতিসকলে এই সকলোবোৰ বস্তু ৰজাক দিলেগৈ। লগতে দুখন ছুৰী চুতীয়া ৰজাই পঠিওৱাৰ কথাও স্বৰ্গদেউক জনালে। স্বৰ্গদেৱে ছুৰী দুখনৰ অৰ্থ শত্ৰুতাৰ চিন বুলি ক'লে। সেয়ে স্বৰ্গদেৱে ফ্ৰানচেংমুং বৰগোহাঁইক বৰসেনাপতি পাতি চুতীয়া ৰজা নীতিপালক ধৰি আনিবলৈ পঠিয়ালে। এই খবৰ পাই চুতীয়া ৰজা নীতিপালে চন্দনগিৰি পৰ্বতত আশ্ৰয় ল'লেগৈ। চন্দনগিৰি পৰ্বতৰ ওপৰৰ পৰা শিল বগৰাই শত্ৰুক আক্ৰমণ কৰিবলৈ ধৰে। আহোম সেনাই তেওঁলোকক চাৰিওফালে আগুৰি ধৰিলে। সেনাপতিয়ে এদল সৈন্যক মনে মনে পৰ্বতৰ দূৰৰ ওখ ঘিলা গছৰ ওপৰত উঠি অৰণ্যৰ মাজৰ পৰা ঢোল বজাবলৈ আদেশ দিলে। এই ঢোলৰ মাত শুনি কিছুমান চুতীয়া সৈন্যই ভাবিলে যে সেয়া ৰণ জয়ৰ ইঙ্গিত। ৰণত আহোম ৰাজ্য জয়ী হৈ এই বাদ্য বজাইছে। সেয়ে চুতীয়া ৰজা নীতিপাল হতাশ হৈ পৰিল। তদুপৰি বৰ সেনাপতি ফ্ৰানচেংমুঙে চন্দনগিৰি পৰ্বতৰ চাৰিওফালৰ পৰা সৈন্য ওপৰলৈ পঠিয়াই চুতীয়া ৰাজ্য আক্ৰমণ কৰিলেগৈ। চন্দনগিৰি পৰ্বতৰ ওপৰত আহোম সৈন্যৰ সৈতে চুতীয়া সেনাৰ তয়াময়া ৰণ হয়। হঠাতে এপাত কাঁড় লাগি চুতীয়া ৰজা নীতিপালৰ মৃত্যু হ'ল। চুতীয়া ৰজাৰ মৃত্যুত তেওঁলোকৰ সেনাৰ মনোবল ভাঙি পৰে। চুতীয়া সৈন্য যেনি- তেনি পলাবলৈ ধৰে।

আহোম সেনাপতি ফ্ৰানচেংমুঙে চুতীয়া ৰজাৰ প্ৰধান ৰাণীক তেওঁলোকৰ

কুবেৰদত্ত ৰাজসম্পদৰে সৈতে আত্মসমৰ্পণ কৰিবলৈ আদেশ কৰিলে। কিন্তু সাধনীয়ে সেই কথা মানি নল'লে। কাৰণ তেওঁ ৰাজপৰিয়ালৰ জীয়ৰী বাবে স্বাধীনতাৰ মূলমন্ত্ৰ বুজি পায়। সেয়ে নিজৰ স্বাধীনতাৰ মুকুট অক্ষত কৰিবলৈ প্ৰাণ থকালৈকে আহোম সৈন্যৰ লগত ৰণ দিবলৈ আগবাঢ়ি আহে। দুই পক্ষৰ মাজত ৰণ চলিল। কিন্তু সাধনীৰ সৈন্য পলাই যোৱা বাবে ৰণত তেওঁ বেছি সময় তিষ্ঠিব নোৱাৰিলে। বীৰাঙ্গনা সাধনীয়ে ৰণত পৰাজয় বৰণ কৰি আহোম সেনাপতিৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ অসন্মত হ'ল। তাকে দেখি সাধনীক সেনাপতিয়ে বন্দী কৰিবলৈ নিজে আগবাঢ়ি গ'ল। উপায়হীন হৈ সাধনীয়ে তেওঁলোকৰ পিতৃপুৰুষৰ ৰাজসম্পদ বুকুত বান্ধি সেই সম্পদৰ পবিত্ৰতা ৰক্ষা কৰিবলৈ আৰু নিজৰ আত্মসন্মান আৰু সতীত্ব ৰাখিবৰ বাবে ভগৱানক চিন্তি চন্দনগিৰি পৰ্বতৰ শিখৰৰ পৰা তলৰ কুণ্ডত জঁপিয়াই পৰি দেশ আৰু জাতিৰ মঙ্গলৰ বাবে আত্মোৎসৰ্গা কৰিলে। তেওঁৰ এই কৰ্মই সকলো মাতৃ জাতিকে মহীয়ান কৰি গ'ল। তেওঁ ইচ্ছা কৰা হ'লে আহোম ৰাজ্যৰ পাটমাদৈ হৈ সুখেৰে দিন কটাব পাৰিলেহেঁতেন। কিন্তু সেই সুখভোগ ত্যাগ কৰি নিজৰ দেশৰ স্বাধীনতাৰ মুকুট অক্ষত কৰিবলৈ ৰণ দিছিল তেওঁ। গতিকে সাধনী ৰাণী চৰিত্ৰৰ আদৰ্শ প্ৰতীক। কেৱল অসমীয়া জাতিৰ বাবেই নহয়, সমগ্ৰ মানৱ জাতিৰ বাবে সাধনীৰ ত্যাগ, পৱিত্ৰতা, সতীত্ব, ৰাজসম্পদৰ প্ৰতি থকা অকুণ্ঠ শ্ৰদ্ধা, দেশপ্ৰেম, বীৰত্ব অতি আদৰ্শনীয়। চুতীয়া ৰাণী সাধনীয়েই চুতীয়া বংশৰ শেষ ৰাণী আছিল। যিদিনা সাধনীয়ে পৰ্বতৰ ওপৰৰ পৰা জঁপিয়াই নিজৰ স্বাধীনতাক সন্মান জনাই আত্মত্যাগ কৰিছিল, সেই দিনটো আছিল ১৫২৩ খ্ৰীঃৰ ৭ ব'হাগ।

এইগৰাকী মহান আদৰ্শনীয় চৰিত্ৰৰ নাৰী সাধনীৰ আত্মত্যাগৰ কথা অসম বুৰঞ্জীত সোণালী আখৰেৰে সদায় জিলিকি থাকিব। মৃত্যুৰ পিছতো তেওঁ আমাৰ মাজত তেওঁৰ আদৰ্শনীয় গুণৰাজিৰ বাবে অমৰ হৈ ৰ'ল। □

চাউচিং গাভৰু

স্বৰ্গদেউ ছুক্লেংমুদেৰে পূৰ্ব্বৰ ৰাজধানী চৰগুৱাৰ পৰা গড়গাঁৱলৈ উঠাই আনিছিল। এই ৰাজধানী ১৫৩৯-৫২ খ্ৰীঃৰ ভিতৰত প্ৰতিষ্ঠা কৰা হয়। তিনিশ শতিকা বিয়পি প্ৰায় আঢ়ৈশ বছৰ ধৰি গড়গাঁও আহোম সাম্ৰাজ্যৰ ৰাজধানী আছিল। এই ৰাজধানীৰ পৰা স্বৰ্গদেউসকলে পূৰ্ণ পয়োভৰে আহোম ৰাজ্য শাসন কৰিছিল। তেওঁলোকৰ শৌৰ্য, বীৰ্য, বীৰত্ব, যশ, গৌৰৱ কেউপিনে সমগ্ৰ ভাৰত আৰু ব্ৰহ্মদেশত বিয়পি পৰিছিল।সেয়েহে গড়গাঁও সাঁথৰত পৰিণত হৈছিল। গড়গাঁৱৰ ফঁকৰা-যোজনা আজিও অসমীয়াৰ মুখে মুখে চলি আছে। 'অন্য ঠাইৰ কটাৰীৰ ধাৰেৰে কাটে; কিন্তু অতুলনীয় গড়গঞা কটাৰীৰ ডাবেও কাটে।' ক্ষন্তেকতে গোটেই সম্ৰাজ্যৰ বা-বাতৰি গড়গাঁৱত যোগোৱা সুদক্ষ চোৰাংচোৱা আছিল। সেয়েহে কৈছিল 'ইয়াত মাৰিলে টিপা, গড়গাঁও পালেগৈ শিপা।' গড়গাঁৱৰ বতৰা চমকপ্ৰদ আছিল। জোৰা দিয়া কথা কওঁতাক উদ্দেশ্য কৰি কোৱা হৈছিল— 'নগৈ গড়গাঁৱৰ বতৰা দিয়া।' বিচিত্ৰ গড়গাঁৱৰ মাটি যেনে পিছল, তাৰ কথা-কাণ্ড, আইন-কানুন, হাব-ভাব পিছল, সেয়েহে কৈছিল— 'গড়গাঁৱৰ পিছল বাট, লৰাকো নিচিন, বুঢ়াকো নিচিনি হাতে পাতি লাখুটি পাত।' নগৰীয়াৰ মুখ-পেট একে নহয়, সেয়ে কোৱা হয়— 'গড়গঞা মিতিৰৰ ভাও, মুখেদি থাক থাক ভৰিৰে ঠেলে নাও।' এইদৰে গড়গাঁৱৰ ৰাজধানীৰ নানা কথা আমি শুনি আহিছো।

এই গড়গাঁৱৰ বিষয়ে ক'বলৈ গ'লে প্ৰথমতে আমি নৰা দেশৰ কুঁৱৰী (নাঙ তোপ খাম) চাউচিং গাভৰুৰ বিষয়ে জানিব লাগিব।

স্বৰ্গদেউ ছুক্লেনমুঙৰ দিনত নৰা ৰজা আৰু শ্যাম ৰজাৰ মাজত মতান্তৰ হৈছিল।

এই দুয়োখন ৰাজ্যৰ সীমাক লৈ এই বিবাদ হৈছিল। এই বিবাদৰ বাবে শ্যাম আৰু নৰা দুয়োখন ৰাজ্যই ছুক্লেনমুঙ স্বৰ্গদেউৰ সহায় বিচাৰিছিল। স্বৰ্গদেউ ছুক্লেনমুঙে নৰা ৰজাক সহায় কৰে, ফলত ৰণত নৰা ৰজাৰ জয় হয়। এই কথাত নৰা ৰজা আনন্দিত হৈ স্বৰ্গদেউ ছুক্লেনমুঙৰ লগত ভাল সমন্ধ কৰিবৰ বাবে ইচ্ছা কৰিছিল। সেয়েহে নৰা ৰজাই চাউচিং নামৰ ৰাজকুমাৰী এগৰাকী স্বৰ্গদেউ ছুক্লেনমুঙলৈ বিয়া দিয়ে। এইগৰাকী ৰাজকুমাৰী আহোম দেশৰ স্বৰ্গদেউৰ পত্নী হৈ দেশৰ নানান কথাত মন দিবলৈ ভাল পাইছিল। তেওঁ বৰ বুদ্ধিমতী আৰু পাণ্ডিত্যপূৰ্ণ শক্তিসম্পন্না আছিল। সেয়েহে অলপ দিনৰ ভিতৰতে তেওঁ দেশৰ মংগলৰ কাৰণে স্বৰ্গদেউক পৰামৰ্শ দিবলৈ ভাল পাইছিল। তেওঁ কম দিনৰ ভিতৰতে তাই ভাষা লিখিব-পঢ়িব জনা হৈছিল। তেওঁ লিখা-পঢ়াত ইমান পাকৈত হৈ পৰিছিল যে কম দিনৰ ভিতৰতে তেওঁ ভৰিৰ আঙুলিৰে তাই ভাষাৰ আখৰ লিখিব পাৰিছিল। এইদৰে তেওঁৰ পাণ্ডিত্য ফুটি উঠিছিল।

এইগৰাকী পাণ্ডিত্যপূৰ্ণ বুদ্ধিৰ পৰামৰ্শৰে ৰাজধানীৰ চাৰিওফলে খাবৈ খান্দি গড় মৰাইছিল। (সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী) নগৰৰ চাৰিওফালে খাবৈ খান্দি গড়মৰা প্ৰথা খুনলুঙ আৰু খুনলায়ে লগতে লৈ আহিছিল। তেওঁলোক দলে-বলে আহি মুঙ-ৰি-মুঙ- ৰামত হোলোং ঘৰৰ চাৰিওফালে খাবৈ খান্দি গড় মাৰি ৰাজধানী স্থাপন কৰিছিল। সেইবাবে গড় মাৰি নগৰ পতা কথা আহোমৰ মাজত নতুন কথা সেই সময়ত নাছিল। কিন্তু নৰা কুঁৱৰী বৰ বুদ্ধিয়ক আছিল বাবে তেওঁ তাই ভাষা সোনকালে আয়ত্ত কৰি জ্ঞান লাভ কৰিছিল। সেয়ে তেওঁ হয়তো তাই বুৰঞ্জীত গড় মৰাৰ জ্ঞান লাভ কৰি গড়গাঁৱৰ চাৰিওফালে গড় মাৰিবলৈ স্বৰ্গদেউক উপদেশ দিছিল। গড় মাৰি ৰাজধানী পতাৰ বাবেই এই ঠাইৰ নাম আজিও গড়গাঁও নামেৰে খ্যাত হৈ আছে।

নগৰৰ বাহিৰফালে সদায় পানী থকা দ আৰু বহল খাবৈ বনোৱা হৈছিল, যাতে শত্ৰুৱে সহজে ৰাজধানী আক্ৰমণ কৰিব নোৱাৰে। গড়টোৰ ওপৰত ডাঠকৈ কোটোহা বাঁহ ৰোৱাইছিল। কোটোহা বাঁহে বৰষুণে মাটি খহাব নোৱাৰাকৈ গড়টো ধৰি ৰাখিছিল। তদুপৰি এই কোটোহা বাঁহৰ মাজেদি সহজে কোনেও চোৰাংকৈ গড়ৰ ভিতৰলৈ সোমাব নোৱাৰিছিল। এই চানেকিৰে নৰা কুঁৱৰীয়ে স্বৰ্গদেউক গড়গাঁৱৰ গড় বন্ধোৱাই বুদ্ধিমতী আৰু বিচক্ষণতাৰ চিনাকি দিছিল।

এইজনা স্বৰ্গদেৱে বৰআলিৰ পৰা গধলি বজাৰ মৌজাৰ মাজেৰে নগা পৰ্বতলৈ নগা আলি বন্ধোৱাইছিল। কাহিকুছি আৰু চাঙিনিমুখত (বেদতিঘাটৰ ওচৰত)

বানপানীৰ পৰা ৰক্ষা পাবলৈ মথাউৰি বন্ধাইছিল। সেই সময়তেই বানপানী নিবাৰণৰ বাবে মথাউৰি বন্ধাবলৈ কুঁৱৰীৰ সৈতে আলোচনা কৰি স্বৰ্গদেৱে এই কাম হাতত লৈছিল বুলি কিছুমান বুৰঞ্জীত উল্লেখ আছে। কোচৰ লগত ৰণত ভেটিবলৈ পিছলা নৈৰ দাঁতিত কোঠ মাৰিছিল।

স্বৰ্গদেউৰ ৰাজকাৰেঙত হিন্দুৰ লক্ষ্মীনাৰয়ণ শালেগ্ৰাম পূজা চলি থকাটো ভাল পোৱা নাছিল। সেই দেখি সেই শালেগ্ৰাম কাৰেঙৰ বাহিৰলৈ আনিছিল। স্বৰ্গদেৱে চাউচিং গাভৰুৰ সৈতে আলোচনা কৰি চাৰিগড়ৰ ভিতৰতে উত্তৰ-পশ্চিম চুকত শালেগ্ৰাম স্থাপন কৰিছিল। আজিও গড়গাঁৱৰ কাৰেঙত তেনে মন্দিৰ এটি আছে বুলি কয়। তদুপৰি চাউচিং গাভৰুৰ পৰামৰ্শ মতে স্বৰ্গদেৱে ৰাজ্যৰ ডাঙৰীয়াসকল বহিবৰ বাবে চ'টাই চ'ৰা নামে এটি চ'ৰাঘৰ নিৰ্মাণ কৰাইছিল।

স্বৰ্গদেৱে ১৫৪১ চনৰ পৰা ১৫৪৪ চনৰ ভিতৰত কছাৰী ৰাজ্য তিনিবাৰ পৰিদৰ্শন কৰিছিল। এইদৰে তলতীয়া ৰাজ্য পৰিদৰ্শন কৰি সুশাসন চলোৱাত সুবিধা হ'বৰ বাবে কুঁৱৰীৰো অভিমত আছিল। সুশাসন আৰু দেশত যাতে বিদ্ৰূপ নহয়, তাৰ বাবে কছাৰী ৰাজ্যত কোঁৱৰৰ ছু-তামক ৰাখিছিল। কিন্তু ১৫৪৩ চনত দিচাঙত ৰখা সেনাপতি হুননক চুতীয়া বিদ্ৰোহীয়ে হত্যা কৰাত আৰু হুননৰ ল'ৰা-ছোৱালীসহ ভাৰ্য্যাক ধৰি লৈ যোৱাত ছু-তাম কোঁৱৰক দিচাঙলৈ স্বৰ্গদেৱে পঠিয়াইছিল। টিপাঙৰ ৰজা চুলেঙক ডিমাপুৰলৈ পঠিয়াইছিল। এইক্ষেত্ৰত ৰাণী চাউচিং গাভৰুৱে ভাল উপদেশ দি স্বৰ্গদেউক উৎসাহিত কৰিছিল। ৰাজ্য যাতে সুকলমে চলে, তাৰ বাবেও তেওঁ চকু দিছিল। মাজে মাজে নৈৰ পাৰৰ ভূএগ্ৰাবিলাকে কছাৰী ৰাজ্যত খেলি-মেলিৰ সৃষ্টি কৰিছিল। এই খেলি-মেলিবোৰ নাইকিয়া কৰিবৰ কাৰণে চাউচিং গাভৰুৱে ভূএগ্ৰাবিলাকক ৰাজধানীৰ ওচৰ চপাই আনিবলৈ স্বৰ্গদেউক পৰামৰ্শ আগবঢ়াইছিল। সেই পৰামৰ্শ মতে কাম কৰি স্বৰ্গদেৱে এই আহুকালৰ পৰা হাত সাৰিছিল।

১৫৪৫ চনত কোচ ৰজা বিশ্বসিংহৰ পুতেক ৰামচন্দ্ৰ, দীপসিংহ আৰু হেমধৰে তিনি হাজাৰ সৈন্য লগত লৈ দৰং জিলাৰ ওদালগুৰিৰ ব্ৰহ্মকুণ্ডত পূজা-পাতল দি ব্ৰহ্মপুত্ৰইদি উজাই দৰং জিলাৰ চাওলাত বাহৰ কৰিছিল। তেওঁলোকে আহোমৰ বৰসন্দিকৈৰ পাঁচজন লোকক নাৱেৰে সৈতে ধৰি নিছিল। এই ঘটনাৰ বাবে দিকৰৈৰ পাৰত কোচৰ লগত আহোম ৰাজ্যৰ ৰণ হয়। কোচ সৈন্যই কাঁড় মাৰি আহোমৰ থাও-মঙ-বান-লঙ, কুৰৰিন, লোকলাহন— এইকেইজন বিষয়াকে ধৰি আহোমৰ কেবাজনকো হত্যা কৰিছিল। এই খবৰ পাই স্বৰ্গদেৱে কোচক ভেটিবলৈ পৰিকল্পনা

কৰোঁতে চাউচিং গাভৰুৱে তেওঁৰ পৰামৰ্শ আগবঢ়াইছিল। সেয়েহে স্বৰ্গদেৱে কোচক ধৰিবলৈ টিপামৰ ৰজা ছুলেং কোঁৱৰৰ লগতে চেংলঙক সহায় কৰিবলৈ পঠিয়ায় দিছিল। ছুলেঙ কোঁৱৰে কোচ সৈন্যক তিনি ফালৰ পৰা আগুৰি ধৰিছিলহি। সন্মুখৰ দলটোৱে কোচ সৈন্যক চাদিনী মুখত আক্ৰমণ কৰিছিল। স্বৰ্গদেউ ছুক্লেনমংদেৱে নিজেও বুঢ়াগোহাঁইৰ লগত পিচলালৈ গৈছিল। পিচলাতো কোচৰ লগত ৰণ হৈছিল। এই ৰণত কোচসকল হাৰিছিল। কোচৰ কোঁৱৰ দীপসিং ৰণত মৰা পৰিছিল। আহোমৰ সৈন্যই খেদি খেদি নি কোচৰ সেনাক পানীত পেলাইছিলগৈ আৰু পানীতে কোচৰ সেনা বহুতকে কাটিছিল। পিচলাত কোচৰ লগত ৰণ হয় ১৫৪৭ চনত। কোঁৱৰ ছুলেঙে এই ৰণত পাৰ্গতালি দেখুৱায়। বল-বুদ্ধি আৰু ৰণৰ কৌশলেৰে কোচক পৰাজয় কৰা বাবে স্বৰ্গদেউৰ লগতে চাউচিং গাভৰুৱে তেওঁক ভূয়সী প্ৰশংসা কৰিছিল।

এইখন ৰণৰ আগতে ১৫৩৪ চনত আহোমৰ সৈন্যই গৌড়ৰ সৈন্যক কৰতোৱা নদী পাৰ কৰি থৈ ঘূৰি আহোঁতে কোচ ৰজা বিশ্বসিংহই আহোমৰ লগত মিত্ৰতা স্থাপন কৰিছিল। ইয়াৰ ১২ বছৰ পিছত কোচ ৰজাৰ পুতেকহঁতে দেউতাকৰ মিত্ৰতা স্থাপনক গুৰুত্ব নিদি আহোমৰ লগত শত্ৰুতা কৰিছিল। ১৫৪৬ চনত কোচ কোঁৱৰসকলে তীৰ্থ কৰাৰ ছলেৰে লগত তিনি হাজাৰ সৈন্য লৈ আহোম ৰাজ্যত অনধিকাৰ প্ৰৱেশ কৰিছিল। সীমান্তত আহোমৰ বিষয়াই বাধা দিয়াত সীমান্তত থকা সন্দিকৈৰ সৈতে তেওঁৰ মানুহক নাৱৰ সৈতে ধৰি লৈ গৈছিল। কোচৰ এই তীৰ্থযাত্ৰা দৰাচলতে তেওঁলোকৰ ৰাজ্য বিস্তাৰৰ চেষ্টাহে আছিল বুলি চাউচিং গাভৰুৱে স্বৰ্গদেউক কৈছিল। কাৰণ তীৰ্থ কৰিবলৈ তিনি হাজাৰ সৈন্য লগত কোচে লৈ অহাটো অবান্তৰ কথা হৈছে বুলি চাউচিং গাভৰুৱে অনুভৱ কৰি স্বৰ্গদেউক কৈছিল। তেতিয়াহে স্বৰ্গদেৱে তীৰ্থৰ আঁৰতো যে কোচৰ অভিসন্ধি লুকাই আছে, সেই কথা বুজি পাইছিল আৰু এই তীৰ্থযাত্ৰাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ লৈছিল। এই অভিসন্ধি কোচৰ তীৰ্থযাত্ৰাৰ উদ্দেশ্য বুজি স্বৰ্গদেৱে ইয়াৰ উচিত ব্যৱস্থা আহোম সৈন্যক কোচক ভেটিবলৈ স্বৰ্গদেৱে পঠিয়ায় দিছিল। ফলত কোচ এই ৰণত হাৰিল আৰু এই ৰণত হাৰি কোচে আহোমৰ তলতীয়া ৰাজ্য হৈ থাকিব লগাত পৰিছিল। চাউচিং গাভৰুৰ দূৰদৰ্শিতাৰ বাবেই এই তীৰ্থযাত্ৰাৰ অভিসন্ধি স্বৰ্গদেৱে বুজি পাইছিল। সেয়েহে কোচক পৰাজয় কৰি আহোম ৰাজ্যৰ অধীনলৈ আনিব পাৰিছিল। ইয়াৰ দ্বাৰাই চাউচিং গাভৰুৰ পাৰদৰ্শিতা বুজিব পাৰি।

তদুপৰি চাউচিং গাভৰুৰ পৰামৰ্শ মতে স্বৰ্গদেৱে নৰা ৰজাৰ পৰা এজন

জ্যোতিষী পণ্ডিতো আহোমৰ ৰাজ্যলৈ অনাইছিল। তেওঁক সাগৰ খড়ি উপাধি দিছিল। খড়িৰ অৰ্থ হ'ল গণনা।

স্বৰ্গদেউ ছুক্লেনমুঙে গড়গাঁও নগৰৰ পৰা বহিঃৰাজ্যৰ লগত সংযোগ ৰাখি পথ নিৰ্মাণ কৰাইছিল। গড়গাঁৱৰ পৰা দিখৌমুখলৈ ব্ৰহ্মপুত্ৰত লগাই বৰ আলিটো বন্ধাইছিল। এই আলিটো যুদ্ধৰ সময়ত চলাচলৰ সুবিধাৰ কাৰণে একাষে অহা আৰু একাষে যোৱাৰ সুবিধা কৰি দুই দিশমুৱা কৰি বন্ধাইছিল। ইয়াৰ চিন কোনো কোনো ঠাইত এতিয়াও পোৱা যায়। নগাৰাজ্যলৈ যাবলৈও সুগম কৰি বৰআলিৰ নামদাং শিলৰ সাঁকোৰ পৰা নগা পৰ্বতলৈকে নগাআলিটো বন্ধাইছিল। কাঁহিকুছি আৰু চাঙ্গিনিমুখত গড় বন্ধাইছিল। এইজনা ৰজাই টকাৰ মোহৰো মৰাইছিল। সকলো কামতে কুঁৱৰী চাউচিং গাভৰুৱে স্বৰ্গদেউক দিহা-পৰামৰ্শ দি প্ৰিয় হ'ব পৰিছিল।

ছুৎহুমমঙে স্বৰ্গদেউ কনচেংঙক আহোম ৰাজসভাত বৰপাত্ৰ গোহাঁই পাতি তিনিজনা ৰাজমন্ত্ৰী পাতোঁতে আন্যান্য বিষয়াসকলে আপত্তি কৰিছিল আৰু অসন্তুষ্ট হৈ পৰিছিল। কিন্তু পিছলৈ চাউচিং গাভৰুৱে ছুক্লেনঙৰ লগতে বিষয়াসকলক কৈছিল— 'আমাকনো দেৱে কি নিদিছে? দুটা ৰজাৰ উধানত সুবৰ্ণৰ থালি বহোৱাই গৈছে, তিনিটাক লাগি শক্তিয়ে নুজুৰিছে নেকি?' কুঁৱৰীৰ এই যুক্তিত ৰজা আৰু মন্ত্ৰীসকলেও হয় বুলি তৃতীয় মন্ত্ৰীক বৰপাত্ৰ নামদি ৰাজসভাত গ্ৰহণ কৰিছিল। এই কথাৰ পৰা বুজিব পাৰি, স্বৰ্গদেউ ছুক্লেনমুঙৰ চাউচিং গাভৰু কিমান তীক্ষ্ণ বুদ্ধিৰ কুঁৱৰী আছিল। সেয়ে স্বৰ্গদেৱে প্ৰায়বিলাক কাম কৰোঁতে চাউচিং গাভৰুৱে কিবা উৎসাহ দি কামৰ পৰামৰ্শ দিলে মন দি শুনিছিল। এইজনা কুঁৱৰীৰ সেইবাবে আহোম বুৰঞ্জীত নাম জিলিকি ৰ'ল। কিছুমান বুৰঞ্জীৰ মতে চাউচিং গাভৰুৰ নাম নাং-টেন-খাম্ আছিল। ইয়াৰ অৰ্থ হ'ল নাং-মানে = ছোৱালী, টেন= ধুনীয়া, খাম= সোণ। এইগৰাকী কুঁৱৰী সোণৰ দৰে সকলো ভাল গুণেৰে জিলিকি থকা ধুনীয়া গাভৰু আছিল। এইগৰাকী বুদ্ধিমতী কুঁৱৰীৰ কথা আজিও অসমীয়াই সোঁৱৰে।□

নাংবক্ল গাভৰু

নাংবক্ল গাভৰু স্বৰ্গদেউ ছুহুম্‌মুঙৰ জীয়েক। তেওঁ ৰাজপৰিয়ালত ডাঙৰ-দীঘল হৈ দেউতাক ছুহুমমুঙৰ দৰে সাহসী আৰু তেজস্বী হ'বলৈ শিকিছিল। সৰুৰে পৰা তেওঁ দেশৰ ৰাজনীতিৰ উৰাদিহ ল'বলৈ শিকিছিল। তেওঁৰ পিতৃয়ে আহোম ৰাজ্য বিস্তাৰ কৰি বৰ অসম গঢ়িছিল। সেয়ে এইজনা স্বৰ্গদেৱে গোটেই জীৱন ৰণতে কটাইছিল। প্ৰত্যেকখন ৰণতে জয়ী হৈ তেওঁ দেশৰ মান-সন্মান বঢ়াইছিল।

এইজনা স্বৰ্গদেৱে ১৪৯৮ চনত বঙ্গদেশৰ আৰব নবাব হুছেইন শ্বাহে কৰা আক্ৰমণ ৰোধ কৰিছিল। (বুকানন হস্তলিপি) এই জয়ত দেশৰ গৌৰৱ বাঢ়িছিল।

১৫০৪ চনত আইটনীয়া আৰু নৰাসকলে আহোম ৰাজ্যৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। সেই বিদ্ৰোহ স্বৰ্গদেৱে নৰা আৰু আইটনীয়াক পৰাস্ত কৰি নিজৰ শাসনকৰ্তাৰ বলীষ্ঠ ক্ষমতা প্ৰদৰ্শন কৰিছিল। ইয়াৰ বাবে নাং বক্ল গাভৰুৱে গৌৰৱ কৰিছিল। দেশলৈ অহা বিপৰ্যয়ক কেনেকৈ নাশ কৰিব লাগে, তাক তেওঁ শিকিছিল। নিজৰ ব্যক্তিত্ব থাকিলে কোনো দেশেই পৰাধীনতাৰ স্বীকাৰ হ'ব নালাগে। এই কথা নাং বক্ল গাভৰুৱে সৰুতেই শিকিছিল। সেয়ে তেওঁ বৰ সাহসী আৰু নিৰ্ভীক আছিল। সত্য কথাত তেওঁ মাত মতাত ভয় কৰা নাছিল। নাং বক্ল গাভৰুৰ পিতাক স্বৰ্গদেউ ছুহুমমুঙে অঞ্চল একোখনক প্ৰদেশ পাতি আৰু সেই প্ৰদেশবোৰৰ শাসনকৰ্তা পুতেকসকলক পাতি দিছিল। এইদৰে এইজনা স্বৰ্গদেৱে সন্তানসকলক নিজৰ কৰ্তব্য সময়ত চম্ভালিবলৈ শিকাইছিল। নাং বক্ল গাভৰুৱে সৰুৰে পৰা নিজঘৰতে নিজৰ কৰ্তব্য চম্ভালিবলৈ শিকিছিল। সময়ৰ কাম সময়ত হাতত নল'লে

নিজৰ জীৱনলৈ আৰু দেশলৈও বিপৰ্যয় আহে, সেই কথা তেওঁ সৰুতেই উপলব্ধি কৰিব পাৰিছিল। সেয়ে তেওঁ কোনো কাম পিছলৈ নাৰাখি নিজে ভাল পোৱাৰ দৰে কৰি আনকো আনন্দ দিব জানিছিল। স্বৰ্গদেউ ছুহুমমুঙৰ ধৰ্মনিষ্ঠা, সাহস, বিচক্ষণ শাসনক লৈ নাং বৰু গাভৰুৱে গৌৰৱ কৰিছিল আৰু তেওঁৰ পিতাকৰ মহান আদৰ্শক অনুকৰণ কৰিবলৈ শিকিছিল। কোনো ৰণলৈ তেওঁ ভয় কৰা নাছিল। তদুপৰি ইংৰাজী ১৫১৩ চুতীয়া ৰাজ্যৰ লগত ৰাজ্যৰ সীমাৰ কাৰণে আহোম ৰাজ্যৰ বিবাদ হৈছিল। দিহিং নৈত এদিন আহোম ৰাজ্যৰ কেইজনমান মাছমৰীয়াই বৰালি মাছ এটা খেদি খেদি ধৰিছিল। চুতীয়া মাছমৰীয়াই তেওঁলোকৰ ফালৰ মাছটো ধৰিলে বুলি কাজিয়া কৰিছিল। ফলত আহোম ৰাজ্যৰ মাছমৰীয়াই চুতীয়া ৰাজ্যৰ কেইজনমান মাছমৰীয়াক ধৰি লৈ গৈছিল। এই খবৰ পাই চুতীয়া ৰজা ধীৰনাৰায়ণে আহি দিখৌমুখত গড় বান্ধি ৰৈছিলহি। স্বৰ্গদেউ ছুহুমমুঙে চুশ্রিং, চুচং, থাওমু, ৰাইলুং— এইকেইজনক চুতীয়া ভেটিবলৈ পঠিয়ালে। এই ৰণত বহুত চুতীয়া সৈন্যৰ মৃত্যু হয়। বাকী থকাখিনিয়ে কোনোমতে নিজৰ প্ৰাণ লৈ পলাই যায়। স্বৰ্গদেৱে ৰণত জিকি নিজৰ ৰাজধানীলৈ ঘূৰি আহিল। নাং বৰু গাভৰুৱে দেউতাকে ৰণ জয় কৰাৰ খবৰ পাই আনন্দিত হৈছিল।

কিন্তু চুতীয়াসকল সেই ৰণত পৰাজয় হৈ বহি নাথাকি পুনৰ আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ আহিল। এইবাৰ স্বৰ্গদেৱে জলে-স্থলে আহি দুইফালে চুতীয়াক ভেটিলেহি। চুতীয়া সৈন্যই সেই ৰণত টিকিব নোৱাৰি দিহিঙেদি ভটিয়াই আহি আহোম ৰাজ্যৰ দিহিঙত আক্ৰমণ কৰিছিল। আহোমৰ সেনাপতি আছিল খেনমঙ। সেই ৰণত সেনাপতি খেনমঙক হত্যা কৰে। স্বৰ্গদেৱে চুতীয়া সৈন্যক আগুৰি ধৰাৰ বাবে চাও ফ্ৰাচেনমঙক বৰ সেনাপতি পাতি লগতে ক্লিংলঙক সহকাৰী কৰি অধিক সৈন্যৰে ডিবৰুমুখলৈ পঠিয়ায় দিছিল। স্বৰ্গদেৱে দিহিঙতে কোঠ মাৰি ৰৈছিল। চুতীয়াই আহোমৰ ডিবৰু কোঠ আক্ৰমণ কৰিছিল। প্ৰায় পাঁচ দিন ধৰি এই ৰণ হৈছিল। এই ৰণতো চুতীয়া হাৰিল। চুতীয়াৰ পাঁচ শ সৈন্য মৰিছিল। এক হাজাৰ সৈন্যক বন্দী কৰি আহোম ৰাজ্যলৈ আনিলে। এই আক্ৰমণত পৰাক্ৰমেৰে স্বৰ্গদেউ ছুহুমমুঙ জয় হোৱা খবৰ পাই নাং বৰু গাভৰু উৎসাহিত হৈছিল। তেওঁৰ দেউতাক স্বৰ্গদেউৰ শত্ৰু জয়ৰ ঘটনাই তেওঁক শত্ৰুৰ ওচৰত শৰণাপন্ন নহ'বলৈ শিক নি দিছিল। এইদৰে নাং বৰু গাভৰু ডাঙৰ হৈছিল সৰুৰে পৰা পৰাধীনতাৰ গোন্ধ নোপোৱাকৈ।

ইংৰাজী ১৫২২ চনত পুনৰ আহোম ৰাজ্যই চুতীয়া সৈন্যক আক্ৰমণ কৰিছিল।

এই ৰণত জলে-স্থলে আহোম সৈন্যই চুতীয়া সৈন্যৰ ওপৰত প্ৰচণ্ডভাৱে ৰণ কৰিছিল। এই প্ৰচণ্ড ৰণত টিকিব নোৱাৰি চুতীয়া ৰজাই ৰাজধানী শদিয়া এৰি পলাই যায়। আহোম সেনাই শদিয়া অধিকাৰ কৰিছিল। চুতীয়া ৰজা চন্দনগিৰি পৰ্বতলৈ পলাই যায়। চন্দনগিৰি পৰ্বতলৈ উঠি আহোম সেনাই চুতীয়া ৰজা আৰু ৰাণীক হত্যা কৰিছিল। অৱশ্যে কোনো কোনো বুৰঞ্জী মতে, তেওঁলোকে হেনো আত্মহত্যা কৰিছিল। এইদৰে চুতীয়া ৰাজ্যৰ ১৫২২ চনত পতন ঘটিছিল। চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অধীনলৈ আহে। নাংবক্ৰ গাভৰুৱে দেউতাকৰ এই ৰাজ্য জয়ত গৌৰৱান্বিত হৈছিল। কাহানিও পৰাজয়ৰ মুখ নেদেখা ৰজাৰ জীয়াৰী হৈ নাংবক্ৰ গাভৰু জন্মগতভাৱে স্বাধীনচেতীয়া হৈ পৰিছিল।

এই গৰাকী ৰাজপৰিয়ালৰ জীয়াৰীয়ে কছাৰী ৰাজ্য জয় কৰা নিজ চকুৰে দেখিছিল। আহোম ৰাজ্যৰ অধীনলৈ কছাৰী ৰাজ্য অহাত তেওঁ দেউতাকৰ ৰাজ্য জয়ত আনন্দিত হৈছিল।

এইদৰে ৰাজপৰিয়ালত থাকি নাংবক্ৰ গাভৰুৱে স্বদেশক ভাল পাবলৈ শিকিছিল। নিজৰ দেশৰ স্বাধীনতা আৰু ৰাজ্য বিস্তাৰৰ পৰিৱেশৰ মাজতে নাংবক্ৰ গাভৰু স্বৰ্গদেউ ছ্যুহুমমুঙৰ ঘৰত ডাঙৰ-দীঘল হৈছিল।

এওঁক ফ্ৰাচেনমুঙৰ পুত্ৰ তনখামলৈ বিয়া দিছিল। স্বামীৰ লগত তেওঁ সুখেৰে দিন কটাইছিল। নিজৰ স্বামী এজন বীৰ আৰু সেনাপতি আছিল।

স্বৰ্গদেউ ছ্যুহুমমুঙৰ দিনত বঙালে দুবাৰকৈ আহোম দেশ আক্ৰমণ কৰিছিল। দুয়োখন ৰণতে আহোম ৰাজ্যই জয়ী হৈ নিজৰ স্বাধীনতা অটুট ৰখা নাংবক্ৰ গাভৰুৱে নিজেই দেখিছিল। সেয়েহে তেওঁৰ জীৱনলৈ পৰাধীনতাৰ কথা চিন্তা কৰিবলৈ কোনো পৰিৱেশ অহা নাছিল।

স্বৰ্গদেউ ছ্যুহুমমুঙে নৰা, চুতীয়া, নগা, ভুঞা, কছাৰী, মৰাণ, বৰাহী আদি জয় কৰি নিজ ৰাজ্যৰ অধীনলৈ আনি আহোম ৰাজ্য এখন বিশাল ৰাজ্য হিচাপে প্ৰতিষ্ঠিত কৰিছিল। কোনো যুদ্ধতে কাহানিও নাংবক্ৰ গাভৰুৱে দেউতাক স্বৰ্গদেউ ছ্যুহুমমুঙক পৰাজয় হোৱা দেখা নাছিল। সেয়েহে নাংবক্ৰ গাভৰুৱে শত্ৰুৰ হাতত পৰাজয় হোৱা বা শত্ৰুৰ অধীনত থকা কথাটো কাহানিও সপোনতো ভবা নাছিল। তেওঁ সৰুৰে পৰা স্বাধীনতাপ্ৰেমী হৈ দেউতাকৰ আদৰ্শৰে ডাঙৰ হৈ বৰগোহাঁইৰ বোৱাৰী হৈছিলগৈ। তেওঁ বোৱাৰী হৈ মাতৃও হ'ল। এগৰাকী নিৰ্ভীক মাতৃ হৈ তেওঁ সন্তানকেইটাক ডাঙৰ- দীঘল কৰিছিল।

নাংবক্ৰ গাভৰুৰ দেউতাক স্বৰ্গদেৱে তেওঁৰ বিষয়াসকলক বিশ্বাসত লৈছিল।

তেওঁ দেশ শাসনৰ বাবে কোনো নীতি অকলে নির্ধাৰণ কৰা নাছিল। সকলো জাতিৰ মানুহকে উপযুক্ত চাই ৰাজকার্যত নিয়োগ কৰা নাংবক্ৰু গাভৰুৱে সৰুৰে পৰাই দেখিছিল। সেয়েহে তেওঁৰ দেউতাক এজন প্ৰজাৰঞ্জক স্বৰ্গদেউ হিচাপে খ্যাতি লাভ কৰাত তেওঁ সন্তোষ লাভ কৰিছিল। শদিয়া খোৱা বৰগোহাঁয়ে পাল সেৱা কৰিবলৈ নহাৰ বাবে স্বৰ্গদেৱে শদিয়া খোৱা বাবৰ পৰা আঁতৰাইছিল। কাৰণ আহোম ৰাজ্যত যি পৰম্পৰা চলি আছিল, সেই পৰম্পৰা ভংগ হ'লে দেশলৈ অৰাজকতা আহিব বুলি এইক্ষেত্ৰত স্বৰ্গদেউ কঠোৰ হৈছিল। নাংবক্ৰু গাভৰুৱে দেউতাকৰ এই নীতিত উৎসাহ জনাইছিল। সেইবাবে স্বৰ্গদেৱে প্ৰজাৰঞ্জক হৈ দেশ শাসন কৰি যাবলৈ কথা ৰাখি যাব পৰিছিল। নাংবক্ৰু গাভৰুৰ দেউতাক এজন নিপুণ যোদ্ধাও আছিল। সকলোবোৰ শত্ৰুৰ আক্ৰমণলৈ তেওঁ নিজেই সৈন্যৰ লগত গৈছিল। নিজ পুতেককেইজনকো ৰণলৈ পঠিয়াইছিল। ৰজাৰ কোঁৱৰ বুলি ঘৰতে আমোদ-প্ৰমোদত বহি থাকিবলৈ নিদি সময়ৰ লগত সকলো যুদ্ধ-বিগ্ৰহতে নিজকে খাপ খুৱাই নিবলৈ শিকাইছিল। ইয়াৰ দ্বাৰা নাংবক্ৰু গাভৰুৱেও সময়ৰ মূল্য ৰাখি কাম কৰিবলৈ শিকিছিল। স্বৰ্গদেউৰ পৰাই জীয়াৰী নাংবক্ৰু গাভৰুৱে উচিত কথাত সেও মানিবলৈ টান পাইছিল। নাংবক্ৰু গাভৰুৰ দেউতাক স্বৰ্গদেৱে শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীমাধৱদেৱ আৰু শ্ৰীদামোদৰ দেৱক একশৰণ নামধৰ্মৰ মহিমা সুদৃঢ় কৰিবলৈ আহোম ৰাজ্যত সুবিধা কৰি দিছিল। ইচ্ছা কৰা হ'লে স্বৰ্গদেৱে এইকেইজন ধৰ্মগুৰুক আহোম ৰাজ্যত ধৰ্ম প্ৰচাৰ কৰিবলৈ নিদিয়াকৈ থাকিব পাৰিলেহেঁতেন। এনে সৰলতাই নাংবক্ৰু গাভৰুৰ পিতৃৰ উদাৰ আৰু বহল মনোভাবৰ আদৰ্শ দাঙি ধৰিছে। সেয়েহে নাংবক্ৰু গাভৰুৰ পিতৃ স্বৰ্গদেউ ছুহুমমুঙ দেৱৰ ৰাজত্ব কালছোৱা অসম বুৰঞ্জীত এক সোণালী যুগ হৈ চিৰস্মৰণীয় হৈ ৰ'ব। এইজনা স্বৰ্গদেউৰ গুণৰাজিৰ পৰাই নাংবক্ৰু গাভৰু আদৰ্শনীয় আৰু তেজস্বী নাৰী হিচাপে খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল।

নাং বক্ৰু গাভৰুৰ পিতৃ স্বৰ্গদেউ ছুহুমমুঙ ১৫৩৯ চনত স্বৰ্গী হয়। স্বৰ্গদেউৰ স্বৰ্গীৰ পিছত তেওঁৰ পুতেক ছু-ক্লেনমঙ ১৫৩৯ চনত আহোম ৰাজপাটত বহে।

ছু-ক্লেনমঙে ৰজা হৈ ভায়েক চাৰিং ৰজা ছুলেঙক কোঁৱৰক টিপামৰ ৰজা পাতিলে। নামৰূপীয়া ৰজা ছুতেং কোঁৱৰক চাৰিং ৰজা আৰু ভায়েকক ছুম্রিং কোঁৱৰক নামৰূপীয়া ৰজা পাতে। ককায়েকৰ কার্যত নাংবক্ৰু গাভৰু সুখী হৈছিল। তেওঁ নিজেও ৰাজ্য যাতে ককাই-ভায়ে সুকলমে চলাব পাৰে, তাৰ বাবে ভগৱানক খাটিছিল।

১৫৫২ চনত ছুক্লেনমঙ স্বৰ্গদেউ স্বৰ্গী হয়। স্বৰ্গদেউ ছুক্লেনমঙৰ স্বৰ্গীৰ পিছত তেওঁৰ পুতেক ছু-খাম-ফা ১৫৩৫ চনত আহোম ৰাজপাটত বহে। হাতীৰ পৰা পৰি ভৰি এখন খোৰা হোৱা বাবে এইজনা ৰজাক 'খোৰা ৰজা' নাম দিছিল।

স্বৰ্গদেউ ছু-খাম-ফা ৰজা হোৱা বছৰতেই সাতজন আহোম কোঁৱৰে বিদ্ৰোহ কৰিছিল। অংগক্ষত কোঁৱৰ এজন ৰাজপাটত বহাৰ বাবে এই বিদ্ৰোহ হৈছিল। স্বৰ্গদেৱে আটাইকেইজন কোঁৱৰকে বন্দী কৰি ৰাখিছিল। এই কোঁৱৰসকলক বন্দী কৰাত নাংবক্ৰ গাভৰুৱে তেওঁৰ স্বামী তনখান বুঢ়াগোহাঁইক পৰামৰ্শ দিছিল যে ৰাজকোৱৰসকলে বিদ্ৰোহ কৰিছে কেৱল ৰজা বচাৰ প্ৰচলিত নীতি ভঙ্গ কৰাৰ বাবেহে। কাৰণ আহোমৰ প্ৰচলিত নীতি মতে, কোনো অংগক্ষত কোঁৱৰ ৰাজপাটত বহিব নোৱাৰে। কিন্তু স্বৰ্গদেউ ছু-খাম-ফাৰ ক্ষেত্ৰত সেই নিয়ম মনা হোৱা নাছিল। স্বৰ্গদেউ ছু-খাম-ফা নাংবক্ৰ গাভৰুৰ ভতিজাক আছিল। সেয়েহে পেহীয়েক হৈও নাংবক্ৰ গাভৰুৱে স্বামী তনখামৰ দ্বাৰা ৰাজকোঁৱৰ সকলক বন্দীৰ পৰা মোকলাই দিছিল।

১৫৬২ চনত কোচ ৰজা নৰনাৰায়ণৰ ভায়েক চিলাৰাইক সেনাপতি পাতি বহুতো সৈন্য-সামন্ত দি আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ পঠিয়াইছিল। এই আক্ৰমণত কোচক দফলা আৰু ভোটানেও সহায় আগবঢ়াইছিল। তদুপৰি ভৈয়ামৰ ভূঞাসকলেও কোচকে সহায় কৰিছিল। সকলোৰে সহায় পাই কোচৰ সৈন্য আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ আহি নাৰায়ণপুৰত ৰৈছিলহি। নাৰায়ণপুৰত কিছুদিন কটাই তেওঁলোক হাবুঙত ৰৈছিলগৈ। কোনো বাধা নোপোৱাকৈ কোচৰ সেনা আহি গড়গাঁও পাইছিলগৈ। কোচৰ সৈন্যই আহি আহোম দেশ লোৱাহি কথা শুনি স্বৰ্গদেৱে খ্ৰংমঙক সেনাপতি পাতি লগত চাৰিং ৰজা, আইখেক বুঢ়াগোহাঁই, ক্লং জাং বৰপাত্ৰগোহাঞি, ত্যাত্তু, ত্যাওছুলঙ আৰু খাম্ চেনক ৰণলৈ পঠিয়াইছিল। স্বৰ্গদেউৰ দদায়েক টিপামৰ ৰজা ছুলেঙ উজাই দিহিঙৰ চেঁচামুখত কোঠ মাৰি ৰৈছিলগৈ।

কোচ ৰজা নৰনাৰায়ণ হিন্দু ৰজা আছিল। সেই সময়ত আহোমসকল হিন্দু হোৱা নাছিল। ধৰ্ম অনুসৰি হিন্দুৱে গো-ব্ৰাহ্মণক হত্যা কৰা নকৰিছিল।সেয়েহে আহোম ৰাজ্যৰ সেনাপতিদেৱে এটা বুদ্ধি কৰিছিল। সেই বুদ্ধিমতে কিছুমান আহোম সৈন্যক ফোট-লগুণ পিন্ধাই বামুণ সজাই গা উলিয়াই গৰুৰ ওপৰত তুলি কোচ সৈন্যৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ পঠিয়াইছিল। গো-ব্ৰাহ্মণ দেখি মহা পাপৰ ভয়ত কোচ সৈন্যই অস্ত্ৰ নধৰি যুদ্ধ এৰি গুচি গৈছিল। এই বামুণ সজোৱা সৈন্যবোৰৰ

দায়িত্ব লেকাই চেতীয়াই লৈছিল। যুদ্ধ নোহোৱাত লেকাই চেতীয়াই সেইদৰে সৈন্যবোৰৰ গাৰ পৰা লগুণ সোলকালে। কিন্তু ৮ঘৰ বামুণে সেই লগুণ নুগুচালে।

স্বৰ্গদেউ ছুহুমমঙৰ নাতি স্বৰ্গদেউ চাও ছু-খাম-ফাৰ সেনাপতিয়ে এনে এটা উপায়েৰে কোচ ৰজ্যৰ সেনাসকলৰ পৰা আহোম ৰাজ্যৰ আক্ৰমণ ৰক্ষা কৰাৰ কথা শুনি নাংবক্ৰ গাভৰুৱে বৰ সন্তাপ পালে। কাৰণ তেওঁ ভাবিছিল এজন পৰাক্ৰমী সম্ৰাটৰ নাতি হৈ স্বৰ্গদেউ ছু-খাম-ফাই আৰু সেনাপতিয়ে লগ লাগি কোচৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ যি ঠগ উপায় অৱলম্বন কৰিছিল, সেয়া কাপুৰুষালিহে আছিল। এই ঠগৰ কাৰণে তেওঁ সেনাপতি আৰু স্বৰ্গদেউৰ ওচৰত খণ্ডত জ্বলি-পকি উঠিছিল।

এনেদৰে দিন বাগৰিল। স্বৰ্গদেউৰ পেহীয়েক আৰু ৰাজসভাৰ বৰগোহাঁইৰ ভাৰ্য্যা হৈ তেওঁ বহু কথাৰ বিৰুদ্ধে মাত মাতিবলৈকো উপায় নাইকিয়া হৈ পৰিছিল। আনহাতে নাংবক্ৰ গাভৰু আছিল অতি সাহসী আৰু তেজস্বী। অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ ভয় নকৰিছিল। কাৰণ নাংবক্ৰ গাভৰুৱে তেওঁৰ দেউতাকক কোনো ৰণতে পৰাজয় হোৱা দেখা নাছিল। দেউতাকৰ আদৰ্শৰে ডাঙৰ-দীঘল হৈ এজন বৰসেনাপতিৰ লগত বিয়া হৈ তেওঁ অতি সাহসেৰে জীৱনৰ প্ৰত্যেকটো কাম কৰিছিল।

কোচ ৰজা নৰনাৰায়ণে আহোম ৰাজ্যৰ সেনাপতিৰ চাতুৰি বুজি পাই পুনৰ আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ মনস্থ কৰিলে। পুনৰ চিলাৰায়ে দিখৌয়েদি আহি মেচঘৰ পাইছিলহি। আন এটা কোচৰ দলে ধনশিৰি নদীয়েদি সোমাই মৰঙ্গী দখল কৰিছিল। আন এটা দলে টেপুৰ নেতৃত্বত আহি দিহিঙত কোঠ আক্ৰমণ কৰিছিল। এইদৰে কোচ সেনাই গড়গাঁও অধিকাৰ কৰিছিলহি। আহোমৰ সৈন্যসকলে সময়ত বুদ্ধি আৰু বলেৰে ৰাজ্য আক্ৰমণৰ ক্ষেত্ৰত বাধা দিব পৰা নাছিল। প্ৰতিৰক্ষা ব্যৱস্থা ভাঙি যোৱাত স্বৰ্গদেৱে ডা-ডাঙৰীয়াসকলৰ লগত আলোচনা কৰিছিল। আলোচনাকালত কোচৰ লগত সন্ধি কৰিবলৈ স্বৰ্গদেউক ডা-ডাঙৰীয়াসকলে প্ৰস্তাৱ আগবঢ়ালে।

আহোমৰ সন্ধিৰ প্ৰস্তাৱ নৰনাৰায়ণে মানি ল'লে কিন্তু সন্ধিৰ চৰ্তবিলাক পালন সৰ্ম্পৰ্কে জামিন বিচাৰিলে। নৰনাৰয়ণে বুঢ়াগোহাঁই আইখেকক ক'লে— 'তুমি উদয়গিৰি ৰাজ্যত এই কথা কহিবা যাই, তিনিজনা গোহাঞিৰ পুতেকক দিব, ছুদাঙৰ পুতেকক দিব। খাম-চেনৰ পুতেকক দিব। এইবোৰক যদি দি পঠাব স্বৰ্গী ৰজাৰ ৰাজ্য মই কুশলে থৈ যাম।'(বৃহৎ তাই জাতি) তদুপৰি কোচৰ ৰজাই আহোম

স্বৰ্গদেউৰ খাম্-ৰিং নামৰ ওখ হাতীটো আৰু পক্ষীৰাই নামৰ বেগী ঘোঁৰাটো বিচাৰিছিল। দুৰ্বল স্বৰ্গদেৱে এই সকলোবোৰ সন্ধি প্ৰস্তাৱ মানি লোৱাত নাংবক্ৰ গাভৰুৰ বৰ খং উঠিল। কাৰণ নাংবক্ৰ গাভৰুৱে কোনোদিনে দেউতাক স্বৰ্গদেৱ ছুহুমমঙক পৰৰ ৰজাৰ তল পৰা দেখা নাছিল। কিন্তু আহোম ৰাজ্যৰ বল-বিক্ৰম, মান-সন্মান, সকলো ঐতিহ্য প্ৰতাপী স্বৰ্গদেউ ছুহুমমঙৰ নাতি ৰজাই নিজৰ দেশক সেৱ কৰি আহোমৰ কোঁৱৰক জামিনত শত্ৰু দেশলৈ দিব লগা হোৱাত তেওঁ মনত বৰ দুখ পালে। স্বৰ্গদেউৰ পেহীয়েক হৈ তেওঁ বৰ অপমানিত বোধ কৰিছিল। তদুপৰি সেইজনা ভতিজা স্বৰ্গদেউৰ ৰাজসভাৰ তেওঁৰ স্বামী তনখাম বৰগোহাঁই আছিল। সেয়েহে তেওঁ লাজে-অপমানে জৰ্জৰিত হ'ল। সময়ৰ সুবিধালৈ তেওঁ বাট চালে।

আহোম ৰাজ্য আৰু কোচৰ লগত হোৱা ৰণৰ বাবে ৰাজভঁৰাল আৰু সৈন্য-সামন্তৰ বহুতো ক্ষতি হৈছিল। সেয়েহে তেওঁ অন্তৰত কোচৰ লগত হোৱা সন্ধিৰ বাবে বৰ আঘাত পাইছিল। কাৰণ কোনোদিনে শত্ৰুৰ লগত সেও নমনা বীৰ জাতিয়ে কোচৰ লগত সেও মানি সকলো মান-সন্মান তেওঁৰ ভতিজা স্বৰ্গদেৱে হেৰুৱাইছিল।

এইদৰে মনত বহুতো আঘাত লৈ নাংবক্ৰ গাভৰুৱে দিন নিয়াবলৈ ধৰিলে। এনেতে এদিন স্বৰ্গদেৱে কোচ ৰাজ্যলৈ অন্যান্য বস্তুৰ সৈতে পাঁচজন কোঁৱৰক জামিন হিচাপে পঠিওৱাৰ দিহা কৰিছিল। পাঁচজন কোঁৱৰৰ ভিতৰত নাংবক্ৰ গাভৰুৰ পুতেক ত্যাওপেতো বাছনিত পৰিছিল। কোচৰ লগত ৰণত পৰাস্ত হৈ আহোম স্বৰ্গদেউ আৰু ডাঙৰীয়াসকলে এইদৰে কোঁৱৰসকলক আন দেশৰ ৰজাৰ ওচৰলৈ চিৰদিনৰ বাবে দেশান্তৰ কৰিবলৈ লোৱাত নাংবক্ৰ গাভৰুৱে সহ্য কৰিব নোৱাৰিলে। এই বিপদৰ পৰা ৰাজ্যখনক কেনেকৈ উদ্ধাৰ কৰিব পাৰি, তেওঁ তাৰ চিন্তা কৰিবলৈ ধৰিলে। এবাৰ যদি কোনো ৰজা কাপুৰুষ হয়, তেনেহ'লে তেনে কাপুৰুষালিৰ পৰা উদ্ধাৰ পাবলৈ টান হোৱাটো স্বাভাৱিক আছিল। এজন বীৰ- বীৰত্বৰে ৰাজ্য শাসন কৰি যোৱা স্বৰ্গদেউৰ জীয়াৰী হৈ তেওঁ কথাটো সহজে ল'বলৈ টান পাইছিল। সেয়েহে তেওঁ এই সুযোগতে নিজৰ ভতিজা স্বৰ্গদেউক এশিকনি দিবলৈ মন স্থিৰ কৰিছিল। তেওঁ ভাবিছিল স্বৰ্গদেৱে এই কৰ্ম কৰাত বাধা নাপালে, সদায় ৰাজ্যক শত্ৰুৰ ওচৰত সেও জ্ঞান হ'বলৈ দিবলৈ কুণ্ঠাবোধ নকৰিব। তদুপৰি সেইখন ৰাজ্যসভাৰ তেওঁৰ স্বামী বৰগোহাঁই হৈ এই কৰ্মত বাধা নিদিয়াত আৰু কাপুৰুষ হৈ স্বৰ্গদেউক এই কামত সহায় কৰাত তেওঁ খঙতে জ্বলি উঠিছিল।

স্বৰ্গদেৱে কোচৰ ৰাজসভালৈ যিকেইজন কোঁৱৰক পঠিয়াবলৈ ঠিক কৰিছিল, সেইকেইজনক ৰাজসভালৈ আনিবলৈ আদেশ কৰিছিল। স্বৰ্গদেউৰ আদেশ মতে গোটেইকেইজন ৰাজকোঁৱৰ কোচ ৰাজসভালৈ জামিনত যাবলৈ আহিল। কিন্তু নাংবক্ৰ গাভৰুৰ পুতেক ত্যাওপোতক দিবলৈ তেওঁ মান্তিনহ'ল। ইফালে ৰাজআজ্ঞা, আনফালে পুত্ৰস্নেহ। নাংবক্ৰ গাভৰুৱে তেওঁৰ বুকুৰ মাজৰ পৰা পুত্ৰক শত্ৰুৰ দেশলৈ জামিনত পঠিয়াবলৈ মান্তি হ'ব পৰা নাছিল। সেয়েহে তেওঁ পুতেকক লগত লৈ নিজেই ৰাজসভা পালেগৈ। নাংবক্ৰ গাভৰুৱে নিজৰ পুতেকক আগত ৰাখি নিজৰ ভতিজা স্বৰ্গদেউৰ আগত থিয় হৈ কৈছিল— 'মোৰ পোক ভেটী ৰাজ্যলৈ যাবলৈ দিম কিয়? কোচৰ লগত ৰণত যে তুমি হাৰিলা, তুমিনো কিহৰ স্বৰ্গদেউ? ডা-ডাঙৰীয়াসকলনো কি?' তাৰ পিছত তেওঁৰ স্বামী ৰাজসভাত বহি থকা তনখাম বৰগোহাঁইক কটাক্ষ কৰি কৈছিল— 'তুমিনো কিহৰ বৰগোহাঁই? ভাল তোমালোকে ৰণত হাৰিলা, মই এঘড়ি যুঁজি চাও দিয়া। তোমালোকৰ টুপী, চোলা,-(কুন-বিন, যুদ্ধৰ সাজ, কুন-খা) মই পিন্ধি কোচৰ লগত যুঁজ দিও। মই তিৰোতা নে পুৰুষ তেতিয়া চিনি পাবা।' গাভৰুৱে পুতেকক কোচ ৰজাৰ ৰাজসভালৈ পঠিয়াব নোখোজাত বৰগোহাঁই-ডাঙৰীয়াই বৰ লাজ পালে। সেয়েহে তেওঁ কৈছিল— 'ৰাজ্যৰ নিমিত্তে মোৰ পোক দেশৰ বাবে দিলো, য'ক।' এই কথা শুনিয়েই নাংবক্ৰ গাভৰুৱে নিজৰ পুতেকক টানি আনি কৈছিল— 'মোৰ পোক কোনে দিব পাৰে? দিখৌ নৈ বান্ধি ওভতাই পঠিয়ালেহে মোৰ ল'ৰাক কোচ ৰাজ্যলৈ দিব পাৰিব।' ৰাজচ'ৰাত খেলিমেলি লাগিল। বৰগোহাঁয়ে লাজত তলমূৰ কৰিছিল। স্বৰ্গদেৱে পেহীয়েকৰ কথাত লাজ পাইছিল, ভয়ো খাইছিল। কিবা কথা আপত্তি কৰিলে নিজে লাজত পৰা ভয়ত স্বৰ্গদেৱে নাংবক্ৰ গাভৰুৰ পুতেকৰ সলনি স্বৰ্গদেউৰ নিজৰ ভায়েক চুগান কোঁৱৰক কোচ ৰাজ্যলৈ পঠিয়াইছিল।

স্বৰ্গদেউ ছুহুমমুঙৰ জীয়াৰী নাংবক্ৰ গাভৰুৱে, ভতিজা স্বৰ্গদেৱে আহোম দেশৰ সুনামত কলঙ্ক লগোৱা বাবে মনত আঘাত পাইছিল। তেওঁৰ স্বামী তনখামে ভীৰুৰ দৰে নিজ দেশৰ সন্তানক শত্ৰুৰ দেশলৈ পঠিওৱাত বৰ অপমান বোধ কৰিছিল। সেয়েহে তেওঁৰ ভতিজা স্বৰ্গদেউৰ ওপৰত লগতে স্বামী তনখাম বৰগোহাঁইক তেওঁ ৰাজসভাত অপমানিত কৰিছিল। লগতে নাংবক্ৰ গাভৰুৱে স্বৰ্গদেউ আৰু স্বামীৰ ওপৰত বিশ্বাস হেৰুৱাইছিল। গাভৰুৱে ভাবিছিল, বীৰ সদায় বীৰৰ দৰে থাকিব লাগে। পৃথিৱীত মানুহে কৰিব নোৱাৰা একো কাম নাই। স্বৰ্গদেৱে ৰাজ্যৰ প্ৰতি ভালদৰে মন-কাণ দিয়া হ'লে শত্ৰুৱে বিনাবাধাই দেশ ল'ব নোৱাৰিলেহেঁতেন।

বৰগোহাঁইকে আদি কৰি ডা-ডাঙৰীয়াসকলে সময়ৰ কাম সময়ত কৰি যোৱা হ'লে কোচে ইমান সহজতে আহি দেশক পৰাধীন কৰিব নোৱাৰিলেহেঁতেন। দেশৰ কামৰ প্ৰতি সজাগ নোহোৱাৰ বাবেহে নাংবক্ৰ গাভৰুৰ খং উঠিছিল।

নাংবক্ৰ গাভৰুৱে নিজৰ পুতেকক কোচৰ জামিন হৈ পঠিওৱা নাছিল বাবে যে তেওঁ দেশৰ প্ৰতি বৈৰী আছিল, এনে নহয়। তেওঁ নিজৰ দেশক অতিকৈ ভাল পাইছিল। যিখন দেশে তেওঁৰ পিতৃৰ ৰাজত্বৰ দিনত সদায় শত্ৰুক জিনি নিজৰ দেশৰ স্বাধীনতাৰ মুকুট জিলিকাইছিল, সেই স্বাধীনতাৰ মুকুট খহাই পেলোৱাত তেওঁ মৰ্মান্তিক আঘাত পাইহে স্বৰ্গদেউ আৰু স্বামীক কটু কথা শুনাইছিল। স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলে একমুখে শত্ৰুৰ ওচৰত সেও মানিলে দেশৰ বাবে ভৱিষ্যতলৈও বিপদ আহিব। নিজৰ ভুল-ত্ৰুটি এনে সমৰ্থনত ডা-ডাঙৰীয়াৰ লগতে স্বৰ্গদেৱেও সময়ত বাছি উলিৱাব নোৱাৰিলে, ফলত ৰাজ্যলৈ আৰু দুৰ্দিন আহিব। নিজৰ ভুলৰ বাবে আজি স্বৰ্গদেউৰ ৰাজ্যত এনে নিচ সিদ্ধান্ত ল'ব লগা হৈছিল। তেওঁ বিশ্বাস কৰিছিল, স্বৰ্গদেড আৰু ডা-ডাঙৰীয়াসকলৰ ভুল সিদ্ধান্তত পৰাজয় হৈ ক্ষতিপুৰণ ভৰিবলৈ মাতৃৰ বুকুৰ পৰা সন্তানক আঁতৰাই দেশান্তৰ কৰিবলৈ স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলৰ অধিকাৰ নাই। এই সিদ্ধান্তত মত নিদিয়াত তেওঁৰ অভিপ্ৰায় আছিল যাতে ভৱিষ্যতে কোনো ডা-ডাঙৰীয়াই স্বৰ্গদেউৰ এনে সিদ্ধান্তত সন্মতি নজনাবলৈ বাধ্য হয়।

নাং বক্ৰ গাভৰুৰ এই কৰ্মৰাজিয়ে তেওঁ যে এগৰাকী তেজস্বী, সাহসী আৰু নিৰ্ভীক অসমৰ ৰমণী আছিল, তাকেই প্ৰমাণ কৰিছিল। সেয়েহে তেওঁৰ এই সাহসিকতা আৰু তেজস্বিতাৰ কথা বুৰঞ্জীৰ পাতত চিৰদিনলৈ জিলিকি ৰ'ল। নাংবক্ৰ গাভৰুৰ এই আদৰ্শ নাৰীৰ বাবে গ্ৰহণীয় হোৱা উচিত। নাৰীসকল সজাগ হ'লে দেশলৈ বা সমাজলৈ আহিব লগা বিপদ-আপদৰ বহুত লাঘৱ হ'ব পাৰিব। সেয়েহে সৎ বা ন্যায় কথাত নাৰী সমাজে মাত মতাটো আজি অতি প্ৰয়োজন হৈ পৰিছে। উঠি অহা প্ৰজন্মই নাংবক্ৰ গাভৰুৰ সৎ সাহসক সদায় সন্মান জনাব। □

আই কনকলতা

অসমৰ সত্ৰ- সংস্কৃতিৰ ক্ষেত্ৰত মহিলাসকল পিছপৰি থকা নাছিল। বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে মহিলাসকলে সত্ৰ-সংস্কৃতিৰ ধৰ্ম-সংস্কৃতি ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিছিল। সত্ৰৰ প্ৰগতিমূলক সাহায্য আগবঢ়োৱাত বাহিৰেও আনকি বহুতো মহিলাই সত্ৰ-সংস্কৃতিৰ মহাভাৰ গ্ৰহণো কৰিছিল। সত্ৰ বুৰঞ্জী আদিৰ পৰা জানিব পাৰি যে দুয়োগৰাকী নাৰীয়ে সত্ৰ-সংস্কৃতিৰ উন্নতিৰ বাবে বহু কামেই হাতত লৈছিল। আনকি তেওঁলোকে ধৰ্মাধিকাৰিণী পদো অলংকৃত কৰিছিল। সত্ৰ-সংস্কৃতিৰ লগত বিশেষকৈ আই কনকলতাৰ নাম লেখত ল'বলগীয়া। তেওঁ সৰুৰে পৰা ধৰ্ম-সংস্কৃতিৰ লুতুৰি-পুতুৰি হৈ ডাঙৰ হৈছিল। কৃষ্ণৰ ভক্তিপ্ৰেমে তেওঁক আকৰ্ষণ কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰা ভাগৱতী ধৰ্মত তেওঁ মন-প্ৰাণ সপি দিছিল। কনকলতা আইৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ নাতি চতুৰ্ভূজ ঠাকুৰৰ লগত বিবাহ হৈছিল। বিয়াৰ পিছত তেওঁ আগতকৈ বেছিকৈ ভাগৱতী ধৰ্মৰ লগত জড়িত হৈ পৰে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ পিতৃ আৰু পৰিয়াল বাস কৰা ঠাইৰ ওচৰত বৰাহকুণ্ড আৰু বটবৃক্ষ এজোপা আছিল। সেই ঠাইৰ দক্ষিণে পূবা-পশ্চিমাকৈ জান এটা বৈ গৈ ব্ৰহ্মপুত্ৰৰ পৰা ওলাই অহা উত্তৰৰ এমাইল আঁতৰত থকা এটা সুঁতিত মিলিছিল। সেই জানৰ উত্তৰফালে থকা ভূঞাসকলৰ গাঁৱক আলীপুখুৰী নতুবা বৰদোৱা বোলা হৈছিল। প্ৰবাদ আছে যে শ্ৰীমন্ত শঙ্কৰদেৱে আকাশৰ পৰা গঙ্গাক আবাহন জনোৱাত মধ্য ৰাতি প্ৰচণ্ড শব্দৰে আকাশৰ পৰা এটা পানীৰ জুৰি নামি আহিছিল। আকাশৰ পৰা অহা গঙ্গা কাৰণে সেই জানটোৰ নাম 'আকাশী গঙ্গা' হয়। বটবৃক্ষ

দ্ৰবি যোৱাত সেইদিনাৰ পৰা আলিপুখুৰীক বটদ্ৰোৱা বা বৰদোৱা বুলি জনাজাত হয়। এই ঠাইতে শ্ৰীমন্ত শঙ্কৰদেৱে ৬৭ বছৰ কাল কটাইছিল। ইয়াৰ পিছত ১৫১৬ খ্ৰীঃত তেওঁ তীৰ্থ ভ্ৰমণ কৰিবলৈ যায়। তীৰ্থৰ পৰা আহি শ্ৰীমন্ত শঙ্কৰদেৱে একশৰণ নাম ধৰ্ম প্ৰচাৰ আৰু প্ৰবৰ্তন কৰে। ইয়াৰ পিছত তেওঁ ভূঞাহাট, কোমোৰাকটা ভালুকাগুৰি আদি ঠাইলৈ যায়। ভূঞাহাটতে শ্ৰীমন্ত শঙ্কৰদেৱে শ্ৰীমাধৱদেৱক লগ পায়। ইয়াৰ পিছৰ পৰা দুয়ো একলগ হৈ ভাগৱতী ধৰ্ম প্ৰচাৰ কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ পুনৰ বৰদোৱালৈ নাহি কোচবিহাৰৰ মধুপুৰতে বৈকুণ্ঠগামী হয়।

শ্ৰীমন্ত শঙ্কৰদেৱ বৈকুণ্ঠগামী হোৱাৰ প্ৰায় সত্তৰ বছৰমান ধৰি বটদ্ৰৱা থান এৰাবাৰীৰ দৰে হয়। গোটেই বটদ্ৰৱা থান অতব্য অৰণ্যত পৰিণত হয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ নাতি-বোৱাৰী কনকলতা এগৰাকী অতি বুদ্ধিমতী তিৰোতা আছিল। তেওঁ পাটবাউসীত থকা সময়তেই বৰজনা পুৰুযোত্তম ঠাকুৰৰ পৰা আৰু আইতাক কালিন্দীৰ পৰা পাটবাউসী আৰু অন্য সত্ৰৰ বিষয়ে জানিবলৈ সক্ষম হৈছিল। কনকলতাই বৰদোৱা সম্পৰ্কেও তেতিয়াই কিছু কথা জানিবলৈ সুবিধা পাইছিল। তেওঁ স্বামী চতুৰ্ভূজৰ পৰাও বৰদোৱা থানৰ বিষয়ে গম লৈছিল। পত্নী কনকলতাৰ ধৰ্মৰ প্ৰতি থকা ভক্তিত চতুৰ্ভূজ ঠাকুৰে উৎসাহ জনাইছিল। ধৰ্মকাৰ্যত কনকলতাৰ মন দেখি তেওঁ যে একচিত্তে ধৰ্ম পালন কৰিব পাৰিব, সেই কথা চতুৰ্ভূজে বুজি পাইছিল। চতুৰ্ভূজৰ পুত্ৰ সন্তান নাছিল। সেয়ে তেওঁৰ পিছত সত্ৰৰ ধৰ্ম কোনে পালন কৰিব, তাক লৈ চিন্তিত পৰিছিল। সেয়ে তেওঁ ১৬৪৮ খ্ৰীঃত পৰলোকপ্ৰাপ্তি লাভ কৰাৰ পূৰ্বে চতুৰ্ভূজ ঠাকুৰে ভকত-বৈষ্ণৱসকলক সাক্ষী হিচাপে ৰাখি পত্নী কনকলতাক পুৰুষ সংহতিৰ ধৰ্মাধিকাৰণী পাতি থৈ যায়। চতুৰ্ভূজ ঠাকুৰৰ স্বৰ্গীৰ পিছত তেওঁৰ পত্নী কনকলতাই ধৰ্মধিকাৰণী পদ গ্ৰহণ কৰে। তেতিয়াৰ পৰা তেওঁ আই কনকলতা হৈ পৰিল আৰু তেওঁ যাতে ভাগৱতী ধৰ্মৰ পৱিত্ৰতা ৰাখিব পাৰে তাৰ কাৰণে সজাগ হৈ পৰিল। ধৰ্ম প্ৰচাৰৰ বাবে তেওঁক সহায় কৰিবলৈ ভকতক মহন্ত পদত অভিষিক্ত কৰে।

সেই সত্ৰৰ বাবে তেওঁক আহোম স্বৰ্গদেৱে সহায় আগবঢ়ায়। সেয়ে সত্ৰখন ভালদৰে তেওঁ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। তেওঁ কেইবছৰমানৰ পিছত পাটবাউসী সত্ৰলৈ যায়। পাটবাউসীতে তেওঁ কালিন্দী আইৰ পৰা আদিসত্ৰ বটদ্ৰৱা থানৰ বিষয়ে ভালদৰে জানি লয়।

'পূৰ্বে শঙ্কৰৰ পত্নী গোহাঁনীয়ে
লক্ষ্মী আইক কহয়।

উত্তৰত বৰ দোৱা বৰদৌল
দক্ষিণত প্ৰকাশয়।।
তাহাৰ মধ্যত গোসাঁইৰ মন্দিৰ
আছে ভেটি উচ্চ বৰ।
পশ্চিম পাৰত লোৰ গুটি বটা
আছে পটা মনোহৰ।।
সেই কথা স্মৰি মাৱে যত্ন কৰি
পটা বিচাৰিয়া লৈলা।
শঙ্কৰৰো ভেটি বিচাৰিয়া আই
তাহে হৰি গৃহ কৈলা।।[১]

এই কথা কালিন্দী আইৰ পৰা শুনি আই কনকলতাই শ্ৰীমন্ত শঙ্কৰদেৱৰ আদিসত্ৰ বৰদোৱা উদ্ধাৰ কৰাৰ সিদ্ধান্ত লয়। এই কামত তেওঁক সহায় কৰিবলৈ তেওঁ স্বৰ্গদেউ জয়ধ্বজ সিংহৰ পৰা সহায় বিচাৰে। আই কনকলতাই কেইজনমান ভকত লগত লৈ বৰদোৱালৈ যায়। তেওঁ টংচু বৰফুকনক লগ ধৰি সকলো কথা কোৱাত বৰফুকনে তেওঁক সহায় কৰিবলৈ গাত লয়।

তদুপৰি আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহই তেওঁক ধনজন সকলো দি সহায় আগবঢ়াই পাইকৰ সৈতে সেই ঠাইৰ হাবি-বন কাটি বৰদোৱা সত্ৰ পুনৰ উদ্ধাৰ কৰিবলৈ কামত লাগে। স্বৰ্গদেৱে দিয়া ধন- জন লৈ আই কনকলতাই লুইতেৰে উজাই আহি বৰদোৱাৰ ওচৰৰ এখন ঠাইত ৰয়হি। আই কনকলতাই প্ৰথমতে সেইখিনিকে বৰদোৱা বুলি ভাবিছিল। কিন্তু কালিন্দী আয়ে কোৱাৰ দৰে বস্তুবোৰ নিমিলাত তেওঁ চিন্তিত হৈ পৰিল। সেই বাবে তেওঁৰ লগত যোৱাসকলক বৰদোৱা ক'ত বিচাৰিবলৈ আদেশ কৰিলে। আই কনকলতা আহি প্ৰথমতে যি ঠাইত ৰৈছিল, সেই ঠাইৰ নাম 'আইভেটি' নামেৰে প্ৰখ্যাত হ'ল। সেই আইভেটিতে বৰ্তমান আই কনকলতাৰ থান আছে। সেই থানৰ মণিকুট আৰু নামঘৰ নতুনকৈ বন্ধা হৈছে।

ৰাজ সাহায্যৰে আইভেটিত থাকি ৰজাই দিয়া পাইকৰে অৰ্থাৎ কামকৰা মানুহ আৰু ভকতৰ সৈতে তেওঁ বৰদোৱা বিচাৰি যায়। তেওঁৰ লগত যোৱাসকলে হাতী যোৱা বাট এটা দেখি অনুকৰণ কৰি আৰু ডাউক চৰাইৰ মাত শুনি আগবাঢ়ি যায়। সেই ঠাইকে তেওঁলোকে বৰদোৱা পবিত্ৰ থান বুলি চিনাক্ত কৰে। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ সময়ত আই কনকলতাই ১৬৫৬ চনত ভক্তিস্থান বৰদোৱা উদ্ধাৰ কৰিলে আৰু পুনৰ প্ৰকাশ কৰিলে। বহু গছ-গছনিৰে ভৰা ঠাইখনত তেওঁলোকে

থান আৰু দৌলৰ ভেটিৰ মাজত গুৰুজনাৰ ভেটি আৱিষ্কাৰ কৰিবলৈ সক্ষম হ'ল। সেই ভেটিত আই কনকলতাই দেখিলে শান্তিজান, দৌলৰ ভেটি, আকাশী গঙ্গা, নামঘৰৰ ভেটি, হাতী পুখুৰী, শিলিখা গছ আদি। এই সকলোবোৰৰ সৈতে আই কনকলতাই কালিন্দী আইৰ কথাৰ মিল পালে। এই ঠাই পাই আই কনকলতা অতি সুখী হৈ পৰিল। এই থানখন আহোম স্বৰ্গদেৱে পুনৰ ধুনীয়াকৈ নিৰ্মাণ কৰি দিয়ে। আৰু সেই সত্ৰলৈ ৰাজসাহায্য আগবঢ়ালে। আই কনকলতাই স্বৰ্গদেউৰ ৰাজসাহায্যক শলাগ জনালে। বৰদোৱা থান উদ্ধাৰ কৰি তেওঁ আইভেটিৰ পৰা বৰদোৱালৈ অহা-যোৱা কৰি সত্ৰ চলাই যাবলৈ ধৰিলে। এইদৰে আই কনকলতাই ধৰ্মাধিকাৰণী পদ গ্ৰহণ কৰি ধৰ্ম-সংস্কৃতি ভালদৰে চলাই থাকোঁতেই ১৬৬৮ খ্ৰীঃৰ পুহ মাহত স্বৰ্গী হয়। ইয়াৰ লগে লগে শ্ৰীমন্ত শঙ্কৰদেৱৰ পিতৃ পুৰুষৰ বংশ সমাপ্তি ঘটে।

আই কনকলতা এগৰাকী বিদুষী নাৰী আছিল। তেওঁ ধৰ্মাধিকাৰণী পদ অলংকৃত কৰি অসমীয়া নাৰীৰ মৰ্যাদা, দায়িত্ব, সুনাম আদিৰ পৰা ৩৪৫ বছৰৰ আগতেই প্ৰতিষ্ঠা কৰি থৈ যাবলৈ সক্ষম হৈছিল। তেওঁৰ অৱদান অসমীয়া জাতিৰ বাবে গৌৰৱ। ❑

ৰমণী গাভৰু

ৰমণী গাভৰু স্বৰ্গদেউ জয়ধ্বজ সিংহৰ একমাত্ৰ কন্যা আছিল। একমাত্ৰ কন্যা হৈ মাক্-দেউতাকৰ আদৰ-যতনত মাত্ৰ ছয় বছৰহে থাকিবলৈ পালে। সেই কণমানি ছোৱালীজনীয়ে পৃথিৱী আৰু জীৱনৰ একো কথা বুজি নৌপাওঁতেই তেওঁক অসম ৰাজ্যৰ প্ৰজাৰ মংগলৰ বাবে সন্ধিস্বৰূপে মোগল বাদশ্বাহৰ পুত্ৰলৈ দিব লগা হৈছিল। কাৰণ স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত বাৰে বাৰে মোগলে ভাৰত আক্ৰমণ কৰিছিল। সেয়ে স্বৰ্গদেৱে অসম দেশৰ স্বাধীনতা অটুট ৰাখিবৰ বাবে মোগলৰ লগত ৰণ দিব লগা হৈছিল। এইদৰে মোগলৰ লগত মাজে মাজে ৰণ হৈ থাকোঁতেই ১৬৬২ খ্ৰীঃত মোগল সম্ৰাট ঔৰংজেবৰ সেনাবাহিনীয়ে মিৰজুমলাৰ নেতৃত্বত অসম দেশ আক্ৰমণ কৰে। মোগল সৈন্য অসম ৰাজ্যত সোমাই আহি শিৱসাগৰ অঞ্চল পায়গৈ। শিৱসাগৰ নগৰত শত্ৰু সৈন্য সোমোৱাত স্বৰ্গদেউ জয়ধ্বজ সিংহ চৰাইদেও পৰ্বতলৈ ভাগি যায়। নগৰৰ পৰা ভাগি যোৱাৰ কাৰণে তেওঁ ভগনীয়া ৰজা নামেৰে জনাজাত হয়। মিৰজুমলাই এই সুবিধা পাই অবাধে নগৰ অধিকাৰ কৰি তাতে নিগাজিকৈ বাহৰ পাতি লয়। ১৬৬২ চনত যেতিয়া বাৰিষাই অসমত ঘোৰমূৰ্তি ধৰি দেখা দিলে, তেতিয়া মোগলৰ সেনাসকলে বাৰিষাৰ বান দেখি ভয় খালে। তদুপৰি মোগল সেনাসকলৰ নানান ৰোগ হ'বলৈ ধৰিলে। গ্ৰহণী ৰোগত অনেক মোগল সেনাৰ মৃত্যু হয়। এই সুবিধা লৈ জয়ধ্বজ সিংহই কিছুমান সৈন্য লগত লৈ মুছলমান সেনাক বেড়ি ধৰিলেহি।

মিৰজুমলাই বিষম সংকট অহাৰ উপলব্ধি অনুভৱ কৰি সন্ধিৰ প্ৰস্তাৱ আগবঢ়ালে। ইয়াৰ বাবে ১৬৬৩ খ্ৰীঃত ৯ জানুৱাৰীত শিৱসাগৰৰ ঘিলাবাৰীঘাটত

চুক্তি হয়। কিন্তু তাৰ আগতেই মিৰজুমলাই আহোম স্বৰ্গদেউসকলৰ মৈদাম খনাই বহুতো ধন-সম্পত্তি আহৰণ কৰি লয়। এই চুক্তি মতে মিত্ৰতাৰ চিনস্বৰূপে বাদশ্বাহৰ পুতেকলৈ জয়ধ্বজ সিংহৰ জীয়েক ৰমণী গাভৰুক দিব লগা হৈছিল। সেই সময়ত ৰমণী গাভৰুৰ বয়স মাত্ৰ ৬ বছৰ আছিল। ইয়াৰ বাদেও ১০০ বন্দী, ১০০ বেটী, ৪০টা হাতী, ২০০০০ কুৰি হাজাৰ তোলা সোণ, তাৰ ছগুণ ৰূপ, ছজন বিষয়াৰ ল'ৰা —এইবিলাক যৌতুক ৰাজজীয়ৰী ৰমণী গাভৰুৰ লগত দিব লগা হৈছিল। তাৰ ওপৰঞ্চিকৈ বছৰি ২০টা হাতী, পেচকৰৰ বাবে তিনি লাখ টকা আৰু ৯০টা হাতী দিব লগা হৈছিল। মিৰজুমলাই তাতেই সন্তুষ্ট হৈ তেওঁ দখল কৰা ৰাজ্য এৰি দি আইদেউ ৰমণী গাভৰুক যথাসন্মানেৰে পৎছাহত বিয়া দিবৰ কাৰণে লগত লৈ দিল্লীলৈ উলটি যায়। ৰমণীয়ে সেই বয়সত একো বুজি নাপালে। নিজ মাক-দেউতাক, বংশ-পৰিয়াল, নিজৰ দেশ এৰি থৈ গৈ ৰমণী নিথৰুৱাৰ দৰে হৈছিল। তেওঁৰ লগত যোৱা লিগিৰা মইনাৰ লগতে মাজে মাজে কথা-বতৰা হৈছিল। মোগলৰ বাদশ্বাহলৈ উপঢৌকন হিচাপে পঠোৱা ৰমণীয়ে তেওঁলোকৰ লগত ফাৰ্চী ভাষাত কথা ক'ব নাজানি নিজকে অসহায় যেন অনুভৱ কৰিছিল। আহোম দেশৰ পৰা তেওঁক লৈ আহোঁতে গোটেই বাটটোত ৰমণীয়ে মাক-দেউতাকলৈ মনত পেলাই কান্দিছিল। তেওঁতো জনা নাছিল কিয়নো লোকৰ দেশলৈ সেই বয়সতে মাক-দেউতাকৰ মৰমৰ পৰা বঞ্চিত হৈ যাব লগা হৈছিল। সেয়েহে তেওঁ নিঃসহায় অনুভৱ কৰি মাজে মাজে উচুপিছিল। নিজৰ ঘৰত সকলোৰে লগত মৰম-চেনেহেৰে আতোল-তোলকৈ ডাঙৰ-দীঘল হ'বলৈ নৌপাওঁতেই তেওঁ লোকৰ দেশলৈ আহি নিজকে অকলশৰীয়া অনুভৱ কৰিবলৈ ধৰিলে। মইনাক লগ পাবলৈ তেওঁ আগ্ৰহেৰে বাট চাই থাকে। এইদৰে দিন যাবলৈ ধৰিলে।

ইফালে স্বৰ্গদেউ জয়ধ্বজ সিংহই একমাত্ৰ জীয়েক ৰমণীক নিজৰ দেশ ৰক্ষাৰ বাবে মোগলৰ লগত মিত্ৰতা কৰি উপঢৌকন হিচাপে পঠিয়াই বেজাৰ আৰু সন্তপ্ত বুকুৰ কামিহাড় ভাঙি চূৰ্ণ-বিচূৰ্ণ হৈছিল। এপিনে মোগলৰ আক্ৰমণে তেওঁলৈ 'ভগনীয়া ৰজা' বুলি অপযশ আনিলে; লগতে আহোম বংশৰ গৰিহণাৰ বোজা তেওঁৰ জীৱনলৈ আহিল। সকলোৱে বাক্যবাণেৰে থকা-সৰকা কৰা এখন হিয়া। বিপদৰ সময়ত ৰাজ্যৰ প্ৰজাক নিৰাপত্তা দিব নোৱাৰি নিজে ভাগি যোৱা বাবে তেওঁৰ মনলৈ অনবৰতে অনুশোচনা আহিবলৈ ধৰিলে। এনেবোৰ ভাবে তেওঁক খুলি খুলি খাইছিল। তেওঁ উপায় নাপাই নিজৰ মনক শান্ত কৰিবলৈকে কান্দি কান্দি 'দেশৰ কাৰণে মোৰ জীক বঙাললৈ দিলো' বুলি পাত্ৰমন্ত্ৰীৰ আগত কৈ নিজৰ দুখ

কমাবলৈ যত্ন কৰিছিল। কিন্তু তেওঁ ভিতৰি ভিতৰি সেই নাবালিকা কণমানি জীয়েকক এনেদৰে বিদেশী বঙালক সপি দিব লগা হোৱাত শোক আৰু দুখত ভাগি পৰিছিল। জীয়েক ৰমণীৰ শোকত অনবৰত স্বৰ্গদেউৰ চকুৰ পানী বাগৰি আহিছিল। মৃত্যুৰ সময়লৈকে স্বৰ্গদেউৰ এই শোকৰ চকুলোৰ ধাৰ নিছিগিছিল। ছবছৰীয়া কণমানি ৰমণী গাভৰুক মোগল হাৰেমৰ অন্দৰ মহলত অন্তৰ্ভুক্ত কৰোৱা হৈছিল। হাৰেমৰ অন্দৰ মহলত থাকি তেওঁ প্ৰথমতে বৰ অসহায় অনুভৱ কৰিলে। কাৰো কথা ভালদৰে বুজি নাপায়। খোৱা-বোৱা নিজৰ দেশৰ দৰে নহয়। নিজৰ বান্ধৱীসকলৰ দৰে দৌৰি-ঢাপলি ফুৰিবলৈ তেওঁ লগৰী তাত নাপালে। অনবৰতে মাকলৈ মনত পৰি কেৱল চকুলো টুকিলে। মইনাৰ লগত কথা পাতিবলৈ অপেক্ষা কৰি ৰ'বলৈ ধৰিলে। মনত ভয়ে আগুৰি ধৰিলে। মোগলৰ অন্দৰ মহলত নিয়ম-কানুনৰ তেওঁ একো ভাও পোৱা নাছিল। এইদৰে দিন যাবলৈ ধৰিলে। উৰি যোৱা চৰাইৰ দৰে তেওঁৰ মনটো উৰি উৰি গৈ নিজৰ দেশৰ মাজত সোমাই পৰেগৈ। নিজৰ দেউতাক আৰু মাকৰ মৰম পাবলৈ ৰমণী মাজে মাজে ব্যাকুল হৈ পৰে। নিজ দেশলৈ যাবলৈ মন যোৱাৰ কথা মইনাৰ আগত কয়। কিন্তু সেই কথা আৰু চিন্তাৰ তেওঁ পাৰ নাপালে। সময় যাবলৈ ধৰিলে। ইফালে তেওঁৰ দেউতাক আৰু মাকৰ মৃত্যুৰ কথাও গমকে নাপালে। এৰি অহা জন্মভুমিৰ পৰা তেওঁ একেবাৰে বিচ্ছিন্ন হৈ পৰিল।

অৱশ্যে মোগলৰ লগত অসমৰ বৈৰীভাব চলি থকাৰ সময়ত মোগল অন্দৰ মহলত কণমানি ৰমণীৰ আদৰ-যত্নৰ কোনো ব্যতিক্ৰম হোৱা নাছিল। ৰমণী থকা অন্দৰ মহলৰ অধ্যক্ষা আছিল ঔৰংজেৱৰ বায়েক জাহানাৰা বেগম। ৰমণীক মোগল খানদানৰ সকলো আদব-কায়দা শিকোৱা হৈছিল। ৰমণীক জাহানাৰা বেগমে ফাৰ্চী ভাষাত লিখা-পঢ়া শিকাইছিল। সেয়ে তেওঁ ফাৰ্চী ভাষাত পাৰ্গত হৈ পৰে। ফাৰ্চী ভাষাত কথা ক'ব পৰা হ'ল, লিখিব পৰাও হ'ল। বয়স হৈ অহাৰ লগে লগে অন্দৰ মহলত থাকি খানদানৰ অদব-কায়দা শিকি পেলালে। দেখাতো ধুনীয়াজনী হৈ পৰিল। অন্দৰ মহলত লহ্পহ্কৈ বাঢ়ি আহি ৰমণী গাভৰুৰ বিয়াৰ বয়সত ভৰি দিলে। সেয়ে সম্ৰাট জাহাংগীৰৰ তৃতীয় পুত্ৰ চুলতান আজমতৰাৰ লগত ৰমণী গাভৰুৰ বিবাহ সম্পন্ন কৰালে। মহৰণাৰ পৰিমাণ ধাৰ্য হ'ল এক লাখ চাৰি কুৰি হাজাৰ টকা। ইয়াৰ লগে লগে ৰমণী গাভৰুক ইছলাম ধৰ্মলৈ দীক্ষিত কৰা হ'ল। ইছলাম ধৰ্ম মতে তেওঁৰ নাম দিলে ৰহমতবানু। ৰহমতবানুৱে খানদানৰ আদৱ-কায়দাৰে চলিবলৈ ভাল পোৱা হ'ল। মাজে মাজে কিন্তু ৰমণীয়ে নিজৰ মাক-

দেউতাকৰ কথা ভাবি মন মাৰি পেলাইছিল। লগুৱা মইনাৰ লগত নিজৰ দেশৰ ভাষাৰে কথা পাতিহে মনটো পাতলাইছিল। এইদৰে সময় যাবলৈ ধৰিলে। দেশৰ ৰাজনীতিৰ কথাও তেওঁ মন কৰিলে।

জাহাঙ্গীৰ বাদশ্বাহৰ বৰ আদৰৰ পুতেক আছিল আজমতৰা। তেওঁ আছিল অতি বুধিয়ক আৰু জ্ঞানী, দিলদাৰ ৰাজকুমাৰ। অৱশ্যে তেওঁ বৰ খঙালো আছিল। তেওঁ দেউতাকৰ কথা মতে চলিছিল। তেওঁ ভাবিছিল যে দিল্লীৰ সিংহাসনৰ উত্তৰাধিকাৰী হয়তো তেৱেঁই হ'ব। তদুপৰি তেওঁ ৰমণী গাভৰুক বিয়া কৰোৱাৰ সময়ত ৰোহিলা খণ্ডৰ ফৌজীদাৰ হৈ কাম কৰিছিল। ইয়াৰ পিছত আজমতৰাই দেউতাকৰ আদেশ মতে কেবা ঠাইতো প্ৰতিনিধি হিচাপে কাম কৰিছিল। আজমতৰাই দেউতাকৰ কথা মতে কাম কৰা বাবে সম্ৰাট দেউতাকে তেওঁক মৰম কৰিছিল। আজমতৰাই দেউতাকৰ কথা মতে য'লৈকে গৈছিল, ত'লৈকে ৰমণী গাভৰুক লগত লৈ ফুৰাইছিল। লাহে লাহে ৰমণীয়ে আজতৰাৰ মন বুজি পোৱা হ'ল। তেওঁৰ মনৰ মতে কাম কৰি স্বামীক সুখত ৰাখিবলৈ ৰমণীয়ে অশেষ যত্ন কৰিছিল।

ৰমণীয়ে নিজৰ দেশ অসমৰ পৰা অহাৰ পিছত ১৬৭২ খ্ৰীঃত শৰাইঘাটৰ ৰণ হৈছিল। সেই শৰাইঘাটৰ ৰণৰ নেতৃত্ব দিছিল বীৰ লাচিত বৰফুকনে। লাচিতৰ সেনানীয়ে পৰাক্ৰমেৰে ৰামসিংহৰ লগত স্বাধীনতাৰ বাবে ৰণ দি গৈছিল। অসমীয়া সেনাই দুগুণ উৎসাহেৰে ভটিয়াই আহি কাজলী, সোণাপুৰ, তাঁতীমৰাত থকা কোঠবোৰ দখল কৰিলে। ইয়াৰ পিছত লাচিত বৰফুকনৰ বাহিনীয়ে বৰনদীৰ পশ্চিম পাৰে থকা মোগলৰ কোঠ আক্ৰমণ কৰে। ইয়াৰ পিছত ছয়দুৱাৰৰ কোঠত থকা মোগলক পৰাস্ত কৰি ইটাখুলিলৈ আগবাঢ়ি যায়। সেই সময়ত গুৱাহাটীত ইটাখুলিয়েই মোগলৰ সবাতকৈ শক্তিশালী শিবিৰ আছিল। ইয়াতেই তেওঁলোকৰ প্ৰধান সেনাপতিসকল আৰু মিৰজুমলাই লগত ওল হিচাপে অনা ডাঙৰীয়াসকলৰ পুত্ৰ আৰু মোগলক লগ দিয়া কিছুমান বিষয়া আছিল। সুৰক্ষিত এই কোঠটোৰ চাৰিওফালে ডাঙৰ ডাঙৰ কামান পুতি ৰখা হৈছিল। যাৰ ফলত লাচিতৰ সৈন্যই ইটাখুলি দখল কৰা বৰ কঠিন হৈ পৰিছিল। এই ৰণৰ খবৰ ৰমণী গাভৰুৱে ৰাখিছিল। অসমৰ গুৱাহাটীক মোগলে কাঢ়ি লোৱাৰ বাবেই তাৰ সন্ধিৰ বিনিময়ত তেওঁ মোগলৰ দেশলৈ আহিছিল। সেই গুৱাহাটী জয় কৰিবৰ বাবে আহোম ৰাজ্যৰ বীৰ সেনাপতি লাচিতৰ নেতৃত্বত হোৱা ৰণৰ খবৰ ৰমণী গাভৰুৱে সঘনাই লৈ আছিল। নিজৰ মাতৃভূমি স্বাধীন হোৱাটো ৰমণী গাভৰুৰো কাম্য আছিল।

বীৰ লাচিতে এৰাতিৰ ভিতৰতে মোগলৰ বৰটোপৰ নলত পানী ভৰাই সেইবোৰ

অকামিলা কৰি পেলালে। তেওঁ একে সময়তে ইটাখুলি কোঠ আক্ৰমণ কৰি নিজৰ দখললৈ আনিবলৈ সক্ষম হ'ল। এই খবৰ ৰমণী গাভৰুৱে পাই বৰ আনন্দ পালে। নিজ মাতৃভূমিৰ জয়ত তেওঁ গৌৰবান্বিত হৈ পৰিল। মইনাৰ লগত এই বিষয়ে কথা পাতিবলৈ বৰ আশাৰে বাট চাইছিল। এই কথা মোগল বাহিনীয়ে বুজি পাব বুলিও ভয় খাইছিল। সেয়ে তেওঁ নিজৰ মনৰ আনন্দ মনতে ৰাখিছিল। এইদৰে মিৰজুমলাই অধিকাৰ কৰি লোৱা অসমৰ গুৱাহাটী অঞ্চল পুনৰ বীৰ লাচিতে কাঢ়ি লয়। সেই সময়ত বঙ্গৰ নবাব আছিল আজমতৰা। সেয়ে লাচিতৰ লগত হোৱা পৰাজয়ৰ এই অপমানৰ পোটক তুলিবলৈ মোগল সম্ৰাট ঔৰংজেৱে এইবাৰ দায়িত্ব দিলে বঙ্গৰ নবাব চুলতান আজমতৰাক। দেউতাকৰ এই আদেশ পাই আজমতৰাই মোগল কটকীৰ হাতত পত্ৰ সন্দেশ দি আহোম স্বৰ্গদেউক পুনৰ গুৱাহাটী খুজি পঠিয়ালে। নিজৰ বল-পৰাক্ৰম দেখুৱাবলৈ আজমতৰাই আহোম স্বৰ্গদেউলৈ পত্ৰযোগে জনালে— 'অনেক হাতী, ঘোঁৰাৰে সৈতে আজমতৰা অসম আক্ৰমণ কৰিবলৈ আহি আছে।' এই পত্ৰ পাই আহোম স্বৰ্গদেৱে ডা-ডাঙৰীয়াসকলৰ লগত আলচ কৰি সেই পত্ৰৰ উত্তৰত জনালে— 'গুৱাহাটী ঈশ্বৰে অসমক দিছে, এই ৰাজ্য কেতিয়াও বিদেশীক দিয়া নহ'ব।' লগতে জনালে যে বাদশ্বাহৰ হাতী, ঘোঁৰা, অসমৰ মানত পছু। পছুৰে হিলৈ, বৰটোপ চলাব পাৰে নেকি? আহোম সৈন্যৰ লগত ৰণ দিব পাৰিব নেকি?

অসমৰ কটকীয়ে গৈ এই পত্ৰ মোগলৰ ওচৰ পোৱালেগৈ। এই পত্ৰ পঢ়ি চাই চুলতান আজমতৰা খঙত কঁপি উঠিল। সেই খঙত তেওঁ অসমৰ কটকী দুজনক বন্দী কৰি থ'বলৈ আদেশ কৰিলে। মইনাৰ মুখেদি অসমৰ কটকী দুজনক বন্দী কৰি থোৱাৰ খবৰ পাই ৰমণী গাভৰুৱে বৰ আঘাত পালে। এই কথা মইনা আৰু ৰমণী গাভৰুৱে একেবাৰে সহ্য কৰিব নোৱাৰিলে।

ইফালে মোগল বাদশ্বাহৰ ৰমণী গাভৰু বৰ মৰমৰ আছিল। অসমৰ জীয়ৰীৰ স্বভাৱ-চৰিত্ৰ, স্বামী ভক্তি আদি গুণৰ দ্বাৰা ৰমণীয়ে স্বামী আজমতৰাৰ হৃদয়ত ঠাই পাইছিল। তেওঁ ভাবিছিল যে তেওঁৰ স্বামীয়ে কিবা খঙত দুই কটকীক বন্দী কৰি থৈছে। বহু দিনৰ মূৰত নিজৰ মাতৃভুমিৰ পৰা অহা দুজন বিশিষ্ট লোক কটকী হৈ অহাত তেওঁলোকক লগ পাবলৈ, আই ঘৰৰ কুশল বাতৰি জানিবলৈ ৰমণী গাভৰুৰ মন ব্যাকুল হৈ পৰিছিল। তেওঁ অনুভৱ কৰিছিল, অসমৰ দুজন বিশিষ্ট অতিথিক চুলতানে বন্দী কৰি অসমৰ ৰজা-প্ৰজা সকলোকে অপমান কৰিছে। এনেবোৰ কথাই তেওঁৰ মন দহিবলৈ ধৰিলে। কি উপায়েৰে মাতৃভূমিৰ মানুহ দুজনক

মুকলি কৰি দিব পাৰি তাৰ চিন্তা কৰিলে। শেষত তেওঁ চুলতান আজমতৰাৰ ওচৰ পালেগৈ আৰু তেওঁ অসমৰ দুই কটকীক মুকলি কৰি দিবলৈ স্বামীক অনেক কথা বুজনি দিলে। আজমতৰাও ৰমণী গাভৰুৰ যুক্তিক মানি ল'লে। তেওঁ বুজিলে যে দেশৰ কটকী সদায় নিৰ্দোষ, অন্য দেশৰ কুটবাক্য বা বাতৰি বহনকাৰীক কেতিয়াও দোষে চুব নোৱাৰে। ৰমণী গাভৰুৰ যুক্তি-যুক্ততা একেবাৰে সত্য। নিজৰ দেশৰ কটকীক বন্দী কৰি থৈ দিয়া বাবে ৰমণীৰ মনত দুখ লগাটো স্বাভাৱিক। তেওঁৰ মৰমৰ বেগম অসমৰ। সেয়ে তেওঁ ভাবিলে যিমানে অসম শত্ৰু, এয়া মাত্ৰ দেশৰ স্বাৰ্থ আৰু ৰাজনীতিৰ বাবেহে। কিন্তু প্ৰকৃততে অসমৰ কটকী দুজন তেওঁৰ বেগমৰ মাতৃভুমিৰ মানুহ, সেয়ে তেওঁৰ এই কাৰ্য গ্ৰহণযোগ্য হোৱা নাই। এই কথা চিন্তা কৰি কটকী দুজনক মুকলি কৰি দিলে। ৰমণী গাভৰুৰ যুক্তিত দুই কটকী মুকলি হ'ল। সেই মুক্তি পোৱা কটকী দুজন ৰমণীৰ আই ঘৰৰ আলহি। সেয়ে তেওঁ তেওঁলোকক ভালদৰে সোধ-পোছ কৰিবলৈ দায়িত্ব ল'লে। কাৰণ বঙ্গৰ চুলতানৰ বেগম হৈ নিজৰ দৰবাৰলৈ অহা দেশৰ আলহীয়ে কিবা আসন্তোষ পোৱাটো তেওঁৰ অন্তৰে সহ্য কৰিব নোৱাৰে। কেনেবাকৈ অসন্তোস হ'লে তেওঁৰে দুৰ্নাম হ'ব। সেয়ে তেওঁলোকৰ থকা, খোৱা-মেলাত যাতে একো অসুবিধা নহয়, তাৰ বাবে ৰমণী গাভৰুৱে চকু ৰাখিলে। আনকি স্বামী আজমতৰাক কৈ ৰমণীয়ে দুয়োজন কটকীক দুখন গাঁও দিয়ালে। এই গাঁও দুখনৰ পৰা কটকী দুজনৰ খোৱাৰ খৰচ-পাতি আদি যোগোৱাৰ সুবিধা কৰি দিলে। তেওঁলোকক অকণো অসুবিধা নোপোৱাকৈ ৰাখিবলৈ ৰমণীয়ে আদেশ কৰিলে। ৰমণীয়ে মাজে-সময়ে আই ঘৰৰ অতিথিৰ খা-খবৰ লৈ থাকিল।

ইফালে স্বাৰ্থলোভী লালুকখোলা সেই সময়ত গুৱাহাটীৰ দায়িত্বত আছিল। সেই ছেগতে লালুকখোলা বৰফুকনে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে কাম কৰাৰ সোণালী সুযোগ বিচাৰি পালে। সেয়ে লালুকখোলা বৰফুকনে বঙ্গৰ চুলতান ভাগিন জোঁৱাই আজমতৰালৈ আৰু ৰমণী গাভৰুৰ মন জোৰাবলৈ যথা মুল্যবান উপঢৌকন পঠিয়ালে। এই মূল্যবান উপহাৰ দিয়াৰ পিছতো লালুকখোলাই চাৰিটা হাতী সু-সজ্জিত কৰি পঠিয়াইছিল। ৰমণী গাভৰুৱে স্বাৰ্থপৰ লালুকৰ এই মনভুলুৱা কামৰ উদ্দেশ্য বুজি পাইছিল। ৰমণীয়ে এনে ষড়যন্ত্ৰ সহ্য কৰিব নোৱাৰিলে।তেওঁ কেতিয়াও লালুকখোলাৰ উদ্দেশ্য সিদ্ধি হ'বলৈ নিদিবলৈ দৃঢ় হৈ পৰিল। কাৰণ ৰমণীৰ চকুৰ আগতে চক্ৰান্ত কৰি লালুকখোলাই নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ খোজাত তেওঁ বিদ্ৰোহী হৈ উঠিল। কাৰণ ১৬৬২ চনতে তেওঁক মোগলৰ লগত পঠিয়াই

দিয়াৰ পিছত ৰমণীৰ খবৰ কোনেও লোৱা নাছিল। তেতিয়া মোমায়েক লালুকখোলাই এদিনো খবৰ ল'বলৈ আহৰি নাপালে। কিন্তু এতিয়া নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে মোমায়েক লালুকখোলাৰ ৰমণীলৈ মনত পৰিল আৰু মহা মূল্যবান উপহাৰো পঠিয়ালে। ৰমণীৰ অন্তৰত দুখ আৰু বেজাৰে খুন্দা মাৰি ধৰিলে।

এনে সময়তে লালুকখোলা বৰফুকনে বঙ্গৰ চুলতান ভাগিন জোঁৱাই আজমতৰালৈ গোপনে মানুহ পঠিয়াই পত্ৰযোগে জনালে যে আজমতৰাই যদি তেওঁক অসমৰ ৰজা পাতে, তেন্তে তেওঁ বিনাযুদ্ধে গুৱাহাটী তেওঁক এৰি দিবলৈ সাজু আছে। আজমতৰাই লালুকখোলাৰ এনে পত্ৰ আৰু মহামুল্যবান উপঢৌকন পাই আনন্দিত হৈ পৰিল। কিন্তু ৰমণীয়ে লালুকখোলাৰ এনে কাৰ্যক ঘৃণা কৰিলে।

ইফালে আজমতৰাই বিনাৰক্তক্ষয়ে গুৱাহাটী লাভ আৰু পিতৃ বাদশ্বাহক সন্তোষ দিবৰ বাবে এই সোণালী সুযোগ পাই উৎফুল্লিত হৈ পৰিল। আজমতৰাই ততাতৈয়াকৈ মোমাই-শহুৰ লালুকখোলালৈ পত্ৰযোগে জনাই পঠিয়ালে— 'ভাল, মই কবুল কৰিলো। মামাক মই অসম ৰাজ্যৰ অধিকাৰী পাতিম। তোমাক অসমৰ ৰাজ্যভাৰ আৰু ৰাজ্য দিলো।'

লালুখোলাৰ এনে চক্ৰান্তকাৰী প্ৰস্তাৱ আৰু চুলতান আজমতৰাই লালুকখোলালৈ দিয়া আশ্বাস— এই সকলোবোৰ খবৰ ৰমণী গাভৰুৱে অন্দৰ মহলৰ পৰাই গম পাই আছিল। মইনাই সকলো কথা ৰমণীক জনাই আছিল। দেশৰ স্বাধীনতাৰ বাবে শৰাইঘাটৰ ৰণত অনেক কষ্টৰ সন্মুখীন হৈও নিজৰ দেশক বিদেশীৰ হাতৰ পৰা মুক্ত কৰিলে, তেনে এজন বীৰ লাচিতৰ ভাগিনীয়েক ৰমণী গাভৰুৱে এনে ষড়যন্ত্ৰ সহ্য কৰিব নোৱাৰিলে। লালুকখোলাই চক্ৰান্ত কৰি বিনাযুদ্ধে মোগলক অসম এৰি দিব খোজাত তেওঁ খণ্ডতে অস্থিৰ-অবিৰ হৈ পৰিল। এইক্ষেত্ৰত কেনেকৈ বাধা দিব পাৰি, তাৰ উপায় ৰমণীয়ে চিন্তা কৰিবলৈ ধৰিলে। ইফালে ৰমণী গাভৰু ওৰফে ৰহমত বানু দিল্লীৰ বাদশ্বাহৰ আদৰ্শ বোৱাৰী। তদুপৰি তেওঁ বঙ্গৰ নবাব আজমতৰাৰ মৰমৰ বেগম। ৰমণী স্বামীৰ গৌৰৱ আৰু যশস্যাৰ সমভাগী। পত্নী হৈ স্বামীৰ সকলো কামত তেওঁ সহযোগ আগবঢ়াব লাগে। তাতে আকৌ তেওঁ অসমীয়া জীয়ৰী। অসমীয়া নাৰী ধৰ্মমতে স্বামীৰ জীৱনৰ অৰ্ধাঙ্গ। এনে চিন্তাই ৰমণীৰ মন উদ্বাউল কৰি তুলিলে। তেওঁ কি কৰিব, কি নকৰিব, তাৰ চিন্তাত পৰিল। কিন্তু তেওঁ হতাশ নহ'ল। বীৰ লাচিতৰ দেশপ্ৰেম, তেওঁৰ ভাগিনীৰ সিৰাই সিৰাই বৈ থকা দেশপ্ৰেমে ৰমণীক জগাই তুলিলে। ৰমণী ওৰফে ৰহমত বানু নিজৰ মতত অটল হৈ ৰ'ল। তেওঁ জীৱন-মৰণ একোলৈকে ভয় নকৰি নিজৰ

কৰ্তব্য কৰি যাবলৈ স্থিৰ হৈ পৰিল। ৰমণীয়ে মোগলৰ হাৰেমত অন্দৰ মহলত ফাৰ্চী ভাষা পঢ়িবলৈ-লিখিবলৈ শিকিছিল। সেয়ে তেওঁ ফাৰ্চী ভাষাতেই এখন চিঠি লিখিলে। চিঠিখন এনেধৰণৰ আছিল—

'মোমাইদেউ, মোগল সাগৰত তুমি মজিছা, মোগলী ফন্দীৰ তলা-নলা মইহে জানো। তুমি অসম আইৰ বুকুৰ আগমগুহ ডুখৰি বঙালক দলিয়াই দিয়াৰ কথা সপোনতো নাভাবিবা। তাৰ পৰিণাম কালৈকো ভাল নহ'ব। গোটেই অসম দেশ ধোবাৰ পাট হ'ব। আৰু আমাৰ পৰিয়ালটোৰ কুযশ চিৰকাললৈ ৰৈ যাব।'

তদুপৰি ৰমণী গাভৰুৱে মোমায়েকলৈ চিঠি লিখোঁতে এটা সংকেত দিলে—'চিঠিৰ লগত মইনা নামৰ লিগিৰাটোক পঠিয়াই দিছো। সিয়ে গৈ মোগলী ফন্দীৰ তলা-নলা ভাঙি-পাতি ক'বগৈ। সি গৈ নোপোৱালৈকে যেন 'না-ছায়িস্তা' কাম নকৰা।' ৰমণীয়ে মোগলৰ বোৱাৰী হৈ মোগল চ'ৰাৰ সকলো কথা চিঠিত লিখাটো বৰ বিপজ্জনক আছিল। সেই বাবে মইনাক মোমায়েক লালুকৰ ওচৰলৈ পঠিয়ালে। এই কাৰ্য অতি বিপজ্জনক হ'ব পাৰে অসমৰ কটকীৰ বাবেও, তথাপি গোপনে ৰমণীয়ে চিঠি লিখিছে, সেয়া অতি ভয়ানকভাৱে বিপজ্জনক আছিল। কিন্তু মাতৃভুমিৰ কাৰণে জীৱনক বিপন্ন কৰিবলৈকেও ৰমণী পিছ হোঁহকা নাছিল।

ৰমণীয়ে লিখা চিঠিখনৰ 'মইনা গৈ নোপোৱালৈকে তেনে 'না-ছায়িস্তা' শব্দটোৱে অশোভনীয়, অমঙ্গলজনক, নিন্দাজনক, অশান্তিকৰ, অপ্ৰীতিকৰ আদি সকলো অৰ্থৰ ভাব বহন কৰে। তেওঁ মনৰ দুখত চকুলো মচি মচি মোমায়েকলৈ লিখিলে—'তোমাৰ বংশৰ সন্তানসকলৰ ভিতৰত কিজানি ময়েই আটাইতকৈ দূৰত পৰিছোঁ। মোৰ নামটো কিজানি তোমাৰ মনত আছে। মোৰ ছয় বছৰ বয়সতে পিতৃ-মাতৃৰ কোলাৰ পৰা কাঢ়ি আনি মোক মোগলক ভেটী দিলা। এতিয়া মোৰ বয়স ১৯ বছৰ হ'লহি। তথাপি তোমালোকে আজিলৈকে কোনেও, কোনো সময়ত এই দুখুনীৰ খবৰ নল'লা। কিন্তু তোমালোকৰ সঠিক বতৰা মোগললৈ ঠিকমতেই পঠিয়াই আছিলা। এই হিন্দুস্তানৰ ভিতৰত মোৰ কোন আছে, তাকো তোমালোকে জানা। কিন্তু মোৰ ১৯ বছৰ বয়সলৈকে মই তোমালোকৰ অচিনাকিয়েই হৈ থাকিলোঁ। মই হিন্দুস্তানৰ পৰা এতিয়া বংগদেশৰ কিচিৰপুৰ নামে ঠাইত আহি আছোঁহি। তোমালোকৰ বাতৰি আজিও নাপালো।

মোলৈ অসমৰ কটকীৰ হাতত পঠিওৱা বস্তু-সম্ভাৰ ঠিকমতেই মোৰ হাতত পৰিছেহি। সেইবাবে হিন্দুস্তানৰ লোকসকলৰ আগত অসমৰ যথেষ্ট গৌৰৱ আৰু যশস্যা বৃদ্ধি হৈছে। তোমালোকৰ আশীৰ্বাদত ইয়াত মোৰ একোৰে অভাৱ নাই।

তথাপি তুমি পঠিওৱা উপহাৰে মোৰ গৌৰৱ বঢ়াইছে।'

এই চিঠিখনৰ যোগেদি ৰমণী ওৰফে ৰহমত বানুৰ নিজৰ মাতৃভূমিৰ প্ৰতি থকা গভীৰ প্ৰেমৰ কথা প্ৰকাশ পাইছে। স্বামীৰ অৰ্ধাংগিণী হৈও তেওঁ নিজ দেশৰ মংগলৰ বাবে মোমায়েকলৈ অতি ভয়ানকভাৱে বিপদৰ মুখামুখি হৈও এনে এখন পত্ৰ লিখি তেওঁৰ দেশৰ প্ৰতি থকা ভক্তি আৰু অতুলনীয় দেশপ্ৰেমৰ আদৰ্শ সমাজৰ মাজত চিৰস্মৰণীয় কৰি থৈ গ'ল। সেয়ে ৰমণী গাভৰুৰ চিঠিখন অসম বুৰঞ্জীৰ এটি অমূল্য সম্পদ হৈ ৰ'ব। এনে এগৰাকী নাৰী সমাজৰ বাবে আদৰ্শনীয় হৈ থাকিব।❑

আত্মত্যাগী জয়মতী

শিৱসাগৰৰ লাইথেপেনা বৰগোহাঁইৰ ঘৰত আত্মত্যাগী জয়মতীৰ জন্ম হৈছিল। লাইথেপেনাৰ কেবাগৰাকী জীয়ৰী আৰু পুতেক আছিল। জয়মতী বাৰগৰাকী বাই-ভনীৰ এগৰাকী হৈ আহোম ৰাজ্যত সময়ে গৰকি নিয়া ঘৰুৱা শত্ৰুৰ পৰা নিজৰ দেশক ৰক্ষা কৰিবলৈ অসমৰ আকাশৰ তলত ডাঙৰ-দীঘল হৈছিল।

তেওঁৰ দেউতাক লাইথেপেনা বৰগোহাঁই আছিল সমাজৰ এজন গুণী-জ্ঞানী লোক আৰু সমাজৰ মানখোৱা ডাঙৰীয়া। জয়মতী তেনে এঘৰৰ জীয়ৰী হৈও ঘৰৰ সকলো কাম আগ্ৰহেৰে কৰিছিল। স্বভাৱ-চৰিত্ৰ বৰ সহজ-সৰল আৰু অহংকাৰী নাছিল। সৰুকালৰ পৰা জয়মতীৰ অসীম ধৰ্য আছিল। সকলো কামতে নেৰা-নেপেৰা চেষ্টা আৰু ত্যাগৰ চিন সৰুৰে পৰা দেখা গৈছিল। সৰুৰে পৰা তেওঁৰ ওঁঠত সদায় হাঁহি, মুখত মৌসনা মাত বৰষিছিল। জয়াই সৰুতে সমনীয়াৰ লগত ফটাকানিৰে দৰা-কইনা সাজি উমলি ভাল পাইছিল। কেতিয়াবা ফটাকানিৰে সজোৱা দৰা-কইনা বনাওঁতে ক'ৰবাট আউল লাগিলে বাৰে বাৰে খুলি শেষত ধুনীয়াকৈ বনাইহে মনত শান্তি লাভ কৰিছিল। সমনীয়াৰ লগত মিলিজুলি থাকি ভাল পাইছিল। ঘৰখনৰ সকলোৰে লগত কামত সহায় আগবঢ়াই আত্মতৃপ্তি লাভ কৰি ভাল পাইছিল। তদুপৰি ওৰে দিনটো লেঠেৰি নিছিগা কামৰ মাজেদি সময় পাৰ কৰিবলগা হোৱাৰ পিছতো মনত দুখ আৰু খং-ৰাগ নাছিল।

ছোৱালীকালৰ পৰাই তাঁতৰ পাটত বহি ভৱিষ্যতৰ ৰণুৱা স্বামীক কৱচ কাপোৰ বৈ দিয়াৰ আখৰা কৰিছিল। ঘৰৰ সকলোকে বিহুত বিহুৱান দি সন্মানীয়জনৰ পৰা আশীৰ্বাদ ল'ব জানিছিল। এনেকৈ দিয়া-লোৱাৰ মাজেদি মৰমৰ এনাজৰীডাল

কেনেকৈ টনকিয়াল কৰিব পাৰি, জয়মতীয়ে সৰুৰে পৰা ইয়াক আয়ত্ত কৰিবলৈ শিকিছিল। ৰান্ধনীশালত সেমাই নিমাতে-নীৰৱে জুতি-বুধি লগাই কচু, ঢেঁকীয়া, সৰু মাছ পাতত দিয়া, কচুঠুৰি পাতত দিয়া, বৰা চাউল ভাপত দিয়া, মাছ খৰিকাত দি আঙঠাত দিয়া, লাইজাবৰি, চেং দৈ, মাণিমুনি, খুতুৰা শাকেৰে জুতি লগাই ঘৰৰ মানুহখিনিক তৃপ্তিৰে ৰান্ধি খুৱাইছিল। আখলত সোমাই শাক-পাচলি গোটাই এসাঁজ জুতি লগাই খুৱাব পৰাটো এগৰাকী নাৰীৰ দায়িত্ববোধৰ বৈশিষ্ট্য আৰু ঘৰৰ লখিমী বোৱাৰী হোৱাৰ চিন।

তদুপৰি জয়াই এই কথা উপলব্ধি কৰিছিল যে কোনো এখন ঘৰ বা সমাজৰ সকলোৱে একেলগে বুজাবুজিৰে কাম কৰি গ'লে তেনে এখন ঘৰত কাহানিও অশান্তি নহয় আৰু তেনে সমাজত উন্নতিয়ে ঠাই পায়। সেইবাবে জয়মতীয়ে সৰুৰে পৰা এই আদৰ্শ আয়ত্ত কৰি সকলো কাম কৰি গৈছিল। সেইবাবে তেওঁৰ প্ৰত্যেকটো কামেই আছিল আঁৰ নলগা, নিৰহনিপানী আৰু চকুত লগা। সময় পাখিলগা কাঁড়ৰ দৰে আগবাঢ়িল। জয়া গাভৰু হৈ তেওঁৰ দিয়ন-থোৱন আৰু সোধন-পোছনত সকলোকে মোহ লগাব পৰা হ'ল।

জয়মতীক গোৱৰ কোঁৱৰৰ ঘৰলৈ গদাপাণিয়ে ধুমধামেৰে চক্‌লং কৰি বিয়া কৰাই নিলে। জয়া গোৱৰ কোঁৱৰৰ ঘৰৰ লখিমী বোৱাৰী হ'ল। বোৱাৰীৰ ঘৰুৱা কামৰ উপৰি দেশত হোৱা ৰাজনৈতিক বিপ্লৱৰ বা-বাতৰি জয়াই সময় মতে ৰাখিছিল।

অসম দেশখনক বাৰে বাৰে মোগলে আক্ৰমণ কৰি দেশলৈ বিপৰ্যয় আনিছিল। সেই বাহিৰা শত্ৰুৰ পৰা আৰু দেশৰ স্বধীনতাৰ মুকুট অক্ষত ৰাখিবলৈ স্বৰ্গদেউ চক্ৰধ্বজ সিংহই বীৰ লাচিত বৰফুকনক বৰসেনাপতি পাতি শৰাইঘাটত মোগলক ভেটিবলৈ ১৬৬৫ খ্ৰীঃত গুৱাহাটীলৈ পঠিয়ায়। সেই ৰণত সহায় কৰিবলৈ প্ৰায়বোৰ অসম দেশৰ ডা-ডাঙৰীয়া গুৱাহাটীলৈ আহিব লগা হৈছিল। এই ৰণৰ বাবে বীৰ লাচিতে ছয় বছৰ ধৰি কৰা কাৰ্যাৱলীৰ কাৰণে ৰাজপুত বীৰ ৰামসিংহৰ নিচিনা এজন চতুৰ সেনাপতিয়ে বিপুল সৈন্য লৈ অসম আক্ৰমণ কৰিবলৈ আহি গুৱাহাটীত সোমাব পৰা নাছিল।

ৰাজধানীৰ প্ৰায়বোৰ ডা-ডাঙৰীয়াই আহি বীৰ লাচিতৰ লগ দিবলৈ অহাৰ সুবিধালৈ এচাম স্বাৰ্থান্ধ আৰু সংকীৰ্ণ দৃষ্টিৰ লোকে গড়গাঁৱত ক্ষমতা দখলৰ হীন প্ৰচেষ্টাত লিপ্ত হৈছিল। এই হীন প্ৰচেষ্টাৰ গুৰি ধৰোঁতাসকলৰ মাজত কেবাজনো ৰাজবিষয়া আৰু সত্ৰাধিকাৰ জড়িত আছিল। দেশৰ এনে পৰিস্থিতিত জয়মতীয়ে স্বামী গদাপাণিৰ লগত এই বিষয়ে আলোচনা কৰিছিল। জয়মতী লাহে লাহে মাতৃও

হ'ল। তেওঁ গদাপাণিৰ প্ৰিয় ভাৰ্যাও হ'ব পাৰিছিল। পলকতে গদাপাণিয়ে ভালপোৱা খাদ্য যতনাই দি স্বামীক সুখী কৰিব জানিছিল। ভাগৰুৱা স্বামীক অৱসাদৰ বাবে অমৃত, নিৰাশাৰ বাবে উদ্দীপনা আৰু বিজয়ৰ বাবে মন্ত্ৰণা দিছিল। এইদৰে সাহসী স্বামীৰ এবুকু মৰমৰ মাজত জয়মতীয়ে বৈবাহিক জীৱন সুখেৰেই পাৰ কৰিছিল। পুত্ৰদ্বয়ক অৰ্থাৎ লাই আৰু লেচাক ভৱিষ্যতৰ শান্তি আৰু সমৃদ্ধিশালী দেশ গঢ়োঁতা হিচাপে গঢ়ি তুলিবলৈ তেওঁৰ কৰ্তব্য কৰি লৈছিল। তদুপৰি জয়মতীৰ বিশ্বাস আছিল যে তেওঁৰ স্বামীয়ে দেশৰ সকলো অশান্তি এদিন দূৰ কৰিবলৈ যোগ্যৱান হ'ব পাৰিব।

জয়াই বীৰ লাচিতৰ কৰ্মদক্ষতাক সন্মান জনাইছিল। শৰাইঘাটৰ জয়ে দেশলৈ শান্তি ঘূৰাই আনিছিল। কিন্তু যিমান কষ্টৰে বীৰ লাচিতে দেশ স্বাধীন কৰিলে, সেই স্বাধীনতা অজৰ-অমৰ হ'বলৈ নাপালে। ডা-ডাঙৰীয়াসকলে গুৱাহাটীত থকাৰ সুবিধা লৈ এচাম স্বাৰ্থপৰ বিষয়াই, বিশেষকৈ ডেবেৰাই দেশ থৰক-বৰক কৰিলে। ডেবেৰা অতি স্বাৰ্থলোভী লোক আছিল। যিসকলে ডেবেৰাৰ বিৰুদ্ধে মাত মাতিছিল, তেওঁলোকক ডেবেৰাই হত্যা কৰিছিল। ডেবেৰাই গদাপাণিৰ পিতাক গোবৰ কোঁৱৰক অসমৰ ৰজা পাতি নিজৰ ইচ্ছামতে দেশৰ কাম কৰিবলৈ লৈছিল। তেওঁ ৰাজ্য ভালদৰে চলাইছিল। শহুৰ ৰজা হলত জয়াই নিজৰ ঘৰখন চম্ভালি দেশৰ ৰাজনীতিৰ খবৰ লৈছিল। লাহে লাহে সময় যাবলৈ ধৰিলে। শৰাইঘাটলৈ যোৱা ডা-ডাঙৰীয়াসকল আহি ৰাজধানী পালেহি। ৰাজধানীত ডেবেৰাৰ অত্যাচাৰ আৰু স্বাৰ্থলোভী কাম-কাজ দেখি আতন বুঢ়াগোহাঁইৰ সৈতে বিষয়াসকলে ডেবেৰাক খেদি নিয়াত ৰণত ডেবেৰা হাৰি পলাই গ'ল। ডেবেৰাৰ স্বাৰ্থলোভী কাণ্ডই সকলো বিষয়াক আঘাত দিলে। সেয়ে ডেবেৰাই পতা গোবৰ ৰজাৰ ওপৰত তেওঁলোকৰ বিশ্বাস নোহোৱা হ'ল। সেইসকল ডা-ডাঙৰীয়াই ডেবেৰাই পতা ৰজা গোবৰ কোঁৱৰক হত্যা কৰিলে।

দেশত এনে অৰাজক হোৱা দেখি জয়াৰ মন ভাঙি পৰিল। তেওঁ ভাবিলে যে দেশত এনে অৰাজক হ'লে, অত্যাচাৰী বিষয়াৰ শাসন চলিলে শত্ৰুৱে দেশ ল'বলৈ বেছি দিন নালাগে। এই কথা তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিবলৈ ধৰিলে। গোটেই ভাৰত জয় কৰি ফুৰা মোগলে কেতিয়া আহি বিঘিনি ঘটায়, তাৰ কোনো ঠিকনা নাই। এই কথা ভাবি জয়া আউলি-বাউলি হ'বলৈ ধৰিছিল। কাৰণ জয়াই বুজিছিল 'দেশত গৃহশত্ৰুৱে বাহ ল'লে দেশ ৰসাতলে যায়।' সেয়ে এই দুৰ্যোগৰ পৰা দেশক কেনেদৰে উদ্ধাৰ কৰিব পাৰি, তাৰ বাবে জয়াই গদাপাণিৰ লগত আলোচনা কৰিছিল।

এনে পৰিস্থিতিৰ মাজতে স্বৰ্গদেউ চুডৈফা অসমৰ ৰাজ সিংহাসনত বহে। বীৰ লাচিতৰ মৃত্যুৰ পিছত তেওঁৰ ককায়েক লালুকখোলা গুৱাহাটীত বৰফুকন হৈ আছিল। ৰাজধানীত হোৱা খেলি-মেলিৰ সুবিধা লৈ তেওঁ গুৱাহাটীক নিজৰ স্বাৰ্থৰ বাবে পুনৰ মোগলক দি ৰাজধানীলৈ আহিল। তেওঁ আহি দেখিলে যে ডা-ডাঙৰীয়াৰ মইমতালিত স্বৰ্গদেউ ৰাজ্য চলোৱাত থৰক-বৰক হৈ পৰিছে। তাকে দেখি লালুকখোলাৰ সুবিধাবাদী মন দুগুণে বাঢ়িবলৈ ধৰিলে। ইফালে দেশৰ ৰাজশক্তিক অৱমাননা কৰি স্বাৰ্থলোভী ডা-ডাঙৰীয়াসকলে দেশক পতনমুখি কৰা দেখি জয়া অস্থিৰ হৈ পৰিল। সেয়ে তেওঁ গদাপাণিক দেশ ৰক্ষা কৰাৰ বাবে যোগ্যজন হিচাপে প্ৰতিষ্ঠিত হ'বলৈ উদগনি দিলে। স্বৰ্গদেৱে লালুকখোলাৰ কৰ্ম-কাণ্ড দেখি আচৰিত হ'ল।সেয়ে তেওঁ লালুকখোলাৰ কামত বাধা দিবলৈ ধৰিলে। কিন্তু লালুকখোলাই নিজকে ৰজা প্ৰতিষ্ঠিত কৰিবৰ বাবে মনে মনে জল্পনা-কল্পনা কৰা জয়মতী আৰু গদাপাণিয়ে বুজি উঠিছিল। সময় যাবলৈ ধৰিলে। লালুকখোলাই নিজেই ৰজা হ'বৰ বাবে ইচ্ছা কৰিলে আৰু কেনেকৈনো নামমাত্ৰ ৰাজ্যত ৰজা এজন পাতি তেওঁ নিজেই একচ্ছত্ৰী ৰজা হ'ব পাৰে, তাৰ চিন্তা কৰিবলৈ ধৰিলে। এই কথা চিন্তা কৰি তেওঁ স্বৰ্গদেউক হত্যা কৰি অতি কম বয়সীয়া চামগুৰিয়া কোঁৱৰ এজনক নামত ৰজা পাতিলে। কমবয়সীয়া চামগুৰিয়া কোঁৱৰে ৰজা হৈ নাম ল'লে চুলিক্‌ফা। লালুকখোলাৰ এনেবোৰ কাৰ্যক জয়াই সহ্য কৰিব নোৱাৰা হ'ল। স্বাৰ্থলোভী আৰু কুবুদ্ধিৰে লালুকে নিজৰ স্বাৰ্থৰ বাবে আহোম বংশৰ ৰজা হ'ব পৰা ৰাজকোঁৱৰসকলক এফালৰ পৰা অঙ্গক্ষত কৰি যাবলৈ ধৰিলে। বহুতো কোঁৱৰক হত্যাও কৰিলে। দেশত ভৱিষ্যতে ৰজা হ'ব পৰা কোঁৱৰ কেৱল গদাপাণিহে বাকী থাকিলগৈ।

তদুপৰি দেশৰ ৰাজকোঁৱৰসকলৰ ভিতৰত জয়মতীৰ স্বামী গদাপাণি এজন বাহুবলী, সৎসাহসী কোঁৱৰ আছিল। ৰাজকোঁৱৰসকলক অঙ্গক্ষত আৰু হত্যা কৰাৰ বাতৰি জয়মতীয়ে পাইছিল। সেয়ে জয়মতীয়ে প্ৰথমতে ল'ৰা দুটিক নিৰাপদ ঠাইলৈ পঠিয়াই দিছিল। তেওঁলোকে নগা ৰজাৰ চাঙলৈ গৈছিল। ইয়াৰ পিছত জয়া আৰু গদাপাণিয়ে লালুকখোলাৰ গতি-বিধিলৈ লক্ষ্য কৰিবলৈ ধৰিলে। দিনে দিনে লালুকখোলাৰ কুকৰ্ম বাঢ়ি যাবলৈ ধৰিলে। ৰাজ্যৰ সকলো সুবিধাবাদী আৰু অসৎ লোকে লালুকক লগ দিবলৈ ধৰিলে। কিন্তু লালুকে জয়মতীৰ স্বামী গদাপাণিক ভয় কৰিছিল। তদুপৰি ৰজা হ'ব পৰা কোঁৱৰ তেওঁহে বাকী আছে। সেয়ে তেওঁ ইয়াৰ চিন্তা কৰিবলৈ ধৰিলে। ল'ৰা ৰজা আৰু লালুকে কেনেকৈ গদাপাণিক ৰজা হোৱাৰ পৰা বঞ্চিত কৰিব পাৰি, তাৰ বাবে উপায় বিচাৰিবলৈ

ধৰিলে। সময়ৰ সুবিধা লৈ লালুকখোলাই যি খেলা কৰিছিল, সেই সকলোবোৰ জয়াই তীক্ষ্ণ চকু ৰাখিবলৈ ধৰিলে। লালুকক জয়াই এসেকা দিবলৈ ব্যগ্ৰ হৈ পৰিল। এনেতে লালুকখোলাই গদাপাণিক ধৰিবৰ কাৰণে চোৰাংচোৰা পঠিওৱাৰ খবৰ জয়াই পালে। এই খবৰ পাই জয়মতীয়ে গদাপাণিক ভেশচন কৰি ৰাজ্যৰ পৰা আঁতৰি যাবলৈ কাবৌ কৰিলে। লালুকক ধ্বংস নকৰিলে দেশ ধ্বংস হ'ব। সেয়ে জয়মতীয়ে মৃত্যুক সাবটি হ'লেও লালুকৰ অত্যাচাৰ আৰু স্বাৰ্থ লোভৰ বাবে দেশ ৰসাতলে যোৱাৰ পৰা ৰক্ষা কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈ পৰিল।

ইপিনে অসমৰ শাসনযন্ত্ৰ সোলোক-ঢোলোক হোৱা দেখি গুৱাহাটীত মোগলৰ শেনদৃষ্টি বাঢ়ি যাবলৈ ধৰিলে। দেশৰ এনে বিপদকালত ল'ৰা ৰজা আৰু লালুকৰ কুবুদ্ধিৰ পৰা গদাপাণিক ৰক্ষা কৰিবৰ বাবে জয়াই তেওঁক নগা পাহাৰলৈ ভেশচন কৰি পলাই যাবলৈ খাটিলে। গদাপাণি অতি সাহসী আছিল বাবেই জয়াক অকলে এৰি ভীৰু হৈ পলাই যাবলৈ বিচৰা নাছিল। ইফালে চোৰাংচোৰাই গদাপাণিক বিচাৰি চলাথ কৰিলে। কিন্তু গদাপাণিয়ে চোৰাংচোৰালৈ ভয় কৰা নাছিল। জয়মতীয়ে চোৰাংচোৰাই তেওঁক বিচাৰি অহা গম পাই পিছ দুৱাৰেদি নগা বেশেৰে পলুৱাই পঠিয়াব খোজোঁতে তেওঁ কৈছিল— 'মই এমুঠি চোৰাংচোৰালৈ ভয় নকোৰোঁ।' গদাপাণিৰ এনে আঁকোৰগোজ মৰা কথা শুনি জয়াই কৈছিল— 'বঙহৰ দেউ, মোৰ জীৱনকৈ দেশ বহুত ডাঙৰ। দেশৰ বাবেই আপুনি জীয়াই থাকিব লাগিব। ততালিকে আপুনি নগাৰ বেশ ধৰি পলাই যাওক। দেশৰ হন্তে মোৰ যি গতি হয়, হওক।' এই উক্তিতেই জয়মতীৰ দেশপ্ৰেম সুন্দৰভাৱে প্ৰকাশ পাইছে। তেওঁ নিজতকৈ দেশৰ সুৰক্ষাৰ কথাহে চিন্তা কৰিছিল। গদাপাণিক বিচাৰি নাপাই ল'ৰা ৰজা আৰু লালুকখোলাই ভয়ত দিন কটাবলৈ ধৰিলে। সেয়েহে তেওঁলোকে গদাপাণিৰ সম্ভেদ জয়মতীৰ পৰা উলিয়াবলৈ গাঁঠি হাজৰিকাক আদেশ দিলে। গতিকে নানান উপায়েৰে আনকি লাগিলে শাৰীৰিক শাস্তি দি হ'লেও জয়াৰ পৰা গদাপাণি ক'ত আছে, তাৰ খবৰ উলিয়াবলৈ চাওদাঙক গাঁঠি হাজৰিকাই আদেশ দিলে। আদেশ পাই চাওদাং জয়াৰ ঘৰ পালেগৈ। জয়াক গৈ গদাপাণিৰ কথা সোধাত জয়াই একো কথাৰ উত্তৰ নিদিলে। তেওঁ কেৱল মৌন হৈ ৰ'ল। জয়াৰ এই কাণ্ড দেখি গাঁঠি হাজৰিকাই ইয়াৰ উপায় বিচাৰি চিন্তা কৰিবলৈ ধৰিলে। কাৰণ তেওঁ জানিছিল যে গদাপাণি বাচি থাকিলে ল'ৰা ৰজা আৰু লালুকখোলাৰ কেতিয়া কি হয় ঠিক নাই। সেয়ে তেওঁ নিজেই বীৰৰূপে আহি জয়মতীক গদাপাণি ক'ত আছে সেই কথা সুধিলে। জয়াই কিন্তু নিমাতে ৰ'ল। তাকে দেখি গাঁঠি হাজৰিকাই

জয়মতীক ভয় দেখুৱাই ক'লে— 'গদাপাণিৰ কথা নক'লে শাস্তি দিবলৈ কুণ্ঠাবোধ নকৰোঁ। এতিয়াই গদাপাণিৰ বতৰা দিয়া, নহ'লে শাস্তি দিয়া হ'ব।' এই কথা শুনি জয়াৰ গাঁঠি হাজৰিকাৰ ওপৰত ঘৃণা জন্মিল। নিজৰ স্বাৰ্থৰ বাবে দেশ ৰসাতলে নিয়াবলৈ লোৱা দেশদ্ৰোহীসকলৰ মনৰ আশা কেতিয়াও পূৰণ হ'বলৈ নিদিওঁ বুলি জয়াই এষাৰ মাতো নামাতি তলমূৰ ওপৰ নকৰিলে। দেশৰ এনে সন্ধিক্ষণত স্বামীক কেনেকৈ ৰক্ষা কৰিব লাগে আৰু কি কথা গোপন কৰিব লাগে, জয়াই সেই কথা ভালদৰে জানিছিল। গতিকে গাঁঠি হাজৰিকাৰ মনৰ আশা জয়াই কেতিয়াও পূৰণ হ'বলৈ নিদিলে। জয়মতীৰ পৰা গাঁঠি হাজৰিকাই একো বাতৰিকে উলিৱাব নোৱাৰি বিমোৰত পৰিল। সেয়ে তেওঁ পৃথিৱীৰ বুকুত নিষ্ঠুৰ সাঁচ বহুৱাই কলঙ্কিত সময় হিচাপে পৰিগণিত কৰি কাপুৰুষালিৰে জয়মতীক জেৰেঙা পথাৰত শাস্তি দিবৰ বাবে কেটকোৰা গছত বান্ধিলে। কেটকোৰা গছৰ কাঁইটে বিন্ধি জয়াৰ গাৰ তেজেৰে জেৰেঙা পথাৰ ৰাঙলী হ'ল। জেৰেঙা পথাৰৰ হাবিৰ মাজতে জয়াৰ ওপৰত নানান নিষ্ঠুৰ শাস্তি চাওদাঙে দিবলৈ ধৰিলে। কিন্তু কোনো শাস্তিয়ে জয়াৰ মন ঘূৰাব নোৱাৰিলে। এই শাস্তিক জয়াই দেশৰ বাবে আশীৰ্বাদ হিচাপে গাত পাতি ল'লে। কিন্তু তেওঁৰ মুখৰ মাত এষাৰো নোলাল। জয়মতীৰ কোমল দেহ চাওদাঙে চাবুকেৰে সেৰাসেৰ কৰিলে। জয়মতীৰ কিন্তু মুখৰ মাত এষাৰো নোলাল। দেশক এজন যোগ্য শাসকৰ হাতত শাসনৰ বাঘজৰী তুলি দিবৰ বাবে তেওঁ নীৰৱে সকলো সহ্য কৰি গ'ল। জয়মতীৰ মনৰ দৃঢ়তা দেখি গাঁঠি হাজৰিকাই ভয় খাই ক'লে— 'কি তেজ মঙহেৰে গঢ়া এনে তিৰোতা, সকলো সহজে সহ্য কৰি গৈছে, তাইৰ তথাপি একো মাত নাই। এই শাস্তিয়ে গা নলৰিলে গাত উতলা গৰম পানী ঢালি দিয়া। চাওচোন তাই কেনেকৈ স্বামীৰ কথা নোকোৱাকৈ থাকে।'

জয়াৰ ওপৰত চাওদাঙে ননান অত্যাচাৰ চলাবলৈ ধৰিলে। তথাপি জয়াৰ মাত এষাৰো উলিয়াব নোৱাৰিলে। নিজৰ দেশমাতৃক ঘৰুৱা শত্ৰুৰ পৰা বচাবলৈ জয়মতীয়ে তিল-তিলকৈ নানান শাস্তি জেৰেঙাৰ বুকুত সহ্য কৰিব লগা হ'ল। তথাপি জয়া অলৰ-অচৰ। তেওঁ স্বামীৰ সংবাদ কাকো নিদিলে। ইফালে জয়াৰ শাস্তি দেখি ৰাজ্যৰ মানুহে হাহাকাৰ কৰিলে। জয়াৰ শাস্তি দেখি গছৰ পাত এখিলাও যেন নলৰা হ'ল। দেশৰ পশু-পক্ষীয়েও যেন জয়াৰ শাস্তি দেখি বিনাবলৈ ধৰিলে। তদুপৰি জয়মতীৰ শাস্তিৰ বাতৰি নগাচাঙৰ নগাই ভৈয়ামত বেহাবলৈ আহি নাগিনীক ক'লেগৈ। গদাপাণিয়ে জয়মতীৰ শাস্তিৰ খবৰ নগাচাঙতে পালে। জয়াৰ শাস্তিৰ প্ৰত্যুত্তৰ দিবলৈ তেওঁ দৃঢ় প্ৰতিজ্ঞ হৈও নীৰৱে থাকিব লগা হ'ল। কাৰণ দেশৰ

দায়িত্ব, দেশৰ ভৱিষ্যতৰ মংগলৰ ভাৰ জয়মতীয়ে গদাপাণিক সপিছে। সেয়েহে অসম দেশ গৃহশত্ৰুৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ প্ৰতিজ্ঞাবদ্ধ। জয়াক বচাবলৈ গ'লে তেওঁ ধৰা পৰিব আৰু জয়াৰ জীৱনৰ সকলো আশা পানী হ'ব। সেই কাৰণে জয়াই দিয়া দেশৰ দায়িত্বভাৰ শিৰত লৈ তেওঁ এজন বীৰ, বাহুবলী হৈও আত্মগোপন কৰিবলৈ বাধ্য হ'ল। দুখ আৰু বিষাদে গদাপাণিৰ মন-আকাশ ক'লা ডাৱৰে ঢাকি ধৰিল। মনক বুজাব নোৱাৰি গদাপাণি আহি জয়মতীৰ কাষ পালেহি। জেৰেঙা পথাৰত জয়াক শাস্তি দিয়া চাবলৈ নানান ঠাইৰ মানুহে লানি পাতিছিল। কতই জয়মতীৰ শাস্তি দেখি ইনাই-বিনাই কান্দিছিল। কিছুমানে হিয়াধুনি কান্দিছিল। কিছুমানে স্বাৰ্থলোভী ডা-ডাঙৰীয়াসকলক ৰৌ ৰৌ নৰকত পচিবলৈ শাপিছিল। এনেতে গদাপাণিয়ে জয়মতীলৈ চাই মাত লগালে— 'হেৰৌ মানুহজনী, ইমান কষ্ট খাইছ কিয়, গিৰিয়েৰৰ কথা কৈ ৰক্ষা নপৰ কিয়?' চিনাকি মাতষাৰ শুনি জয়াই চকু মেলি দেখে যে কথা বিষম। 'যাৰ বাবে ইমান কষ্ট সহ্য কৰিছোঁ, যাৰ বাবে মৃত্যুকো তুচ্ছ ভাবিছো, তেৱেঁই এতিয়া ধৰা পৰিব।' নগাবেশী গদাপাণিয়ে এবাৰ নহয়, কেবাবাৰো জয়মতীক গিৰিয়েকৰ কথা ক'বলৈ সকিয়াই দিয়া দেখি জয়াই নীৰৱে উত্তৰ দিলে— 'মোৰ স্বামীৰ কথা মই নকওঁ, যিমানে শাস্তি দিয়ে দিয়ক। লাগে যদি মৃত্যুকো মূৰ পাতি ল'ম। ইবিলাকক বা ইয়ালৈ কোনে মাতিছে? মোক উপদেশ দিয়াৰ আগতে গুচি বা নেযায় কিয়?' গদাপাণিয়ে জয়মতীক বুজি পায়। দেশৰ বাবে জয়মতীয়ে ইমানবোৰ শাস্তিকো সহজভাৱে লৈছে। সেয়ে জয়াৰ মনৰ ইচ্ছা পূৰ্ণ কৰিবৰ বাবে জেৰেঙা পথাৰৰ মাটি চুই শপত খাই গদাপাণি নগাচাঙলৈ পুনৰ উভতি গ'ল।

জয়াৰ মুখৰ মাত উলিয়াবলৈ বিফল হৈ চাওদাঙে জয়াৰ শাস্তি দিনকদিনে বেছিকৈ বঢ়ালে। কিন্তু জয়মতীৰ মাত নোলাল। জয়মতীৰ নিভাঁজ দেশপ্ৰেমৰ আঁৰত অত্যাচাৰী শাসনৰ বিৰুদ্ধে মৌন বীৰাংগনাৰ দৰে দেশৰক্ষাৰ বাবে সকলো অমানুষিক শাস্তিক ওফৰাই কলংকিত শাসন ব্যৱস্থাক পতন ঘটাবলৈ আৰু দেশমাতৃক এজন সুপাত্ৰৰ হাতত শাসনৰ বাঘজৰী তুলি দিবলৈ লগতে দেশৰ জয় জয় ময় ময় অৱস্থাৰ আশা বুকুত বান্ধি সকলো নিষ্ঠুৰ যাতনা শিৰ পাতি ল'লে। জয়মতীক অত্যাচাৰী চাবুকে কাবু কৰিব নোৱাৰিলে। তেওঁৰ মনৰ শক্তি বঢ়ালেহে। অমানুষিক শাস্তি আৰু অনাহাৰ-অনিদ্ৰাই দিনকদিনে জয়াৰ গাৰ শক্তি হৰণ কৰিলে। চৈধ্য দিন ধৰি শাস্তি ভোগ কৰি জয়মতীৰ মানৱ দেহাই ১৬০১ শকৰ চ'ত মাহৰ ১৩ দিন যোৱাত শুক্লা ত্ৰয়োদশী তিথিৰ বৃহস্পতিবাৰে পৃথিৱীৰ সকলো যন্ত্ৰণাৰ

পৰা মুক্তি লভিলে। জয়মতী এগৰাকী সঁচা দেশপ্রেমিক আৰু দেশভক্তি কৰা নাৰী। তেওঁ জীৱনৰ সকলো সুখ বিষৰ্জন দি নানান কষ্ট, শাস্তি, লাঞ্ছনা নীৰৱে সহ্য কৰি আত্মবিসৰ্জন দি মৃত্যুক জয় কৰিলে। তেওঁ অকথ্য নিৰ্যাতন-প্রতিবাদ নকৰি নীৰৱ-নিস্তব্ধ সত্যগ্রহী হৈ মৃত্যুক আঁকোৱালি ল'লে। এনেদৰে দেশৰক্ষাৰ বাবে নিজকে শাস্তিৰ মুখলৈ ঠেলি দি মৃত্যুবৰণ কৰা সত্যাগ্রহী পৃথিৱীতে বিৰল। তেওঁৰ স্বাৰ্থত্যাগ, আত্মবলিদান পৃথিৱীৰ বাবে বিৰল ঘটনা। আজিৰ পৰা প্ৰায় ৩৫০ বছৰ আগতেই অসমৰ মাদুৰি চহৰৰ লাইথেপেনা বৰগোহাঁইৰ জীয়ৰী, তুংখুংঙীয়াৰ বোৱাৰী জয়মতীয়ে অহিংসাৰ নীতি, স্বাৰ্থত্যাগ তথা মহৎ আদৰ্শ অসমৰ বুকুত ৰোপণ কৰি থৈ গৈছিল। জয়াৰ এই আদৰ্শ-গুণৰাজি আজিও অসমৰ আকাশে-বতাহে চিৰস্মৰণীয় হৈ আছে। তেওঁ মৃত্যুক জয় কৰাৰ যোগেদি নিজৰ মহত্ত্ব প্রতিষ্ঠা কৰিলে।

জয়াৰ এই আত্মবলিদান চিৰঅজেয়। মানুহৰ প্ৰাণে প্ৰাণে জয়াৰ আত্মবলিদানৰ আদৰ্শই চিৰদিন সাহস, নিঃস্বাৰ্থ, দেশপ্ৰেম আৰু মহত্ত্ববোধৰ দীপশিখা হৈ পোহৰ বিলাব। ভৱিষ্যতৰ প্ৰজন্মৰ বাবে জয়মতীৰ আদৰ্শ চিৰআদৰণীয় আৰু চিৰপ্ৰয়োজনীয় হৈ ৰ'ব। ❑

কুৰঙ্গনয়নী

১৭৫৮ চনত ব্ৰহ্মদেশৰ ৰজা আলম্‌পায়াই মণিপুৰ আক্ৰমণ কৰিছিল। সেই আক্ৰমণত মণিপুৰৰ ৰজা জয়সিংহক হৰুৱাই ৰাজধানী অধিকাৰ কৰিছিল। মণিপুৰীয়া ৰজা পলাই আহি কছাৰী ৰাজ্যত থাকিবলৈ লয় আৰু আহোম দেশৰ স্বৰ্গদেউ চুৰম্‌ফাৰ ওচৰত শৰণাগত হৈ শত্ৰুৰ হাতৰ পৰা তেওঁক ৰক্ষা কৰিবলৈ অনুৰোধ জনায়। স্বৰ্গদেউ চুৰম্‌ফা ওৰফে ৰাজেশ্বৰ সিংহই খ্যাতি আৰু ধৰ্ম দুয়োটা হ'ব বুলি চিন্তা কৰি ডা-ডাঙৰীয়াৰ লগত আলোচনা কৰি দুৱৰাৰ হৰনাথ ভিতৰুৱাল ফুকনক সেনাপতি পাতি বহুতো সৈন্য-সামন্ত দি মানক খেদিবলৈ পঠিয়ায় দিয়ে। সেই সৈন্য মৰঙ্গিৰ বাটেদি সোমাই হাবিৰ লতা কাটি পোনাই যাওঁতে বহু দিন লাগে।

ইফালে মানে অসমৰ সৈন্য অহাৰ খবৰ পাই মণিপুৰ এৰি গুচি যায় যদিও পুনৰ ঘূৰি আহিল। বহুদিন সৈন্যসকলে হাবি কাটি গৈয়ো বাট বিচাৰি নোপোৱাত স্বৰ্গদেৱে তেওঁলোকক সেই বাটৰ পৰা ঘূৰি আহিবলৈ খবৰ দিছিল। মণিপুৰলৈ যোৱা পথ বিচাৰি নাপাই তেওঁলোক ঘূৰি আহে আৰু স্বৰ্গদেৱে বকতিয়ালৰ গেন্ধেলা বৰুৱাক সেনাপতি পাতি পুনৰ মণিপুৰলৈ পঠিয়াই দিলে।সৈন্য-সামন্ত লৈ ৰহা পাওঁতেই আহোম সেনা অহা খবৰ পাই মান মণিপুৰ এৰি গুচি যায়। এই কথা মণিপুৰীয়া ৰজা জয়সিংহই খবৰ পাই বৰ আনন্দ পালে। সেয়েহে মণিপুৰীয়া ৰজাই ক'লে—'আহোম দেশৰ স্বৰ্গদেউৰ সহায়তহে আমি নিজ ৰাজ্য ঘূৰাই পালো। স্বৰ্গদেউৰো মোৰ পৰা অনেক হানি হৈছে। গতিকে মোৰ কুৰঙ্গনয়নী জীক স্বৰ্গদেউলৈ দি মিত্ৰতা কৰো।'

এই খবৰ মণিপুৰীয়া ৰজাই স্বৰ্গদেউলৈ গেম্বেলা বৰবৰুৱালৈ কৈ পঠিয়ালে। বৰবৰুৱাই স্বৰ্গদেৱলৈ এই খবৰ পঠিয়ালে। মণিপুৰী কটকী শিৰোমণি আৰু নানংগক দি অনেক যৌতুকৰ সৈতে মণিপুৰী কুঁৱৰী কুৰঙ্গনয়নীক গড়গাঁৱলৈ পঠিয়ায় দিলে।

এই খবৰ পাই স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই কুঁৱৰীক আদৰি আনিবলৈ আহোম বিষয়াসকলক টেঙাবাৰীলৈ আগবঢ়াই পঠিয়ালে। স্বৰ্গদেৱে নিজেও আগবাঢ়ি থাকিলগৈ।

কন্যা কুৰঙ্গনয়নী আহি পালত তাতে ৰাজহাউলি পাতি ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে কুৰঙ্গনয়নীক চকলং পাতি বিয়া কৰালে। এই বিয়াখন সোণাৰী নগৰত হৈছিল। সোণাৰী নগৰৰ চিন হিচাপে এতিয়া তাত এটা মগ্‌লৌ পুখুৰী নামে পুখুৰী আছে। অসমত সেই সময়ত মণিপুৰীসকলক মগ্‌লু বা মগ্‌লৌ বুলিছিল। সেই পুখুৰীৰ পাৰতে স্বৰ্গদেৱে হৰগৌৰী দেৱালয় পাতিলে।

এই মগ্‌লৌ কুঁৱৰী কুৰঙ্গনয়নী স্বৰ্গদেউৰ প্ৰিয়তমা ৰাজমহীয়সী আছিল। প্ৰজায়ো তেওঁক ভাল পাইছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ মৃত্যুৰ পিছত লক্ষ্মীসিংহ আহোম ৰাজপাটত বহে। ১৭৬৯ খ্ৰীঃত Sir E A Gait আৰু বংশাৱলী পুথি মতে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ মৃত্যুৰ পিছত মণিপুৰী কুঁৱৰী কুৰঙ্গনয়নীক লক্ষ্মীসিংহই কুঁৱৰীকৈ ৰাখিলে।

১৭৬৯ খ্ৰীঃতে মায়ামৰীয়া মৰাণসকলে নানান কাৰণত বনবাসত থকা আহোম ৰাজকোঁৱৰসকলৰ সৈতে গোট খাই বিদ্ৰোহ কৰি কীৰ্তিচন্দ্ৰ বৰুৱাক হত্যা কৰিছিল। স্বৰ্গদেউ লক্ষ্মীসিংহক জয়দৌলত বন্দী কৰি থৈছিল। মৰাণৰ ৰমাকান্ত ৰজা আৰু ৰাঘৱ বৰবৰুৱা হৈছিল। ৰাঘৱ মৰাণে বৰবৰুৱা হৈ মণিপুৰী কুঁৱৰী কুৰঙ্গনয়নী আৰু দুয়োজনা স্বৰ্গদেউৰ কুঁৱৰীসকলক নিজৰ কুঁৱৰী কৰি লৈছিল। মণিপুৰী কুঁৱৰী কুৰঙ্গনয়নী ইয়াৰ বাবে মনে মনে বিদ্ৰোহী হৈ উঠিছিল। ৰাঘৱৰ পৰা কেনেকৈ মুক্তি পাব পাৰি, তাৰেই চিন্তা কৰি আছিল। মৰাণকো নিজ ৰাজ্যৰ পৰা কেনেকৈ আঁতৰাই পঠাব পাৰি তাকো চিন্তা কৰিছিল।

এনেতে ডাঙৰীয়া, মুখ্য বিষয়াসকলে লগ লাগি বৰগোহাঁই ফৈদিয়া বাইলুং গোহাঁইক বৰগোহাঁই পাতিলে। ৰমাকান্তয়ো অসমত ৰজাৰ দৰে থাকিবলৈ লৈছিল। স্বৰ্গদেউৰ মুখিয়াল বিষয়া আৰু ৰাজ্যৰ প্ৰধান মানুহক ধৰাই হত্যা কৰি নিজে একচ্ছত্ৰী হৈ থাকিবলৈ বিচাৰিছিল। মৰাণসকলৰ এনে কাণ্ড দেখি ঘনশ্যাম বঢ়াগোহাঁই আৰু বাইলং বৰগোহাঁই দুয়ো ভেশচন ধৰি নগা পাহাৰলৈ পলাই গ'ল।

চাৰি মাহ মান পলাই ফুৰাৰ পিছত হঠাতে এদিন দুয়োৰে লগালগি হৈছিল। তেওঁলোকে নিজৰ ৰাজ্যক মোৱামৰীয়াহঁতৰ পৰা কেনেকৈ উদ্ধাৰ কৰিব পাৰি এই বিষয়ে আলোচনা কৰিব ধৰিলে। বাইলুং বৰগোহাঁই আহোম বিধিমতে কুকুৰা কাটি 'বানচেঙ্গ' মেলি মঙ্গল চোৱাৰ বিদ্যাত আৰু আহোমৰ 'ফেলং' অৰ্থাৎ জ্যোতিষ শাস্ত্ৰত পণ্ডিত আছিল। সেই কাৰণে কথাৰ প্ৰসংগত বুঢ়াগোহাঁয়ে তেওঁক 'কেতিয়ানো এই মোৱামৰীয়াহঁতৰ পৰা আহোম সিংহাসন মুক্ত পাব' এই বিষয়ে মঙ্গল চাবলৈ ক'লে। বুঢ়াগোহাঁইৰ কথা মতে বাইলুং বৰগোহাঁয়ে কুকুৰাৰ ঠেঙেৰে মঙ্গল চাই আৰু জ্যোতিষ গণনা কৰি পালে— 'ব'হাগৰ বিহুতে এক শুভক্ষণ মিলিছে। সেই সময়তে ৰজাৰ ফলিয়া সকলো একলগ হৈ মোৱামৰীয়াহঁতক খেদাই আহোমৰ সিংহাসন পুনৰ উদ্ধাৰ কৰিব পৰা হ'ব।' মঙ্গলৰ ভৱিষ্যদ্বাণীত বিশ্বাস কৰি দুয়োজন ডাঙৰীয়া উৎসাহিত হ'ল। মনে মনে স্বৰ্গদেউৰফলীয়া সৈন্য-সামন্ত গোটাবলৈ ধৰিলে। গোপনে গোপনে অস্ত্ৰ-শস্ত্ৰ গোটালে। লাহে লাহে ঘনশ্যাম বঢ়াগোহাঁই আৰু বাইলুং বৰগোহাঁই ছদ্মবেশেৰে নগৰৰ ওচৰ পালেগৈ। আগতে নগৰ এৰি গাঁৱে-ভূঞে প্ৰাণৰ ভয়ত পলাই ফুৰা স্বৰ্গদেউৰ ডা-ডাঙৰীয়াসকলক আৰু তেওঁলোকৰ সন্তানসকলক গোট খুৱাই ব'হাগৰ বিহুৰ দিনা মোৱামৰীয়াক আক্ৰমণ কৰিবলৈ স্থিৰ কৰিলে। এইদৰে চ'ত মাহৰ শেষলৈ তেওঁলোকে বহুতো যত্ন কৰাৰ ফলত মোৱামৰীয়াৰ সৈন্যৰ তুলনাত তেওঁলোকৰ সৈন্য অতি কম হৈছিল। সেয়েহে তেওঁলোকে দেখা-দেখিকৈ মোৱামৰীয়াসকলক আক্ৰমণ কৰিব নোৱাৰি বুলি ভাবি দুয়ো মন্ত্ৰনা কৰি বিহুৰ দিনা মাজৰাতি আন্ধাৰত সকলোৱে মোৱামৰীয়াৰ বেশধৰি হুঁচৰি গোৱাৰ ছলেৰে গৈ পোনপ্ৰথমে ৰাঘৱ মৰাণকে আক্ৰমণ কৰিব। তাৰ পিছত মোৱামৰীয়াসকলৰ যাক য'তে পাই কাটি-মাৰি একেৰাতিৰ ভিতৰতে আহোম ৰাজ্যৰ পৰা বাহিৰ কৰি দিব। এই কাৰ্যত সহায় পোৱাৰ আশাৰে ৰাঘৱে বলেৰে কুঁৱৰী কৰি লোৱা মণিপুৰী কুঁৱৰী কুৰঙ্গনয়নীলৈ মনে মনে তেওঁলোকৰ অভিপ্ৰায়ৰ কথা জনাই পঠিয়ালে। স্বৰ্গদেউৰ মানুহে গৈ মণিপুৰী কুঁৱৰীক কোনেও গম নোপোৱাকৈ ডাঙৰীয়াসকলৰ আলচৰ কথা জনালেগৈ। কুঁৱৰী ৰাঘৱৰ ওপৰত জ্বলি আছিল। তেওঁক কেনেকৈ শেষ কৰি আহোমৰ সিংহাসন উদ্ধাৰ কৰিব পাৰি, সেই কথা চিন্তা কৰি থাকোঁতেই ডাঙৰীয়া দুয়োৰে উদ্দেশ্যৰ কথা জানিবলৈ পাই বৰ সুখী হ'ল। ডাঙৰীয়াসকললৈ তেওঁৰ সহানুভূতি জনাই পুনৰ গুপ্তচৰৰ মুখে এই বুলি উপদেশ দিলে—'ব'হাগৰ বিহুতে মোৱামৰীয়াসকলে বিহু খাবলৈ ঘৰাঘৰি যাব, নগৰৰ ভিতৰত যিখিনি মানুহ থাকিব, সেইখিনিও বিহুত বলীয়া হ'ব।

গতিকে এই দিনটোৱেই বৰ সুযোগ মিলিছে। এই দিনটোতে আমাৰ মানুহে মোৱামৰীয়াৰ বেশেৰে আৰু মোৱামৰীয়াৰ সুৰ-ভঙ্গীৰে মাজনিশা ৰাঘৱৰ চোতালত হুঁচৰি গাবহি। মই তেতিয়া সাৰে থাকি চক্ৰান্ত কৰি ৰাঘৱৰ হাতৰ পৰা তৰোৱালখন কাঢ়ি লৈ তাক যেনে-তেনে উপায়েৰে আমাৰ হাতত বন্দী কৰাম। ৰাঘৱক ধৰাৰ খবৰ শুনা পালেই বাকী মোৱামৰীয়া পলাই ফাট মাৰিব আৰু আমাৰ ৰাজসিংহাসন উদ্ধাৰ হ'ব।' (আহোমৰ দিন) কুঁৱৰীৰ এনে চতুৰ পৰামৰ্শ আৰু আশ্বাস পাই ডাঙৰীয়া দুজনৰ বুকুত সাহ জন্মিল। সেই কথা মতে কাম হ'ল। যথা সময়ৰ বাবে তেওঁলোকে অপেক্ষা কৰিলে। চ'তৰ মাহ গ'ল, ব'হাগৰ মাহ পৰিলেহি। নগৰৰখীয়া মোৱামৰীয়াবোৰ ভাৰ-ভেটি লৈ নিজৰ ঘৰলৈ বিহু খাবৰ বাবে গ'লগৈ। ৰজা ৰমাকান্ত আৰু ৰাঘৱ মৰাণ দুয়োৱে মনত কোনো বিপদৰ শংকা নকৰি যিসকলে ঘৰলৈ যাব বিচাৰিলে, সকলোকে যাবলৈ অনুমতি দিলে। নগৰৰ ভিতৰত যিকেইজন মোৱামৰীয়া আছিল, তেওঁলোকে বিহুৰ দিনা গা-পা ধুই ন-সাজ পিন্ধি সকলোৱে দেখা-শুনাকৈ জা-জলপান খাই ৰং-ধেমালি কৰি গধূলি ঘৰা-ঘৰি গৈ ঘৰত সোমাই থাকিলগৈ।

বিহুৰ দিনা ৰাতি গহীন হ'ল। ডাঙৰীয়াসকলে সময় বুজি নিজৰ সৈন্যবিলাকক খুৱাই শত্ৰুক আক্ৰমণ কৰিবলৈ সাজপাৰ পিন্ধি ওলাল। প্ৰতিজনে নিজৰ কঁকালত একোখন চোকা তৰোৱাল বান্ধি লৈ তাৰ ওপৰত মোৱামৰীয়াৰ দৰে সাজ-পাৰ পিন্ধি গাইপতি ঢোল, তাল, পেঁপা আদি লৈ হুঁচৰি গাবলৈ ৰাঘৱৰ ঘৰলৈ আহিল। কুৰঙ্গনয়নীয়ে তেওঁলোক অহালৈ বাট চাই আছিল। তেওঁলোক হুঁচৰি গাবলৈ আহিছে বুলি ভাবি দুৱাৰৰখীয়া প্ৰহৰীসকলে নিঃসন্দেহে বাট এৰি দিলে।

ছদ্মবেশী ডাঙৰীয়াসকলৰ লগতে সৈন্য দলে অজ্ঞাতসাৰে শত্ৰুৰ হাউলীৰ মাজত সোমাই প্ৰথমতে মোৱামৰীয়া ঘাই মন্ত্ৰী ৰাঘৱৰ চোতালত জয়ধ্বনি দি ঢোলত চাপৰ মাৰি হুঁচৰি গাবলৈ ধৰিলে। ঢোলৰ মাত শুনি মণিপুৰী কুঁৱৰী সজাগ হৈ পৰিল। আপোন মানুহৰ মাত বুজিব পাৰি তেওঁৰ অন্তৰত আশাৰ সঞ্চাৰ হ'ল আৰু শৰীৰৰ প্ৰতি সিৰে সিৰে প্ৰতিহিংসাৰ জুই জ্বলি উঠিল। ৰাঘৱে কুঁৱৰীক কোনোদিনে অবিশ্বাসত লোৱা নাছিল। তেওঁৰ লগত থাকিও মণিপুৰী কুঁৱৰী তেওঁৰ শত্ৰু হৈ বিষাক্ত কালসৰ্পীনী হৈ খুঁটিব বুলি সপোনতো তেওঁ ভবা নাছিল। নানান প্ৰকাৰে কুঁৱৰীয়ে ৰাঘৱক মুগ্ধ কৰি থৈ তেওঁৰ ওপৰত প্ৰতিহিংসা ল'বলৈ ক্ষণ গণি আছিল।

সেই দিনটোত স্বামী আৰু জাতিবৈৰী মোৱামৰীয়াক প্ৰতিশোধ ল'বলৈ স্থিৰ

কৰি তেওঁ গম্ভীৰভাৱে ৰাঘৱক ক'লে— 'বঙহৰ দেউ উঠক। বছৰেকৰ বিহুৰ দিনা জ্ঞাতিয়ে আপোনাৰ চোতালত আহি হুঁচৰি গাই আপোনাক আশীৰ্বাদ কৰিছেহি। আপুনি এই সময়ত শুই থকা উচিত নহয়। জ্ঞাতিক দেখা কৰি সন্মান জনাব লাগে।' কুঁৱৰীৰ কথা পেলাব নোৱাৰি ৰাঘৱে হাতত তৰোৱালখন লৈ বাহিৰলৈ আহিবলৈ ল'লে। ৰাঘৱে শোওঁতে, খাওঁতে, উঠোঁতে, বহোঁতে সদায় তৰোৱালখন হাতত লৈ ফুৰিছিল। কাৰণ তৰোৱাল হাতত থাকিলে কোনো শত্ৰু তেওঁৰ আগত থাকিব নোৱাৰে। সেই কাৰণে কুৰঙ্গনয়নীয়ে হাঁহি হাঁহি ক'লে— 'বঙহৰ দেউ, তৰোৱালখন শত্ৰুৰ বাবেহে হাতত লৈ যাব লাগে, কিন্তু আজি বিহুৰ দিনা জ্ঞাতিয়ে আপোনাক সন্মান জনাই আশীৰ্বাদ দিবলৈ আহিছে, সেয়েহে হাতত তৰোৱাল লৈ যোৱাটো বৰ অশোভনীয় আৰু অপমানজনক হ'ব।' কুঁৱৰীৰ কথাত ভোল গৈ হাতৰ তৰোৱাল থৈ ৰাঘৱ বাহিৰলৈ ওলাই আহিল। সেই চেগতে কুঁৱৰীয়ে তৰোৱালখন নিজৰ কাপোৰৰ তলত লুকুৱাই লৈ ৰাঘৱৰ পিছফালে থিয় হৈ ক'লে— 'বঙহৰ দেউ, জ্ঞাতিয়ে আশীৰ্বাদ কৰিছে, আপুনি আঁঠু লৈ সেৱা কৰক।' কুঁৱৰীয়ে কোৱা মতেই ৰাঘৱে ৰাইজক সেৱা কৰিবলৈ আঁঠু কাঢ়োঁতেই পিছফালৰ পৰা কুঁৱৰীয়ে কাপোৰৰ তলৰ পৰা তৰোৱালখন উলিয়াই ৰাঘৱক কাটি দুডোখৰ কৰিলে। ইয়াকে মানুহে 'ৰাঘবলি' বুলিবলৈ ধৰিলে। ইয়াৰ পিছত চাৰিওফালে হুলস্থুল লাগিল। স্বৰ্গদেউৰ মানুহে এফালৰ পৰা মোৱামৰীয়াসকলক কাটি-মাৰি যাবলৈ ধৰিলে। মোৱামৰীয়াবোৰে আকস্মিক আক্ৰমণত অস্থিৰ হৈ প্ৰাণৰ ভয়ত পলাই গ'ল। আহোম সিংহাসন মুক্ত হ'ল। লক্ষ্মীসিংহ স্বৰ্গদেউক বন্দীশালৰ পৰা মোকলাই আনিলে আৰু সিংহাসনত বহুৱালে। কুৰঙ্গনয়নীৰ বাবেই আহোম সিংহাসন উদ্ধাৰ হ'ল। এইগৰাকী মণিপুৰীয়া কুঁৱৰীৰ সাহস অতুলনীয়। দেশভক্তা আছিল বাবেই তেওঁ ৰাঘৱক হত্যা কৰিব পাৰিলে। ৰাঘৱৰ ঘোৰ শত্ৰু হৈও নিজৰ দেশক উদ্ধাৰ কৰিবৰ বাবে পত্নী স্বৰূপে ৰাঘৱৰ লগত ৰাঘৱে ক'ব নোৱাৰাকৈ মৰম- স্নেহ দেখুৱাই তেওঁ নিজ উদ্দেশ্য সফল কৰাত কৃতকাৰ্য হ'ব পাৰিলে। সেয়েহে তেওঁৰ নাম আহোম বুৰঞ্জীত সদায় স্মৰণীয় হৈ ৰ'ব। ❑

ফুলেশ্বৰী

ফুলেশ্বৰী চিনাতলীৰ মেলা গয়নৰ জীয়েক। তেওঁ সৰুৰে পৰা নাচত পাৰ্গত আছিল। সৰুৰে পৰা ৰাংঢালী নাচনী হৈ ফুলেশ্বৰীৰ ৰূপ-যৌৱনে ভৰি পৰিছিল।

এদিন দ'লত নাচ-গান কৰি থাকোঁতে সুন্দৰী নাচনী ফুলেশ্বৰীৰ ৰূপ- যৌৱনত স্বৰ্গদেউ শিৱসিংহ মোহিত হ'ল। স্বৰ্গদেৱে চিনাতলীৰ মেলাৰ গায়নৰ জীয়েক ৰূপৱতী নাচনী ফুলেশ্বৰীক বিয়া কৰাই ৰাণী পাতিলে।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ পুতেক আছিল শিৱসিংহ। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ স্বৰ্গীৰ পিছত তেওঁৰ পুত্ৰ শিৱসিংহ ৰাজপাটত বহি দেউতাকৰ বংগ অভিযান বাদ দি ধৰ্মতহে মন দিছিল। স্বৰ্গদেউ শিৱসিংহই ফুলেশ্বৰীৰ নাম প্ৰমথেশ্বৰী ৰাখিছিল। এইজনা স্বৰ্গদেৱে ফুলেশ্বৰীক বিয়া কৰোৱাৰ পিছত আগৰ আহোমৰ ধৰ্ম, আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম সকলো পৰিত্যাগ কৰি তেওঁ হিন্দু হৈছিল। তেওঁ শাক্ত পন্থাৰ নীতি-নিয়ম মানিবলৈ লৈছিল। আহোমৰ পণ্ডিত দেওৰাই মোহনক নমনা হৈছিল। বঙাল হিন্দু শাক্ত পুৰোহিতে তেওঁক চাৰিওফালৰ পৰা মনত নানান কথা শুনাই বেলেগভাৱে পৰিচালিত কৰিছিল। শিৱসিংহ ৰাজপাটত উঠাৰ ছয় মাহ মানৰ পিছতে পৰ্বতীয়া গোহাঁই কৃষ্ণৰাম ভট্টাচাৰ্য আৰু তেওঁৰ পণ্ডিত পুৰোহিতে শিৱসিংহৰ ছত্ৰভঙ্গ যুগ পৰিছে বুলি জনাই তেওঁক অন্যভাৱে পৰিচালিত কৰিবলৈ লাগিছিল। স্বৰ্গদেউৰ ছত্ৰভঙ্গ যুগ পৰাৰ বাবে তেওঁক বহি ৰজা আৰু ফুলেশ্বৰীক উঠি ৰজা পাতিলে। অৰ্থাৎ শিৱসিংহ নামতহে আহোম সিংহাসনত বহি থাকিব কিন্তু ৰাণী ফুলেশ্বৰীয়েহে ৰাজ্যৰ সকলো কাম কৰিব পাৰিব। এইদৰে অন্ধবিশ্বাসৰ দ্বাৰা

স্বৰ্গদেউক মোহিত কৰি তেওঁক সত্যা-সত্য সকলো বিবেচনাৰ পৰা একেবাৰে আঁতৰাই আনিছিল।

ফুলেশ্বৰীক ৰজা পাতি কৃষ্ণৰামে নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ লৈছিল। ফুলেশ্বৰী কুঁৱৰীৰ হতুৱাই কৃষ্ণৰামে বহুতো সোণ, ধন, মাটি-বাৰী আদি সম্পত্তি নিজে ল'লে আৰু অনেক ব্ৰাহ্মণক দান দিয়ালে। ফুলেশ্বৰীক শাক্ত ধৰ্ম হৰণ লৈ ৰজা-প্ৰজা সকলোৰে একে ধৰ্ম কৰিবলৈ উঠিপৰি লাগিবলৈ কৃষ্ণৰামে উচটালে। বহুতো প্ৰজাক ৰাজআজ্ঞা দিয়াই শাক্ত ধৰ্মত শৰণ লোৱালে। ফুলেশ্বৰীয়ে কাৰেঙত দুৰ্গাপূজা পতাই বৈষ্ণৱপন্থী, শুদ্ৰ- মেধিসকলক নিমন্ত্ৰণ কৰি আনি দুৰ্গা মূৰ্তিত সেৱা কৰালে, পূজাৰ প্ৰসাদ খুৱালে, সেন্দূৰ -ৰঙা চন্দনৰ বাদেও বলিকটা ছাগলীৰ তেজেৰে কপালত ফোঁট দিয়ালে।

ফুলেশ্বৰী মইমতালি বাঢ়ি গৈছিল। সাধাৰণ পৰিয়ালত ডাঙৰ- দীঘল হৈ তেওঁ ৰাজপৰিয়ালৰ ৰাণী হ'বলৈ পাই গুৰু-গোহাঁই নমনা হৈছিল। নিজকে সৰ্বেসৰ্বা ভাবি ৰাজ্যত নকৰিবলগীয়া কাম কৰিবলৈ আৰম্ভ কৰিছিল। ফুলেশ্বৰীৰ এনে কাৰ্যত বৈষ্ণৱপন্থী মহন্তসকলে মৰ্মান্তিক অপমানবোধ কৰিছিল। ইয়াৰ ভিতৰত আটাইতকৈ বেছি মৰ্মাহত হৈছিল কাল সংহতিৰ মায়ামৰা সত্ৰাধিকাৰ আৰু তেওঁৰ শিষ্যবৰ্গ। ফুলেশ্বৰীৰ এনে দাম্ভিকতা আৰু অত্যাচাৰ তেওঁলোকে সহ্য নকৰি প্ৰতিবাদ কৰিবলৈ লৈছিল। এই প্ৰতিবাদ কৰাৰ বাবে ফুলেশ্বৰীয়ে মায়ামৰা সত্ৰৰ চতুৰ্ভূজ গোহাঁইক প্ৰাণ নাশ কৰিবলৈ লৈছিল। পৰ্বতীয়া গোহাঁয়ে মানা কৰাতহে কোনোমতে চতুৰ্ভূজ গোহাঁইৰ প্ৰাণ ৰক্ষা পৰিছিল। ফুলেশ্বৰীয়ে তেওঁৰ নামত মোহৰো মৰাইছিল। ফুলেশ্বৰী উঠি ৰজা হৈ ভায়েক হৰিনাথক বৰগোহাঁই মন্ত্ৰী পাতিছিল। কিন্তু বৰগোহাঁই ফৌদত তুলিব নোৱাৰি পিছত বৰপাত্ৰ পাতিছিল। কালুগাঁৱৰ বৰপাত্ৰ পুখুৰী আৰু দ'ল এওঁৰ নামতে কৰা হৈছিল। গৌৰীসাগৰ দ'ল-পুখুৰী ফুলেশ্বৰী ৰাণীয়েই কৰাইছিল। ইয়াত দুটা দ'ল— শিৱ দ'ল আৰু দেৱী দ'ল তেৱেঁই বন্ধোৱাইছিল। শিৱসাগৰত থকা ঘাই আলিটো ফুলেশ্বৰী ৰাণীয়েই স্বৰ্গদেউৰ কথা মতে বন্ধাইছিল। শিৱসিংহ স্বৰ্গদেউৰ মাকৰ সৰুতে মৃত্যু হোৱাত এগৰাকী কোচ ধায়ে স্বৰ্গদেউক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। তেওঁৰ নামতে এই আলিটো বন্ধোৱা হৈছিল।

ফুলেশ্বৰী ৰাণীয়ে তেওঁৰ দদায়েকক টিপমীয়া ফুকন পাতিছিল। তেওঁৰ দেউতাকৰ পৰিয়ালটোক সকলো ফালৰ পৰা নদন-বদন কৰি তুলিছিল। আনকি তেওঁলোকৰ গোটেই পৰিয়ালটোক চিনাতলীৰ পৰা তুলি আনি বৰপাত্ৰ পুখুৰীৰ

পশ্চিমে এমাইল মান দূৰত দেৱালয়ৰ ওচৰত (গায়ন গাঁৱত) মাটি-ভেটি দি থাপিছিল।

ফুলেশ্বৰী এগৰাকী বুদ্ধিমতী নাৰী আছিল। এওঁ বকটা আৰু কামৰূপৰ মাটি পিয়ল কৰাইছিল। ল'ৰা-ছোৱালীক পঢ়িবলৈ তেওঁ 'টোল' পাতি দিছিল। ৰংপুৰত এখন পঢ়াশালিও পাতিছিল। এই পঢ়াশালিখনৰ নাম 'বৰৰজা পঢ়াশালি' দিছিল। ফুলেশ্বৰী ৰাণীৰ আদেশত ৰাজকবি কবিৰাজ চক্ৰৱৰ্তীয়ে মহাকবি কালিদাসৰ 'অভিজ্ঞান শকুন্তলম' নাটকখন শুৱলাকৈ অসমীয়া কবিতা ছন্দত ভঙাইছিল।

ফুলেশ্বৰীৰ দিনত দফলাসকলে উপদ্ৰৱ কৰিছিল। সেয়েহে দফলাক দমন কৰি আগলৈ উপদ্ৰ ৱ কৰিব নোৱাৰাকৈ তাত গড় এটা বন্ধাইছিল। এনেবোৰ ভাল কাম কৰিছিল যদিও ফুলেশ্বৰীয়ে আহোম ৰাজ্যক ধৰ্মৰ ক্ষেত্ৰত থানবান কৰিলে। তেওঁৰ মইমতালিতে দেশত ধৰ্মৰ বিদ্ৰূপ হৈছিল। ম'হ-ছাগলীৰ তেজেৰে ফোঁট দিয়া আৰু বলেৰে সেৱা কৰোৱাই মহন্তসকলক নগুৰ-নাকটি কৰি শাস্তি দিয়া বাবেই আহোম ৰাজ্যলৈ বিপদ নামি আহিছিল। মোৱামৰীয়াসকলে বিদ্ৰোহ কৰি উপদ্ৰৱ কৰিছিল। গতিকে তেওঁ এনে কাৰ্য কৰা কাৰণে আহোম ৰাজ্যলৈ বহুত অশান্তিআহিছিল, যাৰ ফলত আহোম ৰাজ্য থানবান হৈ পৰিছিল। সেয়েহে ফুলেশ্বৰী ৰাণীৰ শাসনে ভালতকৈ বেছি ধ্বংসহে আহোম ৰাজ্যলৈ আনিছিল।

এইগৰাকী ৰাণীৰ ১৭৬১ খ্ৰীঃত অচিন ৰোগত ভুগি মৃত্যু হয়। প্ৰবাদ আছে যে ফুলেশ্বৰী ৰাণীৰ গাটো নৰীয়া পাটীত গেলি গৈছিল। চৰাইদেউত তেওঁক মৈদাম দিয়া হৈছিল। আহোম বুৰঞ্জীত তেওঁৰ নাম 'উঠি ৰজা' হিচাপে লিখিত হ'ল। তেওঁৰ ভাল-বেয়া দুয়োটা কামৰ কাৰণে আহোম দেশৰ ধ্বংস আৰু কিছুমান ভাল কামৰ বাবে খ্যাত হৈ ৰ'ল।❑

ৰাধা আৰু ৰুক্মিণী

ৰাধা আৰু ৰুক্মিণী এই দুগৰাকী মৰাণৰ তিৰোতা আছিল। তেওঁলোক মোৱামৰীয়াৰ লগত অসমলৈ আহিছিল। তেওঁলোকে আহিবলৈ সুবিধা পাইছিল যেতিয়া বৰৰজা ফুলেশ্বৰী ৰাণীয়ে ধৰ্মত প্ৰবল ৰতি হৈ দেশত নানান কু-কৰ্ম কৰিছিল। মোৱামৰীয়া বৈষ্ণৱসকলে গোসাঁনী মনা নাছিল। এই কথাত ফুলেশ্বৰী বৰ অসন্তুষ্ট হৈছিল। তেওঁ ভাবিছিল যে ৰজা-প্ৰজাৰ এক ধৰ্ম হ'ব লাগে। ইয়াৰ বাবে তেওঁ নোহোৱা-নোপজা কাম কৰিবলৈকেও ভয় কৰা নাছিল।

এবাৰ তেওঁ দুৰ্গাপূজা পাতি গোসাঁমী নমনা শুদ্ৰ-মহন্তসকলক পূজালৈ নিমন্ত্ৰণ কৰিলে। ৰাজআজ্ঞা শিৰোধাৰ্য কৰি পূজালৈ মহন্তসকল আহিছিল। সেই পূজাত বৰকুঁৱৰীৰ আদেশমতে তেওঁলোকৰ কপালত সেন্দুৰ, ৰঙা চন্দন আৰু বলি কটা তেজৰ ফোঁট দিয়ায় আৰু বলেৰে গোসাঁনীক সেৱা কৰোৱায়। এই অপমানত মহন্তসকল অসহনীয় হ'ল। এনে অপমানত মোৱামৰীয়া শিষ্য-সম্প্ৰদায়ে প্ৰতিশোধৰ উপায় চিন্তিবলৈ ধৰিলে আৰু ৰাজ্যত বিদ্ৰোহ কৰি দেশত উপদ্ৰৱ আৰম্ভ কৰিছিল। শিৱসিংহ ৰজাৰ পিছটো প্ৰমত্ত সিংহ আৰু ৰাজেশ্বৰ সিংহৰ দিনতো এই মোৱামৰীয়াসকলে উপদ্ৰৱ কৰি ৰাজ্য লণ্ড-ভণ্ড কৰিছিল। ইয়াৰ পিছত লক্ষ্মী সিংহ ৰজাৰ দিনত কীৰ্তিচন্দ্ৰ বৰুৱাৰ হাতত পুনৰ অপমানিত হৈ মোৱামৰীয়াসকলে বিদ্ৰোহ ঘোষণা কৰিছিল। মোৱামৰীয়াসকলৰ সেনাপতি হৈছিল ৰাজ্যভাৰৰ পৰা বঞ্চিত হোৱা জয়মতীৰ নাতি শিৱসিংহৰ ভায়েক মোহনমালা গোহাঁইদেও। তেওঁৰ লগৰ সেনাপতি আছিল ৰাঘ মৰাণ আৰু নাহৰ খোৰা মৰাণ। এই নাহৰ মৰাণে স্বৰ্গদেউৰ বিষয়া কীৰ্তিচন্দ্ৰ বৰুৱাৰ হাতৰ পৰা চমটাৰ কোব

খাইছিল। সাধাৰণ দোষত এই চমটাৰ কোব খাই তেওঁ বিদ্রোহী হৈ উঠিছিল। এই নাহৰ খোৰা মৰাণৰ দুগৰাকী পত্নী আছিল। তেওঁলোকেই আছিল ৰাধা আৰু ৰুক্মিণী। ৰাধা-ৰুক্মিণীয়ে নাহৰক এনে অপমান কৰাত জাঙুৰ খাই উঠিছিল। ইফালে ফুলেশ্বৰীৰ অত্যাচাৰত মোৱামৰীয়াসকলৰ উপদ্ৰৱ হ'বলৈ ধৰিছিল। মোৱামৰীয়াসকলে আহোমৰ লগত ৰণ কৰিবলৈ ওলাই আহিছিল। দেশলৈ দুৰ্যোগ নামি আহিছিল। যি প্ৰজাক ৰজাই শাসন কৰে, সেই প্ৰজাই বৰৰজা ফুলেশ্বৰীৰ ওপৰত অপমানিত হৈ তুমুল সংগ্ৰামত নামি পৰিছিল।

নাহৰ খোৰা মৰাণৰ দুয়োগৰাকী পত্নীয়ে এই সুযোগতে আহোমৰ ওপৰত প্ৰতিশোধ ল'বলৈ ওলাই আহিল। স্বামীয়ে পোৱা অপমানৰ পোটক তুলিবৰ কাৰণে ৰাধা আৰু ৰুক্মিণীয়ে হাতত ধেনু-কাঁড় লৈ স্বামীৰ লগত সমানে ৰণলৈ আহিছিল। তেওঁলোক দুয়োৱে অতি বিক্ৰমেৰে ৰণ কৰিছিল। প্ৰবাদ আছে বোলে এই দুইগৰাকী নাৰীয়ে আঁচলৰ গাঁঠিত বন্দুকৰ গুলী ধৰিব পাৰিছিল। দৈৱশক্তি সংযুক্তা এই দুগৰাকী নাৰীৰ কথা আহোম দেশত বিয়পি পৰিছিল। এনে শক্তিসংযুক্তা ৰাধা আৰু ৰুক্মিণী ৰণলৈ অহাৰ খবৰে স্বৰ্গদেউক চুই গৈছিল। ৰণলৈ আহোম সেনাই ভয় খালে। এই দুইগৰাকী দৈৱশক্তি থকা তিৰোতাৰ লগত ৰণ দিবলৈ তেওঁলোক নাহিল। ফলত আহোম ৰাজ্যৰ ৰজা হ'ল মোৱামৰীয়াৰ ৰমাকান্ত আৰু বৰবৰুৱা হৈছিল ৰাঘৱ মৰাণ।

ৰাঘৱে কুৰঙ্গনয়নীক নি ৰাখিছিল। এই কথাত কুৰঙ্গনয়নীৰ খং উঠিছিল। মৰাণৰ দিনক দিনে দেশত অত্যাচাৰ বাঢ়ি আহিছিল। সেয়েহে স্বৰ্গদেউৰফলীয়া কিছুমান মানুহে মৰাণক আহোম দেশৰ পৰা খেদিবলৈ উপায় বিচাৰিছিল। এওঁলোকৰ অনুৰোধত কুৰঙ্গনয়নীয়ে ৰাঘৱক ব'হাগৰ বিহুৰ দিনা হুঁচৰি সেৱা জনাওঁতেই হত্যা কৰিলে। মোৱামৰীয়াও আকস্মিক আক্ৰমণত অস্থিৰ হৈ পৰিছিল। তেওঁলোকে আহোম ৰাজ্য এৰি পলাবলৈ ধৰিলে। ৰাঘৱৰ পত্নী ৰাধা আৰু ৰুক্মিণীক আহোম সৈন্যই হত্যা কৰে। এই দুয়োগৰাকী তিৰোতাৰ বুদ্ধিৰ বলতেই মোৱামৰীয়াসকলে আহোম সিংহাসনত বহিবলৈ সুবিধা পাইছিল। অৱশ্যে কিছুমান বুৰঞ্জী মতে, ৰাধা-ৰুক্মিণী একেগৰাকী বুলি কয়। যি কি নহওক, শত্ৰু পক্ষৰ লগত তেওঁলোকে সাহসেৰে ৰণ দিছিল বাবে তেওঁলোকৰ কাম আৰু নাম বুৰঞ্জীত ৰৈ গ'ল। □

কমলেশ্বৰী কুঁৱৰী

উনবিংশ শতিকাৰ কথা। কমলেশ্বৰী নামৰ স্বৰ্গদেউ গৌৰীনাথ সিংহৰ এগৰাকী ৰাণী আছিল। এওঁ বৰ সাহসী আৰু বুদ্ধিমতী আছিল। তেওঁ নাংলাইৰক বৰগোহাঁই পৰিয়ালৰ জীয়াৰী আছিল। ১৭০৫ শকৰ ব'হাগ মাহৰ ৪ তাৰিখে স্বৰ্গদেৱে দিখৌ নৈত মাছ মৰা চাই ৰাতি কাৰেঙলৈ উভতি আহিছিল। সেই সময়ত মোৱামৰীয়াসকলে বৰ উপদ্ৰৱ কৰি আছিল। সেয়েহে মাছ ধৰা চাই উভতি আহোঁতে ৰজাৰ জোঁৰ ধৰা মানুহৰ লগতে ছদ্মবেশেৰে কিছুমান বিদ্ৰোহী মোৱামৰীয়াই সুবিধা লৈ নগৰত সোমাইছিল। সিহঁতে সোমায়েই ৰজাৰ বৰচ'ৰা, শিঙৰিঘৰ, গন্ধিয়া ভঁৰালত জুই দি মাদুৰীয়াল বৰগোহাঁই ভীষ্মনাৰায়ণকে আদি কৰি সাতজনক কাটিছিল। স্বৰ্গদেউ গৌৰীনাথ সিংহ কথমপি দোলাৰ পৰা নামি হাতীত উঠি কাৰেঙত সোমাইছিলগৈ।

ঘনশ্যাম বৰগোহাঁইৰ পুতেক পূৰ্ণানন্দই এই খবৰ পাই লগত হৰনাথ সেনাপতি ফুকন আৰু কিছুমান সৈন্য-সামন্ত লৈ বিদ্ৰোহীবিলাকক গড়গাঁও নগৰৰ ভিতৰতে আক্ৰমণ কৰিছিলগৈ। ৰণত তিষ্ঠিব নোৱাৰি মোৱামৰীয়াবিলাক পলাই গৈছিল। গড়গাঁৱৰ পৰা খেদা খাই মোৱামৰীয়াবিলাকে শেষনিশা ৰংপুৰ নগৰত সোমাইছিলগৈ। ৰংপুৰৰ কেঁবাঘৰতো জুই লগাই দিলেগৈ। গড়গাঁৱত এই ঘটনাৰ খবৰ পাই স্বৰ্গদেৱে বুঢ়াগোহাঁই আৰু সেনাপতি ফুকনক সসৈন্যে ৰংপুৰলৈ পঠিয়াইছিল। বুঢ়াগোহাঁই আৰু সেনাপতি ফুকনৰ সৈন্য বৰদুৱাৰ আৰু পানীদুৱাৰেদি নগৰত সোমাই মোৱামৰীয়াৰ বহুতো লোকক কাটিছিল। অৱশেষত মোৱামৰীয়াসকল তিষ্ঠিব নোৱাৰি নদুৱাৰেদি পলাই গৈছিল।

পিছদিনা স্বৰ্গদেৱে গড়গাঁৱৰ পৰা ৰংঘৰলৈ আহিছিল আৰু ডা-ডাঙৰীয়াসকলৰ লগত ভিতৰ মেলত আলোচনা কৰি 'যেয়ে য'তে পাই তাতে ধৰি মোৱামৰীয়াক সপুত্ৰ বান্ধৱে মাৰক' বুলি আদেশ দিছিল। দোলাকাষৰীয়া বৰা আৰু টেকেলা বৰাক পঠিয়াই গাঁৱে- ভুঁৱে স্বৰ্গদেউৰ এই আদেশ জনাই দিছিল। ডেৰ মাহ ধৰি এই হত্যাকাণ্ড চলিছিল। ইয়াৰ ফলত বহুতো মোৱামৰীয়া মৰিলত পলাই গৈ কছাৰী আৰু জয়ন্তীয়া ৰাজ্যত আশ্ৰয় লৈছিলগৈ।

কেইবছৰমান নিতাল মাৰি থাকি পুনৰ মোৱামৰীয়াবিলাকে ১৭০৯ শকত পুনৰ বিদ্ৰোহ কৰিছিল। তেওঁলোকে চাৰিওফালৰ গাঁওবিলাকতে জুই লগাই আতংকৰ সৃষ্টি কৰি ফুৰিছিল। ৰজাঘৰৰ সৈন্যই কেবা ঠাইতো পৰাজয়বৰণ কৰাত ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পৰামৰ্শক্ৰমে স্বৰ্গদেৱে গুৱাহাটীলৈ আহিছিল।

গুৱাহাটীলৈ স্বৰ্গদেউ অহাৰ পিছত লেচাঙৰ বাহৰৰ পৰা কুঁৱৰীসকলক গুৱাহাটীলৈ নিবৰ বাবে ভালেমান মানুহ দি কলিমন ৰাজখোৱা আৰু আনন্দিৰাম কটকীক উজনিলৈ পঠিয়াইছিল।

পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে কেবাজনো বৰুৱা ফুকন আদি বিষয়াৰ সৈতে ভালেমান মানুহৰ লগত বহুতো খাদ্য সম্ভাৰৰ সৈতে কুঁৱৰীসকলক গুৱাহাটীত থকা স্বৰ্গদেউৰ ওচৰলৈ পঠিয়াইছিল।

গুৱাহাটীত আটাইকেইগৰাকী কুঁৱৰী একলগ হৈছিল। তেওঁলোকে একলগ হৈ বেছি দিন শান্তিৰে থাকিব নোৱাৰিলে। কাৰণ ৰাজকুঁৱৰীয়ে আন কুঁৱৰীসকলৰ লগত মিলা-প্ৰীতিৰে থকা নাছিল। তেওঁ কমলেশ্বৰী কুঁৱৰী আৰু সৰু কুঁৱৰীক বৰ হিংসা কৰিছিল কাৰণেই তেওঁলোকৰ মাজত কাজিয়াৰ সুত্ৰপাত হৈছিল। দুইগৰাকী কুঁৱৰীৰ প্ৰতি কৰা বেয়া ব্যৱহাৰত স্বৰ্গদেৱে কোনোদিনে মাত মতা নাছিল। সেয়েহে কমলেশ্বৰী কুঁৱৰীয়ে ভাবিছিল যে বৰকুঁৱৰীয়ে কেতিয়াবা তেওঁ আৰু সৰু কুঁৱৰীৰ ওপৰত মিছা অভিযোগ আনি প্ৰাণদণ্ড দিয়াব পাৰে। সৰু কুঁৱৰীক কমলেশ্বৰী কুঁৱৰীয়ে এই কথা বুজাই দিয়াত তেঁয়ো বৰকৈ ভয় খাইছিল। শেষত দুয়ো কুঁৱৰীয়ে গুৱাহাটীৰ পৰা গুচি গৈ ইং ১৭৯৩ চনৰ ডিচেম্বৰ মাহত ইংৰাজৰ ৰাজ্য চিলামাৰীত আশ্ৰয় লৈছিলগৈ।

কোচবিহাৰৰ কমিচনাৰ মিঃ চি এ ব্ৰুচে দুয়োগৰাকী কুঁৱৰীক থাকিবৰ কাৰণে এটা উপযুক্ত ঘৰ, গা-ৰক্ষা হিচাপে চাৰিজন পিয়দা আৰু প্ৰয়োজনীয় বয়-বস্তু কিনিবৰ কাৰণে ৰূপ পঞ্চাছ টকা দিছিল। তেতিয়াৰ পৰা ৰাণী কমলেশ্বৰী আৰু সৰু কুঁৱৰী চিলামাৰীতে থাকিবলৈ লৈছিল।

ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্নৱালিচৰ ওচৰলৈ গৈ কমলেশ্বৰী ৰাণীয়ে অনুৰোধ কৰি কৈছিল— 'মোক এদল সৈন্য দিয়ক, মই তাকে লৈ নিজে অসমলৈ গৈ বিদ্ৰোহীবিলাকক দমাই পুনৰ শান্তি স্থাপন কৰো।'

ইয়াৰ দ্বাৰা কমলেশ্বৰী ৰাণীৰ দেশৰ প্ৰতি থকা প্ৰেম আৰু দায়িত্বৰ অনুভৱৰ কথা উপলব্ধি কৰিব পাৰি।

ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্নৱালিচে আমাৰ ৰাণী কমলেশ্বৰী আৰু স্বৰ্গদেউৰ অনুৰোধক্ৰমে বিদ্ৰোহ দমন কৰিবলৈ আৰু অসমত শান্তি প্ৰতিষ্ঠাৰ বাবে কেপ্তেইন থমাছ ৱেল্‌ছক অসমলৈ পঠিয়াইছিল।

কেপ্তেইন থমাছ ৱেল্‌ছৰ সাহায্যত মোৱামৰীয়াবিলাকক দমন কৰি ৰাজ্যৰ পৰা খেদি দি ইংৰাজী ১৭৯৪ চনৰ মাৰ্চ মাহত ৰংপুৰ উদ্ধাৰ কৰি স্বৰ্গদেউ গৌৰীনাথ সিংহক পুনৰ সিংহাসনত বহুৱাইছিল।

সিংহাসনত বহাৰ পিছত স্বৰ্গদেৱে কমলেশ্বৰী কুঁৱৰী আৰু সৰু কুঁৱৰীক চিলামাৰীৰ পৰা আনিবৰ বাবে পঠিয়াইছিল। কিন্তু কমলেশ্বৰী কুঁৱৰী আৰু সৰু কুঁৱৰী পুনৰ ৰংপুৰলৈ ঘূৰি নাহিল।

১৭৯৫ চনত গৌৰীনাথ সিংহ স্বৰ্গগামী হয়। তেওঁৰ পিছত কমলেশ্বৰ সিংহ অসম দেশৰ ৰজা হয়। কমলেশ্বৰ সিংহৰ ৰাজত্বৰ আৰম্ভণিতে উজনিত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ডফলা আৰু দক্ষিণ পাৰে মোৱামৰীয়াসকলৰ উপদ্ৰৱ হৈছিল।

নামনিত হিন্দুস্থানী আৰু শিখ সৈন্যৰ সহায়ত হৰদত্ত বুজৰবৰুৱা আৰু বীৰদত্তই বিদ্ৰোহ কৰাত পুনৰ অশান্তি হৈছিল। সেয়েহে চিলামাৰীত থকা গৌৰীনাথ সিংহৰ বিধৱা ৰাণী কমলেশ্বৰী কুঁৱৰীয়ে নিজে কলিকতালৈ গৈ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল ছাৰজন চোৰৰ আগত থিয় হৈ অসমৰ ৰাজনৈতিক দুৰ্যোগৰ বিষয়ে জনাই দেশৰ অশান্তি দূৰ কৰি শান্তি প্ৰতিষ্ঠা কৰিবৰ কাৰণে সাহায্য প্ৰাৰ্থনা কৰিছিলগৈ।

সেই সময়ত ইংৰাজ গৱৰ্ণমেণ্টে অন্য ৰাজ্যৰ ক্ষেত্ৰত 'হস্তক্ষেপ বিৰত নীতি' গ্ৰহণ কৰিছিল কাৰণে সামৰিক সাহায্য দিয়া সম্ভৱপৰ নহ'ল যদিও গৱৰ্ণৰ জেনেৰেলে অসমত উদ্ভৱ হোৱা অশান্তিকৰ অৱস্থাৰ বাবে যিমান দিনলৈকে ৰাণী কমলেশ্বৰীৰ লগত সৰু কুঁৱৰী চিলামাৰীত থাকিব, সিমান দিনলৈকে মাহে এশ টকাকৈ ১৭৯৬ চনৰ এপ্ৰিল মাহৰ পৰা পেঞ্চন মঞ্জুৰ কৰিছিল। তাৰউপৰি গৱৰ্ণৰ জেনেৰেলে চিলামাৰীৰ পৰা কলিকতালৈ অহা-যোৱাৰ বাট খৰচ হিচাপে কুঁৱৰীক পাঁচ শ টকা দিছিল।

দুয়োগৰাকী কুঁৱৰীৰ সন্তান নাছিল। সেয়েহে তেওঁলোকে ব্ৰজনাথ গোহাঁইৰ

এজন পুতেক দুৰ্গানাথক তোলনীয়া পো হিচাপে তুলি লৈছিল। ১৭৯৯ চনত সৰু কুঁৱৰীৰ চিলামাৰীতে মৃত্যু হৈছিল। তেতিয়া গৱৰ্ণৰ জেনেৰেল লৰ্ড ৱেল্‌ছে দুয়োগৰাকী কুঁৱৰীয়ে ১৭৯৬ চনৰ পৰা লাভ কৰা মাহেকীয়া পেঞ্চন এশ টকাৰ পৰিবৰ্তে বৰ কুঁৱৰী কমলেশ্বৰীক মাহে আশী টকাকৈ সাহায্য আগবঢ়ালে।

উজনিত মাজে মাজে ঠায়ে ঠায়ে নগাৰ অসমীয়াৰ ওপৰত আক্ৰমণ, শদিয়াত খামতিবিলাকৰ উপদ্ৰৱৰ লগতে মোৱামৰীয়াসকলে পুনৰ বিদ্ৰোহ কৰি বেংমৰাত সৰ্বানন্দক ৰজা পাতি আহোমৰ বিৰুদ্ধে দুবাৰমান দেশৰ পৰা সৈন্য আনিবলৈ যত্ন কৰাৰ খবৰ কমলেশ্বৰীয়ে পাই তেওঁৰ মন অস্থিৰ হৈ উঠিছিল। এই বিদ্ৰোহবিলাক কমাবৰ বাবে কুঁৱৰী ১৮০৬ চনত কলিকতালৈ গৈছিল। কুঁৱৰীয়ে ভাৰতৰ গৱৰ্ণৰ জেনেৰেলৰ আগত থিয় হৈ অসমৰ অশান্ত ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে জনাইছিলগৈ— 'গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্নৱালিচৰ দিনত গৱৰ্ণমেণ্টে কেপ্তেইন থমাছ ৱেল্‌ছক সৈন্য দি অসমলৈ পঠিয়াই শান্তি স্থাপন কৰাৰ নিচিনাকৈ মোকো সৈন্য দিয়ক। মই তাকে লৈ নিজে মোৰ জন্মভূমি অসমলৈ গৈ বিদ্ৰোহীবিলাকক দমাই পুনৰ শান্তি স্থাপন কৰোঁগৈ। যদি আপোনালোকে সৈন্য নিদিয়ে, মই নিজেই সৈন্য সংগ্ৰহ কৰি অসমৰ বিদ্ৰোহ দমন কৰিবলৈ যাম। কিন্তু ৰংপুৰ আৰু গোৱালপাৰাত থকা ইংৰাজসকলে যাতে মোক সৈন্য লৈ যোৱাত বাধা নিদিয়ে তাৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়ক।'

কিন্তু ইংৰাজ গৱৰ্ণমেণ্টে আন ৰাজ্যৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰাৰ নীতি অৱলম্বন কৰাৰ পৰিপ্ৰেক্ষিতত সেই সময়ৰ গৱৰ্ণৰ জেনেৰেল ছাৰ জৰ্জ বাৰ্লোই ৰাণী কমলেশ্বৰীৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিছিল।

ইয়াৰ পিছত তেওঁ ব্ৰজনাথ গোহাঁইক ৰজা পাতিবলৈ ইংৰাজৰ সহায় বিচাৰিছিল।তেওঁ ব্ৰজনাথৰ সপক্ষে এখন আবেদনপত্ৰ দি গৱৰ্ণৰ জেনেৰেলক জনাইছিল যে ব্ৰজনাথ গোহাঁইক অসমৰ সিংহাসন অধিকাৰ কৰিবৰ কাৰণে সহায় কৰি ইংৰাজৰ ৰাজ্যত সৈন্য সংগ্ৰহ কৰিবলৈ অনুমতি দিব লাগে আৰু এই আয়োজন সম্পূৰ্ণ নোহোৱালৈকে ব্ৰজনাথ গোহাঁইক প্ৰৱৰ্তিবৰ উপায় হিচাপে এটা মাহেকীয়া আৰ্থিক মঞ্জুৰি দিবলৈ অনুৰোধ কৰিছিল।

গৱৰ্ণৰ জেনেৰেলে গৱৰ্ণমেণ্টৰ নিৰপেক্ষ নীতিৰ কথা দোহাৰি ব্ৰজনাথ গোহাঁইক ইংৰাজৰ এলেকাত সৈন্য সংগ্ৰহ কৰিবৰ কাৰণে অনুমতি দিয়া নাছিল। কিন্তু ৰাণী কমলেশ্বৰীৰ অনুৰোধ ৰাখি ব্ৰজনাথ গোহাঁইক ইংৰাজ ৰাজ্যত থকা কালছোৱাৰ কাৰণে এটি মাহেকীয়া পেঞ্চন মঞ্জুৰ কৰিছিল।

এইগৰাকী কুঁৱৰীৰ সাহস আৰু দেশপ্ৰেম শলাগিবলগীয়া। অসমৰ বাহিৰত থাকিও দেশৰ সংকটপূৰ্ণ মুহূৰ্তত নীৰৱ দৰ্শক হৈ নাথাকি বিদ্ৰোহীৰ গৰাহৰ পৰা জন্মভূমিক মুক্ত কৰিবলৈ অপ্ৰাণ চেষ্টা কৰা এইগৰাকী দেশপ্ৰেমী কমলেশ্বৰী কুঁৱৰীয়ে ১৮১২ চনত মৃত্যুবৰণ কৰে।

এনে সাহসিকতাৰ কাৰণে তেওঁ নিজৰ দেশৰ বাবে ইংৰাজৰ আগত গৈ মনৰ ভাব প্ৰকাশ কৰি দেশপ্ৰেমৰ চিনাকি দিব পাৰিছিল। সেয়েহে কমলেশ্বৰী কুঁৱৰীৰ এই বীৰত্বৰ নাম বুৰঞ্জীৰ পাতত সোণালী আখৰেৰে চিৰদিনৰ বাবে লিখা থাকিব। এইগৰাকী কুঁৱৰীৰ আদৰ্শ আমাৰ আইদেউসকলৰ বাবে আদৰণীয়। ❑

মুংৰী ওৰফে মালতী মেম

দৰং জিলাৰ লালমাটি চাহ বাগিচাত জন্ম হৈছিল মুংৰী ওৰফে মালতী মেমৰ। বনুৱা লাইনত ধূলি-মাটিৰে আপোনপাহৰা হৈ সমনীয়াৰ লগত খেলিছিল তাই। চাহ বাগানৰ বনুৱাই বাগানত অনেক কষ্ট কৰি কাম কৰিব লগা হৈছিল। সেই সময়ত ইংৰাজে অসমত চাহ বাগিচাবোৰৰ পৰা অনেক অৰ্থ উপাৰ্জন কৰিছিল। কিন্তু চাহ বাগানবোৰৰ বনুৱাবিলাকৰ উপাৰ্জন আছিল তেনেই সীমিত। ইংৰাজসকলে চাহ বাগিচাৰ বনুৱাসকলক শোষণ কৰিছিল। সেই কাৰণে কিছুমান চাহ বনুৱা ইংৰাজৰ প্ৰতি বিদ্ৰোহী হৈ পৰিছিল। কিন্তু জীৱন আৰু অৰ্থ উপাৰ্জনৰ ভয়ত তেওঁলোকে নিৰৱে দিন কটাব লগা হৈছিল। সেই সময়ত চাহ বাগানৰ বনুৱাসকলৰ সন্তানক পঢ়া-শুনা কৰিবৰ কাৰণে ইংৰাজে একো সুবিধা দিয়া নাছিল। সেয়েহে মুংৰীৰ লালমাটি চাহ বাগিচাত পঢ়া-শুনা আদিৰ একোৰে পৰিৱেশ নাছিল।

মুংৰীয়ে সৰুৰে পৰা চাহ বাগিচাৰ বনুৱাসকলৰ মাজত কেৱল সুৰাপানৰ পৰিৱেশকে দেখিছিল। বনুৱাৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, আনকি সৰু সৰু ল'ৰা-ছোৱালীয়ে সুৰাপান কৰাটো সাধাৰণ কথা আছিল। সেইবাবে মুংৰীয়ে সৰুৰে পৰা সুৰাপান কৰিবলৈ শিকিছিল। তাই আছিল সাহসী। সেইবাবে ইংৰাজ অৰ্থাৎ বাগানৰ চাহাববোৰৰ ওপৰত তাই বিদ্ৰোহী হৈ পৰিছিল। চাহাবসকলে বাগানৰ বনুৱাসকলক খোৱাপানী, স্বাস্থ্য, পঢ়া-শুনাৰ সুবিধা নিদিয়াত তাই তেওঁলোকৰ বিৰুদ্ধে সমনীয়াৰ আগত আৰু বাগানৰ বনুৱাসকলক নানান কথা শুনাইছিল। কোনো কোনো বাগানৰ বনুৱাই তাইৰ সাহস দেখি আচৰিত হৈছিল। কিছুমান বয়সস্থ বনুৱাই মুংৰীৰ এনে স্বভাৱৰ বাবে গালিও পাৰিছিল। মুংৰীয়ে তাইৰ মনৰ

কথা ক'বলৈ, চাহাবৰ শোষণৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ লগ বিচাৰি পোৱা নাছিল। এইদৰে সময় গৈছিল। কিন্তু চাহ বাগিচাৰ বনুৱাৰ জীৱনৰ পৰিৱৰ্তন তাই দেখা নাপালে।

সেই সময়তে ১৯১৯ চনত প্ৰতিষ্ঠিত হৈছিল তেজপুৰৰ মহিলা সমিতি। এই মহিলা সমিতিখন স্বাধীনতাৰ অসহযোগ আন্দোলনৰ সময়ত তেজপুৰৰ মহিলাসকলৰ বাবে সংগঠন কেন্দ্ৰৰ দৰে হৈ পৰিছিল। এই মহিলা সমিতিৰ গুৰি ধৰিছিল চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে। তেওঁলোকে নানান ঠাইলৈ গৈ দেশৰ স্বাধীনতা আন্দোলনৰ বাবে সাধাৰণ মানুহবিলাকক বুজনি দিছিল। এইদৰেই স্বাধীনতাৰ আন্দোলন গঢ়ি তুলিছিল। কিন্তু এই স্বাধীনতা আন্দোলনৰ আগতে অসমৰ জনসাধাৰণৰ মাজৰ পৰা ৰাগীয়াল বস্তু বৰ্জনৰ বাবে এই মহিলা সমিতিয়ে প্ৰথমে কাম হাতত লৈছিল। তেজপুৰত অনুষ্ঠিত ছাত্ৰ সন্মিলন আৰু সাহিত্য সভাৰ আধিৱেশনত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে ৰাগীয়াল বস্তু বৰ্জনৰ বাবে বক্তব্য দাঙি ধৰিছিল।

কিন্তু লালমাটি বাগানৰ মুংৰীয়ে মহিলা সমিতিৰ 'ৰাগীয়াল বস্তু বৰ্জন'ৰ কথা শুনি ভাল নাপাইছিল। গাঁৱে গাঁৱে আনকি চাহ বাগানৰ লাইনে লাইনে মহিলাসকলে মাদকদ্ৰব্য নিবাৰণৰ বাবে জনসাধাৰণক বুজাই ফুৰিছিল। বাগানৰ বনুৱাসকলে মহিলা সমিতিৰ এই কাৰ্যক নিন্দা কৰিছিল। তেওঁলোকে মদ-ভাং আদিতেই উপাৰ্জনৰ বেছিভাগ খৰচ কৰিছিল। ঘৰখনত ইয়াৰ বাবে অভাৱ-অনাতন হৈ নানান হাই-কাজিয়া তেওঁলোকৰ মাজত সদায় চলিছিল। এই কথা কিছুমান বনুৱাই উপলব্ধি কৰিছিল। কিন্তু তেওঁলোকৰ উপায় নাছিল। মুংৰীয়ে ইংৰাজ শোষণৰ বিৰুদ্ধে মাত মাতিবলৈ সুবিধা বিচাৰি ফুৰিছিল। লালমাটি বাগিচালৈ মাদকদ্ৰব্য নিবাৰণৰ বাবে আৰু দেশৰ স্বাধীনতাৰ বাবে অসহযোগ আন্দোলন কৰিবলৈ বনুৱাসকলক বুজনি দিবলৈ অহাসকলক মুংৰীয়ে তেওঁৰ মনৰ কথা ক'বলৈ সুবিধা বিচাৰি ফুৰিছিল। মুংৰীয়ে মদ নিবাৰণক মানি ল'বলৈ টান পাইছিল। কিন্তু মুংৰীয়ে ইংৰাজৰ বিৰুদ্ধে স্বাধীনতাৰ আন্দোলন কৰিবলৈ বৰ আগ্ৰহ কৰিছিল। সেই সময়ত বাগানৰ বনুৱাসকল ইংৰাজবিৰোধী আন্দোলনত সোমাই পৰিবলৈ বিচাৰিছিল।

দৰং জিলাৰ মহিলাসকলে কৰা অসহযোগ আন্দোলনক সেইসময়তে সকলো মানুহে সমৰ্থন কৰিছিল। ভাৰতৰ প্ৰায়বোৰ ঠাইতে অসমৰ মহিলাসকলৰ দেশ স্বাধীনতাৰ বাবে কৰা অসহযোগ আন্দোলনৰ কথা বিয়পি পৰিছিল। মহাত্মা

গান্ধী তেজপুৰলৈ আহোঁতে সেইবাবেই এই মহিলাসকলক সুকীয়াকৈ লগ ধৰিছিল। গান্ধীজীয়ে অসমীয়া মহিলাসকলক বস্ত্ৰশিল্পত নিপুনতাৰ বাবে ভূয়সী প্ৰশংসা কৰে। গান্ধীজীৰ প্ৰতি বাগানৰ বনুৱাসকলে অগাধ ভক্তি দেখুৱাইছিল। আনকি কিছুমানে গান্ধীজীক ভগৱানক ভক্তি কৰাৰ দৰে কৰিছিল।

সেই সময়ত কংগ্ৰেছৰ স্বেচ্ছাসেৱকক আশ্ৰয় দিয়াটো চৰকাৰৰ চকুত অপৰাধ আছিল। এই কংগ্ৰেছ কৰ্মীসকল গাঁৱে-চহৰে চৰকাৰৰ চকুত নপৰিবলৈ পলাই ফুৰিছিল। বহুতো কংগ্ৰেছ কৰ্মীয়ে চাহ বাগানৰ লাইনৰ বনুৱাৰ ঘৰতো পলাই ফুৰিছিল। ভিতৰুৱা গাঁওবোৰত মহিলাসকলে কোনোদিনে চিনি-জানি নোপোৱা যুৱকক গান্ধীৰ ভলেণ্টিয়াৰ বুলিয়েই নিচিন্তমনে ঘৰত আশ্ৰয় দিছিল। 'গান্ধী আৰু কংগ্ৰেছ'ৰ নামে কেৱল অসমৰ গাঁও-চহৰৰ মানুহৰ মন আকৰ্ষণ কৰিছিল, তেনে নহয়, চাহ বাগানৰ বনুৱাসকলৰ ওপৰত গান্ধীৰ প্ৰভাৱ ভালকৈয়ে পৰিছিল। তেওঁলোকৰ গান্ধীৰ প্ৰতি ইমান ভক্তি হৈ পৰিছিল যে চাহ বাগানৰ বনুৱাসকলে গান্ধীৰ নামত চাৰি অনা পইচা দিবলৈ পোৱাটো তেওঁলোকৰ পৰম সৌভাগ্য বুলি বিশ্বাস কৰিছিল। লালমাটি বাগানৰ মুংৰীয়ে গান্ধীক ভগৱান বুলি ভাবিছিল। দেশৰ স্বাধীনতা আন্দোলনৰ বাবে ইংৰাজৰ বিৰুদ্ধে অসহযোগ আন্দোলনত যোগ দিবলৈ তেওঁ ব্যাকুল হৈ পৰিছিল। কিন্তু মুংৰীয়ে ইয়াৰ বাবে বেছিদিন অপেক্ষা কৰিব লগা নহৈছিল।

মুংৰী জন্মগতভাৱে সুৰাপানৰ পৰিৱেশত ডাঙৰ হৈছিল। সেয়েহে সুৰাপান এৰি মুংৰী কোনোদিনে থাকিব পৰা নাছিল। তাই সদায় অতিপাত সুৰাপান কৰিছিল। সুৰাপান কৰাটো তেওঁলোকৰ সমাজত ভাল কথা বুলিহে ভাবিছিল। সেইবাবে মুংৰীয়ে কোনোদিনে সুৰাপান কৰাত বাধা পোৱা নাছিল। সুৰাসক্ত অৱস্থাতে মুংৰীয়ে এদিন অমিয় কুমাৰ দাসক আৰু কেইজনমান কংগ্ৰেছ স্বেচ্ছাসেৱকক লগ পাইছিল। মুংৰীয়ে কংগ্ৰেছ কৰ্মীসকলক লগ পাই উৎফুল্লিত হৈ পৰে। কাৰণ তেওঁ গান্ধীজীক ভক্তি কৰিছিল। কংগ্ৰেছ কৰ্মীসকল গান্ধীজীৰ ভক্ত বুলি মুংৰীয়ে বিশ্বাস কৰিছিল। সেয়েহে এই সুবিধা পাই তেওঁ ইংৰাজৰ বিৰুদ্ধে দেশৰ স্বাধীনতাৰ অসহযোগ আন্দোলনত ভৰ্তি হ'বলৈ নিজৰ মনৰ কথা তেওঁলোকৰ আগত অৱগত কৰিলে। কংগ্ৰেছ কৰ্মীসকলে আৰু অমিয় কুমাৰ দাসে মুংৰীৰ দেশভক্তি দেখি আচৰিত হ'ল। কিন্তু দেশপ্ৰেমী বনুৱা মহিলা মুংৰীয়ে দেশৰ স্বাধীনতা আন্দোলনত যোগ দিবলৈ ইচ্ছা কৰা দেখি প্ৰথমতে স্বেচ্ছাসেৱকসকলে মুংৰীক মদ খাবলৈ এৰাৰ কথা ক'বলৈ বিচৰাত মুংৰী জাঙুৰ খাই উঠিল। "মই কিয় মদ এৰিম' বুলি কংগ্ৰেছ

কৰ্মীসকলক উভতি ধৰিলে। মদৰ নিচাত মতলীয়া হৈ থকা মুংৰীক মদ খাবলৈ মানা কৰি লাভ নহ'ব বুলি ভাবি তেওঁলোকে সেইদিনা বেছি কথা নকৈ মনে মনে থাকিল। সুস্থ অৱস্থাত মুংৰীক লগ পাবলৈ স্বেচ্ছাসেৱকসকলে সুবিধা বিচাৰি ফুৰিলে। ইফালে বাগানৰ বনুৱাসকলে অসহযোগ আন্দোলনত যোগ দিবৰ বাবে আগ্রহ প্রকাশ কৰিলে। দেশৰ স্বাধীনতাৰ বাবে চাহ বনুৱাসকলে দেখুওৱা আগ্রহত কংগ্রেছ কৰ্মীসকল উৎসাহিত হৈ পৰিল। চাহবাগানৰ বনুৱাসকলক লগ দিলে মুংৰীয়ে। যেতিয়া মুংৰীয়ে জানিব পাৰিলে যে তেওঁ মদ খাবলৈ এৰি দিলে ইংৰাজৰ বিৰুদ্ধে অসহযোগ আন্দোলনত যোগ দিব পাৰিব, তেতিয়া তেওঁ সুৰাপান কৰিবলৈ একেবাৰে বাদ দিলে। মুংৰীয়ে মদৰ বটল দলিয়াই পেলাই মদ খোৱা এৰি দিবলৈ প্রতিজ্ঞাবদ্ধ হয় আৰু মদ নিবাৰণী অভিযানত সহযোগ কৰিব বুলি স্বেচ্ছাসেৱকসকলক কথা দিলে। তদুপৰি সেইদিনাৰ পৰা মুংৰীয়ে চাহবাগানৰ বনুৱাৰ লাইনে লাইনে ঘৰে ঘৰে গৈ পুৰুষ-মহিলাসকলক মদৰ অপকাৰিতা সম্পৰ্কে বুজনি দিবলৈ আগবাঢ়ি আহিল। সুৰাপান এৰিলেই সকলো চাহ বনুৱাই স্বাধীনতাৰ অসহযোগ আন্দোলনত যোগ দিব পাৰিব বুলি তেওঁ সকলোকে বুজাই দি ইংৰাজৰ বিৰুদ্ধে যুঁজ দিবলৈ ওলাই আহিবলৈ আহ্বান জনায়।

মুংৰীয়ে মদ খাবলৈ এৰা দিনৰে পৰা দেশৰ স্বাধীনতা আন্দোলনত যোগ দি সুৰাপান অভিযানত নামি পৰে। মহিলা সমিতিৰ লগত কাম কৰি তেওঁ নথৈ সুখী হৈ পৰিছিল। তেওঁ বাগান আৰু গাঁৱৰ মানুহৰ ঘৰে ঘৰে গৈ মহিলাসকলৰ লগত মদ নিবাৰণৰ কামত ব্যস্ত হৈ পৰিছিল। যাতায়াতৰ সুবিধা নথকাত অনেক কষ্টৰে খোজকাঢ়ি গৈ নানান ঠাইত মাদকদ্রব্য বৰ্জনৰ কাম মুংৰীয়ে কৰিছিল।

এই মদ নিবাৰণী কাৰ্য চলোৱাসকলক চৰকাৰে বাধা দিছিল। আনকি এই কাৰ্য কৰি বহুতে সেই সময়ত জে'লত থাকিব লগা হৈছিল। তথাপি কংগ্রেছ স্বেচ্ছাসেৱক আৰু অসমৰ মহিলা সমিতিসকলে এই কাৰ্য চলাই গৈছিল। মুংৰীয়ে হাঁহিমুখে এই কাৰ্যত যোগ দিছিল। ১৯২১ চনত মদ নিবাৰণী অভিযানত মহিলাসকলে দেহে-কেহে খাটিছিল। সেই অভিযানলৈ লালমাটি চাহ বাগিচাৰ বনুৱা মহিলা মুংৰী গৈছিল। এই মদ নিবাৰণী অভিযানত অংশগ্রহণ কৰাসকলক চৰকাৰে বাধা দিছিল। এই অভিযান কৃতকাৰ্য নহ'বৰ বাবে চৰকাৰৰ সমৰ্থকে অসহযোগ আন্দোলনকাৰীক এফালৰ পৰা মাৰধৰ কৰি গৈছিল। এই মাৰধৰত বহুতো আন্দোলন কৰ্মী আহত হয়। এই মদ নিবাৰণী অভিযান কৰিবলৈ আহি দেশপ্রেমী মুংৰীয়ে চৰকাৰী সমৰ্থনকাৰীৰ হাতত প্ৰাণ বিসৰ্জন দিব লগাত পৰে।

ভাৰতৰ স্বাধীনতা সংগ্ৰামত প্ৰাণাহুতি দিয়া মুংৰীয়েই অসমৰ প্ৰথম মহিলা ছহিদ আছিল।

এই গৰাকী চাহ বাগিচাৰ বনুৱা মুংৰী এগৰাকী সাহসী, দেশপ্ৰেমীক আছিল। সৰুৰে পৰা সুৰাপানৰ লগত জড়িত হৈ থাকিও দেশৰ বাবে কাম কৰিবলৈ আহি নিজ হাতেৰে মদৰ বটল দলিয়াই নিজকে এগৰাকী আদৰ্শনীয় মহিলা হিচাপে প্ৰতিষ্ঠা কৰি থৈ যাবলৈ সমৰ্থ হ'ল। তেওঁক অসমীয়া সমাজে সদায় শ্ৰদ্ধা জনাব আৰু স্বাধীনতা সংগ্ৰামৰ প্ৰথম ছহিদ হিচাপে মুংৰী অমৰ হৈ ৰ'ব। ❑

স্বৰ্ণলতা শইকীয়া

স্বৰ্ণলতা শইকীয়া এগৰাকী দেশপ্ৰেমী মহিলা আছিল। তেওঁৰ পিতৃৰ নাম কেশৱ বৰুৱা। কেশৱ বৰুৱা ইংৰাজৰ দিনৰ একমাত্ৰ মন্ত্ৰী ঘনশ্যাম বৰুৱাৰ ককায়েক। এনে এটা নাম থকা পৰিয়ালতে স্বৰ্ণলতাৰ জন্ম হৈছিল।

কেশৱ বৰুৱাই কহিমাত চাকৰি কৰি থকাৰ সময়তে স্বৰ্ণলতাৰ জন্ম হৈছিল। কেশৱ বৰুৱাৰ কন্যা স্বৰ্ণলতা সৰুৰে পৰা বৰ সাহসী আৰু দৃঢ়মনা আছিল। সৰুৰে পৰা পঢ়া-শুনাত ভালদৰে মন দিছিল। তদুপৰি তেওঁ সৰুৰে পৰা স্বাধীনচেতীয়া আছিল। তেওঁ সৰু হৈ থকাৰ সময়ত অসমত পঢ়া-শুনা কৰাৰ বাবে ছোৱালীৰ কোনো বিদ্যালয় নাছিল। সেইবাবে স্বৰ্ণলতাই স্কুলীয়া শিক্ষা বেছি কৰিব পৰা নাছিল। পঢ়া-শুনাত মন থাকিলেও তেওঁ প্ৰাথমিক পৰ্যায়তে স্কুলীয়া জীৱন সমাপ্ত কৰিব লগা হৈছিল। স্কুলীয়া জীৱন সমাপ্ত হ'লেও তেওঁ কিন্তু ঘৰতে পঢ়া-শুনা নিয়মীয়াকৈ সদায় কৰিছিল। ধৰ্মগ্ৰন্থ পঢ়ি তেওঁ সৰুৰে পৰা ভাল পাছিল। তদুপৰি সেই সময়ত 'বাঁহী', 'ঊষা', 'চেতনা' আদি নাম থকা আলোচনী তেওঁ সদায় পঢ়িছিল। স্বৰ্ণলতাই 'ৰাজভাষা' নামৰ ইংৰাজী কিতাপখন নিয়মীয়াকৈ পঢ়িছিল। এইদৰে সৰুৰে পৰা তেওঁ কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিছিল। এইদৰে পঢ়া-শুনা কৰি স্বৰ্ণলতাই সেই সময়তেই নিজৰ জ্ঞান আহৰণ কৰি লৈছিল। নিজকে ঘৰুৱা কামত ব্যস্ত ৰাখিও ভাল পাইছিল। ঘৰৰ সকলোকে কাম-কাজত সহায় কৰি ঘৰৰ সকলোৰে পৰা মৰম-স্নেহ আদায় কৰিবলৈ সক্ষম হৈছিল। সূতা কটা, তাঁত বোৱাটো তেওঁৰ চখ আছিল। এইদৰে দিনক দিনে তেওঁ ডাঙৰ হৈ বিয়াৰ বয়সত ভৰি দিয়ে। স্বৰ্ণলতাক পিতৃ-মাতৃয়ে চাব ডেপুটী কলেক্টৰ ৰামেশ্বৰ শইকীয়ালৈ বিয়া দিয়ে।

তেওঁৰ স্বামী ৰামশ্বেৰ শইকীয়া এজন সৎ আৰু সাহসী পুৰুষ আছিল। তেওঁ পত্নী স্বৰ্ণলতাক পঢ়া-শুনা কৰিবলৈ নানান গ্ৰন্থ আনি দি পঢ়াত উৎসাহ যোগাইছিল। তদুপৰি তেওঁ চাকৰি সংক্ৰান্তত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ পত্নী স্বৰ্ণলতাক লগত লৈ ফুৰিছিল। স্বৰ্ণলতাই স্বামীৰ লগত ঘূৰি ফুৰাৰ সুযোগতে অসমৰ প্ৰতিখন প্ৰধান ঠাই চাবলৈ আৰু সেই ঠাইবোৰৰ মানুহৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ সুবিধা পাইছিল। সেইবাবে তেওঁৰ নানান ঠাইৰ নানান মানুহৰ লগত গঢ়ি তুলিছিল গভীৰ আন্তৰিকতা আৰু আত্মীয়তা। লাহে লাহে স্বৰ্ণলতা তিনিটা সন্তানৰ মাতৃ হয়। তেওঁ সন্তানকেইটাক সু-শিক্ষাৰে শিক্ষিত কৰি গঢ়ি তুলিলে। নিজৰ সন্তানক সাহসী আৰু দৃঢ় হ'বলৈ সৰুতে শিক্ষা দিছিল। তেওঁ সন্তানক সদায় বুজনি দিছিল যে সময় কাৰো বাবে বৈ নাথাকে। সময়ৰ কাম সময়ত কৰি গ'লে মানুহে জীৱনৰ সকলো কাম সময়ত শেষ কৰিবলৈ সক্ষম হয়। এনেবোৰ কথাই স্বৰ্ণলতাৰ মনোবলৰ আদৰ্শ দাঙি ধৰে। তেওঁৰ একমাত্ৰ কন্যা পুষ্পলতাক নিজৰ আদৰ্শৰে গঢ়ি তুলিছিল।

স্বৰ্ণলতাই বিদ্ৰোহিনী চন্দ্ৰপ্ৰভাক বৰ ভাল পাইছিল। চন্দ্ৰপ্ৰভাৰ লগত গাঁৱে গাঁৱে গৈ মহিলাসকলৰ বুজ লৈছিল। গাঁওবিলাকত থকা অন্ধবিশ্বাস আদিত তেওঁ মাত মাতিছিল। ল'ৰাৰ দৰে কন্যা সন্তানৰ প্ৰতি যত্ন ল'বৰ বাবে গাঁৱৰ মহিলাক বুজনি দিছিল। ছোৱালী শিক্ষাৰ বাবে মহিলাসকলৰ মাজত মহিলা সমিতি গঠন কৰি গাঁৱৰ মহিলাসকলক আগবঢ়াই নিয়াত স্বৰ্ণলতাই আগভাগ লৈছিল। গাঁৱৰ মহিলাসকলক সজাগ আৰু সচেতন কৰিবলৈ তেওঁ অশেষ কষ্ট কৰিছিল। মহিলাসকলৰ মাজত থকা অন্ধবিশ্বাস দূৰ কৰি ল'ৰা সন্তানৰ দৰে কন্যা সন্তানৰ পঢ়া-শুনাৰ সুবিধা কৰিবলৈ আৰু মহিলাৰ স্থান সমাজত উচ্চ কৰিবৰ বাবে আপ্ৰাণ চেষ্টা চলাইছিল। মহিলাৰ অধিকাৰৰ ক্ষেত্ৰত তেওঁ মাত মাতিছিল। এইদৰে চন্দ্ৰপ্ৰভাৰ সৈতে মহিলাৰ বাবে কাম কৰি যাবলৈ তেওঁ দৃঢ় হৈ পৰিছিল। মহিলাৰ লগতে শিশুসকলৰ উন্নতিৰ বাবে তেওঁ সমাজত কাম কৰি যাবলৈ আগবাঢ়ি আহিছিল। শিশুৰ মানসিক দিগন্ত প্ৰসাৰিত কৰিবলৈ নানান কাম হাতত লৈছিল। তদুপৰি শিশুৰ জ্ঞান বিকাশৰ বাবে শিশু আলোচনী যোগাৰ কৰি শিশুক পঢ়িবলৈ সুবিধা কৰি দিছিল।

এইগৰাকী নাৰী দেশৰ স্বাধীনতাৰ বাবে সংগ্ৰামত নামি পৰিছিল। খাদী কাপোৰৰ প্ৰচলন অভিযানৰ তেওঁ আগভাগ লৈ কাম কৰিছিল। খাদী কাপোৰ তৈয়াৰ কৰিবলৈ গাঁৱে গাঁৱে গৈ মহিলাসকলক উৎসাহ যোগাইছিল। চৰ্খা সংঘ আৰু

বানৰ সেনা গঠন কৰি ভাৰতৰ স্বাধীনতা সংগ্ৰামত সক্ৰীয় আৰু সাহসী ভূমিকা গ্ৰহণ কৰিছিল। বিদেশী বস্ত্ৰ পৰিহাৰ কৰিবলৈ তেওঁ গাঁৱে গাঁৱে গৈ সকলো মানুহক এই বিষয়ে সজাগ কৰি তুলিছিল। তেওঁ বিদেশী বস্ত্ৰ জ্বলাই দিয়াত আগ-ভাগ লৈছিল। আনকি তেওঁ চৰ্খা সংঘত যোগ দি নিজ হাতে সূতা কাটি নিজে বোৱা কাপোৰ পিন্ধিবৰ বাবে সমাজক আগবঢ়াই নিছিল। বানৰ সেনা গঠন কৰি পুৰুষ-মহিলাসকলক দেশৰ স্বাধীনতাৰ বাবে সংগ্ৰাম কৰিবলৈ উলিয়াই আনিছিল। এই বানৰ সেনাৰ নেতৃত্ব বহন কৰিবলৈ নিজৰ জীয়েক পুষ্পলতাক আগবঢ়াই দিছিল। পুষ্পলতাক তেওঁৰ মাতৃ স্বৰ্ণলতাইদেশ স্বাধীনতাৰ আন্দোলনত আগভাগ ল'বলৈ প্ৰেৰণা দিছিল। তেওঁৰ কন্যা পুষ্পলতাই স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰাৰ বাবে স্কুলত ইয়াক অপৰাধ বুলি গণ্য কৰিছিল। সেইবাবে তেওঁলোকে পুষ্পলতাক স্কুলৰ পৰা বহিষ্কাৰ কৰিছিল। তদুপৰি স্কুল কৰ্তৃপক্ষই ঘোষণা কৰিছিল— 'যদি পুষ্পলতাৰ অভিভাৱকে লিখি দিয়ে ভৱিষ্যতে পুষ্পলতাই স্বাধীনতা আন্দোলনত অংশগ্ৰহণ নকৰে আৰু ইয়াৰ সকলো দায়িত্ব যদি অভিভাৱকে বহন কৰে, তেনেহ'লে পুষ্পলতাক পুনৰ স্কুলত ভৰ্তি হ'বলৈ সুবিধা দিব।' সাহসী স্বৰ্ণলতাই স্কুল কৰ্তৃপক্ষৰ তেনে কথা গণ্য নকৰিলে। তেওঁলোকৰ কথা মানি নলৈ সাহসী পুষ্পলতাক দেশৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিবলৈহে উৎসাহ যোগালে। তদুপৰি স্বৰ্ণলতাই জীয়েক পুষ্পলতাক কোনো স্কুললৈ নপঠিয়াই ঘৰুৱা শিক্ষকৰ যোগেদি পঢ়া-শুনা কৰিবলৈ সুবিধা কৰি দিছিল। লগতে তেওঁ সিদ্ধান্ত ল'লে যে-ভৱিষ্যতে তেওঁৰ জীয়েক পুষ্পলতাক কোনো চৰকাৰী স্কুললৈ পঢ়িবলৈ নপঠিয়ায়। সেয়ে স্বৰ্ণলতাই জীয়েক পুষ্পলতাক ঘৰতে শিক্ষক ৰাখি পঢ়া-শুনাৰ লগতে দেশৰ কামতো আগবঢ়াই নিছিল।

স্বৰ্ণলতা এগৰাকী বৰ উদাৰ আৰু সহজ-সৰল মনৰ মহিলা আছিল। তেওঁৰ মনত উচ্চ নীচ ভাব নাছিল বাবে সকলোৰে লগত ভালদৰে মিলা-প্ৰীতিৰে দেশ আৰু সমাজৰ উন্নতিৰ বাবে কাম কৰি যাব পাৰিছিল। তেওঁৰ মনত জাত-পাতৰ ভেদ-ভাব নাছিল। সকলাকে সমান দেখিছিল। ধৰ্মত থাকি তেওঁ ভাল পাইছিল। ভগৱানক তেওঁ বিশ্বাস কৰিছিল। সকলো ধৰ্মকে তেওঁ ভক্তি কৰিছিল। মহিলাই পুৰুষৰ দৰে সকলো কাম কৰিব পাৰে বুলি তেওঁ বিশ্বাস ৰাখিছিল। সেইবাবে তেওঁ চন্দ্ৰপ্ৰভাৰ লগ হৈ সমঅধিকাৰৰ বাবে যুঁজ দিছিল। যি মহিলাই নিজৰ ঘৰখন নিয়াৰিয়াকৈ পৰিচালনা কৰি নিজৰ সন্তানক স্বভাৱ-চৰিত্ৰ, পঢ়া-শুনা আদিৰ জ্ঞান দি এখন ঘৰ সুন্দৰকৈ গঢ়িব পাৰে, তেনে মহিলাই দেশ আৰু সমাজৰ

কাম পুৰুষৰ দৰে কৰিব পাৰিব। সেয়ে দেশৰ স্বাধীনতা আন্দোলনত তেওঁ নামি পৰিছিল। সকলো মহিলাক দেশৰ স্বাধীনতাৰ বাবে আগবাঢ়ি কাম কৰিবলৈ প্ৰেৰণা যোগাইছিল। স্বৰ্ণলতাই নিজৰ জীয়েক পুষ্পলতাক কৈছিল— 'দেশ স্বাধীন নোহোৱালৈকে সকলোৱে নিজৰ দেশৰ কামত নিজকে উৎসৰ্গা কৰিলেহে মোৰ আত্মাই শান্তি লভিব।' এইদৰেই সমাজৰ মহিলাৰ মাজত স্বৰ্ণলতাই দেশপ্ৰেমৰ মহত্ত্ব জগাই তুলিছিল। নাৰী সমাজৰ মাজত থকা আন্ধবিশ্বাস নাৰী দুৰ্বলা-অবলা এনেবোৰ কথা তেওঁ মুঠেই সহ্য কৰা নাছিল। মহাত্মা গান্ধীৰ কথা তেও অন্তঃকৰণে লৈছিল। দেশৰ স্বাধীনতাৰ বাবে নাৰী-পুৰুষ উভয়ে সমানে কাম কৰিলেহে দেশ স্বাধীন হ'ব পাৰিব— এই কথা তেওঁ দৃঢ়ভাৱে লৈছিল।

স্বৰ্ণলতাই মহামতি লেনিনৰ আদৰ্শক সমৰ্থন কৰিছিল। লেনিনৰ মৃত্যুত তেওঁ বৰ আঘাত পাই কেবাদিনো ভাত খোৱা নাছিল। তেওঁ মনৰ দুখতে কৈছিল— 'পৃথিৱীৰ পৰা এজন মহান আদৰ্শৱান ব্যক্তি আঁতৰি গ'ল।' এই কথাই স্বৰ্ণলতাৰ লেনিনৰ প্ৰতি থকা সমৰ্থন আৰু বিশ্বাসকে প্ৰমাণ কৰে। স্বৰ্ণলতাৰ কঠোৰ পৰিশ্ৰম দেখি সমাজৰ মহিলাসকলে আচৰিত হৈ তেওঁক সহায়-সহযোগ আগবঢ়াই দেশ স্বাধীনতাৰ কামত হাত মিলাই কাম কৰি গৈছিল। সেই সময়ৰ মহিলাসকলে তেওঁৰ আদৰ্শক আদৰি লৈছিল। তেওঁ গঢ়ি তোলা সকলো পুৰুষ-মহিলাৰ দেশৰ স্বাধীনতাৰ বাবে কৰ্তব্য, সমঅধিকাৰক সকলো সমাজে মানি লৈছিল। তেওঁ অতি স্বাধীনচেতীয়া আছিল বাবেই দেশৰ স্বাধীনতাৰ বাবে সকলো কামকে আগবাঢ়ি কৰিবলৈ ওলাই আহিছিল।

তেওঁ ভাবিছিল— 'দেশৰ প্ৰত্যেকজনে দেশ স্বাধীন কৰিবলৈ মনে-প্ৰাণে কাম কৰি গ'লে এদিন ভাৰতবৰ্ষ স্বাধীন হ'বই।' এনেবোৰ কথাৰ পৰা স্বৰ্ণলতাৰ অতুলনীয় দেশপ্ৰেমৰ কথা উপলব্ধি কৰিব পাৰি। এইগৰাকী মহান দেশপ্ৰেমীৰ ১৯৩০ চনত মৃত্যু হয়। তেওঁ যদিও নিজৰ দেশ স্বাধীন হোৱা দেখা নাপালে, কিন্তু তেওঁৰ অনুপ্ৰেৰণাতেই অসমৰ মহিলাসকলে দেশৰ স্বাধীনতাৰ বাবে অশেষ কষ্ট কৰিবলৈও আগবাঢ়ি আহিছিল। তেওঁৰ কন্যা পুষ্পলতাই মাতৃৰ ব্যক্তিত্বক সদায় শ্ৰদ্ধা জনাইছিল। সেই সময়ৰ নাৰী সমাজক অনেক কষ্টৰে আগবঢ়াই নিয়া এইগৰাকী নাৰীৰ মৃত্যুত সমাজৰ অপূৰণীয় ক্ষতি হয়। তেওঁৰ আদৰ্শক আগত ৰাখি মহিলাসকলে দেশৰ স্বাধীনতাৰ বাবে কাম কৰি যাবলৈ দৃঢ় সংকল্প লৈছিল।

এনে কাম কৰিবলৈ গৈ বহুতো মহিলাই জে'ল আদি খাটিব লগা হৈছিল। কিন্তু দেশৰ স্বাধীনতাৰ বাবে সেইসকল মহিলাই স্বৰ্ণলতাৰ আদৰ্শক সমৰ্থন জনাই

নিজৰ দেশৰ বাবে কাম কৰি যাবলৈ সমৰ্থ হৈছিল। সেয়ে সকলোৰে প্ৰচেষ্টাতে আমাৰ দেশ সস্বাধীন হ'বলৈ পালে।

আজিৰ স্বাধীন দেশত এইগৰাকী স্বৰ্ণলতাৰ দেশপ্ৰেম, সাহস, দৃঢ় মন, কৰ্মনিষ্ঠা আদি সকলোৰে বাবে আদৰ্শনীয় হৈ আছে। তেওঁৰ আদৰ্শ মহিলাসকলৰ বাবে অনুকৰণীয় হৈ ৰ'ব।□

দ্বাৰিকী দাসী বৰুৱা

দ্বাৰিকী দাসী ১৯২১ চনৰ পৰাই স্বাধীনতা সংগ্ৰামৰ লগত জড়িত আছিল। তেওঁ গোলাঘাটৰ পংকা গাঁৱৰ আনন্দৰাম বৰুৱাৰ পত্নী আছিল। আনন্দৰাম বৰুৱা কংগ্ৰেছৰ কৰ্মী হৈ দেশৰ স্বাধীনতাৰ আন্দোলনত নামি পৰিছিল।

এইগৰাকী দ্বাৰিকী দাস সৰুৰে পৰা বৰ সাহসী আৰু দেশভক্ত আছিল। পৰাধীন দেশখন কেনেকৈ স্বাধীন হয়, সেই কথাই তেওঁক খুলি খুলি খাইছিল। সেই সময়ত ছোৱালীয়ে পঢ়া-শুনা কৰাৰ সুবিধা নাছিল। সেইবাবে স্কুলীয়া শিক্ষা তেওঁ ল'ব নোৱাৰিছিল। ছোৱালী হৈ থকা অৱস্থাত ঘৰৰ পৰা মন গ'লেই ওলাই গৈ দেশৰ স্বাধীনতা আন্দোলনত যোগ দিব পৰা নছিল। কিন্তু তেওঁৰ বিয়াৰ পাছত সেই আশা পূৰ্ণ হ'বলৈ ভগৱানে সহায় কৰিলে। তেওঁৰ স্বামী দেশৰ স্বাধীনতা আন্দোলনত ওতপ্ৰোতভাৱে জড়িত আছিল বাবেই দ্বাৰিকী দাসীয়ে নিজৰ ইচ্ছামতে স্বাধীনতা আন্দোলনত নামি পৰিছিল। তেওঁ স্বামীৰ লগে লগে কংগ্ৰেছৰ কাম কৰি ফুৰিছিল আৰু বেছিভাগ সময় কংগ্ৰেছ শিবিৰত কটাইছিল। সেইবাবে তেওঁ দেশৰ বাবে কাম কৰিবলৈ অন্তঃকৰণেৰে লাগিব পাৰিছিল।

অসমৰ মানুহে সৰ্বপ্ৰথমে অহিংস অসহযোগ আন্দোলন কৰিছিল কানি, ভাং, মদ আদি মাদক দ্ৰব্য প্ৰচলনত বাধা দিবৰ বাবেহে। সেইবাবে সেই সময়ত মানুহে কৈছিল যে 'অসমৰ অসহযোগ আন্দোলনক যথাৰ্থে কানি বিপ্লৱ বুলিব পাৰি।' কাৰণ সেই সময়ত অসমৰ মানুহে কানিৰ গ্ৰাসত পৰি ধ্বংসপ্ৰায় হৈছিল। গতিকে মহাত্মা গান্ধীয়ে অসমত পোনপ্ৰথমে কানিৰ সমস্যাৰ বিষয়ে কাম হাতত লৈছিল।

এই কানিৰ বিৰুদ্ধে আন্দোলন অসমত ১৯২১-২২ চনৰ পৰা আৰম্ভ হৈছিল। এই আন্দোলনৰ বাবে দ্বাৰিকী দাসী ওলাই আহিছিল। মহিলাসকলক এই ক্ষেত্ৰত তেওঁ আগুৱাই আনিছিল। গাঁৱে গাঁৱে গৈ দ্বাৰিকী দাসীয়ে মহিলাসকলক কানি, ভাং, মদৰ বিৰুদ্ধে যুঁজ দিবলৈ আগবাঢ়ি আহিবলৈ উদগনি দিছিল। দেশৰ স্বাধীনতা আন্দোলনৰ লগতে এই মাদকদ্ৰব্যৰ আন্দোলনত দ্বাৰিকীয়ে আগভাগ লৈ গোলাঘাটবাসীক জগাই তুলিছিল। জাকে জাকে গাঁৱৰ মহিলাসকলক উলিয়াই আনি দেশৰ বাবে কাম কৰিবলৈ তেওঁ অনুপ্ৰেৰণা যোগাইছিল। এই আন্দোলন বহুদিন ধৰি চলিছিল।

১৯৩২ চনত কানি নিবাৰণী অভিযানত তেওঁ অন্তঃসত্ত্বা আছিল। কিন্তু সেই সময়তো তেওঁ থমকি ৰোৱা নাছিল। তেওঁ অন্তঃসত্ত্বা অৱস্থাতো অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। কানি-ভাঙৰ দোকানৰ আগত পিকেটিং কৰিবলৈ তেওঁ দলে দলে গাঁৱৰ মহিলাসকলক উলিয়াই আনিব পাৰিছিল। ১৯৩২ চনৰ ১ ফেব্ৰুৱাৰীৰ দিনা গোলাঘাটত পিকেটিং কৰোঁতে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁক গ্ৰেপ্তাৰ কৰি শিৱসাগৰ কাৰাগাৰলৈ পঠিয়ায়। সেই জে'লত দ্বাৰিকী দাসী বৰুৱাই ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। সেই সময়ত তেওঁ অন্তঃসত্ত্বা হোৱাৰ বাবে স্বাস্থ্য ভাগি পৰিছিল। তথাপি এইগৰাকী মহিলাই সেই আন্দোলন জে'লৰ পৰাই চলাই নিছিল। গোলাঘাটৰ মানুহে তেওঁক বৰ শ্ৰদ্ধা আৰু সন্মান কৰিছিল। তেওঁৰ কথা মতে গোলাঘাটবাসীয়ে তেওঁ জে'লত থাকোঁতেও স্বাধীনতাৰ আন্দোলন চলাই নিছিল। জে'লত থকা সময়তে ১৯৩২ চনৰ এপ্ৰিল মাহৰ প্ৰথম ভাগত দ্বাৰিকীৰ গ্ৰহণী ৰোগে দেখা দিয়ে। অন্তঃসত্ত্বা অৱস্থাত গ্ৰহণী ৰোগ অতি ভয়াৱহ আছিল। কিন্তু এনে অৱস্থাত দ্বাৰিকী দাসী বৰুৱাৰ অসুস্থতাৰ প্ৰতি কাৰাগাৰ কৰ্তৃপক্ষই একেবাৰে কাণসাৰ দিয়া নাছিল। প্ৰয়োজনীয় চিকিৎসাৰ অভাৱত তেওঁৰ অসুস্থতা দিনকদিনে বাঢ়ি যাবলৈ ধৰে। দ্বাৰিকীৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি দেখি কাৰাগাৰ কৰ্তৃপক্ষই তেওঁক স্বৰ্তসহিতে মুক্তিৰ বাবে আবেদন জনাবলৈ বাৰে বাৰে পৰামৰ্শ দিছিল। কিন্তু তেওঁৰ তেজৰ প্ৰতিটো টোপালতে দেশপ্ৰেমৰ জুই জ্বলি থকা দ্বাৰিকীয়ে জীৱনৰ শেষ মুহূৰ্তলৈকে জে'লৰ পৰা মুক্তিৰ অনুগ্ৰহ নিবিচাৰিলে। তেওঁৰ দেশৰ প্ৰতি থকা কৰ্তব্যতকৈ, এগৰাকী স্বাধীনতা সংগ্ৰামীৰ উচ্চশিৰৰ সন্মানতকৈ গৰ্ভস্থ সন্তান, ঘৰ-সংসাৰক প্ৰাধান্য নিদিলে। সেই সময়ত তেওঁৰ স্বামী আনন্দৰাম বৰুৱা আৰু একমাত্ৰ ১২ বছৰীয়া পুত্ৰ ভুবনো গোলাঘাটৰ কাৰাগাৰতে আছিল। জে'লখনেই তেওঁলোকৰ পৰিয়ালৰ ঘৰখনৰ দৰেই হৈছিল।

তাৰ বাবে দ্বাৰিকী দাসী বৰুৱাৰ মনত অকণো দুখ নাছিল। দিনকদিনে তেওঁৰ স্বাস্থ্যৰ অৱনতি হোৱাত কৰ্তৃপক্ষৰ গা লৰিল। তেওঁক ২৫ এপ্ৰিলৰ দিনা কাৰাগাৰৰ চিকিৎসালয়লৈ স্থানান্তৰ কৰে। ২৬ এপ্ৰিলৰ দিনা তেওঁৰ গৰ্ভস্ৰাৱ হয়। ইয়াৰ কিছুসময় পিছতে এইগৰাকী দেশভক্তাই পাৰ্থিৱ সকলো দুখ-কষ্টক হাড় নামানি চিৰশান্তি লাভ কৰিলে।

দ্বাৰিকী দাসী বৰুৱাৰ মৃত্যুৰ বাতৰিয়ে সমগ্ৰ অসমতেই, বিশেষকৈ গোলাঘাট আৰু শিৱসাগৰত শোকৰ প্ৰভাৱ পেলালে। মৃত্যুৰ বাতৰি পাই শিৱসাগৰৰ কেবাশ মানুহে মৌন শোভাযাত্ৰা কৰি কাৰাগাৰ কৰ্তৃপক্ষৰ হাতৰ পৰা মৃতদেহটো উলিয়াই আনিবলৈ গোট খাইছিল। এই পৰিস্থিতি দেখি কাৰাগাৰ কৰ্তৃপক্ষ চিন্তাত পৰিল। সেইবাবে কাৰাগাৰ কৰ্তৃপক্ষই মৃতদেহটো হস্তান্তৰ কৰিবলৈ ভয় খালে। শোভাযাত্ৰাকাৰীসকলক নিয়ন্ত্ৰণ কৰাৰ বাবে কৰ্তৃপক্ষই চিন্তা কৰিবলৈ ধৰিলে। শেষত তেওঁলোকে শোভাযাত্ৰীসকলক তাৰ পৰা খেদি পঠিয়ায়। পুনৰ যাতে তেনে শোভাযাত্ৰা বা সভা অনুষ্ঠিত হ'ব নোৱাৰে, তাৰ বাবে লগে লগে জিলা প্ৰশাসনে নগৰত ১৪৪ ধৰা জাৰি কৰি দিয়ে।

আবেলিলৈকে অৱশ্যে কংগ্ৰেছৰ নেতৃস্থানীয় কেইজনমান ব্যক্তিৰ অনুৰোধত আৰু পৰিস্থিতিৰ অৱনতি হ'বলৈ নিদিয়াৰ আশ্বাসত তেওঁলোকৰ হাতত দ্বাৰিকীৰ মৃতদেহ গতাই দিবলৈ বাধ্য হয়। শিৱসাগৰতেই দ্বাৰিকীৰ শেষকৃত্য সম্পন্ন কৰা হৈছিল। শ্মশানলৈ মৃতদেহ লৈ যোৱাৰ সময়ত ১৪৪ ধাৰা শিৱসাগৰত জাৰি কৰিছিল। কিন্তু সেই ১৪৪ ধাৰা থকা সত্ত্বেও জোপোহাই-জুপৰিয়ে লুকাই নগৰৰ ডেকা ল'ৰাবোৰ লগ হৈ এটা সৰু শোভাযাত্ৰাৰ আয়োজন কৰি সংগ্ৰামীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ ওলাই আহিছিল। কিন্তু আৰক্ষীয়ে শোভাযাত্ৰীসকলক বাধা দিয়ে। এই বাধা নমনাত আৰক্ষীয়ে ছাত্ৰসকলক মাৰ-ধৰ কৰি সেই শোভাযাত্ৰা ভংগ কৰি পঠিয়াইছিল।

এইগৰাকী দ্বাৰিকী দাসীয়ে দেশৰ স্বাধীনতাৰ আন্দোলনত নিজৰ জীৱনৰ কৰ্মনিষ্ঠা, সময়নিষ্ঠা , ধৈৰ্যৰ আদৰ্শ দেশবাসীৰ বাবে এৰি থৈ গ'ল। তেওঁৰ কথা আজিও অসমৰ মানুহে পাহৰিব পৰা নাই। তেওঁৰ মৃত্যুত সকলো স্বাধীনতা আন্দোলনকাৰীয়ে অন্তৰত আঘাত পালে। তেওঁৰ ইচ্ছা পূৰ্ণ কৰিবলৈকে আন্দোলনকাৰীয়ে পূৰ্বতকৈ অধিক মনোবলেৰে দেশৰ স্বাধীনতা আৰু মাদকদ্ৰব্যৰ বিৰুদ্ধে আন্দোলন গঢ়ি গোটেই গোলাঘাটবাসীক একগোট কৰিবলৈ সক্ষম হয়। তেওঁ এগৰাকী দেশপ্ৰেমিক, নিৰ্ভীক, সাহসী,ধৈৰ্যশালী আৰু সহনশীল নাৰী আছিল।

সেয়েহে তেওঁ মৃত্যুলৈ ভয় নকৰি দেশৰ স্বাধীনতা আৰু মাদকদ্ৰব্য নিবাৰণৰ বাবে ভগ্ন স্বাস্থ্য লৈ কাৰাগাৰত থাকিবলৈকো ভয় কৰা নাছিল। তেওঁ আছিল নিঃস্বাৰ্থৰ প্ৰতীক। কোনো স্বাৰ্থ নোহোৱাকৈ দেশৰ স্বাধীনতাৰ বাবে মৃত্যুলৈকে যুঁজ দি তেওঁৰ আদৰ্শ অসমবাসীৰ বাবে আদৰ্শনীয় কৰি থৈ যাবলৈ সক্ষম হয়। এইগৰাকী দ্বাৰিকী দাসীৰ কৰ্মনিষ্ঠা আমাৰ বাবে আদৰণীয় হৈ ৰ'ব। □

গুণেশ্বৰী দেৱী

গুণেশ্বৰী এগৰাকী সাহসী মুক্তিযোদ্ধা আছিল। তেওঁৰ জন্মঠাই আছিল নগাঁও। সৰুৱে পৰা ঘৰৰ সকলো কাম-বন কৰি গুণেশ্বৰীয়ে ভাল পাইছিল। আজৰি সময়ত সূতা কটা, কাপোৰ বোৱা আদি কামত ব্যস্ত হৈ থাকি গুণেশ্বৰীয়ে ভাল পাইছিল। সেই সময়ত গাঁৱত ছোৱালী শিক্ষাৰ বাধা আছিল বাবে মন থকা সত্ত্বেও গুণেশ্বৰীয়ে পঢ়া-শুনা কৰিবলৈ সুবিধা নাপালে। পঢ়া-শুনা কৰিবলৈ সুবিধা নাপালেও সেই সময়ৰ মহিলাসকলে ঘৰতে বহি নাথাকি নিজৰ দেশৰ স্বাধীনতাৰ বাবে ইংৰাজৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ ওলাই আহিছিল।

ইংৰাজে ১৯৩০ চনৰ ১২ নৱেম্বৰত ভাৰতৰ সমস্যাসমূহ আলোচনা কৰিবলৈ লণ্ডনত প্ৰথম ঘূৰণীয়া মেজমেল পাতিছিল। সেই সময়ত মহাত্মা গান্ধীকে ধৰি কংগ্ৰেছৰ মুখ্য নেতাসকলক ইংৰাজে ভাৰততে কাৰাবন্দী কৰি থৈছিল। ভাৰতীয় নেতাসকলক বাদ দি একপক্ষীয়ভাৱে ভাৰতৰ সমস্যা সমাধান কৰিবলৈ লোৱা ভুৱা প্ৰচেষ্টাৰ বিৰোধিতা কৰিছিল কংগ্ৰেছকৰ্মীসকলৰ লগতে ভাৰতীয় ৰাইজে। এই আলোচনা আৰ্থাৎ ইংৰাজৰ এইখন ঘূৰণীয়া মেজমেল ইংৰাজৰ চাতুৰিৰ বাহিৰে অন্য একো নাছিল। সেয়েহে এই মেজমেলৰ বিৰুদ্ধে যাতে ভাৰতবৰ্ষত ক'তো প্ৰতিবাদ, সভা, শোভাযাত্ৰা আদিৰ আয়োজন হ'ব নোৱাৰে, তাৰ পূৰ্বপ্ৰস্তুতি হিচাপে সমগ্ৰ ভাৰতবৰ্ষতে নিষেধাজ্ঞা জাৰি কৰিছিল। কিন্তু ভাৰতৰ ৰাইজ নীৰৱে নাথাকিল। আনকি অসমতো ইয়াৰ প্ৰতিবাদ আৰম্ভ হৈছিল।

সেয়েহে অসমৰ নগাঁৱৰ ৰাইজে এই মেজমেলৰ বিৰোধিতা কৰি সংগ্ৰাম কৰিবলৈ আগবাঢ়ি আহিছিল। ১৯৩০ চনৰ ১২ নৱেম্বৰৰ দিনা নগাঁও চহৰ আৰু

ওচৰ-পাঁজৰৰ গাঁওবোৰৰ পৰা হাজাৰ হাজাৰ লোকে, বিশেষকৈ মহিলাসকলে শোভাযাত্ৰা কৰি হাতত ক'লা পতাকা লৈ ইংৰাজৰ ঘূৰণীয়া মেজমেলৰ প্ৰতিবাদ ধ্বনি দি কেউফালৰ পৰা নগাঁও চহৰত প্ৰৱেশ কৰিছিল। নগাঁও চহৰৰ শোভাযাত্ৰাৰ নেতৃত্ব দিছিল কণপাই দাসে। কলিয়াবৰৰ শোভাযাত্ৰাটো গুণেশ্বৰী দেৱীৰ নেতৃত্বত নগাঁৱত সোমাইছিল। তেনেতে কণপাই দাসক চৰকাৰৰ মানুহে গ্ৰেপ্তাৰ কৰে। এনে অৱস্থাত গোটেই শোভাযাত্ৰাৰ নেতৃত্ব গুণেশ্বৰী দেৱীয়ে ল'ব লগাত পৰিছিল। গুণেশ্বৰীয়ে ইংৰাজৰ বিৰুদ্ধে শোভাযাত্ৰাৰ ভাৰ লোৱাৰ লগে লগে আৰক্ষী দল এটাই এই শোভাযাত্ৰাত বাধা দিবৰ বাবে আগবাঢ়ি আহে। আৰক্ষী দলটোৱে শোভাযাত্ৰাটো চাৰিওফালৰ পৰা ঘেৰি ধৰে। জাতীয় পতাকা লৈ আৰক্ষী আৰু শোভাযাত্ৰাকাৰীৰ মাজত টনা-আঁজোৰা লাগে। সেই আৰক্ষীৰ উপ-পৰিদৰ্শকজনে গুণেশ্বৰী দেৱীক গ্ৰেপ্তাৰ কৰিবলৈ উদ্যত হৈ পৰে। কিন্তু শোভাযাত্ৰাকাৰীসকল ইমান দৃঢ়প্ৰতিজ্ঞ আছিল যে লাঠীচালনা হোৱা সত্ত্বেও আৰক্ষীৰ আৱেষ্টনী ভাঙি জুবিলি পথাৰত তেওঁলোকে প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল। গুণেশ্বৰীয়ে সাহসেৰে এই শোভাযাত্ৰাটোক আগবঢ়াই নিছিল। আৰক্ষীয়ে বাধা দিওঁতে গুণেশ্বৰীয়ে পুলিচৰ লাঠীলৈ ভয় কৰা নাছিল। এটা সময়ত আৰক্ষীৰ ব্যৱহাৰত তেওঁ ইমান উত্তেজিত হৈ পৰিছিল যে পুলিচৰ লাঠীডাল থাপ মাৰি ধৰি পুলিচক বাধা দিয়াৰ পৰা আঁতৰাই আন্দোলনটো আগবঢ়াই নি তেওঁৰ ব্যক্তিত্ব আৰু সাহসৰ পৰিচয় দিছিল। তেওঁৰ নেতৃত্বতে সিদিনা জুবিলি পথাৰত ইংৰাজৰ ঘূৰণীয়া মেজমেলবিৰোধী সভা অনুষ্ঠিত হৈছিল। সেই সভাত আৰক্ষীসকল সোমাই আহি শোভাযাত্ৰাকাৰীসকলক মাৰধৰ কৰে, ফলত বহুতো আন্দোলনকাৰী আহত হয়।

১২ নৱেম্বৰত হোৱা আৰক্ষীৰ অত্যাচাৰৰ প্ৰতিবাদতত নগাঁৱত পিছদিনা গুণেশ্বৰী দেৱীৰ নেতৃত্বত হৰতাল পালন কৰা হয়। চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ সন্মুখ ভাগ পিকেটিংকাৰীৰে ভৰি পৰিছিল। নগাঁও হাইস্কুলৰ সন্মুখত গুণেশ্বৰীৰ নেতৃত্বত পিকেটিং হৈছিল। সেই পিকেটিং কৰি থকা ঠাইৰ পৰা চৰকাৰে গুণেশ্বৰীক গ্ৰেপ্তাৰ কৰিছিল। লগতে অন্য কিছুমান মহিলাকো গ্ৰেপ্তাৰ কৰিছিল যদিও তেওঁলোকক এৰি দি গুণেশ্বৰীক বিচাৰৰ বাবে হাজোতত ৰাখি থৈছিল। পিছদিনা বিচাৰত গুণেশ্বৰীক ১০ টকা জৰিমনা কৰা হৈছিল। কিন্তু গুণেশ্বৰীয়ে জৰিমনা দিবলৈ অমান্তি হোৱাত তেওঁক ১৫ দিন কাৰাদণ্ড দিয়া হৈছিল। অসমত মহিলাৰ ভিতৰত আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰাৰ বাবে গুণেশ্বৰীয়ে কাৰাবৰণ কৰি সকলো মহিলাকে দেশৰ স্বাধীনতাৰ বাবে যুঁজ দিবলৈ সাহস যোগাইছিল।

কাৰাগাৰত গুণেশ্বৰীক দ্বিতীয় শ্ৰেণীৰ কাৰাবন্দী হিচাপে ৰখা হৈছিল। কিন্তু গুণেশ্বৰী দেৱীয়ে অকণো আপত্তি নকৰাকৈ দেশৰ বাবে কাৰাগাৰত বন্দী হৈ থাকিছিল। ইংৰাজৰ নানান অত্যাচাৰ, গ্ৰেপ্তাৰ, কাৰাদণ্ডই গুণেশ্বৰীৰ মন দুৰ্বল কৰিব পৰা নাছিল। গুণেশ্বৰীৰ নেতৃত্বত মহিলাসকলৰ জেদ আৰু উৎসাহ দিনকদিনে বাঢ়িহে গৈছিল। গুণেশ্বৰীৰ ধৈৰ্য আৰু সাহসে মহিলাসকলক দেশৰ বাবে কাম কৰিবলৈ প্ৰেৰণা যোগাইছিল। গুণেশ্বৰীক উদাহৰণ স্বৰূপে লৈ নগৰ- চহৰৰ মহিলাসকলে ঘৰৰ সকলো কাম চম্ভালাৰ লগতে ইংৰাজ বিদেশীৰ হাতৰ পৰা নিজৰ দেশক অসহযোগ আন্দোলনৰ যোগেদি স্বাধীন কৰিবলৈ আগবাঢ়ি আহিছিল।

জে'লৰ পৰা ওলায়েই গুণেশ্বৰী দেৱীয়ে পুনৰ আগতকৈ সক্ৰিয়ভাৱে আন্দোলনৰ কামত নামি পৰিছিল। ইখনৰ পিছত সিখনকৈ গুণেশ্বৰীৰ নেতৃত্বত নানান ঠাইত সভা-সমিতি পাতি ৰাইজক ৰাগিয়াল দ্ৰব্য আৰু বিদেশী সামগ্ৰী বৰ্জনত সক্ৰিয় আৰু অৰ্থপূৰ্ণ সহযোগিতা আগবঢ়াবলৈ শিকাইছিল। তেওঁ কংগ্ৰেছ কৰ্মীৰ নাম পঞ্জীয়নত আগভাগ লৈ দলে দলে নতুন স্বেচ্ছাসেৱকৰ নামভৰ্তি কৰি ফুৰিছিল। সেই কামত গাঁৱৰ ৰাইজে গুণেশ্বৰীক সহযোগিতা আগবঢ়াইছিল। তদুপৰি সেই সময়ত যাতায়াতৰ অসুবিধা আছিল। গুণেশ্বৰী দেৱীয়ে মহিলাসকলক লগত লৈ অনেক কষ্টৰে খোজকাঢ়ি নানান ঠাইত সভা-সমিতিৰ আয়োজন কৰি স্বাধীনতাৰ সংগ্ৰাম চলাই নিছিল। ১৯৩১ চনৰ জানুৱাৰী মাহত নগাঁৱত গুণেশ্বৰীৰ নেতৃত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। সেই সভাত নগৰ-গাঁৱৰ সকলো মানুহ আহি সভাস্থলী ঠাহ খাই পৰিছিল। গুণেশ্বৰীয়ে ৰাগিয়াল দ্ৰব্য বৰ্জন, বিদেশী বস্ত্ৰ বৰ্জন আৰু ইংৰাজৰ বিৰুদ্ধে দেশৰ স্বাধীনতাৰ বাবে অসহযোগ আন্দোলনত আগভাগ ল'বলৈ ৰাইজক গোহাৰি জনাই তেজস্বী ভাষণ দিছিল। চৰকাৰবিৰোধী ভাষণ শুনি গুণেশ্বৰীক সেই সভাতে চৰকাৰে গ্ৰেপ্তাৰ কৰে। তেনে ভাষণ দি ৰাইজক ইংৰাজৰ বিৰুদ্ধে যুঁজ দিবলৈ উদগনি দিয়াৰ বাবে গুণেশ্বৰীক চৰকাৰে চাৰি মাহ কাৰাদণ্ড বিহে।

সেই সময়তেই মহাত্মা গান্ধী আৰউইন চুক্তি স্বাক্ষৰিত হৈছিল। সেই চুক্তিৰ চৰ্ত অনুসৰি ৰাজনৈতিক বন্দীৰ লগতে কাৰাদণ্ডৰ ম্যাদ শেষ হোৱাৰ আগতেই কাৰাবাসীসকলৰ মুক্তি হৈছিল। গান্ধীৰ আৰউইন চুক্তিৰ আগতে বেছিভাগ কংগ্ৰেছৰ নেতৃস্থানীয় লোক কাৰাৰুদ্ধ হৈ থকাত তৃণমুল পৰ্যায়ত কংগ্ৰেছৰ সংগঠন অতি সোলোক-ঢোলোক হৈ পৰিছিল। সেয়েহে গুণেশ্বৰী দেৱীয়ে কাৰাগাৰৰ পৰা

ওলায়েই তেওঁৰ সহকৰ্মী মহিলাসকলক লগত লৈ নগাঁও অঞ্চলত সংগঠনৰ কামত পুনৰ উঠিপৰি লাগিছিল। গুণেশ্বৰীৰ এনে কাৰ্যত চৰকাৰৰ চকু পৰিছিল। তেওঁ সভা, সমিতি, শোভাযাত্ৰা, পিকেটিং, গঠনমুলক কাম আদিত অংশগ্ৰহণ কৰি পৰিচালনা আদি কৰাৰ উপৰি কংগ্ৰেছৰ বাণী আৰু আন্দোলনৰ কাৰ্যসুচীৰ প্ৰচাৰ অভিযানতো অসমৰ মহিলাসকলক উল্লেখযোগ্য বৰঙণি যোগাইছিল। অতি কম দিনৰ ভিতৰতে গুণেশ্বৰী দেৱীৰ কাৰ্যকলাপে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সেয়েহে ১৯৩২ চনৰ এপ্ৰিল মাহত পুনৰ তৃতীয়বাৰ গুণেশ্বৰী দেৱীক গ্ৰেপ্তাৰ কৰে। এইবাৰ গুণেশ্বৰী দেৱীক ১০০ টকা জৰিমনাসহ তৃতীয় শ্ৰেণীৰ বন্দী হিচাপে ১৮ মাহ কাৰাদণ্ড বিহা হৈছিল। গুণেশ্বৰী দেৱীক বন্দী কৰাত আৰু তেওঁক তৃতীয় শ্ৰেণীৰ বন্দী গণ্য কৰাত অসমৰ ৰাইজ জ্বলি উঠিছিল। গুণেশ্বৰী দেৱীক তৃতীয় শ্ৰেণীৰ বন্দী কৰাত চৰকাৰৰ বিৰুদ্ধে অসমৰ ৰাইজে মাত মতাত আৰু অসন্তুষ্টিৰ সৃষ্টি কৰাত চৰকাৰী পক্ষৰ পুনৰ চিন্তা বাঢ়িল। পিছত ৰাইজৰ অনুৰোধ ক্ৰমে জে'ল কৰ্তৃপক্ষই গুণেশ্বৰীক দ্বিতীয় শ্ৰেণীৰ বন্দীৰ লেখত ল'বলৈ বাধ্য হৈছিল। তদুপৰি জৰিমনাৰ অনাদায়ৰ বাবে আৰোপ কৰা ৪ মাহ কাৰাদণ্ডৰ ম্যাদো ৰাইজৰ অনুৰোধত দুমাহলৈ কমাই দিবলৈ চৰকাৰ বাধ্য হৈছিল।

এইদৰে বাৰে বাৰে গুণেশ্বৰীক গ্ৰেপ্তাৰ কৰি চৰকাৰে তেওঁৰ মহৎ উদ্দেশ্যত বাধা দিব পৰা নাছিল। কাৰাগাৰত বন্দী হৈ থাকোঁতে গুণেশ্বৰীৰ পৰামৰ্শ মতে মহিলাসকলে দেশৰ স্বাধীনতাৰ অসহযোগ আন্দোলনৰ কাম আগবঢ়াই নিবলৈ সক্ষম হৈছিল।

সেই সময়ত দেশৰ স্বাধীনতাৰ বাবে অসহযোগ আন্দোলন আৰু মাদকদ্ৰব্য বিসৰ্জন আদি অভিযানত গুণেশ্বৰীৰ কাৰ্য, অতি কৰ্মনিষ্ঠা, সময়নিষ্ঠা আছিল। নহ'লে তেওঁ কংগ্ৰেছ স্বেচ্ছাসেৱক আৰু মহিলাসকলক সময় মতে অতি নিষ্ঠাৰে বিদেশীৰ বিৰুদ্ধে যুঁজ দিবলৈ আগবঢ়াই আনিব নোৱাৰিলেহেঁতেন। গুণেশ্বৰী দেৱীৰ ধৈৰ্য্য, জ্ঞান, শক্তি আৰু সাহস লেখত ল'বলগীয়া আছিল। তেওঁ মহিলাসকলক ধৈৰ্য্য আৰু সাহসেৰে দেশৰ স্বাধীনতা অসহযোগ আন্দোলন চলাই নিবলৈ অনুপ্ৰেৰণা যোগাইছিল। গুণেশ্বৰী দেৱীৰ দেশভক্তি আৰু দেশপ্ৰেম অতুলনীয় হৈ ৰ'ব। তেওঁৰ ধৈৰ্য্য আৰু সাহস সকলো মহিলাৰ বাবে আদৰণীয় হৈ ৰ'ব। □

ছহিদ ভোগেশ্বৰী ফুকননী

দেশৰ হাজাৰ-বিজাৰ ভাৰতীয়ৰ তেজৰ বিনিময়ত ভাৰতবৰ্ষই ব্ৰিটিছৰ অধীনৰ পৰা মুক্ত হৈ স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছিল। ব্ৰিটিছবিৰোধী সংগ্ৰাম অসমতো হৈছিল।

সেয়েহে ১৯৪২ চনৰ আগষ্ট মাহৰ পূৰ্বেই অসমত ছয় ডিভিজন ব্ৰিটিছ সেনাই আহি থিতাপি লৈছিলহি। তেওঁলোকক আমেৰিকান বাহিনীয়ে লগ দিছিল। ইমানবোৰ ব্ৰিটিছ সৈন্য আৰু আমেৰিকান সৈন্য অসমলৈ অহাত অসমবাসীয়ে তেওঁলোকৰ বিৰুদ্ধে সংগ্ৰাম চলোৱাত অসুবিধা হৈ পৰিছিল। তদুপৰি স্থানীয় প্ৰশাসনৰ পুলিচ, গুপ্তচৰ বাহিনী আছিলেই। তথাপি অসমত বিয়াল্লিছৰ বিস্ফোৰণে ভয়ংকৰ ৰূপ লৈছিল। সেই সময়ত অসমক যুদ্ধৰ বাতাবৰণে আৱৰি ৰাখিছিল। অসমৰ জনগণে ব্ৰিটিছৰ বিৰুদ্ধে ওলাই আহিবলৈ ভয় কৰা নাছিল। অসমৰ জনগণে মেচিন গান, পিষ্টল-বুলেটক আওকান কৰি নিজৰ বিপ্লৱৰ পতাকা উৰুৱাই ভাৰতৰ মুক্তিযুঁজৰ বুৰঞ্জীত এক নতুন অধ্যায়ৰ সূচনা কৰিবলৈ সক্ষম হৈছিল।

অসমৰ নগাঁও জিলাতেই স্বাধীনতা সংগ্ৰামত সৰ্বপ্ৰথম ৰক্তপাত আৰম্ভ হৈছিল। চাৰিওফালে দেশৰ স্বাধীনতাৰ বাতাবৰণে মানুহৰ মন উত্তেজিত কৰি তুলিছিল। সেই স্বাধীনতা সংগ্ৰামৰ বাতাবৰণত বৰমপুৰৰ বোৱাৰী ভোগেশ্বৰী ফুকননী পিছপৰি থকা নাছিল। সেইগৰাকী দেশভক্তাৰ জন্ম হৈছিল ১৮৮৫ চনত। তেওঁ সৰুৰে পৰা সাহসী আৰু দেশভক্তা আছিল। সেয়ে তেওঁ ভোগেশ্বৰ ফুকনৰ পত্নী হৈ আঠগৰাকী সন্তানৰ মাতৃ হৈয়ো ১৯৪২ চনৰ ব্ৰিটিছবিৰোধী আন্দোলনত নামি পৰিছিল। সেই সময়খিনিত নগাঁৱৰ পৰিস্থিতি ভয়াৱহ হৈ পৰিছিল। তেওঁলোকৰ

বিদ্ৰোহে মুক্ত বিদ্ৰোহৰ আখ্যা পাইছিল। ১৯৪২ চনৰ ২৫ আগষ্টত ভোগেশ্বৰী ফুকননীৰ দলটোৱে নিষেধাজ্ঞা উলংঘা কৰি শোভাযাত্ৰা উলিয়াইছিল। তেওঁলোকে গৈ স্থানীয় ডাকঘৰ, তহচিল কাৰ্যালয় আৰু ৰে'লৱে ষ্টেছন ধ্বংস কৰিছিল। তদুপৰি ভোগেশ্বৰী ফুকননীৰ দলটোৱে বেবেজীয়াত ট্ৰাংক ৰোডৰ ওপৰত থকা দলং নষ্ট কৰিছিল। তেনে সময়তে সামৰিক বাহিনীয়ে এই কামত বাধা দিছিল। কিন্তু ১৯৪২ চনৰ ২৮ আগষ্টৰ দিনা ভোগেশ্বৰীৰ দলটোৱে মৃত্যুলৈ ভয় নকৰি মুক্ত বিদ্ৰোহ কৰা দেখি সামৰিক বাহিনীয়ে সহ্য নকৰি গুলী চলায় । সেই গুলীচালনাত সিদিনা কলাই কোচ, হেম বৰা নিহত হোৱাৰ লগতে আৰু ছয়জন লোক আহত হয়। ইয়াৰ পিছতে তেওঁৰ বিদ্ৰোহী দলটোৱে জোঙাল বলহুত দলং নষ্ট কৰিবলৈ আগবাঢ়ি যায়। সেই কামতো সামৰিক বাহিনীয়ে বাধা দিয়াত তেওঁলোকে তালৈ ভ্ৰুক্ষেপ নকৰিলে। সেয়ে সামৰিক বাহিনীয়ে গুলী চলাবলৈ বাধ্য হয়। ইয়াৰ ফলত হেমোৰাম পাতৰ আৰু গুণাভি বৰদলৈয়ে থিতাতে মৃত্যুক সাবটি লয়। কিন্তু ভোগেশ্বৰী ফুকননীয়ে মৃত্যুলৈ ভয় নকৰি দেশৰ স্বাধীনতাৰ বাবে আগবাঢ়ি গ'ল। ঘৰৰ ল'ৰা-ছোৱালী আদিৰ যতন লোৱা বাদেও তেওঁ দেশৰ স্বাধীনতাৰ বাবে সংগ্ৰামত নামি পৰিছিল। ব্ৰিটিছৰ বিৰুদ্ধে যুঁজিবলৈ তেওঁ থমকি নৰ'ল। তেওঁৰ দলৰে তিলক ডেকাই গাঁৱৰ ৰাইজক শিঙা বজাই পুলিচ অহাৰ খবৰ দিছিল। সেই শিঙাৰ মাত শুনাৰ লগে লগে ভোগেশ্বৰীৰ দলটোৱে সাৱধানেৰে কাম হাতত লৈছিল। তিলক ডেকাৰ এনে সাহস দেখি পুলিচে তেওঁক গুলীয়াই হত্যা কৰে। তথাপি গাঁৱৰ ৰাইজে ভোগেশ্বৰীৰ নেতৃত্বত পুলিচৰ গুলীলৈও ভয় নকৰি দেশৰ স্বাধীনতাৰ বাবে অশেষ কষ্ট কৰি ১৯৪২ চনৰ গণ আন্দোলন চলাই নিছিল। ইয়াৰ ফলতেই তেওঁলোকে আনকি বৰমপুৰত পুলিচৰ হাতৰ পৰা শান্তি সেনা শিবিৰটো দখল কৰিবলৈ সক্ষম হৈছিল। দেশৰ এটা সামৰিক বাহিনীৰ হাতৰ পৰা শান্তি সেনা শিবিৰটো কাঢ়ি ল'ব পৰাটো সৰু কথা নাছিল। কিন্তু সেই সামৰিক বাহিনী নীৰৱে বহি থকা নাছিল। তেওঁলোকে পুনৰ বিদ্ৰোহী বাহিনীৰ ওপৰত অত্যাচাৰ চলায়। সামৰিক বাহিনীৰ অত্যাচাৰত দেশৰ জনতা উত্তেজিত হৈ পৰিল। ভোগেশ্বৰীয়ে ৰাইজৰ লগতে বঢ়মপুৰ শিবিৰৰ কংগ্ৰেছৰ বিভিন্ন কাৰ্যসূচীত সাহসেৰে যোগ দিবলৈ আগবাঢ়ি আহে। সেই বিদ্ৰোহী জনতা দমন কৰিবলৈ সামৰিক বাহিনী আহিল। সেই দলৰ নায়ক আছিল কেপ্তেইন ফিনিচ। এই সামৰিক বাহিনী অহা খবৰ পাই আবাল বৃদ্ধ-বণিতা স্বতঃস্ফূৰ্তভাৱে সামৰিক বাহিনীক বাধা দিবলৈ দলে-বলে হাতে হাতে পতাকা লৈ শোভাযাত্ৰা কৰি ওলাই

আহিল। সেই দলৰ নেতৃত্ব দিলে ৰত্নমালা আৰু ভোগেশ্বৰী ফুকননীয়ে।

জনতাৰ সাহস দেখি কেপ্তেইন ফিনিচ অবাক হৈ পৰিল। গুলীলৈ ভয় নকৰি সকলো জনতাই বীৰৰ দৰে হাতত পতাকা লৈ আগবাঢ়ি অহা কেপ্তেইন ফিনিচে লক্ষ্য কৰিলে। ক্ৰমে জনতাৰ ভিৰ বাঢ়ি অহা দেখি তেওঁ ইয়াক বাধা দিবলৈ যত্ন কৰিলে। সেয়ে তেওঁ প্ৰথমতে ৰত্নমালাৰ হাতৰ পৰা পতাকাখন কাঢ়ি নিবলৈ জোৰ-জবৰদস্তি কৰিলে। ত্ৰিৰংগ পতাকাৰ অপমান মানেই দেশৰ অপমান। ত্ৰিৰংগ পতাকাৰ অপমান কোনেও সহ্য কৰিব নোৱাৰিলে। ফিনিচে ত্ৰিৰংগ পতাকাখন টনা-আঁজোৰা কৰাৰ ফলত ৰত্নমালা মাটিত পৰি গ'ল। এই সুযোগতে ত্ৰিৰংগ পতাকাখন কেপ্তেইনে কাঢ়ি ল'লে। এই কাৰ্যত ভোগেশ্বৰী ফুকননী গৰজি উঠিল। তেওঁ উত্তেজিত হৈ পৰিল। ভোগেশ্বৰী ফুকননীয়ে মৃত্যুলৈ ভয় নকৰি দেশৰ স্বাধীনতাৰ বাবে আগবাঢ়ি গল। কেপ্তেইনে ভোগেশ্বৰী ফুকননীক আগবাঢ়ি যোৱাত বাধা দিলে। বহুতো সামৰিক বাহিনীয়ে আগুৰি ধৰাত তেওঁ উপায় নাপায় নিজৰ হাঁতত থকা পতাকাখনৰ মাৰিডালেৰে কেপ্তেইনক বাধা দিবলৈ ধৰিলে আৰু কেপ্তেইনক মাৰিডালেৰে মুখত খোঁচ মাৰি দিলে। ফিনিচে সুবিধা বিচাৰি আছিল। ভোগেশ্বৰীয়ে নিজৰ দেশৰ স্বাধীনতাৰ বাবে সামৰিক বাহিনীৰ বাধা নামানি, আনকি কেপ্তেইনক তেনে ব্যৱহাৰ কৰাৰ সুযোগ লৈ ৰিভল্‌ভাৰ উলিয়াই ভোগেশ্বৰী ফুকননীৰ মূৰলৈ লক্ষ্য কৰি ওপৰা-ওপৰিকৈ গুলীয়াবলৈ ধৰিলে। ভোগেশ্বৰী ফুকননীৰ মূৰৰ খোলা উৰি গল। তেজেৰে ৰাঙলী হৈ ঢলি পৰিল তেওঁ। জাতীয় পতাকাৰ সন্মান ৰক্ষা কৰিবলৈ গৈ সাহসেৰে তেওঁ ব্ৰিটিছৰ গুলী শিৰ পাতি লৈ মৃত্যুক সাবটি ল'লে। দেশৰ স্বাধীনতাৰ কাৰণে আন্দোলন কৰি তেওঁ ছহিদ হৈ ৰ'ল। ১৯৪২ চনৰ গণ আন্দোলনৰ অসমত ভোগেশ্বৰী ফুকননী প্ৰথম মহিলা ছহিদ আছিল। এইগৰাকী সাহসী মাতৃ বিশ্বৰ সকলো মাতৃৰ বাবে গৌৰৱৰ আদৰ্শনীয় প্ৰতীক। এনেসকল সাহসী ছহিদৰ বাবেই আজি আমি স্বাধীন দেশত থাকিবলৈ সক্ষম হৈছোঁ। ভোগেশ্বৰী ফুকননী সদায় আমাৰ মাজত অমৰ হৈ ৰ'ব।□

ছহিদ কনকলতা

ভাৰতবৰ্ষই ব্ৰিটিছ শাসনৰ পৰা মুক্ত হ'বৰ বাবে অসহযোগ আন্দোলন বাছি লৈছিল। ১৯৪২ চনৰ ৭-৮ আগষ্টত বোম্বাইত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ ঐতিহাসিক বৈঠকত লোৱা সিদ্ধান্তৰ পিছত গান্ধীজীয়েই হেনো কৈছিল— 'এই মুহূৰ্তৰ পৰাই আপোনালোকৰ প্ৰত্যেকেই নিজকে মুক্ত বুলি গণ্য কৰা আৰু মুক্তভাৱে কাম কৰা উচিত। সম্পূৰ্ণ স্বাধীনতাৰ বাহিৰে মই একোতে সন্তুষ্ট নহ'ম। আমি কৰিম অথবা মৰিম। আমি হয় ভাৰতক মুক্ত কৰিম, নহয় মুক্ত কৰা প্ৰচেষ্টাতে মৃত্যুবৰণ কৰিম।' সেয়ে ৯ আগষ্টৰ পুৱাই বোম্বাইত গান্ধীজী সমন্বিতে নিখিল কংগ্ৰেছ কমিটীৰ ১৪৮জন ভাৰতীয় কংগ্ৰেছী নেতাক গ্ৰেপ্তাৰ কৰে আৰু তেওঁলোকক কাৰাগাৰত বন্দী কৰি থৈছিল। এইদৰে ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত ভাৰতৰ জনগণ আগবাঢ়ি আহিল। স্বাধীনতাৰ বাবে তেওঁলোকে 'ব্ৰিটিছ চৰকাৰক উচ্ছেদ কৰি ভাৰতবৰ্ষক স্বাধীনতা অৰ্পণ কৰা' সিদ্ধান্তটোৰ প্ৰতিক্ৰিয়া ভাৰতৰ চাৰিওফালে গভীৰ হৈ পৰিছিল। ভাৰতৰ জনগণৰ বাবে এই সিদ্ধান্তটো সেয়েহে 'ভাৰত ত্যাগ' (Quit India) হিচাপে জনপ্ৰিয় হৈ পৰিল। লাহে লাহে এই 'ভাৰত ত্যাগ' সিদ্ধান্তটো অসমৰ ৰাইজৰ মাজত বিয়পি পৰিল।

নগাঁও জিলাতেই স্বাধীনতা সংগ্ৰামত সৰ্বপ্ৰথম ৰক্তপাত হৈছিল। স্থানীয় নেতৃত্বৰ অদূৰদৰ্শিতাৰ বাবেই নগাঁৱৰ ৰাইজে উত্তেজিত হৈ নিৰস্ত্ৰ হৈও সশস্ত্ৰ বাহিনীৰ সন্মুখত আগভেটি ধৰিছিল।

পৰাধীন দেশতে গহপুৰৰ বৰঙাবাৰীত জন্ম হৈছিল কনকলতাৰ। তেওঁৰ মাকৰ নাম আছিল কৰ্ণেশ্বৰী বৰুৱা আৰু দেউতাকৰ নাম কৃষ্ণকান্ত বৰুৱা। কনকলতা

সৰুৰে পৰা বৰ সাহসী আছিল। 'স্বাধীনতাৰ মুকুট অক্ষত কৰিছিল বীৰ লাচিতেই' সেই কথা তেওঁ আইতাকৰ পৰা শুনিছিল। সেই স্বাধীন অসম আকৌ পৰাধীন হ'ল ব্ৰিটিছৰ বাবে। সেয়ে তেওঁ নিজৰ দেশক স্বাধীন কৰাৰ বাবে অসমৰ জনগণৰ লগত ১৯৪২ চনৰ স্বাধীনতাৰ গণ আন্দোলনত ভাগ ল'বলৈ আগবাঢ়ি আহিছিল। ১৯২১ চনত গান্ধীজীয়ে আৰম্ভ কৰা অসহযোগ আন্দোলনত মহিলাসকলে সদলবলে যোগ দিয়াৰ কথা তেওঁ শুনিবলৈ পাইছিল। সেই সময়ত গান্ধীজীয়েই কৈছিল— 'মোৰ অহিংসা-অসহযোগত পুৰুষ শক্তিকৈ স্ত্ৰী শক্তিৰহে প্ৰয়োজন বেছি।' মহাত্মা গান্ধীৰ এই বাণীত মহিলাসকল অনুপ্ৰাণিত হৈছিল। ইয়াৰ প্ৰভাৱ অসমতো পৰিছিল। সেই সময়ত সংগ্ৰাম ধৰ্মীসকলক দুটা ভাগত ভগাই লোৱা হৈছিল। শান্তি বাহিনী আৰু মৃত্যু বাহিনী। অসমৰ বহুতো যুৱক-যুৱতীয়ে এই বাহিনীত যোগদান কৰিছিল।

গহপুৰৰ বৰঙাবাৰীৰ কনকলতাই সেই বাহিনীত যোগ দিবলৈ মন কৰিলে। সেই সময়ত তেওঁ মাত্ৰ ১৬ বছৰ বয়সত ভৰি দিছিল। তেওঁ দেশৰ স্বাধীনতাৰ বাবে স্বইচ্ছাই অসহযোগ আন্দোলনত নামি পৰিছিল। এই বিয়াল্লিছৰ বিপ্লৱৰ ঢৌৱে অসমৰ জনগণক দেশৰ স্বাধীনতাৰ বাবে জগাই তুলিছিল। গহপুৰৰ বৰঙাবাৰীৰ যোড়শী কনকলতাই মৃত্যু বাহিনীত যোগ দিছিল। অনেকে তেওঁৰ এই কাৰ্যত বাধা দিছিল। তেওঁ কিন্তু দেশৰ স্বাধীনতাৰ বাবে কাৰো কথা নামানি এই বাহিনীলৈ ওলাই আহিছিল।

ঁঅমিয় কুমাৰ দাসৰ গোড়া অহিংস নীতি প্ৰচাৰৰ প্ৰভাৱত দৰং জিলাত সত্যাগ্ৰহ হৈছিল। সত্যাগ্ৰহীয়ে থানাঘৰত ৰাষ্ট্ৰীয় পতাকা প্ৰতিষ্ঠা কৰিবলৈ গৈছিল। এই কামত পুলিচৰ বাধা আহি পৰিছিল। তেওঁলোকে আন্দোলন মষিমূৰ কৰাৰ কাৰণে সত্যাগ্ৰহীৰ ওপৰত গুলীচালনা কৰে। এই গুলীচালনাত ১২ বছৰীয়া থুলেশ্বৰী নামৰ এজনী ছোৱালীৰ লগতে কুৰিজন সত্যাগ্ৰহী নিহত হয় আৰু এশজনৰো অধিক আহত হয়। সেই সত্যাগ্ৰহত প্ৰাণ দিয়া ছহিদসকলক দেখি জনতা বিচলিত হোৱা নাছিল। 'নাই মৰিম, নাই তৰিম' —এই বাণীত আপ্লুত হৈ স্বাধীনতাপ্ৰয়াসীসকলে আন্দোলনত জঁপিয়াই পৰিছিল।

১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে গহপুৰ থানাত ত্ৰিৰঙ্গ পতাকা তুলিবলৈ কাৰ্যসুচী লৈছিল। সেই কাৰ্যসুচীত প্ৰায় চাৰি হাজাৰ মৃত্যু বাহিনীৰ সদস্য আৰু শান্তি বাহিনীৰ সদস্যই যোগ দিছিল। এই ত্ৰিৰঙ্গ পতাকা তোলাৰ কাৰ্যসুচীৰ নেতৃত্ব দিবলৈ আগবাঢ়ি আহিছিল সাহসী দেশভক্তা কিশোৰী কনকলতাই। তেওঁ হাতত

ত্ৰিৰঙ্গ পতাকা লৈ কমলাবাৰীৰ ফালৰ পৰা প্ৰায় চাৰি হাজাৰ আৰু বৰঙাবাৰীৰ ফালৰ পৰা অহা প্ৰায় চাৰি হাজাৰ মৃত্যু বাহিনী আৰু শান্তি বাহিনীক নেতৃত্ব দি থানাৰ ফালে আগবাঢ়ি আহিল। গহপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ পৰা শান্তিপূৰ্ণভাৱে পতাকা তুলিবলৈ সাহসী কনকলতাই প্ৰথমতে অনুমতি বিচাৰিছিল। বিষয়াজনে ৰঙা চকু দেখুৱাই হুংকাৰ দি ক'লে— 'এখোজ আগবাঢ়িলেই গুলী কৰা হ'ব।' এনে হুংকাৰে সাহসী কনকলতাৰ মন অকণো বিচলিত কৰিব নোৱাৰিলে। গান্ধীজীৰ মৃত্যু বা মুক্তিমন্ত্ৰত দীক্ষিত কনকলতাই হাতত ত্ৰিৰঙ্গ পতাকা লৈ থানাত তুলিবলৈ বীৰদৰ্পে আগবাঢ়ি গল । নিজৰ জীৱনকৈ দেশৰ স্বাধীনতাক অধিক মূল্য দিবলৈ যাওঁতে বৰ্বৰ পুলিচৰ নিষ্ঠুৰ গুলীয়ে কিশোৰী কনকলতাৰ শৰীৰ থকা-সৰকা কৰিলে। জাতীয় পতাকা হাতত লৈয়ে বাগৰি পৰা কনকলতাৰ হাতৰ পৰা সহযাত্ৰী মকুন্দ কাকতিয়ে ত্ৰিৰঙ্গ পতাকাখন মাটিত পৰিবলৈ নিদি থাপ মাৰি ধৰিলে। মৃত্যুৱে স্বাধীনতাপ্ৰেমী কনকলতাক সাবটি ল'লে। এইগৰাকী কিশোৰী কনকলতাৰ দেশপ্ৰেম অতি অতুলনীয়। তেওঁ সাহসেৰে মৃত্যু বাহিনীত যোগ দি দেশৰ স্বাধীনতাৰ বাবে মৃত্যুক সাবটি লৈ নিজৰ আদৰ্শ অটুট ৰাখিবলৈ সক্ষম হ'ল। পুলিচৰ নিষ্ঠুৰ গুলীলৈ ভয় নকৰি কৰ্তব্যনিষ্ঠাৰে তেওঁ থানাত পতাকা তুলিবলৈ যোৱাটো কম কথা নাছিল। সেয়ে কিশোৰী কনকলতা অকল ছহিদেই নহয়, তেওঁ জাতীয় বীৰাংগনা সন্মানেৰে বিভূষিতা হ'ল। কিশোৰী কনকলতাই সময়ৰ লেখাৰে নহয়, কৰ্মৰ লেখাৰেহে জীৱনৰ মূল্য নিৰূপণ কৰি থৈ গ'ল। তেওঁ দেশৰ প্ৰতি থকা ভক্তি আৰু স্বাধীনতাৰ গভীৰ প্ৰেম অতি চমু জীৱনতে প্ৰকাশ কৰি থৈ যাবলৈ সক্ষম হ'ল। সেয়ে এই কিশোৰী কনকলতা আজিৰ কিশোৰ-কিশোৰীসকলৰ বাবে আদৰ্শনীয়। তেওঁ সদায় আমাৰ মাজত চিৰস্মৰণীয় হৈ ৰ'ব। ❑

ইন্দিৰা মিৰি

জীৱনৰ বিভিন্ন সময়ত বিভিন্ন কৰ্মক্ষেত্ৰত গৌৰৱময় স্থানত উপৱিষ্ট হৈছিল এইগৰাকী অসমীয়া নাৰীয়ে। সেয়ে এইগৰাকী মহিলাৰ নাম এক বিশেষ সন্মানেৰে লোৱা হয়।

তেখেতৰ জন্ম ১৯১০ চনৰ বিজয়া দশমী তিথিত হৈছিল। গুৱাহাটীৰ সম্ভ্ৰান্ত সেনাপতি পৰিয়ালৰ সোণাধৰ সেনাপতি আৰু দিব্যকান্তি দাসৰ সন্তান আছিল ইন্দিৰা মিৰি। শৈশৱত পিতৃৰ সহায়-সহযোগত ডাঙৰ হৈছিল তেওঁ। সৰুতেই ঘৰুৱা দায়িত্ব আগ্ৰহেৰে পালন কৰিবলৈ শিকিছিল। ইন্দিৰা মিৰিৰ পিতৃৰ চাৰিগৰাকী পত্নী আছিল। কিন্তু আটাইকেইগৰাকীৰ অকালতে মৃত্যু হোৱাত ঘৰুৱা কামৰ বোজা তেওঁ সৰু হৈ থাকোঁতেই ল'ব লগাত পৰিছিল। ১৩টি ভাই-ভনীৰে জাকৰুৱা ঘৰখনৰ দায়িত্ব সৰুতেই তেওঁ ল'ব লগা হৈছিল। তেওঁ ঘৰখনৰ দায়িত্ব যিদৰে লৈ ভালদৰে চলাইছিল, ঠিক সেইদৰে কম বয়সৰ পৰাই নিজৰ পঢ়া-শুনা ভালদৰে কৰিবলৈ লৈছিল। তেওঁ শ্বিলঙত প্ৰাথমিক শিক্ষা লাভ কৰি কলিকতালৈ গৈ তাৰ পৰা হাইস্কুলীয়া আৰু কলেজীয়া শিক্ষা সুখ্যাতিৰে সমাপ্ত কৰিছিল।

ইন্দিৰা মিৰিৰ কলিকতাত থকা সময়তে বিভিন্ন পণ্ডিত, মুক্তিযোদ্ধা, শিক্ষাবিদ আৰু কবিগুৰুৰ সান্নিধ্য লাভ কৰিবলৈ সৌভাগ্য ঘটিছিল। সেই সময়তে তেওঁৰ সংগীতৰ প্ৰতি ধাউতি বাঢ়িছিল। তেওঁ ৰবীন্দ্ৰ সংগীত বৰ ভাল পাইছিল।

তেওঁ ১৯৩২ চনত স্নাতক ডিগ্ৰী কলিকতাৰ পৰা লয়। তাত থকা সময়ছোৱাতে তেওঁৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশসমূহ গঢ় লৈ উঠে। সেই সময়তে তেওঁ ১৯২৮ চনত কংগ্ৰেছ মহাসভাত যোগদান কৰে। তেওঁ আনকি ভলণ্টিয়াৰো

হয়। তাতেই তেওঁ গান্ধীজী, সুভাস চন্দ্ৰ বসু প্ৰমুখ্যে নেতাসকলৰ ভাষণ শুনি আপ্লুত হয়। তেওঁ জোড়াসাঁকোলৈ গৈ কবিগুৰুৰ ৰবীন্দ্ৰ সংগীত শুনিছিল। তদুপৰি কবিগুৰুৰ নাটক চোৱা, সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰা আদি অভিজ্ঞতাই তেওঁৰ জীৱনত বৰকৈ প্ৰভাৱ পেলাইছিল। তেওঁ বৰ সাহসী আছিল বাবেই জীৱনত ক'তো হাৰ মনা নছিল।

তেওঁ বি এ পাছ কৰাৰ পিছতে দেউতাকৰ ইচ্ছামতে বিবাহ কৰায়। বিবাহিত জীৱন ভালেই আছিল যদিও তিনিটা সন্তানৰ মাতৃ হোৱাৰ কিছুদিনৰ পিছতে তেওঁ স্বামীক অকালতে হেৰুৱাই বৈধব্য জীৱন কটাবলগীয়া হয়। কিন্তু জীৱনৰ এনে ঘটনাই তেওঁক কাবু কৰিব নোৱাৰিলে। তেওঁ পুনৰ মূৰ তুলি নিজৰ জীৱন আগবঢ়াই নিবলৈ সক্ষম হয়। তেওঁৰ মনোবল বৰ দৃঢ় আছিল বাবেই জীৱনলৈ অহা সকলো সমস্যাকে হেলাৰঙে জয় কৰি জীৱনটো আগবঢ়াই নিবলৈ অলপো থমকি ৰ'ব লগা নহ'ল। তেওঁ বিশেষ মনোবলৰ অধিকাৰী হোৱা বাবেই দেউতাকৰ দায়িত্বত সন্তানকেইটাক এৰি ১৯৪৩ চনত আহমেদাবাদত মেডাম মণ্টেশ্বৰীৰ প্ৰশিক্ষণ ল'বলৈ সক্ষম হৈছিল। ইয়াৰ পিছতে তেওঁ বিদেশত পঢ়িবলৈ এক চৰকাৰী বৃত্তি লাভ কৰি তেওঁ পুনৰ বি এড পঢ়িবৰ বাবে সুদূৰ বিলাতৰ এডিনবৰা বিশ্ববিদ্যালয়লৈ যায়। সেইটো সময়ত জাহাজেৰে বিলাতলৈ পঢ়িবলৈ যোৱাৰ দৃষ্টান্ত অতি বিৰল আছিল। বিলাতৰ পৰা সুখ্যাতিৰে শিক্ষা সমাপ্ত কৰি অহাৰ পিছত ১৯৪৭ চনত ইন্দিৰা মিৰিয়ে অৰুণাচল (তেতিয়াৰ 'নেফা')ৰ শিক্ষা প্ৰসাৰৰ এক গুৰু দায়িত্ব বহন কৰে। সেই সময়ত বাট-পথ ভাল নথকা দুৰ্গম পাহাৰত জনজাতিৰ ভাষাৰ দুৰ্বোধ্যতা আৰু অন্যান্য অসুবিধাৰ মাজতো এগৰাকী মহিলাৰ বাবে শিক্ষা বিষয়া হৈ কাৰ্যনিৰ্বাহ কৰাটো সঁচাকৈয়ে বৰ অসম্ভৱ আছিল। তেনেস্থলত এইগৰাকী মহিলাই শীত, বৰ্ষা, গ্ৰীষ্ম একো নামানি জেঠৰ প্ৰখৰ গৰমত, বৰ্ষাৰ বৰষুণত, শীতৰ হাড় কঁপোৱা জাৰত নিজৰ জীৱনৰ দায়িত্ব ভালদৰে চম্ভালিছিল।

ইন্দিৰা মিৰি কেৱল শিক্ষাৰ প্ৰসাৰতে নহয়, সমাজসেৱা, প্ৰকৃতিপ্ৰেম, সংস্কাৰমুক্ত চিন্তাধাৰা আদি গুণৰ গৰাকী আছিল। এটি সম্ভ্ৰান্ত পৰিয়ালত জন্ম হৈ জীৱনত অভাৱ অনুভৱ নকৰাকৈ ডাঙৰ-দীঘল হোৱা ইন্দিৰা মিৰিয়ে সুদীৰ্ঘ এক দশক কাল অতি সফলতাৰে 'নেফা'ৰ বিভিন্ন প্ৰান্তত শিক্ষা প্ৰচাৰ অভিযান চলাই নিজকে বিশিষ্ট শিক্ষাবিদৰ স্থানত প্ৰতিষ্ঠিত কৰিছিল। তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'মই আৰু নেফা'ৰ পাতনিত লিখিছিল— 'নেফা তেতিয়া প্ৰায় সম্পূৰ্ণভাৱেই অজান্তি মুলুক......... বৰ্তমানৰ কোনো সা-সুবিধা নাই। হাবি-বননিতে মানুহখিনিয়ে এক

উপমানৱিক জীৱন কটাইছিল। তেনে ঠাইত শিক্ষাৰ প্ৰসাৰ এক অতি কঠিন কাম আছিল। হয় আক্ৰমণ, নহয় পলায়ন। গতিকে এনে ঠাইত প্ৰথম খোজ পেলাবলৈ বহু চিন্তা কৰিব লগা হৈছিল। এনে অৱস্থাত মই এক দশকত শিক্ষাৰ আধাৰশিলাহে পাতিব পাৰিলো। সৌধ নিৰ্মাণ নহ'ল। পিছে আধাৰশিলাৰ পোতন যিমানে দ হয় আৰু যিমানে বিস্তৃত হয়, তাৰ ওপৰতে নিৰ্ভৰ কৰে সৌধৰ উচ্চতা আৰু দৃঢ়তা। মোৰ সৌভাগ্য যে আজিৰ নেফাৰ শিক্ষা সৌধ মই স্থাপন কৰি অহা আধাৰশিলাতে নিৰ্মিত হৈছে।' তেওঁৰ লেখাতে প্ৰকাশ পাইছে তেওঁৰ সাহস, কৰ্মনিষ্ঠা, সমাজসেৱা আদিৰ চৰিত্ৰৰ অন্যান্য দিশবোৰ।

ইন্দিৰা মিৰিৰ সকলোবোৰ গোড়া অন্ধবিশ্বাস, কুসংস্কাৰৰ প্ৰতি বিশ্বাস নাছিল। অন্ধবিশ্বাস তেওঁ কেতিয়াও মানি লোৱা নাছিল। কিন্তু অন্ধবিশ্বাসৰ বাহিৰত থকা সামাজিক ৰীতি-নীতিৰ ওপৰত তেওঁৰ সম্পূৰ্ণ আস্থা আছিল। ঘৰৰ নীতি-নিয়ম তেওঁ পালন কৰি আনন্দিত হৈছিল। আনকি এইগৰাকী ইন্দিৰা মিৰিয়ে পুৱা স্নান কৰি পূজা নকৰাকৈ আহাৰ গ্ৰহণ নকৰিছিল। তেওঁ অনুভৱ কৰিছিল যে নাৰীয়ে যিমান স্বাধীনভাৱে আগবাঢ়ি নাযাওক কিয়, সমাজৰ পৰম্পৰা, সংস্কাৰ আদি মানি চলিলে সমাজৰ বাবে ভাল। তদুপৰি এনে কাৰ্যই ঘৰখনক সবল কৰি ৰাখে। এনে মনোবলৰ মাজেৰে ইন্দিৰা মিৰিয়ে নিজৰ জীৱনৰ প্ৰত্যেক কামতে আগবাঢ়ি গৈ নাৰী সমাজৰ বাবে আদৰ্শনীয় নাৰী হিচাপে প্ৰতিষ্ঠিত হ'ল।

এই গৰাকী কৰ্মযোগী, আদৰ্শ নাৰী ৯০ বছৰ জীয়াই থাকি মৃত্যুক সাবটি লয়। ইন্দিৰা মিৰি অসমীয়া সমাজৰ এগৰাকী উচ্চ শিক্ষিতা মানৱসেৱী, প্ৰকৃতিপ্ৰেমী, সাহসী, সংস্কাৰমুক্ত আদৰ্শনীয় নাৰী হিচাপে চিৰস্মৰণীয় হৈ ৰ'ব। ❑

চন্দ্ৰপ্ৰভা শইকীয়ানী

নিজৰ কৰ্মৰ যোগেদি মহীয়ান হোৱা চন্দ্ৰপ্ৰভা শইকীয়ানী এগৰাকী অন্যতম মহিলা। এইগৰাকী মহীয়সী নাৰীৰ কামৰূপ জিলাৰ বজালী অঞ্চলত ১৯০১ চনৰ ১৬ মাৰ্চত জন্ম হৈছিল। তেওঁৰ সৰুৰে পৰা পঢ়া-শুনাত বৰ ৰাপ আছিল। কিন্তু সেই সময়ত স্ত্ৰী শিক্ষাৰ প্ৰসাৰ হোৱা নাছিল বাবে তেওঁ ইচ্ছামতে শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব পৰা নাছিল। কিন্তু তেওঁৰ সচেতন পিতৃ ৰতিৰাম মজুমদাৰ আৰু মাতৃ গংগাপ্ৰিয়াৰ অশেষ যত্নতে ভালুকী গাঁৱৰ প্ৰাইমাৰী স্কুলৰ পৰা শেষ পৰীক্ষা পাছ কৰিবলৈ সক্ষম হয়। সেই সময়ত বিশেষকৈ ছোৱালীৰ ক্ষেত্ৰত শিক্ষাৰ বাবে বাধা আৰোপ কৰিছিল। সমাজৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰবোৰৰ বাবে চন্দ্ৰপ্ৰভাই মনত আঘাত পাইছিল। সেয়ে তেওঁ সামাজিক ব্যৱস্থাক আওকান কৰি কঁঠালমূৰীৰ ল'ৰাৰ এম ভি স্কুললৈ কিছুদিন গৈছিল। ইয়াৰ বাবে সমাজৰ নানাজনে নানা কথা তেওঁক শুনাইছিল। কিন্তু তেওঁ সেইবোৰলৈ ভয় কৰা নাছিল। নিজৰ শিক্ষাৰ বাবে দুৰ্গম পথেদি বাটকুৰি বাবলৈ তেওঁ অলপো বেয়া নাপাইছিল। আনকি এৰঁকাল পানী পাৰ হৈ তেওঁ শিক্ষাগ্ৰহণ কৰিছিল। পানী পাৰ হৈ যাবলৈ তিয়নি লৈ যাব লগা হৈছিল। সৰুকালতে মহিলাৰ প্ৰতি থকা সমাজৰ অৱহেলাৰ প্ৰতি বিৰোধী মনোভাব এটাই তেওঁৰ মনত গা কৰি উঠে। কাৰণ তেওঁৰ শিক্ষাৰ বাবে সমাজৰ মানুহে উৎসাহ যোগোৱাৰ পৰিৱৰ্তে বাধাহে আৰোপ কৰাত তেওঁ মানসিকভাৱে প্ৰথমতে ভাগি পৰিছিল। কিন্তু তেওঁ পিছলৈ সমাজৰ সকলো অন্ধবিশ্বাসক নেওচি নিজৰ শিক্ষাৰ বাবে আগবাঢ়ি গৈছিল। তদুপৰি তেওঁ ডাঙৰ হৈ অহাৰ লগে লগে সমাজৰ মহিলাৰ প্ৰতি থকা অৱহেলাৰ বাবে তেওঁৰ মনোভাব অতি বিদ্ৰোহী হৈ পৰিছিল।

সমাজৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰক আঁতৰাবৰ বাবে তেওঁ দৃঢ় মনোভাব গঢ়ি তুলিছিল। শিক্ষানুৰাগী চন্দ্ৰপ্ৰভাই শিক্ষা লোৱাৰ পিছত তেওঁৰ সমনীয়া ছোৱালী আৰু ভৱিষ্যতৰ ছোৱালীৰ শিক্ষাৰ বাবে তৎপৰ হৈ পৰে। সেই কামত তেওঁ ব্ৰতী হ'বলৈ বেছিদিন নালাগিল। স্ত্ৰী শিক্ষা প্ৰসাৰৰ বাবে তেওঁ অকয়া গাঁৱত এখন বালিকা বিদ্যালয় প্ৰতিষ্ঠা কৰে। তেওঁ নিজেই সেই বিদ্যালয়ত শিক্ষাদানত ব্ৰতী হৈ পৰিছিল। অনেক কষ্টৰে তেওঁ এই শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত অনেক অৰিহণা যোগালে। ত্যাগ আৰু নিষ্ঠাৰে এই পবিত্ৰ কামত আত্মোৎসৰ্গা কৰি থকা সময়তে বিদ্যালয় পৰিদৰ্শক এবাৰ সেই বিদ্যালয়লৈ আহিছিল। চন্দ্ৰপ্ৰভাৰ প্ৰতিভা দেখি তেওঁ বৰ সন্তোষ পালে। সেয়ে পৰিদৰ্শক নীলকান্ত বৰুৱাই চন্দ্ৰপ্ৰভাক নগাঁৱৰ মিছন স্কুলত শিক্ষা আহৰণ কৰিবলৈ পৰামৰ্শ দিয়ে। এই পৰামৰ্শ পাই চন্দ্ৰপ্ৰভাই ১৯১৫ চনত নগাঁৱৰ মিছন স্কুলত নামভৰ্তি কৰে।

কিন্তু সেই সময়ত বিশেষ উল্লেখযোগ্য বিষয় আছিল খ্ৰীষ্টান ধৰ্মৰ কথা। মিছন স্কুলবিলাক ভাৰতত ব্ৰিটিছ চৰকাৰে প্ৰতিষ্ঠা কৰিছিল কেৱল শিক্ষা দিয়াৰ মাধ্যমেৰে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰা। কিন্তু চন্দ্ৰপ্ৰভা আৰু ভনীয়েক আছিল হিন্দুধৰ্মী। সেয়ে তেওঁলোক দুয়োকে এটা সৰু কোঠাত থাকিবলৈ সুবিধা কৰি দিছিল। শিক্ষাৰ সুবিধা পাই তেওঁ নথৈ আনন্দিত হৈ পৰিল। পঢ়া-শুনাত মন দিয়াত তেওঁ মিছন স্কুলৰ পৰীক্ষাতো ভাল ফল লাভ কৰিব পাৰিলে। এবাৰ এগৰাকী ছোৱালী সেই মিছন স্কুললৈ পঢ়িবলৈ আহিছিল। তেওঁ হিন্দুধৰ্মী আছিল। সেয়ে তেওঁক ছাত্ৰী নিবাসৰ অভাৱ দেখুৱাই খ্ৰীষ্টধৰ্ম গ্ৰহণ নকৰাৰ বাবে এটা গুদাম ঘৰত থাকিবলৈ দিলে। চন্দ্ৰপ্ৰভাই অন্যায় সহ্য কৰিব নোৱাৰিছিল। অন্যায় দেখিলে প্ৰতিবাদ তেওঁ সৰুৰে পৰা কৰিছিল। সেয়ে তেওঁৰ প্ৰতিবাদী সত্বাটোৱে নীৰৱে থাকিব নোৱাৰিলে। ছোৱালীজনীক কৰা তেনে অন্যায়ৰ কথা তেওঁ নৰ্মাল স্কুলৰ ছোৱালীবিলাকৰ আগত অৱগত কৰিলে। চন্দ্ৰপ্ৰভাৰ প্ৰতিবাদত মিছন স্কুলৰ মিচ লঙে ক'লে— 'ভাৰতীয় ছোৱালী গুদামতকৈ বেয়া ঘৰত থাকে।' এই কথাষাৰে চন্দ্ৰপ্ৰভাৰ আত্মসন্মানত আঘাত কৰিলে। ছোৱালীজনীক কৰা অন্যায়ৰ বিৰুদ্ধে চন্দ্ৰপ্ৰভাই যেতিয়া প্ৰতিবাদ কৰিলে, তেতিয়া নৰ্মাল স্কুলৰ বাকী ছোৱালীবিলাকে চন্দ্ৰপ্ৰভাক সমৰ্থন জনালে। চন্দ্ৰপ্ৰভাৰ নেতৃত্বত সৰৱ প্ৰতিবাদ হ'ল আৰু 'ভাৰতীয় ছোৱালী গুদামতকৈ বেয়া ঘৰত থাকে' বুলি মিচ লঙে কৰা মন্তব্য উঠাই ল'বলৈ বাধ্য হ'ল। এইদৰে সৰুৰে পৰা চন্দ্ৰপ্ৰভাই শোষণৰ বিৰুদ্ধে থিয় দিবলৈ আৰু নিজৰ মতক প্ৰতিষ্ঠা কৰিবলৈ শিকিছিল।

চন্দ্ৰপ্ৰভাই নগাঁৱৰ মিছন স্কুলত পঢ়া শেষ কৰি তেজপুৰত এখন স্কুলত চাকৰি কৰিছিল। সেই সময়তে তেজপুৰত ছাত্ৰ সন্মিলনৰ অধিবেশন হৈছিল। সেই অধিবেশনৰ গুৰি ধৰোঁতা আছিল জ্যোতিপ্ৰসাদ আগৰৱালা। চন্দ্ৰপ্ৰভাৰ দায়িত্ববোধত আকৃষ্ট হৈ জ্যোতিপ্ৰসাদ আগৰৱালাই সেই ছাত্ৰ সন্মিলনৰ অধিৱেশৰ কিছুমান দায়িত্ব চন্দ্ৰপ্ৰভাকো দিছিল। অধিৱেশনৰ স্বেচ্ছাসেৱক-সেৱিকাসকলক কুচ-কাৱাজ শিকোৱাৰ ভাৰ চন্দ্ৰপ্ৰভাৰ ওপৰত পৰিছিল; তদুপৰি অমিয় কুমাৰ দাসেও কানি নিবাৰণী প্ৰস্তাৱৰ সমৰ্থনৰ দায়িত্ব চন্দ্ৰপ্ৰভাকে অৰ্পণ কৰিছিল। চন্দ্ৰপ্ৰভাই কানি নিবাৰণী প্ৰস্তাৱৰ সমৰ্থনত মনৰ ভাব ওজস্বী ভাষাৰ তেজস্বী বক্তৃতাৰে তেওঁৰ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হ'ল। এইগৰাকী চন্দ্ৰপ্ৰভা কবি দণ্ডিনাথ কলিতাৰ লগত প্ৰণয়পাশত আবদ্ধ হৈছিল। কিন্তু সামাজিক বৈষম্য অৰ্থাৎ জাত-পাতৰ ব্যৱধানৰ বাবে তেওঁলোকৰ বিবাহ বিচ্ছেদ হ'বলগা হয়। এনেবোৰ অন্ধবিশ্বাস, কুসংস্কাৰ প্ৰতি তেওঁ নীৰৱ হৈ নাথাকিল। এনে কুসংস্কাৰৰ পৰিৱৰ্তনৰ বাবে তেওঁ আগবাঁঢ়ি আহিল।

চন্দ্ৰপ্ৰভাই আত্মসংস্থাপনৰ নিমিত্তে কালজিৰাপাৰাৰ স্কুলত কাম কৰিছিল। এই সুযোগতে তেওঁ সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰ আদি দূৰ কৰিবলৈ মনোনিৱেশ কৰিবলৈ আৰম্ভ কৰিলে। সেই সময়ত নামঘৰ, কীৰ্তন ঘৰৰ পকী কুঁৱাৰ পৰা নিম্ন সম্প্ৰদায়ৰ লোকক পানী আনিবলৈ দিয়া নহৈছিল। এই কাৰ্যৰ তেওঁ বিৰোধিতা কৰিবলৈ ধৰিলে। তেওঁ নিজেই সত্ৰাধিকাৰক লগ কৰি জাত-পাতৰ এই বৈষম্য দূৰ কৰাত অগ্ৰণী ভূমিকা ল'বলৈ ধৰিলে। বৰপেটাৰ কীৰ্তন ঘৰতো সকলোককে সোমাবলৈ দিয়া নহৈছিল। চন্দ্ৰপ্ৰভাই সকলো মানুহ একেই, এইভাবেৰে সেইসকলৰ কীৰ্তন ঘৰত প্ৰৱেশৰ অধিকাৰ দাবী কৰিবলৈ ধৰিলে। তদুপৰি ধৰ্মীয় কথাবিলাকৰ শুদ্ধ ব্যাখ্যাৰ বাবেও তেওঁ সকলোকে আহ্বান জনাবলৈ ধৰিলে।

সেই সময়খিনিত ভাৰতৰ স্বাধীনতা আন্দোলনৰ হকে জন-গণ নিঃস্বাৰ্থভাৱে ওলাই আহিছিল, এনে বতাবৰণে চন্দ্ৰপ্ৰভাকো চুই গৈছিল। তেনে সময়তে ১৯২১ চনত ভাৰতৰ স্বাধীনতা আন্দোলনৰ নেতা মহাত্মা গান্ধী অসমলৈ আহিছিল। তেখেতে গুৱাহাটী, তেজপুৰ, যোৰহাট, শিৱসাগৰ আদি ঠাই ভ্ৰমণ কৰি দেশবাসীৰ মাজত জাতীয় কংগ্ৰেছৰ আদৰ্শ প্ৰচাৰ কৰিছিল। অসহযোগ আন্দোলনৰ এটা আঁচনি আছিল 'বিদেশী বস্ত্ৰ বৰ্জন আৰু খাদী কাপোৰ উৎপাদন।' এই আঁচনিত চন্দ্ৰপ্ৰভাই মনোযোগ দিলে। সেয়ে এই আঁচনি কাৰ্যকৰী কৰিবলৈ গান্ধীজীৰ আদৰ্শৰ অনুগামী চন্দ্ৰপ্ৰভাই ৰাইজক সূতা কাটিবলৈ আৰু কাপোৰ ববলৈ অনুৰোধ জনালে।

ইয়াৰ বাবে মহিলা সমিতি গঠন কৰি কাপোৰ বোৱাৰ বাবে মহিলাসকলক অনুপ্ৰাণিত কৰিলে। এইদৰে তেওঁ নাৰীসকলক আগুৱাই নিলে। তেওঁৰ নেতৃত্বতে অসমীয়া নাৰীৰ মাজত জাগৰণ আৰম্ভ হ'ল। তেওঁলোকে চন্দ্ৰপ্ৰভাৰ পৰা অন্ধবিশ্বাস আৰু সমাজৰ কুসংস্কাৰ আদিৰ বিষয়ে মাত মাতিবলৈ শিকিলে।

নগাঁৱত ১৯২৫ চনত অসম সাহিত্য সভা হৈছিল। সেই সভাৰ সভাপতি আছিল ৰজনীকান্ত বৰদলৈ। চন্দ্ৰপ্ৰভাই অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ বাবে চিন্তাচৰ্চা কৰিছিল। সেয়ে সেই সভাত প্ৰতিনিধি হিচাপে চন্দ্ৰপ্ৰভায়ো অংশগ্ৰহণ কৰিছিল। সেই সভাত মহিলাসকলক এটা চুকত বহিবলৈ দিয়া হৈছিল। মহিলাসকলে বহা ঠাইৰ পৰা সভাৰ কাৰ্যসূচী ভালদৰে দেখা পোৱা নাছিল। সেয়ে মহিলাৰ প্ৰতি কৰা এই অন্যায় আৰু শোষণত চন্দ্ৰপ্ৰভা জ্বলি উঠিল। মহিলাৰ আসন এনে ঠাইত দিয়া বাবে পৰিচালনা সমিতিক থকা-সৰকা কৰি তেওঁ সিংহিনীৰ দৰে গুজৰি চকীত বহি থকা মহিলাসকলক ওলাই আহিবলৈ আহ্বান জনালে। আটাইবোৰ মহিলা আগলৈ ওলাই আহিল। হাজাৰ হাজাৰ দৰ্শকে চন্দ্ৰপ্ৰভাৰ নৈতিক সাহস আৰু অকাট্য যুক্তিক হাত-চাপৰিৰে সমৰ্থন জনালে। এইদৰে চন্দ্ৰপ্ৰভাই মহিলাসকলক অন্যায়ৰ বিৰুদ্ধে যুঁজ দিবলৈ শিকালে।

চন্দ্ৰপ্ৰভাই উপন্যাস, গল্প, প্ৰবন্ধ, কবিতা আদিও ৰচনা কৰিছিল। তেওঁৰ লেখাসমূহত সমাজৰ কুসংস্কাৰ, অন্যায়, অবিচাৰ আদিৰ কথাই সাধাৰণতে মুখ্য স্থান অধিকাৰ কৰিছিল।

ইয়াৰ পিছৰ বছৰ ১৯২৬ চনত ধুবুৰীত সাহিত্য সভাৰ অধিৱেশন হৈছিল। সেই সভাত পৌৰোহিত্য কৰিছিল বেণুধৰ ৰাজখোৱাই। তেখেতৰ সভাপতিত্বতে অসম মহিলা সমিতি গঠন হয় আৰু ইয়াৰ সম্পাদিকা হয় চন্দ্ৰ প্ৰভা শইকীয়ানী। এই মহিলা সমিতিৰ কামত অসমৰ প্ৰতিখন জিলালৈ তেওঁ যাব লগা হৈছিল। সেই সময়ত যাতায়াতৰ সুবিধা নাছিল বাবে তেওঁ অনেক কষ্ট কৰি বিভিন্ন জিলালৈ গৈ মহিলাৰ উন্নতিৰ বাবে কাম কৰিছিল। ওচৰৰ নানান ঠাইলৈ যাবলৈ তেওঁ এখন চাইকেল লৈছিল। তাকে দেখি বজালীৰ মানুহে তেওঁক ইতিকিং কৰিছিল।সেই ইতিকিঙলৈ তেওঁ কেৰেপ নকৰি নিজৰ কৰ্মত আগবাঢ়ি গৈছিল। মহিলাৰ ভিতৰত চাইকেল প্ৰথম অসমত তেৰেঁই চলাইছিল। এইদৰে তেওঁ নানান সংগ্ৰামৰ মাজত নিজৰ লক্ষ্য আগত ৰাখি মহিলাৰ বাবে কাম কৰি গৈছিল।

১৯২৬ চনত গুৱাহাটীত কংগ্ৰেছ মহাসভাৰ অধিৱেশন হৈছিল। এই কংগ্ৰেছ মহাসভাৰ বাবে মহিলাসকলৰ স্বেচ্ছাসেৱিকা- অধিনায়কৰ মূল দায়িত্ব পালন কৰিব

লগা হৈছিল। কিন্তু সেই অধিবেশনলৈ যাবলৈ তেওঁক স্কুলৰ পৰা ছুটী মঞ্জুৰ নকৰাত চন্দ্ৰপ্ৰভাই চাকৰিকে ইস্তফা দিলে।তেওঁ এই অধিবেশনত মহিলাসকলৰ স্বেচ্ছাসেৱিকাৰ অধিনায়কৰ মূল দায়িত্ব পালন কৰি অনেক সুনাম অৰ্জন কৰিলে। তেওঁৰ নেতৃত্বতে অনেক মহিলাই অসহযোগ আন্দোলনত যোগদান কৰিলে। লাহে লাহে বহুতো মহিলাই তেওঁক সংগী দিলে। তেওঁ অসীম সাহসেৰে সমাজৰ কামত আগবাঢ়ি যাবলৈ ধৰিলে। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে সাত বছৰ অসম প্ৰাদেশিক মহিলা সমিতিৰ দায়িত্ব লৈ সুখ্যাতিৰে কাম কৰি যাবলৈ সমৰ্থ হয়। তেওঁ মহিলাসকলৰ আত্মমৰ্যাদা সম্পৰ্কে চেতনা জাগ্ৰত কৰিলে। এইটো অসমৰ মহিলাসকলৰ বাবে অমূল্য অৰিহণা।তেওঁ অসমত স্ত্ৰীশিক্ষাৰ বাবে সমাজক জাগ্ৰত কৰিলে। বাল্য বিবাহ, পৰ্দা প্ৰথা আদি সামাজিক নিয়মবোৰ উঠাই দিবলৈ আপ্ৰাণ চেষ্টা কৰিলে। অসবৰ্ণ বিবাহৰ বাবেও তেওঁ বহু কাম হাতত ল'লে। ইয়াৰ বাদেও তেওঁ কুটিৰ শিল্পৰ উন্নয়নৰ বাবে যথেষ্ট কাম কৰিবলৈ আগবাঢ়ি আহিল।

১৯৩৬ চনৰ পৰা চন্দ্ৰপ্ৰভাই দেশৰ স্বাধীনতা আন্দোলনত মনে-প্ৰাণে লাগিবলৈ ধৰিলে। স্বাধীনতা সংগ্ৰামৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ কামত তেওঁ লাগিবলৈ ধৰিলে। স্বাধীনতা সংগ্ৰামৰ শোভাযাত্ৰা, পিকেটিং আদিত তেওঁ আগভাগ লৈ মহিলাসকলক উৎসাহিত কৰিবলৈ ধৰিলে। তদুপৰি দলৰ পুঁজিৰ বাবে শোভাযাত্ৰাত গীত গাই খদ্দৰ কাপোৰৰ আঁচলত অৰ্থ সংগ্ৰহ কৰিলে। আনকি তেওঁৰ প্ৰতি আকৃষ্ট হৈ বহুতে সোণ-ৰূপৰ গহনাপৰ্যন্ত দি তেওঁলোকৰ আন্দোলনক সমৰ্থন দিলে। এইদৰে তেওঁ সকলোৰে মন-প্ৰাণ জয় কৰিবলৈ সমৰ্থ লাভ কৰিলে।

চন্দ্ৰপ্ৰভাই স্বাধীনতা সংগ্ৰাম তীব্ৰতৰ কৰি তোলাত তেওঁক বৰপেটাৰ মহকুমাধিপতিয়ে গ্ৰেপ্তাৰ কৰিব বিচাৰিছিল। কিন্তু ছাদুল্লাৰ নিৰ্দেশ মতে তেওঁক গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে। স্বাধীনতা ভাল পোৱা চন্দ্ৰপ্ৰভাই দেশত গঢ়ি উঠা স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰি গুৱাহাটী আৰু যোৰহাটৰ জে'লত দিন কটাবলগীয়া হৈছিল। তেওঁ য'লৈকে যায়, তাতে সংস্কাৰৰ বিষয়ে মাত মাতিছিল। সেইবাবে জে'লত থাকোঁতে উপযুক্ত আহাৰ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে জে'ল কৰ্তৃপক্ষক আহ্বান জনাইছিল। কংগ্ৰেছ দলৰ কিছুমানৰ লগত তেওঁৰ মত অমিল হৈছিল। কাৰণ কিছুমান কংগ্ৰেছকৰ্মীৰ মাজত শ্ৰেণী বিভাজন দেখি তেওঁ গৰজি উঠিছিল আৰু তেনে শ্ৰেণী বিভাজন থকা সংগঠনক তেওঁ গ্ৰহণ নকৰি কংগ্ৰেছ দলকো ত্যাগ কৰিছিল। কিন্তু বহুতৰে আহ্বানত তেওঁ পুনৰ কংগ্ৰেছত যোগ দিয়ে।

দেশ স্বাধীন হোৱাৰ পিছত ১৯৫৭ চনত তেওঁ বিধানসভা নিৰ্বাচনত বজালী

সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব লাভ কৰিছিল। সেই নিৰ্বাচনত তেওঁ পৰাজয়বৰণ কৰি মানসিকভাৱে হাৰি যোৱা নাছিল। দেশসেৱা তেওঁৰ জীৱনত ব্ৰত হৈ পৰিছিল। মহিলাসকলক ৰাজনীতিত অংশগ্ৰহণ কৰিবলৈ তেওঁ উৎসাহ যোগাইছিল। তেওঁ নাৰীৰ উন্নতি সাধনৰ বাটকটীয়া আছিল। সেয়ে তেওঁক ভাৰত চৰকাৰে 'পদ্মশ্ৰী' বঁটা প্ৰদান কৰিছিল।

এইগৰাকী মহিলাই মহিলা ন্যায়ৰ বাট দেখুৱাবলৈ সক্ষম হ'ল। তেওঁৰ লেখাত প্ৰতিবাদী সত্তাকে জগাই তুলিলে। সকলো মহিলা সমাজৰ বাবে তেওঁ ৰচনা কৰি থৈ যোৱা গল্প, উপন্যাস, প্ৰবন্ধ, কবিতা আদি প্ৰেৰণাৰ স্থল। নাৰীৰ স্থান আৰু মৰ্যাদা অক্ষুণ্ণ ৰাখিবৰ বাবে চন্দ্ৰপ্ৰভাই লেখাৰ যোগেদি সমাজৰ আচল স্বৰূপ উদঙাই দিলে। সেইবোৰৰ সংশোধনৰ বাবে তেওঁ যি কাৰ্য কৰি গ'ল, সেয়া নৱপ্ৰজন্মৰ বাবে আদৰ্শ হৈ ৰ'ব। তেওঁৰ সাহস, নিষ্ঠা, অতুলনীয় দেশপ্ৰেম আৰু অন্ধবিশ্বাস-সুসংস্কাৰৰ প্ৰতিবাদ আদি গুণবোৰ অসমীয়া সমাজৰ অতি আদৰণীয়। তেওঁৰ কৰ্মস্পৃহাই অসমীয়া মহিলাক কৰ্মপ্ৰেৰণা সদায় যোগাই থাকিব। এইগৰাকী চন্দ্ৰপ্ৰভা ১৯৭২ চনৰ ১৬ মাৰ্চত স্বৰ্গী হয়। তেওঁৰ স্মৃতি আমাৰ অসমীয়া সমাজত সদায় স্মৰণীয় হৈ থাকিব। ❑

নলিনীবালা দেৱী

নলিনীবালা দেৱী সংগ্ৰাম কৰি প্ৰতিষ্ঠা লাভ কৰা এগৰাকী অসমীয়া আদৰ্শনীয় নাৰী। তেওঁ ১৮৯৮ চনত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পিতৃ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ। তেওঁৰ ককাক ৰায়বাহাদুৰ মাধৱ চন্দ্ৰ বৰদলৈ। আইতাৰ নাম সোমেশ্বৰী দেৱী। তেখেতসকলৰ মাজতে তেওঁ সৰুৰে পৰা ডাঙৰ-দীঘল হৈছিল।

শিক্ষাগ্ৰহণ কৰিবলৈ তেওঁ কোনো পঢ়াশালিলৈ যোৱা নাছিল। ঘৰুৱা শিক্ষকৰ তত্ত্বাৱধানত নলিনীবালা দেৱীয়ে শিক্ষা লাভ কৰিছিল। ঘৰতে শিক্ষা লাভ কৰি তেওঁ শিক্ষাত আগবাঢ়ি যাব পাৰিছিল। অকণো সময় নষ্ট নকৰাকৈ সৰুৰে পৰা পঢ়া-শুনা কৰিছিল। তদুপৰি আইতাক সোমেশ্বৰী দেৱী এগৰাকী অতি তীক্ষ্ণ বুদ্ধি মেধাসম্পন্না নাৰী আছিল। সেয়ে আইতাকৰ যত্নত ঘৰখনত এটি মধুৰ পৰিৱেশৰ সৃষ্টি হৈছিল।

আইতাকে সদায় পুৱা-গধূলি কীৰ্তন ঘোষা, ৰামায়ণ, মহাভাৰত আদি পাঠ কৰি ঘৰখনৰ পৰিৱেশ শান্তিময় কৰি ৰাখিছিল। তেওঁৰ দেউতাক মাধৱ চন্দ্ৰ বৰদলৈ এগৰাকী সাহিত্যানুৰাগী ব্যক্তি আছিল। সৰুৰে পৰা তেওঁ ককাদেউতাকৰ পৰা সাহিত্যানুৰাগী হ'বলৈ শিকিছিল।

তেওঁৰ পিতৃ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ স্বাধীনতা সংগ্ৰামৰ এগৰাকী সাহসী যুঁজাৰু আছিল। দেশৰ স্বাধীনতাৰ বাবে তেওঁ অসহযোগ আন্দোলনত যোগ দিছিল। গতিকে তেওঁ অতি কম বয়সতেই দেউতাকৰ দেশভক্তিৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। ককাদেউতাক, আইতাক আৰু পিতৃপুৰুষে ৰচনা কৰা এক সাংস্কৃতিক পৰিৱেশত ডাঙৰ-দীঘল হোৱা নলিনীবালা দেৱীয়ে এই পৰিৱেশতে জীৱনৰ নানান অভিজ্ঞতা

আৰু অপূৰণীয় শিক্ষা আহৰণ কৰিছিল। এইবোৰ পৰিবেশতে শিক্ষাগ্ৰহণ কৰি তেওঁ ভালদৰে লিখা-পঢ়া কৰিবলৈ শিকিছিল। লাহে লাহে ডাঙৰ হৈ অহাত তেওঁ বিবাহৰ বয়সত ভৰি দিয়ে। ১৯০৯ চনত শিৱসাগৰৰ জীৱেশ্বৰ চাংকাকতিৰ লগত তেওঁৰ বিয়া হয়।

বিবাহ হৈ তেওঁ সুখী জীৱন কটাইছিল। তেওঁ চাৰিটা সন্তানৰো মাতৃ হৈছিল। কিন্তু নিয়তিৰ কি পৰিহাস! সগৰ্ভা অৱস্থাতেই তেওঁৰ স্বামীৰ অকাল বিয়োগ হয়। তেতিয়া স্বাভাৱিকতে তেওঁৰ জীৱনলৈ নানান বিপদ-আপদ নামি আহে। উপায়হীন হৈ চাৰিটা সন্তানৰ সৈতে সগৰ্ভা নলিনীবালা দেৱীয়ে পিতৃগৃহত আশ্ৰয় লয়। বিধৱা হোৱাৰ পিছত পিতৃগৃহতে তেওঁৰ পঞ্চম সন্তানটিৰ জন্ম হয়। জীৱনলৈ অহা এনে দুখ আৰু বেদনাই তেওঁৰ অন্তৰ জৰ্জৰিত কৰিলে। তেওঁ অনুভৱ কৰিলে যে দুখ আৰু বেদনাই তেওঁৰ জীৱন। তেওঁ সাহিত্যানুৰাগী আছিল বাবেই তেওঁৰ অন্তৰত সাহিত্যচৰ্চাই ঠাই পায়। তদুপৰি পিতৃৰ ছত্ৰছায়াত জীৱন নিৰ্বাহ কৰা নলিনীবালা দেৱীক সাহিত্য সৃষ্টিৰ প্ৰেৰণা দিছিল পিতৃ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈয়ে। তেখেতে জীয়েক নলিনীবালাক কৈছিল— 'নিঃস্বাৰ্থভাৱে যিমান পাৰা দেশৰ কল্যাণ সাধা। তোমাৰ অন্তৰত সত্য স্বৰূপ সাহিত্য আছে। সাহিত্য সেৱা দেশৰ প্ৰধান সেৱা।' এই কথাই তেওঁৰ অন্তৰ চুই গৈছিল। সেয়ে তেওঁ জীৱনৰ ব্ৰত হিচাপে সাহিত্য ৰচনাকেই লৈছিল।

সৰু কালৰ পৰা নলিনীবালা দেৱীয়ে সাহিত্যচৰ্চা কৰিছিল। তেওঁ দহ বছৰ বয়সতেই 'সন্ধ্যা', 'পিতা' কবিতাৰে কাব্য জীৱন আৰম্ভ কৰিছিল। তেওঁ বিধৱা হোৱাৰ পিছত 'সন্ধিয়াৰ সুৰ', 'সপোনৰ সুৰ', 'পৰশমণি', 'যুগদেৱতা', 'জাগৃতি', 'অলকানন্দা' আদি কবিতাপুথি ৰচনা কৰে। তদুপৰি 'শান্তি পথ' নামৰ এখন প্ৰবন্ধ সংকলনো ৰচনা কৰে। তেওঁ আনকি 'স্মৃতিতীৰ্থ', 'বিশ্বদীপা', 'চৰ্দাৰ বল্লভ ভাই পেটেল' আদি জীৱনীগ্ৰন্থও ৰচনা কৰে। 'এৰি অহা দিনবোৰ' নামৰ এখন আত্মজীৱনীৰে নলিনীবালা দেৱীয়ে অসমীয়া সাহিত্যলৈ বহুতো অৰিহণা যোগাই থৈ গৈছে। তেওঁৰ সাহিত্য প্ৰতিভাৰ সুবাস চৌদিশে বিয়পিছিল। এইগৰাকী প্ৰতীভাময়ী নলিনীবালা দেৱীক ভাৰত চৰকাৰে 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰিছিল।

এইদৰে তেওঁ গোটেই জীৱন সাহিত্য সাধনা কৰি ১৯৭৭ চনৰ ২৪ ডিচেম্বৰত ৭৯ বছৰ বয়সত মৃত্যুক সাবটি লয়। তেওঁৰ সাহিত্যই আজিও অসমবাসীৰ মাজত সমাদৰ সাভ কৰি থাকিবলৈ সক্ষম হৈছে। এইগৰাকী অসমীয়া মহিলা অসমবাসীৰ বাবে গৌৰব। তেওঁৰ আদৰ্শ আমাৰ মহিলা সমাজৰ বাবে অতি আদৰণীয় হৈ ৰ'ব।□

ৰাজবালা দাস

সন্দিকৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাত্ৰী অধ্যক্ষা ৰাজবালা দাস। তেওঁৰ জন্মস্থান আছিল ডিব্ৰুগড়। দেউতাকৰ নাম আছিল ৰমাকান্ত বৰুৱা। মাকৰ নাম আছিল কমলা বৰুৱা।

ৰমাকান্ত বৰুৱাই এই কন্যাটিৰ নাম থৈছিল ৰাজবালা। ৰাজবালা দাসৰ জন্মৰ সময়ত সমাজত ছোৱালীক শিক্ষা দিয়াত বাধা আছিল। সেই সময়ত নাৰীয়ে পঢ়া- শুনা কৰাটোৱেই এক অপৰাধ বুলি গণ্য কৰিছিল। যি পৰিয়ালৰ ছোৱালীক শিক্ষা দিয়াৰ বাবে চেষ্টা কৰা হৈছিল, সেই পৰিয়ালটোক এঘৰীয়া কৰা হৈছিল। সেই সময়ত ছোৱালীবিলাকক অভিভাৱকসকলে শাসনত ৰাখি ডাঙৰ-দীঘল কৰিছিল। সাত-আঠ বছৰলৈকেহে ছোৱালীক মুকলিমূৰীয়াকৈ উমলি-জামলি ফুৰিবলৈ দিয়া হৈছিল। ৰাজবালাৰ বাই-ভনী আছিল চাৰিজনী।তেওঁলোকৰ নাম আছিল— সাৱিত্ৰী, বিমলা, ৰাজবালা আৰু সুৰবালা। তেওঁলোকৰ ল'ৰা দুজন আছিল, এজনৰ নাম আছিল ৰজনীকান্ত আৰু আনজনৰ নাম ৰোহিণীকান্ত।

ল'ৰাকেইজনক দেউতাক ৰমাকান্তই বিদ্যালয়ত পঢ়ুৱাইছিল। তেওঁলোকৰ দুয়োগৰাকী জেষ্ঠা কন্যাই ঘৰতে পঢ়া-শুনা শিকিছিল আৰু মাকক কামত সহায় কৰি দিছিল। ৰাজবালা দাসৰ ককায়েক ৰজনীকান্তই কলকাতাৰ চেণ্ট জেভিয়াৰ্ছ কলেজত পঢ়িছিল। ৰজনীকান্তই ভনীয়েক ৰাজবালাৰ পঢ়াৰ আগ্ৰহ দেখা পাই মাত্ৰ আঠ বছৰ বয়সতে ভনীয়েকক কলকাতাৰ বেথুন স্কুলত নামভৰ্তি কৰাই ৰাজবালা দাসক উৎসাহ জনাইছিল। ককায়েকৰ নেৰা-নেপেৰা চেষ্টাতেই ৰাজবালাই কলকাতাৰ বেথুন স্কুলত নামভৰ্তি হ'বলৈ পাই অতি আনন্দিত হৈছিল। বেথুন

স্কুলত তেওঁৰ লগৰীয়া হৈছিল দেৱীপ্ৰভা। দেৱীপ্ৰভাৰ লগত তেওঁ অসমীয়া ভাষাতেই কথা-বতৰা হৈছিল। কলকাতাত সকলোৱেই বাংলা ভাষা কৈছিল। তদুপৰি তাৰ শিক্ষাদানৰ মাধ্যম আছিল বাংলা।

বেথুন স্কুলত ৰাজবালাক 'ক' মানত ভৰ্তি কৰা হৈছিল। লাহে লাহে তেওঁৰ সহপাঠীসকলৰ লগত মিলা-প্ৰীতি গঢ়ি উঠিলত বাংলা কথা বুজিব পৰা হ'ল। তদুপৰি বেথুন স্কুলত সেই সময়ত হিন্দু আৰু ব্ৰাহ্মণ ধৰ্মৰ ছাত্ৰীৰ সংখ্যাই বেছি আছিল। তেওঁৰ সেইবাবে স্কুলত মন বহা নাছিল। ৰাজবালাৰ ঘৰলৈ বৰকৈ মনত পৰিছিল। ৰাজবালাই কলকাতাত সাতমাহ থাকি গৰম বন্ধত ঘৰলৈ আহিছিল। ঘৰলৈ আহি পুনৰ তেওঁ কলকাতাত পঢ়িবলৈ নগ'ল। কিন্তু তেওঁ কলকাতাত থাকি বাংলা বুজি পোৱা হ'ল। ১৮৮৫ চনৰ ৫ জুনত ডিব্ৰুগড়ত প্ৰথম চৰকাৰী ছোৱালী প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। পিছলৈ এই বিদ্যালয়খনেই স্ত্ৰী শিক্ষাৰ বাটকটীয়া ৰাজ্যখনৰ প্ৰথম বালিকা হাইস্কুল হিচাপে প্ৰতিষ্ঠিত হৈছিল।

দিন যোৱাৰ লগে লগে ৰাজবালাই পুনৰ পঢ়াৰ বাবে ব্যাকুল হৈ পৰিছিল। ৰাজবালাই তেওঁৰ মনৰ ভাব সুৰবালাক ক'লে। সুৰবালাই সেই কথা শুনি বৰ আনন্দ পালে আৰু বায়েক ৰাজবালাৰ লগতে কলকাতাত বেথুন স্কুলত পঢ়িবলৈ আগ্ৰহেৰে বাট চালে। প্ৰথমতে এই কথাত ৰাজবালাৰ মাক সন্মত জনোৱা নাছিল। জীয়েক দুজনীক ইমান দূৰলৈ পঢ়িবলৈ পঠিয়াবলৈ মনত সাহস নকৰিলে। কাৰণ সেই সময়ত ছোৱালীয়ে পঢ়াটো সমাজৰ বাবে অপৰাধ বুলি বিশ্বাস কৰিছিল। মাকৰ তেনে মনোভাব দেখি ৰাজবালাই একেবাৰে মন মাৰি পেলালে। তেওঁ কান্দি কান্দি মাকক ক'লে— 'আমি জানো কিবা বেয়া কাম কৰিবলৈ ওলাইছো? মানুহক জ্ঞান লাভৰ পৰা বঞ্চিত কৰা এইখন কিহৰ সমাজ?' মাকে একোকে উত্তৰ নিদি নিজৰ জীয়েকৰ ইচ্ছাৰ কথা চিন্তা কৰিবলৈ ধৰিলে। মাক কমলাই ৰাজবালাৰ দেউতাকক তেওঁৰ দুয়োজনী ছোৱালীৰ পঢ়াৰ ইচ্ছাৰ কথা জনালে। কিন্তু ৰাজবালা দাসৰ মাকে তেওঁলোকক ইমান দূৰৰ কলকাতালৈ পঠিয়াবলৈ বৰ চিন্তাত পৰিল। মাকে চিন্তা কৰা দেখি ৰাজবালাই মাকক অভয় দিলে। কিন্তু সেই অভয় মতেই তেওঁলোকক কলকাতাত পঢ়িবলৈ যাবলৈ দিবলৈ ঠিক কৰিলে। কিন্তু সেই বেথুন স্কুলত ঠাই নাপালে বাবে বিহাৰৰ গিৰিধি বালিকা স্কুললৈ পঢ়িবলৈকে পঠালে।

তেওঁলোক ইমান দূৰলৈ পঢ়িবলৈ যোৱাত সেই সময়ৰ সমাজে নানান কথা ক'লে। কিন্তু ৰাজবালাৰ দেউতা আৰু মাক অবিচল হৈ ৰ'ল। ৰাজবালাই

পঢ়া-শুনা ভালদৰে কৰিবলৈ ধৰিলে। পঢ়াত সুনাম আৰ্জিলে। ইয়াৰ পিছৰ বছৰ তেওঁ বেথুন স্কুললৈ পঢ়িবলৈ আহিল। ১৯১৫ চনত ৰাজবালাই বেথুন স্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষা দি প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰ বাবে অসম চৰকাৰৰ পৰা বিশ টকাকৈ বৃত্তি পাবলৈ সক্ষম হয়। ৰাজবালাই আই এ-ত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হয় ডায়েচেচন কলেজৰ পৰা। ইয়াৰ বাবে তেওঁ অসম চৰকাৰৰ পৰা মাহে বিশ টকাকৈ বৃত্তি লাভ কৰে। ১৯২০ চনত ৰাজবালাই বি এ পাছ কৰে। ইয়াৰ পিছতেই ৰাজবালাই বি টি পঢ়িবলৈ লয়। ৰাজবালা দাসে ডায়েচেচন কলেজত পঢ়ি থাকোঁতেই ১৯২১ চনত অহিংস অসহযোগ আন্দোলন প্ৰচাৰৰ কাৰণে মহাত্মা গান্ধী কলকাতালৈ আহিছিল। কলকাতাৰ ডায়োচেচন কলেজৰ ছাত্ৰীসকলৰ লগত ৰাজবালাই বাপুজীক চাবলৈ আহিছিল। তেওঁ মহিলাসকলক স্বৰাজ আন্দোলনত যোগদান কৰিবলৈ আহ্বান জনোৱা সেই সভাতেই শুনিছিল। আনকি বাপুজীৰ ভাষণ শুনি উপস্থিত মহিলাসকলৰ মন বিচলিত হৈ পৰা তেওঁ সেই সভাতেই লক্ষ্য কৰিছিল। দেশখনক দাসত্বৰ শিকলিৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যে আন্দোলনত যোগদান কৰিবলৈ মহিলাসকলক আগ্ৰহী হোৱা তেওঁ লক্ষ্য কৰিছিল। তেওঁৰ মনটো বাপুজীৰ কথাত বিচলিত হৈ পৰিছিল। দেশভক্তিত আৰু দেশৰ স্বাধীনতাৰ বাবে তেওঁৰ অন্তৰ ব্যাকুল হৈ পৰিছিল। কলকাতাৰ পিছতে বাপুজী প্ৰথমবাৰৰ বাবে অসম ভ্ৰমণলৈ আহিছিল। বাপুজীৰ লগত মহম্মদ আলী, চৌকত আলী, দুয়োৰে বোৰ্খা পৰিহিত মাতৃ, যমুনা দাস, প্ৰভু দাস, যমুনালাল বাজাজ আৰু গান্ধীৰ সচিব কৃষ্ণ দাস আহিছিল। এই বাতৰি পাই ৰাজবালাই কলকাতাত পঢ়া-শুনা এৰি স্বৰাজ যুঁজত যোগ দিবলৈ ডিব্ৰুগড়লৈ আহে। বাপুজীয়ে ৰাজবালা কলকাতাৰ পৰা আহি ডিব্ৰুগড়ত স্বৰাজ যুঁজত যোগ দিয়াত নথৈ সুখী হয়। বাপুজীয়ে সেইবাবে সকলোকে উদ্দেশ্য কৰি কয়— 'এই আন্দোলনটোত দেশৰ প্ৰতিগৰাকী নাগৰিকে যোগদান কৰা উচিত।'

মহাত্মা গান্ধী ডিব্ৰুগড়লৈ অহাৰ পিছত ডিব্ৰুগড়ত জিলা পৰ্যায়ৰ কংগ্ৰেছ কমিটী এখন গঠিত হয়। জিলা পৰ্যায়ৰ মহিলা শাখাৰ সম্পাদিকা ৰাজবালাক নিৰ্বাচিত কৰে। ৰাজবালাৰ ওপৰত গধুৰ দায়িত্বভাৰ পৰাত তেওঁ নগৰে-চহৰে মেল পাতি সকলো মহিলাক একত্ৰিত কৰি অসহযোগ আন্দোলনৰ বিষয়ে জগাই তোলে। ৰাজবালাই গাঁৱে-ভূঞে মেল-মিটিঙে ঘূৰি ফুৰাটো মাক-দেউতাকে পছন্দ কৰা নাছিল। কিন্তু তেওঁৰ ককায়েক ৰজনীকান্তই ভনীয়েক ৰাজবালাক দেশসেৱাত ব্ৰতী হোৱাত ভাল পাইছিল।

সময় যোৱাৰ লগে লগে ৰাজবালাই কংগ্ৰেছৰ সাংগঠনিক কামতো আত্মনিৱেশ কৰাত লাগিল। প্ৰথমে সূতা কটা, কাপোৰ বোৱা কেন্দ্ৰ এটা ডিব্ৰুগড় চহৰৰ আমোলাপট্টিত স্থাপন কৰে। মহিলাসকলক এই কেন্দ্ৰটোতে দুপৰীয়া আহাৰ যোগান ধৰি সূতা কাটিবলৈ অহা-যোৱাৰ সুবিধা কৰি দিলে। সেই সময়ত যিসকলে ৰাইজক জাগ্ৰত কৰাৰ উদ্দেশ্যে মহাত্মা গান্ধীৰ বাণী প্ৰচাৰ কাৰ্যত লাগিছিল, তেওঁলোকক চৰকাৰে ধৰি নি কাৰাৰুদ্ধ কৰি ৰাখিছিল। তেতিয়া কাৰ ঘৰত পুলিচ আহি কাক ধৰি নিয়ে, সেই কথাই ৰাইজক বিপদত পেলাইছিল। ঠিক সেইদৰে এবাৰ বহুতো পুলিচ বন্দুক-লাঠী লৈ ৰাজবালাহঁতৰ ঘৰটো ঘেৰি লৈছিল। পুলিচে তেওঁলোকৰ ঘৰটো খানা-তালাচ কৰিব খোজাত ৰাজবালাই স্পষ্টভাৱে কৈছিল— 'এইটো ৰজনীকান্ত বৰুৱাৰ ঘৰ নহয়; ৰমাকান্ত বৰুৱাৰ ঘৰহে। মালিকৰ অনুপস্থিতিত ঘৰ খানা-তালাচ কৰিব নোৱাৰিব।' দাৰোগাজনে ৰাজবালাৰ সাহস দেখি আচৰিত হৈছিল। তেওঁৰ স্পষ্টবাদিতা দেখি দাৰোগাজনে কিছু চিন্তা কৰি ৰাজবালাৰ ঘৰ খানা-তালাচ নকৰি চিপাহী-চন্তৰিসকলক লৈ উভতি আহিল।

দেশৰ স্বাধীনতা আন্দোলনত ব্যস্ত হৈ থাকোঁতে ৰাজবালাৰ লগত বহুতো মানুহৰ লগত চিনাকি হৈছিল। নবীনচন্দ্ৰ বৰদলৈয়ে ৰাজবালাৰ কাৰ্যত উৎসাহ জনাইছিল। ১৯২৩ চনত কংগ্ৰেছ মহাসভাৰ অধিৱেশন বহিছিল। সেই অধিৱেশনলৈ নবীনচন্দ্ৰ বৰদলৈৰ নিৰ্দেশত ৰাজবালা বৰুৱাও যাব লগা হৈছিল। গুৱাহাটীৰ পৰা তৰুণৰাম ফুকন,জ্যোতিষ চন্দ্ৰ দাস, নবীন চন্দ্ৰ বৰদলৈ আদি নেতাসকলো গৈছিল। ৰাজবালাই সাৱলীলভাৱে হিন্দী, বঙালী, ইংৰাজী ভাষা ক'ব আৰু লিখিব পাৰিছিল। সেয়ে সকলোৱে তেওঁক সন্মান জনাইছিল। ৰাজবালাৰ ডাঃ জ্যোতিষ চন্দ্ৰ দাসৰ লগত বিয়া হৈছিল। বোৱাৰী হৈ তেওঁ শহুৰেকৰ সকলো কথাতে চকু-কাণ দিছিল। আনকি সন্ধিয়া ৰাজবালাই সুৰ লগাই শহুৰেকক পুথি পঢ়ি শুনাইছিল। সেইবাবে অলপ দিনৰ ভিতৰতে ঘৰখনৰ মৰমৰ বোৱাৰী ৰাজবালা হ'ব পাৰিছিল।

১৯২৬ চনত ৰাজবালা দাসে 'অসম মহিলা সমিতি'ৰ সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। তেওঁ সম্পাদিকা হৈয়ে প্ৰথম পদক্ষেপ হিচাপে হিন্দী শ্ৰেণী এটা খুলি মহিলাসকলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। তদুপৰি ল'ৰা-ছোৱালীবোৰকো হাৰমনিয়ামৰ সুৰত গান শিকাবলৈ লয়। সেই সমিতিতে মহিলাসকলে সূতা কটা, তাঁত বোৱা কাম আৰম্ভ কৰি দিয়ে।

এই মহিলা সমিতিৰ যোগেদি ৰাজবালাই 'সাৰদা আইন'ৰ সপক্ষে আন্দোলন

চলায়। এই মহিলা সমিতিৰ আন্দোলনৰ ফলস্বৰূপে গুৱাহাটীত বাল্য বিবাহৰ প্ৰকোপ কমি যাবলৈ ধৰে। ৰাজবালা দাসৰ বাবেই 'অসম মহিলা সমিতি'ৰ ভালেমান শাখা অসমৰ বিভিন্ন ঠাইত গঢ় লৈ উঠিছিল। আনকি ৰাজবালা দাসৰ সাহসতেই আৰু চেষ্টাতেই নিখিল ভাৰত মহিলা সমিতিৰ বাৰ্ষিক আধিৱেশন অসমত দুবাৰকৈ অনুষ্ঠিত হৈছিল।

ৰাজবালা দাসৰ স্বামী ডাঃ দাসে তেওঁৰ সকলো কামতে সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। নিখিল ভাৰত মহিলা সমিতিৰ সৌজন্যত অসম প্ৰাদেশিক মহিলা সমিতিৰ জৰিয়তে পুঁজি সংগ্ৰহ কৰি ৰাজবালাই কলেজত পঢ়া ছাত্ৰীসকলৰ বাবে পাণবজাৰ বালিকা স্কুল প্ৰাংগণতে এটি ছাত্ৰী নিৱাস সজাই দিছিল। সেই ক্ষেত্ৰত ৰাজবালা দাসৰ স্বামী ডাঃ দাসে সহায় কৰি দিছিল। তদুপৰি ৰাজবালা দাস জালুকবাৰীৰৰ সুন্দৰবড়ীত অৱস্থিত অনাথ শিশু আশ্ৰমৰ কামত ওতপ্ৰোতভাৱে জড়িত আছিল।

১৯২৬ চনত পাণবজাৰ বালিকা মাধ্যমিক বিদ্যালয়খন উচ্চ ইংৰাজী বিদ্যালয়লৈ উন্নীত কৰা হয়। ৰাজবালা দাসে পাণবজাৰ বালিকা বিদ্যালয়ৰ কাৰ্যকৰী সমিতিৰ সম্পাদিকাৰ পদ গ্ৰহণ কৰিছিল। ৰাজবালাই ৰাইজৰ ধন সংগ্ৰহেৰে বিদ্যালয়ৰ ঘৰ-দুৱাৰ মেৰামতি কৰি কেবাটাও নতুন শ্ৰেণীকোঠা নিৰ্মাণ কৰিছিল। বিদ্যালয়ৰ ছাত্ৰীৰ সংখ্যা বঢ়াবলৈ আনকি এখন বাছৰো ব্যৱস্থা কৰিছিল। এবছৰৰ ভিতৰতে ৰাজবালাই বিদ্যালয়ত গাৰ্হস্থ্য বিজ্ঞানৰ শ্ৰেণী এটা খুলিলে। সেই শ্ৰেণীত তাঁত বোৱা, সূতা কটা, চিলাই, গান প্ৰভৃতি শিকোৱা আৰম্ভ কৰি দিয়ে। ইফালে ৰাজবালা পাঁচটি সন্তানৰ লালন-পালন কৰাৰ উপৰি স্কুলৰ কামতে ব্যস্ত থাকিব লগা হয়। তদুপৰি ৰাজবালা দাসে স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ ভাৰো চম্ভালিব লগাত পৰিছিল।

পাণবজাৰ বালিকা বিদ্যালয়ৰ দুগৰাকী ছাত্ৰীয়ে মেট্ৰিক পাছ কৰি কলেজৰ শিক্ষা লাভ কৰাৰ সুযোগ নোপোৱাত ৰাজবালাই মনত বৰ দুখ পালে। সেয়ে তেওঁ এখন বালিকা কলেজ খোলাৰ কথা ভাবিলে। বহুত কষ্টৰ পিছত ৰাজবালাই নানাজনৰ সহায়ত 'গুৱাহাটী ছোৱালী কলেজ' খুলিলে। সেই কলেজখনৰ বাবে ৰাধাকান্ত সন্দিকৈয়ে কলেজৰ পুঁজি হিচাপে দহ হাজাৰ টকাৰ চেকখন দি কলেজখন বিশ্ববিদ্যালয়ত অন্তৰ্ভুক্ত হোৱাত সহায় কৰিলে। ইয়াৰ বাদেও কলেজখনত উদ্ভিদ বিদ্যা বিভাগ খুলিবলৈ সন্দিকৈ ডাঙৰীয়াই দহ হাজাৰ ৰূপ দান কৰে আৰু ইয়াৰ উপৰি চাৰিটাকৈ বৃত্তিৰ ব্যৱস্থা কৰিলে। সন্দিকৈৰ পত্নীৰ নামত সকলো ছাত্ৰীৰ

বাবে দুটা আৰু দুটা বৃত্তি কেৱল আহোম সম্প্ৰদায়ৰ ছাত্ৰীৰ বাবে সীমিত। এই কলেজখনৰ গৃহ নিৰ্মাণৰ বাবে ৰাধাকান্ত সন্দিকৈদেৱে ৫৮ হাজাৰ টকাৰ শকত দান এটি দিয়াৰ বাবে কলেজৰ মেনেজিং সমিতিয়ে কলেজখনৰ নতুনকৈ নামাকৰণ কৰে। কলেজখনৰ নাম 'ৰাধাকান্ত সন্দিকৈ ছোৱালী মহাবিদ্যালয়' হয়। ৰাধাকান্ত সন্দিকৈদেৱে ৰাজবালা দাসৰ কাৰ্যক শলাগিছিল। ছোৱালী শিক্ষাৰ বাবে তেওঁ লোৱা পদক্ষেপক তেওঁ সন্মান জনায়েই ছোৱালী মহাবিদ্যালয়ৰ বাবে সহায্য আগবঢ়াই দেশবাসীৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ল। তদুপৰি ৰাজবালা দাসৰ অশেষ কষ্ট আৰু চেষ্টাৰ বলতেই এই ছোৱালী মহাবিদ্যালয় যাউতিযুগীয়া হৈ ৰ'ল। ৰাজবালা দাসে নিজেই গঢ়া বালিকা বিদ্যালয়খনৰ ডিগ্ৰী লৈয়ে অধ্যক্ষা পদ চম্ভালিবলৈ দায়িত্ব ল'ব লগা হৈছিল। ইয়াৰ বাবে কিছুমানে তেওঁক সমালোচনা কৰাত ৰাজবালা দাসৰ মন হতাশ হোৱা নাছিল। সেয়ে ১৯৪১ চনত ৰাজবালাই কলকাতাৰ পৰা 'ভাৰতীয় ভাষা' বিষয়ত প্ৰাইভেটকৈ পৰীক্ষা দি এম এ পাছ কৰে। ১৯৪৫ চনত সন্দিকৈ ছোৱালী কলেজখন ৰাজবালাৰ চেষ্টাতেই চৰকাৰীকৰণ হয়। কিন্তু দুবছৰৰ পিছত গোপীনাথ বৰদলৈৰ প্ৰধানমন্ত্ৰিত্বত সন্দিকৈ ছোৱালী কলেজখন পুনৰ বেচৰকাৰী কৰাত ৰাজবালাই বৰ আঘাত পালে। তেওঁ মন্ত্ৰীসকলক অনুনয়-বিনয় কৰিও একো ফল নাপালে। ইফালে সেই সময়ত বিশ্বযুদ্ধৰ বাবে মিলিটাৰীয়ে গুৱাহাটীৰ স্কুল-কলেজবোৰ অধিগ্ৰহণ কৰিছিল। সেইবাবে পাণবজাৰ বালিকা হাইস্কুল আৰু সন্দিকৈ কলেজৰ গৃহবোৰ খালী কৰি দিব লগাত পৰে। কিন্তু ৰাজবালাই ছাত্ৰীসকলক পঢ়ুওৱাত নানান কষ্ট কৰি উপায় উলিয়াই লৈছিল।

বিশ্বযুদ্ধৰ বাবে অসমলৈ অহা সৈন্যবোৰ ঘূৰি যোৱাত পুনৰ স্কুল-কলেজবোৰ আৰম্ভ হয়। ৰাজবালাই পাণবজাৰ হাইস্কুলৰ ভাৰ সহকাৰী শিক্ষয়িত্ৰী প্ৰজ্ঞা চৌধুৰীৰ হাতত গতাই ৰাজবালা দাসে অব্যাহতি লৈ তেওঁৰ সৰ্বশক্তি সন্দিকৈ ছোৱালী মহাবিদ্যালয় গঢ়ি তোলাত মনোনিৱেশ কৰে।

১৯৪৯ চনত তেওঁ বিলাতলৈ গৈছিল। অন্য দেশ, যেনে— লণ্ডন, ছুইডেন, ডেনমাৰ্ক আদি ঠাইলৈ গৈ নানান জ্ঞান আৰু অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হৈছিল। ৰাজবালা দাসৰ জীৱনৰ সকলো কামৰ পদক্ষেপ আছিল অতি আদৰ্শনীয়। তেওঁ অসমীয়া জাতিৰ মাজত থকা অন্ধবিশ্বাসবোৰৰ অৱসান ঘটোৱাত সফল হৈছিল। বহু কষ্ট আৰু ত্যাগৰ মাজেদি তেওঁ প্ৰতিষ্ঠা কৰা সন্দিকৈ কলেজৰ পৰা ১৯৬৫ চনৰ মে' মাহত তেওঁ অৱসৰগ্ৰহণ কৰে। ৰাধাকান্ত সন্দিকৈ ছোৱালী কলেজ স্থাপন কৰি ইয়াক সকলো ফালৰ পৰা উন্নতি ঘটাই এখন উল্লেখযোগ্য

ছোৱালী কলেজ হিচাপে প্ৰতিষ্ঠা কৰি অধ্যক্ষা ৰাজবালা দাস অসমীয়া জাতিৰ মাজত সদায় সন্মানীয় আৰু তেওঁৰ নাম ইতিহাসৰ পাতত প্ৰতিষ্ঠাতা অধ্যক্ষা হিচাপে যাউতিযুগীয়া হৈ ৰ'ব। তেওঁ এগৰাকী কেৱল একমাত্ৰ অধ্যক্ষায়েই নাছিল, তেওঁ পৰিচয়ত আছিল এগৰাকী সু-মাতৃ, এগৰাকী সু-পত্নী, এগাকী গৃহিণী, এগৰাকী পৰিচালিকা।

ৰাজবালা দাস আছিল এগৰাকী সাহসী নাৰী। তেওঁ ৯৩ বছৰ জোৰা জীৱনটোত অসাধাৰণ মনোবলৰ আধিকাৰিণী হৈ অসমৰ চুকে-কোণে থকা নাৰীসকলক আন্ধাৰৰ ভেটা ভাঙি জগাই তুলিবলৈ সক্ষম হৈছিল। ৰাজবালা দাসে অসমৰ নাৰীসকলৰ অন্তৰত শিক্ষাৰ মহান বীজ সুমুৱাই দি লুইতৰ দুয়োপাৰ আবৰি থকা আন্ধাৰবোৰ আঁতৰাই শত শত বন্তিৰ পোহৰেৰে জকমকাই তুলিবলৈ আগবাঢ়ি আহিছিল।

তেওঁ ১৯৮৫ চনৰ ২৩ এপ্ৰিলত স্বৰ্গী হয়। এইগৰাকী আদৰ্শ নাৰীক অসমবাঁসীয়ে সদায় স্মৰণ কৰিব। □

পদ্মকুমাৰী গোহাঁই

পদ্মকুমাৰী গোহাঁই শ্বিলঙৰ লাবানত ১৯১৩ চনৰ ২৪ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল ৰাজকুমাৰ সিদ্ধেশ্বৰ গোহাঁই আৰু মাতৃ আছিল ৰাজকুমাৰী সুভদ্ৰা আইদেউ।

শ্বিলঙত জন্মলাভ কৰাৰ পিছত তেওঁৰ শৈশৱ শ্বিলঙৰ পৰিৱেশত গঢ়ি উঠিছিল। সৰুৰে পৰা তেওঁ আগৰণুৱা আছিল। পাঁচটি ককাই-ভাই-বায়েকৰ লগত সৰুতেই মিলিজুলি থাকি তেওঁ প্ৰিয়পাত্ৰী হৈ পৰিছিল। সৰুৰে পৰা তেওঁ যি কামত লাগিছিল, তাক সুন্দৰকৈ কৰি আত্মতৃপ্তি লাভ কৰিছিল। পঢ়া-শুনা তেওঁ গুৱাহাটীৰ ৰাজবাৰী টোলত আৰু ঘৰুৱা শিক্ষাৰ তত্ত্বাৱধানত কৰিছিল। পঢ়া-শুনাত ভালদৰে মন দিছিল। সেইবাবে অতি সোনকালে তেওঁ শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিছিল।

তেওঁ সমনীয়াৰ লগত সু-সম্বন্ধ গঢ়ি ভাল পাইছিল। নিজকে ৰাজপৰিয়ালৰ বুলি অহংকাৰ কৰা নাছিল। উচ্চ-নিচ ভাব তেওঁৰ মনত নাছিল। সকলোকে তেওঁ ভাল ব্যৱহাৰ কৰিছিল। তেওঁ সদায় আনন্দ মনেৰে থাকি ভাল পাইছিল। ঘৰুৱা সকলো কামতে পাকৈত আছিল। ৰান্ধনী ঘৰৰ পৰা আদি কৰি বোৱা-কটা কামো ভালদৰে কৰিব জানিছিল। লাহে লাহে তেওঁৰ বিয়াৰ বয়স হ'লহি। ১৯১৩ চনত তেওঁৰ বিবাহ হয় যোগেশ চন্দ্ৰ বৰগোহাঁইৰ লগত। যোগেশ চন্দ্ৰ বৰগোহাঁই ধেমাজি নিবাসী আছিল। তেওঁ ডিব্ৰুগড়ত ওকালতি কৰিছিল। পিছলৈ তেওঁ ডিব্ৰুগড় সমষ্টিৰ বিধায়ক হৈছিল। ৰাজপৰিয়ালত জন্মগ্ৰহণ কৰা পদ্মকুমাৰীয়ে সাংসাৰিক জীৱনত ভৰি দি নিজৰ গৃহস্থী সুন্দৰকৈ চলাইছিল। তেওঁ এগৰাকী সুন্দৰ শিপিনী আৰু সাহিত্যিকো আছিল। বিয়াৰ পিছত ৰাজনীতিজ্ঞৰ লগত থাকি দেশৰ ৰাজনীতিতো মন-কাণ দিবলৈ ধৰিছিল।

তদুপৰি তেওঁ নিজৰ সাহিত্যিক প্ৰতিভাক উজলাই তুলিবলৈ সক্ষম হৈছিল। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে 'মাধুৰী' (গল্প, ১৯৩৪), 'হিন্দু নাৰী' (উপন্যাস, ১৯৫২), 'ৰঙালী বিহু' (কবিতা), 'ঘৰৰ লখিমী' (কবিতা, ১৯৫১), 'ৰুণজুনৰ সপোন' (শিশু সাহিত্য), 'ৰাজকুমাৰ আৰু ৰাজকুমাৰী' (শিশু সাহিত্য), 'মনোৰমা' (গল্প সংকলন), 'শেষৰাতিৰ জোনাক' (গল্প), 'সাৰথি' (মহিলা আলোচনী, ১৯৬০-৬৮)। এনেবোৰ গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যলৈ তেওঁ লেখত ল'বলগীয়া অৱদান আগবঢ়ায়। সু-সাহিত্যিক হিচাপে তেওঁক সমাজে আদৰ-সম্ভাষণ জনাইছিল।

জাতিৰ পিতা মহাত্মা গান্ধীৰ দৰ্শন-নীতি, বাস্তৱৰ ওপৰত তেওঁৰ অগাধ বিশ্বাস-শ্ৰদ্ধা-ভক্তি আছিল। সেয়েহে তেওঁ সমাজ আৰু দেশৰ কল্যাণৰ হকে কাম কৰিবলৈ আগবাঢ়ি আহিছিল। পদ্মকুমাৰী গোহাঁয়ে ১৯৪৪ চনত নিৰ্বাচনত জিকি ডিব্ৰুগড় লোকেল ব'ৰ্ডৰ সদস্যা হয়। তেওঁ অসমৰ ভিতৰত প্ৰথম লোকেল ব'ৰ্ডৰ সদস্যা আছিল। এইগৰাকী মহিলাই ১৯৪৮ আৰু ১৯৫৪ চনত ক্ৰমে ধেমাজি আৰু টেঙাখাতৰ পৰা সদস্যা নিৰ্বাচিত হৈ মহিলাসকলক আগবঢ়াই নিবলৈ আগবাঢ়ি আহে। তেওঁৰ বিশেষ এটি গুণ আছিল, সেই গুণটি হৈছে তেওঁ সমাজৰ সাধাৰণ শ্ৰেণীৰ মানুহকো গুৰুত্ব দিছিল। তেওঁলোকৰ বাবে কাম কৰিবলৈ পাহৰি যোৱা নাছিল। সদায় সম্পৰ্কৰ লগত নৈতিকতা ৰক্ষা কৰি চলিছিল। পদ্মকুমাৰী গোহাঁই মৰাণ সমষ্টিৰ পৰা বিধায়িকা হিচাপে তিনিটা কাৰ্যকাল কৰিছিল। তেওঁ সকলো শ্ৰেণীৰ মানুহৰ লগত সুসম্বন্ধ ৰক্ষা কৰি চলিছিল বাবেই সেইসকলেই ভোটৰ দ্বাৰাই বিধানসভালৈ বাৰে বাৰে নিৰ্বাচিত কৰি পঠিয়াইছিল বাবে তেওঁ অসম চৰকাৰৰ মন্ত্ৰী পদ অলংকৃত কৰিব পাৰিছিল। নিজৰ দক্ষতাৰে যোগ্যতাৰ কামো তেওঁ কৰিছিল। পদ্মকুমাৰী গোহাঁই মহাত্মা গান্ধীৰ একান্ত অনুগামী হোৱাৰ বাবেহে তেওঁ অনেক গঠনমূলক কামত আন্তৰিকতাৰে কৰিবলৈ আৰু গঠনমূলক কামত লাগি থকা কৰ্মীসকলক উৎসাহ আৰু মৰমৰ মাত এষাৰে সহায় কৰিবলৈ আগবাঢ়ি আহিছিল।

এইগৰাকী মহিলা ১৯৫৪ চনৰ পৰা ১৯৬২ চনলৈকে অবিভক্ত ডিব্ৰুগড় জিলাৰ কংগ্ৰেছ কমিটীৰ সভানেত্ৰী আছিল। তদুপৰি তেওঁ অসম সাহিত্য সভাৰ আজীৱন সভ্য আছিল। ১৯৫২ চনৰ পৰা ১৯৬২ চনলৈকে ডিব্ৰুগড় স্কুল ব'ৰ্ডৰ চেয়াৰমেন আছিল। ১৯৫২ চনৰ পৰা ১৯৬০ চনলৈকে প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সদস্যা আছিল। তদুপৰি তেওঁ ১২ বছৰ কাল অল ইণ্ডিয়া কংগ্ৰেছ কমিটীৰ সদস্যা আৰু কংগ্ৰেছ নিৰ্বাচনী কমিটীৰ সদস্যাৰ পদ ভালদৰে চম্ভালিছিল। তেওঁ ভাৰত

সেৱক সমাজৰ জিলা সভানেত্ৰী পদো অলংকৃত কৰি জীৱনৰ উল্লেখনীয় সময়খিনি দেশ আৰু সমাজৰ মংগলৰ কাৰণে কাম কৰি গৈছিল। নিজৰ দক্ষতাৰে সকলো কামতে তেওঁ আগবাঢ়ি যাবলৈ সক্ষম হৈছিল। তেওঁৰ মনত উচ্চ-নীচ ভাব নাছিল। ধৰ্মৰ প্ৰতি তেওঁৰ ভক্তি আছিল। সকলো ধৰ্মকে তেওঁ ভক্তিভাৱে চাইছিল।

পদ্মাকুমাৰী গোহাঁই এগৰাকী সাহসী আৰু দেশভক্তা নাৰী আছিল। তেওঁৰ ৰচিত গ্ৰন্থসমূহত সমাজ গঢ়াৰ আদৰ্শ ফুটি উঠিছিল। সেই সময়ৰ স্বনামধন্য সাহিত্যিক জ্ঞানদাভিৰাম বৰুৱা, সূৰ্যকুমাৰ ভূঞা, আম্বিকাগিৰী ৰায়চৌধুৰী আদিয়ে পদ্মকুমাৰী গোহাঁইৰ লেখাত মুগ্ধ হৈছিল। এগৰাকী অসমীয়া মহিলাই ঘৰৰ সকলো কাম চম্ভালিও নিজৰ দেশৰ বাবে কাম কৰি সমাজ সেৱা, ৰাজনীতি আদিৰ দায়িত্ব পালন কৰি এখন সুখৰ ঘৰ গঢ়ি তুলিব পৰাটো অতি গৌৰৱৰ কথা। নিজৰ সমাজৰ উন্নতিৰ কাৰণে আৰু নাৰী উন্নতিৰ বাবে তেওঁ হাঁহি মুখে কাম কৰি গৈছিল। সমাজৰ কাম কৰি ভালপোৱা পদ্মকুমাৰীয়ে জীয়াই থকা দিনলৈকে সকলোৰে মংগল আৰু উন্নতিৰ কাৰণে কাম কৰি সমাজৰ পৰা তেওঁ আদৰ-সন্মান পাইছিল। দুখীৰ দুখ বুজি পোৱা মানুহগৰাকীয়ে সমাজৰ সকলো ছামৰ বাবে গঠনমূলক কাম কৰি ১৯৮৭ চনৰ ২০ এপ্ৰিলত স্বৰ্গী হয়। তেওঁৰ মৃত্যুত অসমে এগৰাকী আদৰ্শনীয় দেশকৰ্মীক হেৰুৱালে। এইগৰাকী পদ্ম কুমাৰী গোহাঁই অসমৰ মহিলাসকলৰ বাবে আদৰণীয় হৈ ৰ'ব।❑

ৰাণী গাইদালু

ৰাণী গাইদালু আছিল এগৰাকী পাহাৰৰ নগা কন্যা। তেওঁ জন্ম লাভ কৰিছিল ২৬ জানুৱাৰী, ১৯১৫ চনত। তেওঁ জন্ম হোৱা ঠাইখন আছিল বৰ্তমান মণিপুৰৰ তামেংলং জিলাৰ তাওচেনৰ নাংগাঁও নামৰ গাঁৱত।

সৰুতে গাইদালু সাধাৰণ ল'ৰা-ছোৱালীৰ দৰেই গাঁৱত ডাঙৰ হৈছিল। তেওঁৰ দেউতাকৰ নাম আছিল লাঠনাং পামেই। মাকৰ নাম আছিল কাচাক লেনলিউ। তেওঁৰ ছয়জনী বাই-ভনী আৰু এটা ভায়েক আছিল। তেওঁ মাক-দেউতাকৰ পাঁচ নম্বৰ সন্তান আছিল। মাক-দেউতাকে তেওঁলোকৰ সন্তানকেইটাৰ ভিতৰত গাইদালুৰ মাজত কিছুমান বেলেগ লক্ষণ দেখা পাইছিল। তেওঁলোকৰ বাকী সন্তানকেইটাৰ দৰে গাইদালুৰ আচাৰ-ব্যৱহাৰ, কাম, কথা-বাৰ্তাত একেই নাছিল। বহুটো কথাতে তেওঁৰ বাই-ভনী-ভায়েকৰ অমিল থকা মাক-দেউতাকে গাইদালুক সৰুৰে পৰা দেখা পাইছিল। সেয়েহে গাইদালুক কিছুমান কামত মাক-দেউতাকে বাধা দিয়া নাছিল।

দিন বাগৰিল। লাহে লাহে গাইদালু ডাঙৰ হ'বলৈ ধৰিলে। দেশৰ বাট-পথ, পঢ়া-শুনাৰ ভাল সুবিধা নেদেখি তেওঁ বিদ্ৰোহী হৈ উঠিছিল। তেওঁ ভাবিছিল ইংৰাজে তেওঁৰ দেশ শাসন কৰাৰ বাবেই দেশৰ অৰ্থনীতি আৰু বাট-পথ আদিৰ অৱস্থাৰ অৱনতি ঘটিছে। সেয়েহে তেওঁ ইংৰাজ শাসনৰ বিৰুদ্ধে সৰুতেই মাত মাতিছিল। তেওঁৰ সাহস দেখি নগা জনসাধৰণে আচৰিত মানিছিল। তেওঁৰ তেৰ বছৰ বয়সতে দেশৰ স্বাধীনতাৰ বাবে মণিপুৰ আৰু নগা জনবসতিপূৰ্ণ এলেকাত ইংৰাজবিৰোধী এক জনমত গঢ়ি তুলিছিল। মণিপুৰ আৰু নাগালেণ্ডৰ সকলো মানুহে তেওঁক এই

কামত সমৰ্থন জনাইছিল। কাৰণ ইংৰাজৰ অধীনত থকা মণিপুৰৰ দক্ষিণ পাহাৰৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থা একেবাৰে বেয়ালৈ গৈছিল। দেশৰ এনে অৱস্থা দেখি তেওঁৰ মন বিষাদেৰে ভৰি পৰিছিল। তেওঁ ইংৰাজক দেশৰ পৰা কেনেকৈ খেদিব পাৰি, তাকে ভাবি ১৩ বছৰ বয়সতে বিভোৰ হৈ পৰিছিল। তেনে সময়তে তেওঁ পুইলন গাঁৱৰ বৰ্তমান আমেংলং জিলাৰ নাংবাং মৌজাৰ হাইপাও জাদনাং নামৰ মানুহ এজনক লগ পায়। জাদনাং বৰ সাহসী আছিল। দেশৰ অৰ্থনীতি দেখি তেওঁ বিদ্ৰোহী হৈ পৰিছিল। সেয়েহে ইংৰাজৰ বিৰুদ্ধে তেওঁ জনমত গঢ়ি তুলিছিল। নগাসকলৰ তেওঁ দলপতি হৈ দেশৰ স্বাধীনতাৰ বাবে কাম কৰিছিল। এইজন দেশভক্তক লগ পাই গাইদালু অতি সুখী হৈ পৰিছিল। সাহসী মনৰ গাইদালুৱে তেওঁক লগ পাই দেশৰ হকে কাম কৰিবলৈ দৃঢ় হৈ পৰিছিল। হাইপাও জাদনাঙৰ আদৰ্শক তেওঁ অতি হেঁপাহেৰে সমৰ্থন জনাইছিল। সেয়েহে তেওঁ হাইপাও জাদনাঙৰ প্ৰধান অনুচৰ হৈ পৰিছিল। দুয়ো লগ হৈ ইংৰাজৰ বিৰুদ্ধে এক ৰাজবিপ্লৱ গঢ়ি তুলিবলৈ সক্ষম হৈছিল। এই ৰাজবিপ্লৱে ১৯২৭ চনত নাগালেণ্ডত পূৰ্ণগতি চলাইছিল। গাইদালুৱে সকলো জনসাধাৰণৰ মাজত সোমাই পৰি দেশৰ স্বাধীনতাৰ বাবে সকলোকে বিদ্ৰোহ কৰিবলৈ আগবঢ়াই আনিছিল। মণিপুৰৰ দক্ষিণ পাহাৰৰ সেই ৰাজবিপ্লৱ 'নগা ৰাজ আন্দোলন' হিচাপে জনাজাত হৈ পৰিছিল। এই ৰাজবিপ্লৱ ইংৰাজৰ কৰ নিৰূপন আৰু বলপুৰ্বক মজদুৰিৰ বিৰুদ্ধে গঢ় লৈ উঠিছিল। গাইদালু আৰু হাইপাও জাদনাঙৰ দলে ১০০টা বন্দুক কাছাৰ আৰু অসমৰ পৰা নি এই আন্দোলন ভয়ানকভাৱে প্ৰসাৰিত কৰি তুলিছিল। তেওঁলোকৰ এই ৰাজবিপ্লৱ দেখি ইংৰাজসকল আচৰিত হৈছিল। যেতিয়া গাইদালু আৰু হাইপাও জাদনাঙৰ নেতৃত্বত এই ৰাজবিপ্লৱে শীৰ্ষবিন্দু স্পৰ্শ কৰিছিল, সেই সময়তে হাইপাও জাদনাঙক ইংৰাজে গ্ৰেপ্তাৰ কৰে। এই কথাত গাইদালু অতি উত্তেজিত হৈ পৰিছিল। তেওঁ এই ৰাজবিপ্লৱক থমকি ৰ'বলৈ দিয়া নাছিল। জনগণৰ মাজত ইংৰাজৰ বিৰুদ্ধে জনমত গঢ়ি তুলিছিল। ইংৰাজে এই ৰাজবিপ্লৱ শেষ কৰিবৰ বাবে হাইপাও জাদনাঙক ১৯৩১ চনৰ ২৯ আগষ্টত ইম্ফল জে'লত ফাঁচি দিয়ে।

ইয়াৰ ফলত ৰাজবিপ্লৱক আগুৱাই নিবলৈ গাইদালুৱে নেতৃত্ব বহন কৰে। গাইদালুৱে তেওঁৰ অনুচৰসকলক লগত লৈ সমাজৰ পৰা লুকাই পৰে। গাইদালুৰ বাহিনীয়ে লুকাই লুকাই এই স্বাধীনতা বিপ্লৱ চলাই যায়। উত্তৰ কাছাৰ পাহাৰৰ হানগ্ৰম গাঁৱত ইংৰাজৰ লগত গাইদালু বাহিনীৰ ভয়ানক গুলীয়াগুলী হয়। সেই কেইদিন সেনাৰ গুলীৰ জুইৰে গোটেই গাঁওখন আগুৰি ধৰিছিল। গাইদালুৰ সাহস

দেখি ইংৰাজসকলে তবধ মানিলে। সেই গুলীয়াগুলীত গাইদালুক ধৰিব নোৱাৰি ইংৰাজে গোটেই নগা গাঁওখনত জুই লগাই দিছিল। গাইদালুৰ সংগ্ৰাম বন্ধ কৰিবৰ বাবে গাইদালুক গ্ৰেপ্তাৰ কৰা ইংৰাজৰ বাবে অতি প্ৰয়োজন হৈ পৰিছিল। সেয়েহে ইংৰাজ চৰকাৰে গাইদালুৰ বিষয়ে যিয়ে তথ্য দিব পাৰিব, তেওঁক পাঁচশ টকা পুৰস্কাৰ প্ৰদানৰ ঘোষণা কৰিছিল। কিন্তু নাগালেণ্ডৰ কোনো মানুহে গাইদালুৰ তথ্য ইংৰাজক যোগান নধৰিলে। মণিপুৰ, কাছাৰ আৰু অসম, নাগালেণ্ডৰ নগাসকলে সম্পূৰ্ণ গাইদালুক সমৰ্থন দি এই আন্দোলন আগবঢ়াই নিলে। কিন্তু দূৰ্ভাগাবশতঃ ১৭ অক্টোবৰ, ১৯৩২ চনত নাগালেণ্ডৰ পুলমি গাঁৱত তেওঁক ইংৰাজ সেনাই গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। শুনা যায় যে যিজন ইংৰাজ কামাণ্ডাৰে গাইদালুক গ্ৰেপ্তাৰ কৰিছিল, সেইজনৰ হাতত গাইদালুৱে দাঁতেৰে কামুৰি আঘাত কৰিছিল, যাৰ ফলত তেওঁ গাইদালুক এৰি দিবলৈ বাধ্য হৈছিল। কিন্তু বহু চেষ্টাৰ ফলত গাইদালুক পুনৰ ইংৰাজ চৰকাৰে গ্ৰেপ্তাৰ কৰে। এই কথা জনা যায় যে যেতিয়া গাইদালুক হাতত ইংৰাজে হাতকেৰেয়া লগাই জে'ললৈ লৈ গৈছিল, তেতিয়া এজন নগা বয়সস্থ মানুহে এই কাৰ্যত আঘাত পাই গাইদালুক হাতকেৰেয়া লগোৱাৰ বাবে ইংৰাজৰ চিপাহীসকলক ঠাট্টা কৰিছিল— 'কিয় এজনী মহিলাক হাতত হাতকেৰেয়া লগাই লৈ যাব লাগে।' গাইদালুৰ হাতৰ পৰা হাতকেৰেয়াডাল আঁতৰাই দিবৰ বাবে ইংৰাজ বাহিনীক কৈছিল। কিন্তু ইংৰাজৰ কেপ্তেইনজনে তেওঁৰ কথা নুশুনি বৃদ্ধ মানুহজনক গালিহে পাৰিলে। খঙতে বৃদ্ধজনে ইংৰাজ বাহিনীলৈ শিলগুটি দলিয়াবলৈ ধৰিলে। তেতিয়া ইংৰাজ বাহিনীৰ চিপাহী এজনে সেই বৃদ্ধজনকো গ্ৰেপ্তাৰ কৰি নিলে। কিন্তু এই বৃদ্ধজনক সোনকালেই তেওঁলোকে মুক্তি দিলে।

গাইদালুক গ্ৰেপ্তাৰ কৰাত নগা জনগণৰ মাজত আলোড়নৰ সৃষ্টি হৈছিল। স্বাধীনতাৰ বাবে যুঁজ দিবলৈ তেওঁলোকে গাইদালুক অনুকৰণ কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছিল। আনকি যেতিয়া কোহিমা জিলা উপায়ুক্ত জে পি মিল্‌ছে বিচাৰৰ বাবে অনা সাহসী গাইদালুক মণিপুৰৰ ৰাজনৈতিক প্ৰতিনিধি জে চি হিগ্নিনচে আদৰণি জনাইছিল। ইয়াৰ দ্বাৰা গাইদালুৰ প্ৰতি থকা ৰাজনৈতিক, সামাজিক সমৰ্থনৰ কথা উপলব্ধি কৰিব পাৰি।

তেওঁ অতি দৃঢ় আছিল বাবেই ইংৰাজে গ্ৰেপ্তাৰ কৰাতো তেওঁ ভাগি পৰা নাছিল। তেওঁৰ অনুচৰসকলক এই স্বাধীনতাৰ আন্দোলন চলাই যাবলৈ আদেশ দিছিল। গাইদালুৰ অনুচৰসকলে তেওঁক মানি চলিছিল। গাইদালুক ইংৰাজে বিচাৰ কৰি ইংৰাজৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে যাৱজ্জীৱন কাৰাবাস খাটিবলৈ আদেশ

দিয়ে। গাইদালুৰ আদর্শক জৱাহৰলাল নেহৰু আৰু মহাত্মা গান্ধীয়ে সমর্থন জনাইছিল। জৱাহৰলাল নেহৰুৱে তেওঁৰ ব্যক্তিত্বক সন্মান দিছিল। সেয়েহে ১৯৩৭ চনত নেহৰুৱে গাইদালুক শ্বিলং জে'লত লগ ধৰিছিল। তেওঁ গাইদালুৰ মুক্তিৰ বাবে চেষ্টা কৰিব বুলি অতি আন্তৰিকতাৰে প্ৰতিজ্ঞা কৰিছিল। আনকি নেহেৰুৱে এবাৰ 'হিন্দুস্থান টাইমৃছ'ত দিয়া এটা বিৱৰণী প্ৰকাশ পাইছিল— গাইদালু পাহাৰৰ কন্যা। এগৰাকী 'মানুহৰ ৰাণী' আৰু 'ৰাণী গাইদালু' উপাধিৰে তেওঁক সন্মান প্ৰদর্শন জনাইছিল। গাইদালুক ফ্ৰান্সৰ অৰ্থাৎ ফৰাচী দেশৰ জোৱান অৱ আর্ক আৰু ৰাণী লক্ষ্মীবাঈৰ লগত তুলনা কৰিছিল। এইজনা নেহৰুৱে গাইদালুক জে'লৰ পৰা মুক্তি দিবৰ বাবে লণ্ডনৰ লেডী Aston. M.Pলৈ অনুৰোধ জনাই পত্ৰ লিখিছিল। কিন্তু এই অনুৰোধ অগ্ৰাহ্য কৰিলে আৰু গাইদালুক মুক্তি দিলে নাগালেণ্ডত সমস্যাৰ সন্মুখিন হ'ব পাৰে বুলি ইংৰাজ আৰু ভাৰত চৰকাৰে এই অনুৰোধ অমান্য কৰি লেডী এছটনে নেহৰুলৈ দুঃখিত হৈ সেই পত্ৰৰ উত্তৰ দিয়ে।

এইদৰে নানান সমস্যাৰ সন্মুখিন হৈ গাইদালুৱে জীৱন কটাব লগাত পৰে। দেশত হোৱা স্বাধীনতা আন্দোলনৰ তেওঁ জে'লতে থাকি সকলো খা-খবৰ লৈ থাকে। তেওঁ গুৱাহাটী, আইজল, তুৰা, শ্বিলং আৰু বিভিন্ন ঠাইৰ কাৰাগাৰত দিন কটাব লগা হয়। এইদৰে ১৪ বছৰ কাৰাগাৰত থকাৰ পিছত দেশ স্বাধীন হোৱাত ভাৰতৰ প্ৰাধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ আদেশত ৰাণী গাইদালুক তুৰা জে'লৰ পৰা অক্টোবৰৰ ১৪ তাৰিখে ১৯৪৭ চনত মুক্তি দিয়ে। কিন্তু গাইদালুক নিজৰ জন্ম ঠাইলৈ উভতি যাবলৈ দিয়া নাছিল। গাইদালুৱে ভায়েক মৰাঙৰ লগত তুৱেনচাঙৰ ভিমৰাপ গাঁৱত ১৯৫২ চনলৈকে থাকে। নিজৰ ভায়েকক তেওঁ বিশ বছৰ পিছত লগ পাই শোকাকুল হৈ পৰিছিল।

গাইদালুৰ জীৱন আৰু ধৰ্মৰ বিৰুদ্ধে মাত মতা বাপচীচ্‌সকলক তেওঁ মুঠেই সহ্য কৰিব পৰা নাছিল। সেয়ে তেওঁ শান্তিৰে দিন কটাব পৰা নাছিল। সেয়ে বিপ্লৱী ৰাণী গাইদালুৱে ৪০০জন তেওঁৰ অনুচৰ লৈ ১৯৬০ চনত পুনৰ লুকাই বাস কৰিবলৈ লয়। সেই সময়তে তেওঁৰ বাহিনীয়ে N.N.C সৈন্যৰ লগত গুলীয়াগুলী কৰে। ফলত গাইদালুৰ বহুতো সৈন্যৰ মৃত্যু হয়। গাইদালুৱে সাহসেৰে তিনি বছৰ কাল মগোলং গুহাত লুকাই থাকে। ইয়াৰ পিছত ভাৰত চৰকাৰৰ লগত হোৱা চুক্তি অনুসৰি গাইদালুৱে ১৯৬৬ চনত লুকাই থকাৰ পৰা ওলাই আহে। ইংৰাজৰ বিৰুদ্ধে হোৱা ভাৰতৰ মুক্তি যুদ্ধত গাইদালু এগৰাকী উদ্যমী প্ৰতিদ্বন্দ্বী আছিল। তেওঁ লুকাই থকাৰ পৰা ওলাই আহি সমাজৰ উন্নতি কামত লাগি পৰে।

সকলো নগা জনগণই তেওঁক 'ৰাণী গাইদালু' বুলি সন্মান জনায়। প্ৰজাৰ উন্নতিৰ বাবে সকলো কাম কৰি তেওঁ সুখী হৈ পৰিছিল । ৰাণী গাইদালুক কোহিমাত থকাৰ সময়ত ভাৰত চৰকাৰে তেওঁক ১৯৭২ চনত মুক্তিযোদ্ধা তাম্ৰপত্ৰ, ১৯৮১ চনত পদ্মভূষণ আৰু ১৯৮৩ চনত বিবেকানন্দ পুৰস্কাৰেৰে সন্মানিত কৰে। ১৯৯১ চনত ৰাণী গাইদালু লংকাওলৈ ঘূৰি যায়। তাতেই তেওঁ ৭৮ বছৰ বয়সত ১৭ ফেব্ৰুৱাৰী, ১৯৯৩ চনত স্বৰ্গগামী হয়।

ৰাণী গাইদালুৰ মৃত্যুত ভাৰতবাসীয়ে এগৰাকী স্বাৰ্থত্যাগী স্বাধীনতা যুঁজাৰু, পাহাৰী কন্যাক হেৰুৱালে। তেওঁৰ মৃত্যুত মণিপুৰৰ ৰাজ্যপাল চিন্তামণি পাণিগ্ৰাহীকে আদি কৰি বহুতো মন্ত্ৰী-বিষয়া আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী আদিয়ে তেওঁৰ অন্ত্যেষ্টিক্ৰীয়া অনুষ্ঠানত উপস্থিত থাকি তেওঁৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনায়। আনকি সেই দিনটো ৰাজ্য চৰকাৰে বন্ধৰ দিন হিচাপে ঘোষণাও কৰে। গাইদালুক 'বিৰচা মণ্ডা' উপাধি প্ৰদান কৰা হৈছিল। গাইদালু এগৰাকী স্বাৰ্থত্যাগী দেশভক্তা আছিল। তেওঁ আমাৰ বাবে সদায় গৌৰৱ আৰু সাহসৰ প্ৰতীক হৈ থাকিব।□

অমলপ্ৰভা দাস

অমলপ্ৰভা দাসৰ জন্ম হৈছিল ১৯১১ চনৰ ১২ নৱেম্বৰত। তেওঁৰ জন্মস্থান ডিব্ৰুগড় চহৰ। তেওঁৰ পিতৃৰ নাম ডাঃ হৰিকৃষ্ণ দাস আৰু মাকৰ নাম হেমপ্ৰভা দাস। একমাত্ৰ বায়েকৰ নাম ডাঃ তিলোত্তমা ৰায়চৌধুৰী।

অমলপ্ৰভা দাস সৰুৰে পৰা বৰ চোকা বুদ্ধি-স্বভাৱৰ আছিল। বৰ নম্ৰ আৰু সহজ-সৰল আছিল। কাকো বেয়া ব্যৱহাৰ আৰু টান কথা তেওঁ সৰুৰে পৰা নকৈছিল। তেওঁ অতি মেধাসম্পন্না ছাত্ৰী আছিল বাবেই ১৯২৭ চনত ডিব্ৰুগড় মডেল বালিকা হাইস্কুলৰ পৰা অতি পাৰদৰ্শিতাৰে অংক আৰু ভূগোলত 'লেটাৰ' নম্বৰ লৈ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ইংৰাজী ১৯২৯ চনত অমলপ্ৰভা দাসে কলিকতাৰ বেথুন কলেজৰ পৰা প্ৰথম বিভাগত সুখ্যাতিৰে আই এছ চি পৰীক্ষা পাছ কৰে। তদুপৰি ইয়াৰ পিছতেই তেওঁ বি এছ চি পঢ়িবৰ বাবে বেনাৰসলৈ যায় আৰু কাশী হিন্দু বিশ্ববিদ্যালয়ত গণিত, ৰসায়ণ বিদ্যা আৰু পদাৰ্থ বিদ্যা লৈ বি এছ চি পঢ়িবলৈ লয়। কিন্তু বেনাৰসৰ জলবায়ুৱে তেওঁক নুশুজাত স্বাস্থ্যৰ বাবে তেওঁ অসমলৈ ঘূৰি আহে। ইয়াৰ পিছত তেওঁ কলিকতাৰ স্কটিচ চাৰ্চ কলেজত নাম লগায় আৰু তাৰ পৰা ১৯৩৩ চনত ডিষ্টিংছন লৈ বি এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ দুবছৰ পিছত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ব্যৱহাৰিক ৰসায়ণ বিদ্যাত (Applied Chemistry) সুখ্যাতিৰে এম এছ চি পাছ কৰে। অতি গৌৰৱৰ কথা এই যে এম এছ চি পাছ কৰা এৱেঁই প্ৰথম অসমীয়া মহিলা আছিল।

এইগৰাকী অমলপ্ৰভাৰ স্বভাৱ আছিল অতি দুঃসাহসী। তেওঁৰ সৰুৰে

পৰা ইচ্ছা আছিল বিমানচালিকা হ'বলৈ। তেওঁৰ মাকেও এইক্ষেত্ৰত উৎসাহ যোগাইছিল। সেয়েহে তেওঁ বিমানচালিকাৰ প্ৰশিক্ষণ ল'বলৈ বৰ ইচ্ছা কৰিছিল। কিন্তু তেওঁৰ দেউতাক ডাঃ হৰেকৃষ্ণ দাসে তেওঁৰ সেই ইচ্ছাত বাধা দিয়ে। শেষত অমলপ্ৰভাই বিমানচালিকা হোৱাৰ আশা পৰিত্যাগ কৰিব লগাত পৰে। অমলপ্ৰভাৰ দেউতাক চিকিৎসক হোৱাৰ বাবে তেওঁৰো চিকিৎসা শাস্ত্ৰত জ্ঞান অৰ্জন কৰিবলৈ মন গৈছিল। সেইবাবে 'Tropical School of Medicine'ত অমলপ্ৰভাই কেইমাহমান প্ৰশিক্ষণ লয়। ইয়াৰ পিছত তেওঁ ঘৰতে লেব'ৰেটৰী খুলি তেজ আদিৰ Culture কৰিছিল।

অমলপ্ৰভাৰ দেউতাক ডাঃ হৰেকৃষ্ণ দাসে ১৯২৭ চনত চৰকাৰী চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত গুৱাহাটীৰ পাণবজাৰত নিজৰ ঘৰত থাকিবলৈ লয়। অমলপ্ৰভাৰ দেউতাক ডাঃ হৰিকৃষ্ণ দাসে নিজৰ ঘৰতে থাকি সেইসময়ত কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰিছিল। সেয়েহে অমলপ্ৰভাৰ ঘৰখনেই স্বাধীনতা আন্দোলনৰ কেন্দ্ৰস্থল হৈ পৰিছিল। হৰিজন আন্দোলন সন্দৰ্ভত ১৯৩৪ চনত মহাত্মা গান্ধী দ্বিতীয়বাৰৰ বাবে অসমলৈ আহি অমলপ্ৰভা দাসৰ ঘৰতে আলহী হৈ আছিল। অমলপ্ৰভাৰ দেউতাক ডাঃ হৰেকৃষ্ণ দাসে মহাত্মা গান্ধীক নিজৰ ঘৰতে ৰাখি দেশৰ স্বাধীনতাৰ বাবে অহিংস আন্দোলনৰ পদ্ধতিৰ বিষয়ে আলোচনা কৰিছিল। মাক-দেউতাকৰ লগতে মহাত্মা গান্ধীৰ অহিংস আন্দোলনৰ প্ৰতি অমলপ্ৰভাও মুগ্ধ হৈ পৰিছিল। অমলপ্ৰভাই লগে লগে সূতা কটা, কাপোৰ বোৱা আদি কাম কৰিবলৈ উৎসাহিত হৈ পৰে। কম দিনৰ ভিতৰতে তেওঁ এই শিক্ষা অৰ্জন কৰি লয়। মহাত্মা গান্ধীৰ স্বৰাজ আন্দোলনৰ গঠনমূলক কাৰ্যসূচীয়ে অমলপ্ৰভাক বৰকৈ আকৰ্ষণ কৰিছিল।

১৯৩৮ চনত অমলপ্ৰভা দাসে তেওঁৰ মাক-দেউতাকৰ লগত হৰিপুৰাত বহা নিখিল ভাৰত কংগ্ৰেছ মহাসভাৰ অধিৱেশনলৈ গৈছিল। হৰিপুৰা কংগ্ৰেছৰ পৰা অমলপ্ৰভাই মাক-দেউতাকৰ লগত বিভিন্ন গঠনমূলক অনুষ্ঠানবোৰ চাবলৈ ৱাৰ্ধাৰ সেৱাগ্ৰামলৈ গৈছিল। তাত তেওঁলোকে মহাত্মা গান্ধীকো লগ ধৰে। অমলপ্ৰভাই মাকৰ লগত পুনৰ ৱাৰ্ধাৰ মগনবাৰীলৈ গৈ ঘাণিত তেল পেৰা হাতেৰে কাগজ তৈয়াৰ কৰা, মৌপালন কৰা, চাবোন তৈয়াৰ কৰা আদি গ্ৰামোদ্যোগৰ শিক্ষা অৰ্জন কৰে। সেই সময়ত অমলপ্ৰভা দাস আৰু পুষ্পলতা দাসৰ ওপৰত অসম কংগ্ৰেছ মহিলাৰ বিভাগৰ দায়িত্ব আছিল। তেওঁলোক দুয়োৱে মহিলা সংগঠনৰ বাবে গাঁৱে-ভূঞে সভা-সমিতি পাতি মহিলাসকলৰ মাজত জাগৰণ আনিছিল।

১৯৪১ চনৰ আন্দোলনৰ সময়ত হোৱা ব্যক্তিগত সত্যাগ্ৰহ কৰিবলৈ যোৱাৰ ফলত ব্ৰিটিছ্ চৰকাৰে তেওঁক কাৰাদণ্ড দি যোৰহাট জে'ললৈ পঠিয়াইছিল। ডেৰ মাহৰ পিছত তেওঁ জে'লৰ পৰা মুক্তি লাভ কৰে। দেশৰ বাবে ১৯৪৩ চনত অমলপ্ৰভাই চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু পুষ্পলতা দাসৰ লগতে একেলগে গুৱাহাটীৰ জে'লত এবছৰ কটাব লগা হয়। অমলপ্ৰভাই জে'ল খাটিব লগা হৈয়ো কোনো কামতে থমকি ৰোৱা নাছিল।তেওঁ মহিলাসকলৰ মাজত গঠনমূলক কাম কৰিছিল।

১৯৪৪ চনৰ ২২ ফেব্ৰুৱাৰীত পুণেৰ আগাখা প্ৰাসাদত বন্দিনী অৱস্থাত কস্তুৰবাৰ মৃত্যু হৈছিল। সেইগৰাকী ৰাষ্ট্ৰমাতাৰ মৃত্যুৰ পিছত তেওঁৰ স্মৃতি ৰক্ষাৰ্থে অমলপ্ৰভাই আগভাগ লৈ কাম কৰিছিল। অসম শাখা কস্তুৰবা ধন সংগ্ৰহ সমিতিৰ সভাপতি আছিল গোপীনাথ বৰদলৈদেৱ আৰু সম্পাদিকা আছিল অমলপ্ৰভা। কস্তুৰবা নিধিৰ কাম কেনেকৈ কৰিব, সেই বিষয়ে জানিবলৈ অমলপ্ৰভাই সেৱাগ্ৰামৰ হিন্দুস্থানী তালিমী সংঘলৈ গৈছিল। তেওঁ তাতেই 'নয়ী তালীম' আৰু নিম্ন বুনিয়াদী শিক্ষাৰ প্ৰশিক্ষণ ল'বলৈ সুবিধা পায়। অমলপ্ৰভাৰ দেউতাক ডাঃ হৰেকৃষ্ণ দাসে দান কৰা ঘৰ-মাটিত কস্তুৰবা গ্ৰাম সেৱিকা বিদ্যালয়ৰ কাম অমলপ্ৰভাই আৰম্ভ কৰে। মহাত্মা গান্ধী অসমলৈ আহি ১৯৪৬ চনৰ ৯ জানুৱাৰীৰ দিনা কস্তুৰবা গ্ৰাম সেৱিকা বিদ্যালয়ৰ শুভাৰম্ভ কৰে। গান্ধীজীয়ে নিজ হাতেৰে এগছি বন্তি জ্বলাই সেইসময়ত গ্ৰাম সেৱিকা প্ৰশিক্ষণ ল'বলৈ অহা সাতগৰাকী প্ৰশিক্ষাৰ্থীৰ মূৰত হাত থৈ কৈছিল— 'এই গছ্ বন্তিৰ পৰাই তোমালোকে বন্তি লৈ গৈ গাঁৱত বন্তি জ্বলাব লাগিব। অমলপ্ৰভাই তোমালোকক মাৰ্গ দৰ্শন কৰিব।'

এই গৰাকী অমলপ্ৰভাই ১৯৪৬ চনৰ পৰা ১৯৫৪ চনলৈ অসম প্ৰাদেশিক কস্তুৰবা ট্ৰাষ্টৰ প্ৰতিনিধি হৈ থাকি কাম সুদক্ষতাৰে পৰিচালনা কৰিছিল। ভাৰত স্বাধীন হোৱাৰ পিছত চৰকাৰে বুনিয়াদী শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। অমলপ্ৰভাই সেই সময়ত অসমৰ Basic Education adviser হৈ অসমত বুনিয়াদী শিক্ষাৰ কাম আৰম্ভ কৰে। অমলপ্ৰভাই সকলো কামকে আগ-ভাগ লৈ কৰিবলৈ ওলাই আহিছিল। তেওঁ ১৯৪৬ চনত অসম প্ৰাদেশিক 'সমাজ কল্যাণ বোৰ্ড'ৰ প্ৰথম চেয়াৰমেন হৈছিল, অসম প্ৰাদেশিক গান্ধী স্মাৰক নিধিৰ তেওঁ প্ৰথম অধ্যক্ষা আছিল। কিন্তু তেওঁ সদায় উচ্চ বিষয় বাবৰ পৰা আঁতৰি নীৰৱে সমাজৰ সাধাৰণ সেৱিকাৰ দৰে কাম কৰিহে আনন্দ লভিছিল। নোৱাখলিত সাম্প্ৰদায়িক সংঘৰ্ষৰ জুই জ্বলি উঠাৰ সময়ত গান্ধীজী তালৈ গৈছিল। তেনে সময়ত অমলপ্ৰভাই সেই ঠাইলৈ গৈ সকলো বুজ লৈছিল। সেই ঠাইতে গান্ধীজীয়ে

তেওঁৰ পৰা শৰণীয়া গ্ৰাম সেৱিকাৰ বিদ্যালয়ৰ কামৰ বিষয়ে খবৰ লয়। এইদৰে সকলো বিপদতে অমলপ্ৰভাই সাহসেৰে দেশৰ বাবে কাম কৰি গৈছিল।

ভাৰত স্বাধীন হোৱাৰ পিছত ভাৰত চৰকাৰে ১৯৫৫ চনত অমলপ্ৰভাৰ কামৰ দক্ষতাৰ বাবে 'পদ্মবিভূষণ' সন্মান প্ৰদান কৰে। কিন্তু অমলপ্ৰভাই এই সন্মান অস্বীকাৰ কৰি সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুলৈ লিখে— 'মই সামাজৰ বাবে যিকণ সেৱা আগবঢ়াইছো, তাক স্বীকৃতি দিয়াৰ বাবে অন্তৰেৰে কৃতজ্ঞতা জনাওঁ। কিন্তু মই উপাধি ল'বলৈ অপাৰগতা জনাবলগীয়া হ'ল। কাৰণ ইয়ে মোৰ মনত অহংভাব আনি দিব বুলি শংকা কৰি এই উপাধি অস্বীকাৰ কৰিলো। মোক অনুগ্ৰহ কৰি মাৰ্জনা কৰে যেন।' এই লিখনিয়ে অমলপ্ৰভাৰ ব্যক্তিত্ব দাঙি ধৰিছে। তেওঁ সমাজসেৱা কোনো স্বাৰ্থতে বা কোনো নামৰ বা সন্মানৰ কাৰণে কৰা নাছিল। তেওঁ আছিল স্বাৰ্থ ত্যাগী। কোনো স্বাৰ্থ নাৰাখি মানৱসেৱা কৰাই তেওঁৰ জীৱনৰ ব্ৰত আছিল।

১৯৫০ চনৰ ১৫ আগষ্টৰ দিনা হোৱা প্ৰবল ভূমিকম্পই অসমত মহাপ্ৰলয়ৰ সৃষ্টি কৰিছিল। সেই ভূমিকম্পত যিবিলাক শিশু অনাথ হৈ পৰিল, সেইবিলাকৰ বাবে উত্তৰ লখিমপুৰৰ লীলাবাৰীত অমলপ্ৰভাই 'কস্তুৰবা কল্যাণ কেন্দ্ৰ' স্থাপন কৰি তেওঁলোকৰ যতন লয়। আচাৰ্য বিনোৱাজী ১৯৬২ চনৰ ৫ মাৰ্চত কস্তুৰবা কল্যাণ কেন্দ্ৰলৈ আহিছিল। তেখেতৰ পৰামৰ্শ মতে এই কল্যাণ কেন্দ্ৰটো মৈত্ৰী আশ্ৰমলৈ ৰূপান্তৰ কৰে। এই আশ্ৰমৰ দায়িত্বও বিনোৱাজীয়ে অমলপ্ৰভাকে প্ৰদান কৰিছিল। ১৯৫২ চনৰ জুলাই মাহত অমলপ্ৰভাই ভূদান অভিযান, পদযাত্ৰা আৰম্ভ কৰিছিল। এইগৰাকী অমলপ্ৰভাই ভূদানৰ কাম, শান্তি সেৱাৰ কাম, সময়ে সময়ে দেশত হোৱা অশান্তিৰ সময়ত নানান পৰামৰ্শৰে গঠনমূলক কাম আগবঢ়াই যায়।

১৯৬৩ চনত অমলপ্ৰভাই অসমত 'তুফান গ্ৰামদান যাত্ৰা' চলায়। ১৯৬৪ চনত স্থাপন হোৱা 'নাগালেণ্ড পিচ মিছন'ৰ সদস্যা অমলপ্ৰভা নিৰ্বাচিত হয়। ১৯৭৮ চনৰ জানুৱাৰী মাহত গুৱাহাটীত তৃতীয় অখিল ভাৰত মহিলা সন্মিলন অনুষ্ঠিত হয়। এই মহিলা সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী আছিল অমলপ্ৰভা দাস। তদুপৰি তেওঁ বিশ্বৰ মহিলা সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী আছিল। ১৯৮১ চনত অমলপ্ৰভা দাসক 'যমুনালাল বাজাজ বঁটা' ঘোষণা কৰি সন্মান জনায়। এই বঁটাক 'পদ্মবিভূষণ'ৰ দৰে প্ৰত্যাখ্যান নকৰিবলৈ তেওঁক অনুৰোধ জনায়। অমলপ্ৰভাই বহু কথা চিন্তা কৰি এই বঁটা গ্ৰহণ কৰি কৈছিল — 'যি সেৱাকাৰ্যৰ বাবে মোক এই

বঁটা যচা হৈছে, সেয়া মোৰ অকলে প্ৰাপ্য নহয়। মোৰ লগত এচাম উৎসাহী নিস্বাৰ্থ কৰ্মীয়ে কাম কৰি আছে। এই পুৰস্কাৰৰ বাবে তেওঁলোকহে যোগ্য। তেওঁলোকৰ প্ৰতিনিধি হিচাপেহে মই এই বঁটা গ্ৰহণ কৰিলো।' বঁটাৰ বাবে পোৱা এক লাখ টকা অমলপ্ৰভা দাসে বিভিন্ন গঠনমূলক অনুষ্ঠানৰ মাজত বিতৰণ কৰিছিল। এই গৰাকী আদৰ্শ মহিলাই সমাজৰ কামতেই নিজৰ জীৱন উৎসৰ্গা কৰিলে। দেশ আৰু সমাজৰ কামতে ব্যস্ত থাকি এইগৰাকী মহীয়সী অমলপ্ৰভা দাসে ১৯৯৪ চনৰ ৩০ ডিচেম্বৰ তাৰিখে ইহলীলা ত্যাগ কৰি চিৰশান্তি লাভ কৰে।

এই গৰাকী সমাজসেৱিকা অসমৰ গৌৰৱ। তেওঁ অসমৰ ৰাইজৰ সুখত সুখী আৰু দুখত দুখী হৈ পৰিছিল। সেইবাবেই সমাজৰ কল্যাণৰ বাবে অমলপ্ৰভাই হাঁহিমুখেৰে সদায় আনন্দৰে কাম কৰি গৈছিল। তেওঁৰ স্মৃতি আমাৰ মাজত সদায় স্মৰণীয় হৈ ৰ'ব। ❑

প্ৰজ্ঞাৱতী পুষ্পলতা

পুষ্পলতা এগৰাকী অসাধাৰণ ব্যক্তিত্বসম্পন্না নাৰী আছিল। তেওঁৰ জন্ম ১৯১৫ চনৰ ২৭ মাৰ্চত উত্তৰ লখিমপুৰত হৈছিল। তেওঁৰ পিতৃ ৰামেশ্বৰ শইকীয়া ছাব ডেপুটী কালেক্টৰ আছিল। তেওঁৰ মাতৃ স্বৰ্ণলতা শইকীয়া এগৰাকী বৰ উৎসাহী কৰ্মোদ্যমী নাৰী আছিল। বিপ্লৱী পিয়লি শইকীয়া ৰামেশ্বৰ শইকীয়াৰ ককাদেউতাক আছিল।

সৰুৰে পৰা পুষ্পলতাই নৃত্য, গীত, আবৃত্তি, বক্তৃতা আদি ভাল পাইছিল। তদুপৰি তেওঁ বোৱা- কটা, ঘৰৰ কাম-বনত মাকক সহায় কৰি ভাল পাইছিল। প্ৰাক স্বাধীনতাৰ কালত অসম দেশত স্ত্ৰী শিক্ষাৰ প্ৰসাৰ অতি সীমিত আছিল। অসমত ছোৱালীৰ বাবে শিক্ষানুষ্ঠান একেবাৰে কম আছিল। অভিভাৱকসকলে ছোৱালীক পঢ়িবলৈ দিয়া নাছিল। অতি কমসংখ্যক ছোৱালীয়ে সেই সময়ত পঢ়িবলৈ সুবিধা পাইছিল। সেই পৰিৱেশতো ছাত্ৰীসকলে স্বাধীনতা সংগ্ৰামৰ কাৰ্যসূচীবোৰত অংশগ্ৰহণ কৰিছিল। ১৯৩০ চনত ভগৎ সিঙৰ মৃত্যুদণ্ড হৈছিল। ইয়াৰ বাবে দেশজুৰি অসন্তুষ্টিৰ জুই জ্বলিছিল। সেই সময়ত গুৱাহাটীৰ পাণবজাৰ ছোৱালী হাইস্কুলৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা আছিল পুষ্পলতা দাস। ভগৎ সিঙৰ মৃত্যুদণ্ডত দেশজুৰি হোৱা প্ৰতিবাদত পুষ্পলতাৰ নেতৃত্বত পাণবজাৰ ছোৱালী হাইস্কুলৰ ছাত্ৰীসকলেও যোগ দিবলৈ আগবাঢ়ি আহিছিল। ছাত্ৰসকলে স্কুল চৌহদতে পিকেটিং কৰিছিল। ছাত্ৰীসকলে এই সংগ্ৰামত নামি পৰাত চৰকাৰে সহ্য কৰিব পৰা নাছিল। পুষ্পলতাই এই সংগ্ৰামৰ নেতৃত্ব দিয়াৰ বাবে তেওঁক স্কুলৰ পৰা বহিষ্কাৰ কৰিছিল। পুষ্পলতাৰ এনে সাহস দেখি চৰকাৰে পুষ্পলতাৰ মাক স্বৰ্ণপ্ৰভা

শইকীয়াক জনালে যে যদিহে তেওঁৰ ছোৱালীক স্কুলত পঢ়িবলৈ দিব লাগে, তেতিয়া হ'লে পুষ্পলতাই স্কুল কর্তৃপক্ষৰ লগত ভাল আচৰণ কৰিব লাগিব আৰু কোনো ৰাজনৈতিক কার্যকলাপত জড়িত নাথাকিব বুলি মাক হিচাপে তেওঁ এটা লিখিত প্রতিশ্রুতি চৰকাৰক দিব লাগিব। কিন্তু পুষ্পলতাৰ মাকে চৰকাৰৰ এই প্রস্তাৱ মানি নল'লে। পুষ্পলতাই মাকৰ পৰাই দেশপ্রেমৰ প্রেৰণা পাইছিল। কাৰণ পুষ্পলতাৰ মাক সেই সময়ৰ এগৰাকী প্রগতিশীল নাৰী আছিল। ১৯৩০ চনৰ পৰা ১৯৩৪ চনলৈকে পুষ্পলতাৰ মাক কামৰূপ মহিলা সমিতিৰ সম্পাদিকা হৈ আছিল। সেই সময়তে তেওঁ ভাৰতবর্ষৰ বেলেগ বেলেগ ঠাইৰ পৰা 'বেণু'কে ধৰি কিছুমান সংগ্রামধর্মী আলোচনী সংগ্রহ কৰিছিল। পুষ্পলতাই সেই আলোচনীবোৰ পঢ়িও স্বাধীনতা সংগ্রামৰ প্রতি আকৃষ্ট হৈছিল। সৰুৰে পৰা পুষ্পলতাই যি পৰিৱেশ পাইছিল, সেয়াই তেওঁক দেশসেৱাৰ প্রতি অনুপ্রাণিত কৰিছিল। ছয় বছৰ বয়সতে পুষ্পলতাক মাকে 'বানৰ সেনা'ত ভর্তি কৰি দিছিল। স্কুলৰ পৰা ওলায়ে লগৰ সমনীয়া লগত লৈ 'মুক্তি সংঘ' নামেৰে এটা সংঘ খুলিছিল। সেই সংঘৰ সদস্যাসকল স্বাধীনতা লাভৰ বাবে যিকোনোধৰণৰ ত্যাগ স্বীকাৰ কৰিবলৈ আগবাঢ়ি আহিছিল। পোন্ধৰ বছৰ বয়সতে পুষ্পলতাই আনুষ্ঠানিক শিক্ষা বাদ দিও ঘৰুৱা শিক্ষাৰ তত্ত্বাৱধানত প্রৱেশিকা পৰীক্ষা দি উত্তীর্ণ হৈছিল। তেওঁ অন্ধ্র বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্রী লাভ কৰি ১৯৩৯ চনত অসমলৈ ঘূৰি আহিছিল। তেওঁ আইন পঢ়িবলৈ ইচ্ছা কৰি কলেজত নাম লগায়ো ভাৰতৰ স্বাধীনতা আন্দোলনত নামি পৰা বাবে আইনৰ ডিগ্রী ল'ব নোৱাৰিলে।

ভাৰতৰ স্বাধীনতা আন্দোলনত নামি পুষ্পলতাই কাৰাবাস খাতিবলগা হৈছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত জড়িত হৈ থাকোঁতেই তেওঁৰ লোকনায়ক অমিয় কুমাৰ দাসৰ লগত চিনাকি হৈ শেষত দুয়োৰো বিবাহ সম্পন্ন হয়। বিবাহৰ পিছতো দুয়ো আগৰ দৰে দেশৰ স্বাধীনতা আন্দোলনত সক্রিয় হৈ জড়িত আছিল। তেওঁলোকৰ এটি একমাত্র কন্যা সন্তান জন্ম হয়। পুষ্পলতা শইকীয়া বিবাহৰ পিছত পুষ্পলতা দাস হিচাপে পৰিচিত হয়। তেওঁ যিটো পৰিয়ালত জন্ম হৈছিল, সেই পৰিয়ালত এটি বিপ্লৱী ঐতিহ্য আছিল। কাৰণ তেওঁৰ মাক স্বর্ণলতা ভাৰতৰ স্বাধীনতা সংগ্রামৰ এগৰাকী কর্মনিষ্ঠা ৰণুৱা আছিল। পুষ্পলতাই আনকি খাদী প্রচলন অভিযানত যোগ দি দেশৰ স্বাধীনতা সংগ্রামত অংশ গ্রহণ কৰিবলৈ আগবাঢ়ি আহিছিল। তেওঁ 'শান্তি বাহিনী আৰু মুক্তি বাহিনী' দল গঠন কৰিছিল। ইয়াৰ বাবে তেওঁ জে'ললৈও যাবলগাত পৰিছিল। ভাৰতবাসীৰ অনেক ত্যাগৰ পিছত ভাৰত স্বাধীন হ'ল।

স্বাধীন ভাৰতত পুষ্পলতা দাসে দুবাৰকৈ ৰাজ্য সভাৰ সদস্যা হৈছিল। তেওঁ কংগ্রেছ ৱৰ্কিং কমিটীতো সদস্যা হ'বলৈ আগবাঢ়ি আহিছিল। দেশৰ সকলো সমস্যাতে পুষ্পলতা দাসে সমাজৰ কাম কৰিবলৈ আনন্দৰে ওলাই আহিছিল। ১৯৬০ চনত ভাষা আন্দোলন আৰু ১৯৬২ চনৰ চীনা আক্রমণৰ সময়ত তেওঁ অসমৰ জনসাধাৰণৰ মাজত সোমাই পৰিছিল।

তদুপৰি পুষ্পলতা দসে সৰুৰে পৰা সাহিত্যচৰ্চা কৰিছিল। তেওঁ 'বাঁহী', 'অসম সেৱক', 'জয়ন্তী', 'নৱযুগ', 'নতুন অসমীয়া', 'অসম বাণী' আদিত অলেখ প্রবন্ধ, জীৱনী আদি প্রকাশ কৰি তেওঁৰ সাহিত্য প্রতিভাৰ চিনাকি দাঙি ধৰিছিল।

পুষ্পলতা দাস এগৰাকী সুবক্তাও আছিল। সভাত সুবক্তৃতা দিব পাৰিছিল। ৰাজনীতিবিদ হৈ তেওঁ দেশৰ ৰাজনীতিত সোমাই দেশৰ বাবে কাম কৰিছিল। দেশ আৰু সমাজৰ কাম কৰা এইগৰাকী বিশিষ্ট সমাজসেৱিকা ২০০৩ চনৰ ৯ নৱেম্বৰত ইললীলা ত্যাগ কৰি চিৰশান্তি লাভ কৰিলে। তেওঁ এগৰাকী আদৰ্শনীয় বিশিষ্টা সমাজসেৱিকা আৰু মহীয়সী নাৰী হিচাপে অসমীয়া সমাজত সদায় চিৰস্মৰণীয় হৈ ৰ'ব।□

মাতৃ সুৰবালা বৰদলৈ

সুৰবালা বৰদলৈৰ জন্ম হৈছিল ১৯০৫ চনৰ ২৪ জুলাইত। তেওঁৰ জন্মস্থান আছিল উত্তৰ গুৱাহাটীৰ মধ্যখণ্ডত। সুৰবালা বৰদলৈৰ পিতৃৰ নাম আছিল ভুমিকান্ত মজিন্দাৰ বৰুৱা আৰু মাতৃৰ নাম বিবিকা দেৱী। তেওঁলোকৰ একমাত্ৰ কন্যা সন্তান আছিল সুৰবালাই। চাৰিজন জ্যেষ্ঠ ভাতৃৰ লগত উমলি-জামলি ডাঙৰ-দীঘল হৈছিল তেওঁ। ককায়েককেইজনৰ অতি মৰমৰ ভগ্নী আছিল সুৰবালা।

সৰুৰে পৰা তেওঁ সহজ-সৰল আৰু অতি নম্ৰ আছিল। সেয়েহে সকলো ডাঙৰ-সৰু আৰু সমনীয়াৰ লগত তেওঁ সদায় মিলিজুলি চলিব পাৰিছিল। সুৰবালা সৰুৰে পৰা বৰ মৰমীয়াল আছিল। সৰুৰে পৰা ঘৰুৱা কামকাজ শিকিবলৈ ভাল পাইছিল। মাকক ঘৰৰ কামত সহায় কৰি দি তেওঁ আনন্দিত হৈছিল। সেই সময়ত কন্যা সন্তানসকলৰ পঢ়া-শুনাৰ সুবিধা নথকাৰ বাবে সুৰবালাই ঘৰতে পঢ়া-শুনা কৰিছিল। মাকৰ লগত সুতা কটা, কাপোৰ বোৱা আদি কামো তেওঁ শিকি ভাল পাইছিল। ঘৰখনৰ সকলোৰে মাজত আটোলটোলকৈ ডাঙৰ হৈ তেওঁ লাহে লাহে বিয়াৰ বয়সত ভৰি দিয়ে।সেয়েহে তেওঁক মাক-দেউতাকে ১৪ বছৰ বয়সত গোপীনাথ বৰদলৈলৈ বিয়া দিয়ে।

বিয়াৰ পিছত তেওঁ এগৰাকী সুগৃহিণী অৰু আদৰ্শ পত্নী হ'ব পাৰিছিল। লাহে লাহে তেওঁ চাৰিজন পুত্ৰ আৰু পাঁচগৰাকী কন্যা সন্তানৰ মাতৃ হয়। গোটেইকেইটি সন্তানক তেওঁ সুশিক্ষাৰে গঢ়ি তুলিছিল। সেইবাবে তেওঁ এগৰাকী সুমাতৃ হিচাপে প্ৰতিস্থিত হ'ব পাৰিছিল। তদুপৰি তেওঁ স্বামী গোপীনাথ বৰদলৈৰ অৰ্ধাংগী হৈ স্বামীৰ সমাজধৰ্ম, স্বাধীনতা সংগ্ৰাম তথা ৰাজনৈতিক জীৱনৰ প্ৰতিটো খোজতে

খোজ মিলাই জীৱনৰ সকলো কামতেই আগবাঢ়ি যাবলৈ সক্ষম হৈছিল।

সুৰবালাই ঘৰৰ সকলো কামৰ দায়িত্ব অকণো আৰ নলগাকৈ চম্ভালিব পাৰিছিল। স্বাধীনতা আনন্দোলনৰ সময়ত শ শ মুক্তি যুঁজাৰুক নিজৰ ঘৰত নিজ হাতে হাঁহি হাঁহি ৰান্ধি-বাঢ়ি খুৱাই স্বামীক দেশৰ কামত সহায় কৰিছিল। তদুপৰি দেশৰ স্বাধীনতা আন্দোলনত তেওঁ অংশগ্ৰহণ কৰি কাৰাবাস খাটিব লগা হৈছিল। ঘৰুৱা কামৰ মাজতে তেওঁ হিন্দী আৰু ইংৰাজী ভাষা শিকিবলৈ সময় উলিয়াইছিল। সুৰবালা দেৱীৰ ঘৰখন আলহীৰে সদায় ভৰি আছিল। সেইসকলক সা-শুশ্ৰুষা কৰিছিল তেওঁ নিজ হাতেৰে। তেওঁ প্ৰাতঃস্মৰণ কৰাৰ পিছত ঘৰৰ গোটেই পৰিয়ালক চাহ-জলপানেৰে আপ্যায়িত কৰি আনন্দ লভিছিল। এইগৰাকী পতিব্ৰতা নাৰীয়ে স্বামীৰ দুখত দুখী আৰু সুখত সুখী হৈ জীৱনৰ কৰ্তব্যত আগবাঢ়ি গৈছিল।

স্বাধীনতা আন্দোলনৰ সময়ত তেওঁৰ স্বামী গোপীনাথ বৰদলৈ কাৰাগাৰত থকাতে গোটেই ঘৰখন তেওঁ অকলেই চম্ভালিছিল। ঘৰখন চলোৱাত আৰ্থিক ক্ষেত্ৰত যথেষ্ট অসুবিধা হৈছিল যদিও তেওঁ সকলো দুখ -কষ্ট সহজভাৱে গ্ৰহণ কৰিছিল। তেওঁৰ স্বামীয়ে কাৰাগাৰত থাকোঁতে কটা কপাহী সূতাৰে ঘৰৰ তাঁতশালত কাপোৰ বৈ নিজেও পিন্ধিছিল, ল'ৰা-ছোৱালীকো পিন্ধাইছিল। আনকি সূতাৰে কপোৰ বৈ কাৰাগাৰলৈ স্বামীৰ বাবেও পঠিয়াইছিল। এই কৰ্মই সুৰবালা দেৱীৰ কৰ্মনিষ্ঠা আৰু সময়নিষ্ঠাৰ প্ৰমাণ দিয়ে। স্বাধীনতা আন্দোলনত নানান কষ্ট কৰি ভাৰতে স্বাধীনতা লাভ কৰিলে। এই স্বাধীনতা আন্দোলনত সুৰবালাই তেওঁৰ স্বামী গোপীনাথ বৰদলৈক যি প্ৰেৰণা যোগাইছিল, সেই প্ৰেৰণাই তেওঁৰ স্বামী গোপীনাথ বৰদলৈক 'লোকপ্ৰিয়' কৰি তুলিবলৈ সক্ষম হৈছিল। তেওঁৰ উৎসাহ আৰু মনোবলতেই গোপীনাথ বৰদলৈয়ে নিঃস্বাৰ্থভাৱে দেশৰ বাবে কাম কৰিবলৈ আগবাঢ়ি আহিবলৈ উৎসাহিত হৈছিল।

কিন্তু মানুহৰ জীৱনলৈ নানান ঘাত- প্ৰতিঘাত অহাৰ দৰে সুৰবালাৰ জীৱনলৈও বহুতো ঘাত-প্ৰতিঘাত আহিল। হঠাৎ ১৯৫০ চনৰ ৫ আগষ্ট তাৰিখে তেওঁৰ স্বামী অসমৰ প্ৰথমজন প্ৰধানমন্ত্ৰী (সেই সময়ৰ মুখ্যমন্ত্ৰী) লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পৰলোকপ্ৰাপ্তি ঘটে। সেই সময়ত তেওঁ অকলেই পৰিয়ালৰ সকলো ব্যৱস্থা চম্ভালিব লগা হৈছিল। সৰু সৰু ল'ৰা-ছোৱালীকেইটাক বুকুৰ মৰমেৰে আদৰ্শৰে জীপাল কৰি তুলিছিল। সেইবাবেই তেওঁৰ পুত্ৰকেইজন সুপুত্ৰ আৰু কন্যাকেইগৰাকীক সুকন্যা কৰি গঢ়ি তুলিব পাৰিছিল। সুৰবালা আছিল ধৈৰ্য্যৰ প্ৰতীক। সেয়েহে সুৰবালাই ১৯৮০ চনত নিজৰ জ্যেষ্ঠ পুত্ৰক আৰু

কিছুদিনৰ পিছত কনিষ্ঠা কন্যাক হেৰুৱাই সাংসাৰিক সুখ-দুখত নিৰ্লিপ্ত হৈ স্থিতপ্ৰজ্ঞৰ দৰে থাকিব পাৰিছিল। আনকি সময়ৰ গতিত তেওঁ জ্যেষ্ঠ পুত্ৰ, কনিষ্ঠা কন্যা, চাৰিজনকৈ জোঁৱাই, নাতি, নাতি জোঁৱাই আদি হেৰুৱাই দুখতো অনুদ্বিগ্নমনা আৰু সুখতো নিস্পৃহ হৈ আছিল। তেওঁ আসক্তি, ভয়, ক্ৰোধ আদি সকলো সহজে ল'ব পাৰিছিল। সেই কাৰণে বিপদৰ সময়ত তেওঁ ধৈৰ্য্য নেহেৰুৱাই হাঁহি মুখে থাকিব পাৰিছিল। সুৰবালাই স্থিতপ্ৰজ্ঞৰ সকলো গুণ আয়ত্ত কৰি জীৱনৰ দুখ-কষ্ট সকলো সহজভাৱে গ্ৰহণ কৰিব পৰাটো তেওঁৰ আটাইতকৈ ডাঙৰ গুণ আছিল। তদুপৰি এইগৰাকী মহিলাৰ স্মৃতিশক্তি আছিল অতি প্ৰখৰ। এখন ব্যস্ত ঘৰত ইমানবোৰ ল'ৰা-ছোৱালী, নাতি-পুতিৰে ভৰপুৰ সংসাৰৰ মাজত থাকিও সকলো মানুহৰে নাম-ধাম-কাম আদিৰ কথা তেওঁ ভালদৰে মনত ৰাখিছিল। সৰুৰে পৰা তেওঁৰ চেহেৰা আছিল অতি ধুনীয়া। গাখীৰত সেন্দূৰ মিহলোৱাৰ নিচিনা তেওঁৰ গাৰ বৰণ আছিল। সেই সৌন্দৰ্যৰ লগতে তেওঁৰ মুখত সদায় এটি মিঠা হাঁহি লাগি থাকিছিল। সেই মিঠা হাঁহিৰে তেওঁ সকলোকে আপোনভাৱেৰে সম্ভাষণ জনাইছিল।

স্বামীৰ পৰম অমুগামী এইগৰাকী মহিলাই জীৱনৰ প্ৰতি খোজতে গোপাল কৃষ্ণৰ চৰণত অটল বিশ্বাস ৰাখি চলিছিল। তেওঁ মহাত্মা গান্ধী, বিনোৱাজী, কস্তুৰবা গান্ধী আদিৰ আদৰ্শক আদিগত কৰি নিছলা-দুখীয়া, হৰিজনসকলক সেৱা কৰি আনন্দিত হৈছিল। ১৯৯৬ চনত গুৱাহাটীত তেওঁৰ স্বামী প্ৰয়াত গোপীনাথ বৰদলৈৰ নামকৰণেৰে থকা যক্ষ্মা ৰোগীৰ হস্পিটাললৈ নিজ চকুৰে এবাৰ বুজ ল'বলৈ গৈছিল। এই হস্পিটালখনলৈ নানান ঠাইৰ দুখীয়া ৰোগীসকল আহে; কিন্তু দিনকদিনে এই হস্পিটালখনৰ শোচনীয় অৱস্থাত পৰিণত হোৱা নিজ চকুৰে দেখা পাই তেওঁ সেই সময়ৰ এজন চেণ্ট্ৰেল মিনিষ্টাৰলৈ এখন পত্ৰ লিখি জনায়— 'মোৰ স্বামী প্ৰয়াত গোপীনাথ বৰদলৈৰ নামৰ যক্ষ্মা হস্পিটালখনত সুচিকিৎসা, ঔষধ-পাতিৰ সকলোখিনি সুবিধা কৰি দিব লাগে। ইয়াৰ সৰ্বাংগসুন্দৰ সুবিধাৰ ব্যৱস্থাৰ অতিশীঘ্ৰে দায়িত্ব ল'ব বুলি মই আশা ৰাখিলো। মই নিজ চকুৰে হস্পিটালৰ অৱস্থা চাই আহি অতি দুখ পালো।' এই পত্ৰখনৰ পৰা সুৰবালাৰ ব্যক্তিত্ব ভালদৰে প্ৰকাশ পাইছে। এইগৰাকী মহিলাই সদায় সৎ কথাত মাত মাতি আহিছে। আজীৱন মহামানৱ মহাত্মা গান্ধীৰ গান্ধীবাদী আদৰ্শৰে অনুপ্ৰাণিত হৈছিল সুৰবালা দেৱী। সেয়েহে খাদী বস্ত্ৰ পৰিধান কৰি জীৱনৰ অন্তিম সময়লৈকে কস্তুৰবা আশ্ৰম, হৰিজন সংঘৰ মহিলা সমিতিৰ লগত জড়িত থাকি তেওঁ ভাল পাইছিল। তেওঁৰ মৰমসনা মাতষাৰেই আছিল সমাজৰ দলিত-দুখীয়া-নিছলা, প্ৰাপ্যৰ পৰা

বঞ্চিতসকলৰ বাবে জীয়াই থকাৰ আশাৰ বাণী। কলা-সংস্কৃতিৰ উপাসনা অধ্যয়ন আৰু ধৰ্মীয় বিশ্বাসেই আছিল তেওঁৰ জীৱনৰ ব্ৰত।

নাৰী মৰ্যাদা অক্ষুণ্ণ ৰখা আৰু কন্যা সন্তানৰ শিক্ষা, স্বাস্থ্য আৰু ভৱিষ্যৎ উন্নতিৰ কাৰণে তেওঁ ওৰেটো জীৱন সুস্থ চিন্তাৰে কাম কৰি যাবলৈ সক্ষম হৈছিল। তদুপৰি তেওঁ এক সহজ-সৰল অনাড়ম্বৰ জীৱন যাপন কৰি পুত্ৰ-কন্যা, নাতি-নাতিনী আৰু আনকো অনুপ্ৰাণিত কৰিছিল। স্বকীয় বৈশিষ্ট্যৰে তেওঁ নিজৰ ভৱিষ্যতৰ পথত সৎভাৱে, সৎ চিন্তাৰে আগবাঢ়ি গৈছিল।

সুৰবালা দেৱীৰ জাগতিক দিশতো আছিল ঘাত -প্ৰতিঘাত, জয়-পৰাজয় আৰু সুখ-দুখৰ প্ৰতীক। সেয়েহে তেওঁ আনক বুজিবলৈ নিদি হাঁহিৰে, সংযমেৰে নীৰৱে সকলো ঘাত-প্ৰতিঘাত সহ্য কৰি গৈছিল। তেওঁক দেখিলে কোনেও তেওঁৰ মনত থকা ঘাত-প্ৰতিঘাতৰ কথা অনুভৱ কৰিব পৰা নোৱাৰিছিল।

ভাৰতৰত্ন, স্বাধীন ভাৰতৰ, অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী (মুখ্যমন্ত্ৰী) লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ সহধৰ্মিণী সুৰবালা দেৱী অসমৰ যুগজয়ী মহীয়সী মাতৃসকলৰ ভিতৰত এগৰাকী অন্যতম মাতৃ আছিল। সকলোৱে তেওঁক নিজৰ মাতৃৰ দৰে শ্ৰদ্ধা আৰু সন্মান কৰিছিল। এই গৰাকী মৰমীয়াল মাতৃয়ে ৯৮টা বছৰ সম্পূৰ্ণ কৰি ২০০৮ চনৰ ২৪ আগষ্টত শেষ নিশ্বাস ত্যাগ কৰে। এইগৰাকী সুৰবালা দেৱী অসমৰ মাতৃসকলৰ বাবে সদায় আদৰণীয় হৈ ৰ'ব। ❑



জয়দৌলৰ দেৱালত খোদিত জয়মতী

ছহিদ কনকলতা বৰুৱা



ভোগেশ্বৰী ফুকননী



গুণেশ্বৰী দেৱী



নগাৰাণী গাইদালু



চন্দ্ৰপ্ৰভা শইকীয়ানী

নলিনীবালা দেৱী



সত্যাগ্ৰহ কৰিবলৈ যাওঁতে পুষ্পলতা দাস

পুষ্পলতা দাস



অমলপ্রভা দাস



পদ্মকুমাৰী গোহাঁই



ইন্দিৰা মিৰি

ৰাজবালা দাস

সুৰবালা বৰদলৈ